নামনি অসমৰ মধ্যশ্ৰেণী

অনিল ৰায়চৌধুৰী

বৰুৱা এজেন্সি
গুৱাহাটী-১

Namoni Asomor Madhyashrenee :

A scholastic book on socio-economic history of Assamese Middle Class Society of the lower Assam of the Pre-British and British period, written by Shree Anil Roychoudhury, a social worker and published by BARUA AGENCY, GUWAHATI-1

প্ৰকাশক ঃ

বৰুৱা এজেন্সি

দীঘলী পুখুৰী পাৰ

গুৱাহাটী-১

পৰিবৰ্ধিত সংস্কৰণ ঃ

আগষ্ট, ২০০৪ চন

মূল্য ঃ আশী টকা

ছপাশাল ঃ

বৰুৱা প্ৰেছ

দীঘলী পুখুৰী পাৰ

গুৱাহাটী

উৎসৰ্গা

এই পুথিখন মোৰ অনুজ সহোদৰ প্ৰয়াত হেমন্ত কুমাৰ ৰায়চৌধূৰীৰ (জন্ম ১লা জানুৱাৰী ১৯৩০—মৃত্যু ৬ চেপ্টেম্বৰ ১৯৯৭ ইং) পুণ্যস্মৃতিৰ উৎসৰ্গা কৰা হ'ল।

অনিল ৰায় চৌধুৰী

নিবেদন

এই পুথিখন প্ৰস্তুত কৰোতে বিভিন্নজনে বিভিন্ন প্ৰকাৰে মোক সহায় আৰু উৎসাহিত কৰিছে।

সেই সকল—যথা শ্ৰীযুত কমলানন্দ বৰদলৈ ; শ্ৰীযুত মিহিৰ চন্দ্ৰ দেউৰী ; (সাংবাদিক) ; শ্ৰীযুত বদন চন্দ্ৰ বৰুৱা ; শ্ৰীযুত মুকুট ভট্টাচাৰ্য্য ; শীলভদ্ৰ, (শ্ৰীযুত ৰেৱতীমোহন দত্তচৌধুৰী) শ্ৰীযুত খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা ; নতুন সাহিত্য পৰিষদৰ সহকৰ্মী সকল ; আৰু প্ৰেষক ছপাশালৰ কৰ্মীবৃন্দলৈ কৃতজ্ঞতা ৰ'ল।

শ্ৰদ্ধেয় ৺ অমলেন্দু গুহ, আৰু ৺হীৰেণ গোহাঁইয়ে নিজৰ অমূল্য সময় ব্যয় কৰি—মোক মূল্যবান পৰামৰ্শ দিছে। তাৰ বাবে মই কৃতজ্ঞ।

শ্ৰীবিপুল খাটনিয়াৰ, শ্ৰীপৰমানন্দ মজুমদাৰ আৰু ইছমাইল হোছেইন (কয়াকুছি), শ্ৰীমান ৰবিজ্যোতি ডেকা আদি বন্ধুসকলে দুষ্প্ৰাপ্য পুথি আৰু সা-সন্দেদ যোগাইছে। এখেত সকললৈ মোৰ প্ৰীতি আৰু কৃতজ্ঞতা ৰ'ল।

শ্ৰদ্ধেয় প্ৰয়াত ৺ সূৰ্য্যকুমাৰ ভূঞাৰ পৰিয়াল ; ৰামৰায় স্মৃতি সমিতিৰ কৰ্মকৰ্ত্তা সকল, আৰু বন্ধুবৰ শ্ৰীযুত ধনীৰাম বেজে—তেখেতসকলৰ হাতত থকা মূল্যবান তথ্য আদি ব্যৱহাৰ কৰিবলৈ দিছে। তাৰ বাবে কৃতজ্ঞতা জনালোঁ।

৺ প্ৰফুল্ল মহন্তৰ "অসমৰ মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস" পুথিখনৰ বিষয়ে কথা হওতে শ্ৰীযুত হোমেন বৰগোহাঞিয়ে মোক এটা সমালোচনা লিখাৰ কথা কৈছিল। তাকে কৰিবলৈ লওঁতে—বৰ্ত্তমান পুথিখনৰ সূত্ৰপাত হয়, অন্যথায় মোৰ লেখাই নহলহেঁতেন। সেয়েহে এই আপাহতে তেখেতলৈ মোৰ ধন্যবাদ যাচিলোঁ। ইতি—

১ লা ১৯৯৮ ইং

জগৎপ্ৰিয়া ভৱন
নৰগিৰি পথ
চান্দমাৰী, গুৱাহাটী-৩

শ্ৰীঅনিলৰায়চৌধুৰী

এক

মুখপাত

আদিবাসী, আৰু অতীতৰ আৰম্ভমান কালৰে পৰা বিভিন্ন সময়ত প্ৰব্ৰজন কৰি আহি নিগাজীকৈ বসবাস কৰা অভিবাসী-অধিবাসীৰে অসমৰ জনসমাজ গঢ় লৈ উঠিছে। অসমৰ ইতিহাস মানেই হ'ল এই সমাজখনৰ ইতিহাস।

বাৰে-ৰঙৰ বাৰে-বিধৰ ফুলৰ পাহিৰে জাতিস্কাৰ ফুলনিখনৰ দৰে অসমৰ জনসমাজত বেলেগ বেলেগ ভাষা, সংস্কৃতি, ধৰ্ম, ঐতিহ্য আৰু পৰম্পৰা আছে। নৃগোষ্ঠীও বেলেগ বেলেগ আছে। গোষ্ঠীগত দ্বন্দ্ব আৰু ইটোৰ লগত সিটোৰ প্ৰতিদ্বন্দ্বিতাও আছে। আনহাতে সংহতি আৰু সমন্বয়ৰ এনাজৰীয়ে অসমৰ জনসমাজখন আটি বান্ধি ৰাখিছে। সময়ৰ লগে লগে কিছুমান গোষ্ঠীয়ে সমন্বয় আৰু সংহতিৰ মাজেদি আনৰ লগত মিলি মিহলি হৈ গৈছে। স্বকীয়া স্বকীয়া নৃগোষ্ঠীবোৰ একেলগে মিহলি হৈ গুণগতভাৱে ভাষা-সংস্কৃতিৰ দিশত এটা নতুন জনগোষ্ঠীৰ সৃষ্টি হৈছে।

আনহাতে সমগ্ৰ জনসমাজত বিভিন্ন শ্ৰেণী আছে। শাসকৰ সহায়ক, শাসিত, শোষক, শোষিত, শ্ৰমকাৰী, পৰশ্ৰমজীৱি, উচ্চ মধ্য, মজলীয়া আৰু নিম্নশ্ৰেণীৰ লোক আছে। এইবোৰৰ ভিত্তি হ'ল আৰ্থ-সমাজিক। এইবোৰৰ প্ৰতিটোৰ ইটোৰ লগত সিটোৰ দ্বন্দ্ব আছে। মাজে মাজে মৈত্ৰীও আছে। সকলো সময়তে সকলোৰে ভূমিকাও একে নহয়।

ঘটনাৱলী লক্ষ্য কৰিলে দেখা যায় যে জনসাধাৰণ তথা সৰহভাগ অধিবাসীৰ মাজৰ সমন্বয় আৰু সংহতিৰ, বিভেদ আৰু বিৰোধৰ সৰহ আৰু ব্যাপক ভূমিকা গ্ৰহণ কৰি আহিছে মধ্যশ্ৰেণীটোৱে।

মজলীয়া শ্ৰেণী বুলিলেও ইয়াৰ ভূমিকা সদায় একে ধৰণৰ নহয়। এই শ্ৰেণীটোৰ মাজতো অন্তৰ্দ্বন্দ্ব ব্যাপক। কিছুমানে যিদৰে শাসকসকলৰ

পালি আৰু বহতীয়াৰ ভূমিকা লয়—তেনেদৰে কিছুমানে আকৌ শাসিত-শোষিতৰ পক্ষ লৈ শাসকৰ বিৰুদ্ধে থিয় দিয়ে। ভেদবাদী বিৰোধ কিম্বা ঐক্যস্থাপনৰ ক্ষেত্ৰত; বিভিন্ন ধৰণৰ ধাৰণা বা চেতনাক জনসমাজত বিয়পোৱাৰক্ষেত্ৰত; এই শ্ৰেণীটোৰ ভূমিকা বৈচিত্ৰ্যপূৰ্ণ। এই শ্ৰেণীৰ মাজতে প্ৰতি দ্বন্দ্বিতা, দ্বন্দ্ব যিদৰে আছে তেনেদৰে জনসমাজক একে লগ কৰা শক্তিও আছে।

অৰ্থনৈতিক ক্ষেত্ৰত এই মজলীয়া শ্ৰেণীটোক মধ্যবিত্ত বোলা হয়। ইয়াক সামাজিক দিশত মধ্যশ্ৰেণী বোলাই সংগত হব। কিন্তু আজিৰ সমাজ-খনৰ চালিকা আৰু নিয়ামক শক্তিটো অৰ্থনীতিয়েই হৈ পৰাত মধ্যশ্ৰেণী আৰু মধ্যবিত্ত শ্ৰেণী সমাৰ্থক হৈ পৰিছে।

সামন্তবাদী ভাৰতীয় সমাজ ব্যৱস্থাত (য'ত জাতিভেদ আদি প্ৰথা আছে) একালত মধ্যশ্ৰেণী আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজত পাৰ্থক্য বিচাৰি পোৱা গ'লেও এতিয়াৰ অৰ্দ্ধসামন্তবাদী-পুঁজিবাদী সমাজ ব্যৱস্থাত এনে পাৰ্থক্য কমি আহিছে আৰু ভাৰতীয় সমাজ সম্পূৰ্ণভাৱে পুঁজিবাদী ব্যৱস্থাত পৰিণত হ'লে মধ্যশ্ৰেণী বুলিলেও মধ্যবিত্ত শ্ৰেণীটোকেই বুজা যাব।

দেশ বা সমাজৰ ব্যাপক বহুল স্বাৰ্থৰ ভিত্তিত সমন্বয়-সংহতিৰ তথা ঐক্যৰ বাতাবৰণৰ আৰু তাৰ বিপৰীতে সংকীৰ্ণ স্বাৰ্থৰ ভিত্তিত ভেদবাদ আৰু অশান্তিৰ সৃষ্টি হোৱা ক্ষেত্ৰত এই মধ্যশ্ৰেণীটোৱে ব্যাপক ভূমিকা লৈ আহিছে।

অসমৰ ক্ষেত্ৰত এই শ্ৰেণীৰ বিকাশ, গতি সলনি আৰু বিভিন্ন ভূমিকাৰ বিষয়ে খৰচি মাৰি নিৰ্মোহ তথা বস্তুতথ্য ভিত্তিক বিচাৰ বিশ্লেষণ আৰু অধ্যয়ন তথা গৱেষণাৰ কাম অতিশয় গুৰুত্বপূৰ্ণ। এই কাম সমাজ অধ্যয়নৰ বাবে অতি প্ৰয়োজনীয়—কিন্তু ই কঠিন আৰু কষ্টসাধ্য।

এই কামটো নিয়াৰিকৈ কৰিব পাৰিলে অসমৰ জনসমাজৰ অতীতক আৰু ভালদৰে বুজিব পৰা যাব। অতীত আৰু বৰ্তমানৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনীতি সম্পৰ্কত বিভিন্ন সময়ত ঘটা

ঘটনাৰাজিক যথাযথভাবে নাজানিলে ভবিষ্যত সম্পৰ্কে সঠিক অনুমান কৰিব পৰা নাযায়।

উঠি অহা বুদ্ধিজীৱীসকলৰ এটা চামে মধ্যশ্ৰেণী তথা মধ্যবিত্তৰ সামাজিক গুৰুত্ব উপলব্ধি কৰি এই শ্ৰেণীৰ উদ্ভৱ, বিকাশ, গতি প্ৰকৃতি সম্পৰ্কে গবেষণা-চৰ্চাৰ পিনে মনোযোগ দিবলৈ ধৰিছে।

তাহানি ১৯৬৮-৬৯ ইং চনত সাহিত্যৰথী বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকীৰ সময়ত অসমৰ আধুনিক মধ্যশ্ৰেণীৰ সাহিত্য সংস্কৃতিৰ নেতাসকলৰ গতি প্ৰকৃতি তথা ভূমিকা বুজিবলৈ হাবিয়াস কৰি এই বিষয়ত অলপ চৰ্চা কৰিছিলোঁ। "অসমীয়া ভাষাৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা" নামক নিবন্ধ এটা লিখিছিলো (তৎকালীন মাহেকীয়া আলোচনী—'অসমীয়া', ১৯৬৯ ইং চনৰ ২য় বছৰ ৪ৰ্থ সংখ্যাত প্ৰকাশিত)। এই চৰ্চাৰ সময়ত মধ্যশ্ৰেণীৰ ভূমিকাৰ বৈচিত্ৰ্য আৰু গুৰুত্ব অনুভৱ কৰি এই বিষয়টো নিবন্ধটোত চুই গৈছিলোঁ। সি একেবাৰে ইংগিতধৰ্মী আছিল আৰু ই বিষয়টোৰ (মধ্যশ্ৰেণীৰ ভূমিকা) ওপৰত নিৰ্দিষ্ট নাছিল।

কিছুদিন পিছত 'নতুন পৃথিবী' তিনিমহীয়া আলোচনীত পোনতে ড° হীৰেন গোহাঁইয়ে, লিথাৰ পিছত বিজনলাল চৌধুৰী, ড° গোবিন্দ প্ৰসাদ শৰ্মা আদিয়ে বিশেষ বিষয়টোৰ ওপৰত আলোচনাত অৱতীৰ্ণ হয়। ড° ৰমেশ চন্দ্ৰ কলিতাৰ "ভাৰতীয় স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা" শীৰ্ষক এলানি প্ৰবন্ধই (নতুন পৃথিবীত প্ৰকাশিত) বহুতো সাধাৰণভাৱে নজনা তথ্য পৰিবেশন কৰাৰ ফলত মূল বিষয়টোৰ আলোচনা আৰু ব্যাপক হয়। ড° অমলেন্দু গুহ, প্ৰসেনজিৎ চৌধুৰী, পৰমানন্দ মজুমদাৰ আদিৰ কেবাটাও মূল্যবান প্ৰবন্ধ আৰু পুথি আদিয়ে মূল বিষয়টোৰ ওপৰত আৰু আলোক সম্পাত কৰে।

১৯৬০ চনৰ ৰাজ্যভাষা আন্দোলন, ১৯৭২ চনৰ শিক্ষাৰ মাধ্যম আন্দোলন, আশীৰ দশকৰ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন, বড়ো, মিচিং আদি অসমৰ আদি-অসমীয়া জাতি আদিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন এইবোৰক উপলক্ষ্য কৰি গঢ় লোৱা ৰাজনৈতিক ধামখুমীয়া

আদিয়ে অসমৰ মধ্যশ্ৰেণী সম্পৰ্কে গভীৰ আৰু ব্যাপকভাৱে চিন্তা চৰ্চ্চা কৰিবলৈ বাধ্য কৰিছে।

নতুন সাহিত্য পৰিষদৰ (এটা ৰাজ্যভিত্তিক সাহিত্য সংগঠন) উদ্যোগত পতা কেইবাখনো আলোচনাচক্ৰত অসমৰ মধ্যশ্ৰেণীৰ উৎপত্তি, বিকাশ আৰু ভূমিকা সম্পৰ্কে আলোচনা হয় আৰু মোৰ তাত যোগ দিয়াৰ সৌভাগ্য হয়। বড়োৰ মধ্যশ্ৰেণী সম্পৰ্কে অধ্যাপক অনিল বড়ো, মিচিং মধ্যশ্ৰেণী সম্পৰ্কে অধ্যাপক বসন্ত কুমাৰ দলে, অসমৰ বঙালী ভাষী মধ্যশ্ৰেণী সম্পৰ্কে ড° সুভাষ সাহা আদিয়ে আগবঢ়োৱা আলোচনা আৰু তাৰ ওপৰত হোৱা প্ৰশ্নোত্তৰ আদি শুনাৰ সৌভাগ্য হৈছিল। বিভিন্ন দৈনিক, সাপ্তাহিক আৰু আলোচনীত মধ্যশ্ৰেণী বিষয়টো চুই যোৱা এটা-দুটা তথ্যমূলক প্ৰবন্ধও পঢ়িবলৈ পাইছোঁ। এই ক্ষেত্ৰত ড° ৰমেশ চন্দ্ৰ কলিতা, ড° ৰাজেন শইকীয়া, ড° মনোৰমা শৰ্ম্মা (বৰুৱা), ড° অপূৰ্ব কুমাৰ বৰুৱা আদিৰ লেখাবোৰ উল্লেখনীয়।

ড° হীৰেন গোহাঁইদেৱৰ পাতনি সমন্বিতে অধ্যাপক ড° প্ৰফুল্ল মহন্তৰ "অসমৰ মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস" নামৰ পুথিখনৰ কিছু সীমাবদ্ধতা সত্ত্বেও ই এই বিষয়ত এখন অৱশ্যে গুৰুত্বপূৰ্ণ পুথি। আনহাতে আগতে উল্লেখ কৰা ভাৰতৰ "স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা" (ড° ৰমেশ চন্দ্ৰ কলিতা); "ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান" (লক্ষ্মীনাথ তামুলী) পুথি দুখনেও এই বিষয়ত গুৰুত্ব বহন কৰিছে।

হৰকান্ত সদৰামীনৰ আত্মজীৱনী, গুণাভিৰাম বৰুৱাৰ আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনীকে ধৰি বিভিন্নজনে লিখা বিভিন্নজনৰ জীৱনী, ড° অমলেন্দু গুহৰ, ড° সূৰ্য্যকুমাৰ ভূঞাৰ আৰু ড° হেৰম্বকান্ত বৰপূজাৰীৰ গবেষণালব্ধ সমাজৰ ইতিবৃত্ত আদি আৰু বহু সুধীজনৰ ৰচনাৰ মাজৰপৰা তথা চৰকাৰী নথি-পত্ৰৰ মাজৰপৰা তথ্য বিচাৰি এই বিষয়টো সম্যক-ভাৱে উত্থাপন কৰাটো কষ্টসাধ্য আৰু সময় লগা কাম। এনে কামৰ আহি ড° অমলেন্দু গুহ, ড° হেৰম্বকান্ত বৰপূজাৰী, ড° সূৰ্য্যকুমাৰ ভূঞা, কেশৱনাৰায়ণ দত্ত আদিয়ে নিজ গৱেষণাৰ মাজেৰে দিছে।

অসম সম্পৰ্কে সংকুচিত তথা সীমিত ধাৰণাৰে আমাৰ পূৰ্বসূৰী অসমৰ বুৰঞ্জীবিদ, সংস্কৃতিবিদ, ভাষাবিদ, সাহিত্যবিদ, সমাজবিজ্ঞানী তথা বুদ্ধিজীৱী প্ৰভাবান্বিত হৈ থকা কাৰণে তেখেতসকলৰ ৰচিত পুথি-প্ৰবন্ধবোৰে পিছৰ চামকো প্ৰভাৱিত কৰি আহিছে। মুঠ কথাত কবলৈ গলে কামৰূপ আৰু দৰং সম্পৰ্কে যি বিচাৰ খোচাৰ হৈছে সি আধকৰা, গোৱালপাৰা সম্পৰ্কে এতিয়াহে দুই-এগৰাকীয়ে চকু দিছে। আৰু এই কেই খণ্ড অসমৰ অংশ তথা মামনি অসমৰ ওপৰত যথাযথ গুৰুত্ব দিয়া হোৱা নাই। ড° সূৰ্য্যকুমাৰ ভূঞাৰ 'Anglo Assamese Relations' পুথিখন আৰু ড° অমলেন্দু গুহৰ 'জমিদাৰকালীন গোৱালপাৰা জিলাৰ আৰ্থসামাজিক অৱস্থা: এটি ঐতিহাসিক দৃষ্টিপাত' পুথিখন এই দিশত অনন্য। এই দুখন পুথি এই ক্ষেত্ৰত ব্যতিক্ৰম।

সুৰমা-বৰাক উপত্যকা, খাচী-জয়ন্তীয়া পাহাৰ জিলা, গাৰো পাহাৰ জিলা, মিকিৰ আৰু উত্তৰ কাছাৰ জিলা, নগা পাহাৰ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিস্তীৰ্ণ অঞ্চলেই ব্ৰিটিছৰ দিনৰ ৰাজনৈতিক অসম হলেও সাংস্কৃতিক ভাবে অসমীয়া অঞ্চল ব্ৰহ্মপুত্ৰ উপত্যকাতেই আবদ্ধ আছিল। ব্ৰিটিছ অহাৰ আগতে আহোম ৰজাৰ অধীনত অসমখন তাতোকৈ সংকীৰ্ণ আছিল।

এই পুথিত আহোম-অসমৰ (আহোম ৰাজ্য) সৈতে ব্ৰিটিছ অসমৰ তুলনা দেখুৱাবলৈকে ড° সূৰ্য্যকুমাৰ ভূঞাৰ গবেষণা গ্ৰন্থ Anglo Assamese Relations (১৯৪৯ চনত প্ৰথম ছপাহৈ ওলাইছে) পুথিত প্ৰকাশিত মানচিত্ৰ খন দিয়া হৈছে। ইয়াত ১৬৮২ খ্ৰী:ৰ: পৰা ১৮২৬ খ্ৰী·লৈ আহোম ৰাজত্বৰ সীমাৰ লগতে ১৯৩৬ খ্ৰীঃত ব্ৰিটিছ অসমৰ সীমা দেখুৱা আছে। ১৬৮২ খ্ৰীঃৰ গদাধৰ সিংহৰ দিনত আহোম-অসমৰ পশ্চিমলৈ সীমা আগবাঢ়ে আৰু প্ৰায় ১৪৪ বছৰ কাল ব্ৰিটিছ অহাৰ আগলৈকে আহোম ৰাজ্য সেই সীমাতেই ৰয়। ড° ভূঞাদেৱে ঐতিহাসিক তথ্য আৰু ব্ৰিটিছ প্ৰশাসকৰ দ্বাৰা যুগুতোৱা মানচিত্ৰৰ আধাৰত এইখন প্ৰস্তুত কৰিছিল।

এই মানচিত্ৰ খনে দেখুৱায় যে গোৱালপাৰা জিলাখন আহোম ৰাজ্যৰ বাহিৰত থকাৰ উপৰিও কামৰূপ (অবিভক্ত) জিলাৰো উত্তৰ আৰু উত্তৰ পশ্চিমৰ বিস্তীৰ্ণ অঞ্চল আহোম ৰাজ্যৰ ভিতৰত নাছিল।

আনহাতে সাংস্কৃতিক অসমৰ সীমা উত্তৰ বঙ্গৰ, কোচবিহাৰ, ৰংপুৰ জিলা আদিলৈকেও বিস্তৃত আছিল তাক আমি সকলোৱে জানো।

১৮২৬ চনৰ পৰা আজিলৈকে যি ছয়খন জিলাৰে *ব্ৰহ্মপুত্ৰ উপত্যকা গঠিত হৈছে ইয়াৰ সামগ্ৰিক ইতিহাস অকল আহোম-অসম ৰাজ্যৰ ৰাজনৈতিক আৰু সামাজিক ইতিহাসতে সীমাবদ্ধ নহয়। কিন্তু আমি লক্ষ্য কৰিছো যে ৰাজনৈতিকেই হওক বা সামাজিকেই হওক সকলো ক্ষেত্ৰতে অসমৰ ইতিহাস চৰ্চ্চাৰ ক্ষেত্ৰত অজানিতেই আহোম-অসমৰ মাজতেই আমাৰ ধাৰণা সীমাবদ্ধ হৈ ৰয়। অসমীয়াৰ আৰু অসমৰ ইতিহাস চৰ্চ্চাৰ ক্ষেত্ৰত ই এটা দুৰ্বলতা। অসমৰ মধ্যশ্ৰেণীৰ বিকাশ আৰু ভূমিকা অধ্যয়নত এনে দুৰ্বলতাই সম্যক চৰ্চ্চাৰ ক্ষেত্ৰত হানি কৰে। এনে দূৰ্বলতা প্ৰশমনত সহায়ক হ'ব পৰা কিছু তথ্য আৰু চিন্তা আগবঢ়োৱাৰ প্ৰয়োজন অনুভৱ কৰি এই পুথি ৰচনাৰ প্ৰয়াস কৰিছো।

---

* (এই ছয়খন জিলাক খণ্ডিত কৰি সম্প্ৰতি কেবাখনো জিলা গোট সৃষ্টি কৰা হৈছে।)

দুই

বুৰঞ্জীৰ কথা

আমাৰ সমাজ আন আন সমাজৰ দৰে সলনি হৈ আছে। এনে পৰিবৰ্তনৰ সোঁত উত্তৰ ভাৰত-বংগৰপৰা গোৱালপাৰা আৰু কামৰূপৰ ওপৰেদি বাগৰি আহি সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা ছানি ধৰিছিল। এনে প্ৰক্ৰিয়াৰ আৰম্ভণি ঘটিছিল ইতিহাসে ঢ়কি পোৱা শ্ৰীমন্ত শংকৰী যুগৰো বহু আগৰেপৰা। এই কথাটো পাহৰিলে ভুল সিদ্ধান্তত উপনীত হোৱাৰ সম্ভাৱনা হৈ যাব।

গোৱালপাৰা, কামৰূপ আৰু দৰঙৰ যাক মোগল শাসনে 'কোঁচ হাজো' বুলি আখ্যা দিছিল সি কমতা কোঁচ ৰাজত্বৰ কামৰূপ ৰাজ্য। এই বিৰাট ভূখণ্ডৰ একাংশ বৰ্তমান গোৱালপাৰা জিলা ১৭৬৫ চনলৈ মোগলৰ অধীনত থাকে। ১৬৮২ চনত স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত কামৰূপ নিৰৱচ্ছিন্নভাৱে আহোম ৰাজত্বৰ অধীনলৈ আহে। ইয়াৰ আগতেও কেইবাবাৰো কামৰূপৰ বিভিন্ন অংশ ইটো-সিটো ৰাজত্বৰ তলত সলনা-সলনিকৈ আছিল। ১৮২৬ চনত আহোম অসমৰ অৰ্থাৎ অসমৰ বাকী অংশও ইয়াৰ লগতে বৃটিছৰ তললৈ যায় ইয়াৰ বাহিৰেও ভোটান পাহাৰৰ নামনিৰ বহু অঞ্চল, বৰ্ত্তমান মেঘালয়, নগাভূমি, মিজোৰাম আদি এলেকা ব্ৰিটিছ শাসন অহাৰ পিছত অসমৰ সতে যুক্ত হয়।

১৭৬৫ চনত বংগৰ নবাবৰ পতনৰ ফলত বংগদেশৰ লগতে বৰ্তমান অসমৰ গোৱালপাৰা জিলা আৰু প্ৰাক্-স্বাধীনতা যুগৰ চিলেট জিলা অঞ্চল ইষ্ট ইণ্ডিয়া কোম্পানী তথা ব্ৰিটিছৰ অধীনলৈ আহে। এইদৰে শ্ৰীমন্ত শংকৰ-মাধৱৰ দিনৰ সাংস্কৃতিক অসমৰ এছোৱা আহোম-অসমৰ আগতেই ব্ৰিটিছৰ গৰাহত পৰিছিল।

অসম বুৰঞ্জীৰ পাতত ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ ফলস্বৰূপে বৃটিছে অসম অধিকাৰ কৰাৰ কথা কোৱা হৈছে। দৰাচলতে ই আছিল অসমৰ আহোম ৰাজত্বত কথা অংশটোহে। বাকী অংশ তাৰো প্ৰায় তিনি কুৰি বছৰ আগতেই মোগলৰ হাতৰপৰা ব্ৰিটিছে অধিকাৰ কৰি লয়।

আহোম ৰাজত্বৰ অন্ত পৰে ১৮১৬ ইং চনত। এই চনত ইয়াণ্ডাবু সন্ধিৰ (২৪ ফেব্ৰুৱাৰী ১৮২৬ ইং) ফলস্বৰূপে আনুষ্ঠানিক ভাবে আহোম-অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ অধীনলৈ আহে। আগতেই উল্লেখ কৰা হৈছে যে কমতা, কোচ, বঙ্গৰ নবাব আদিৰ ৰাজ্যৰ অন্তৰ্ভুক্ত অবিভক্ত কামৰূপ আৰু দৰং (বৰ্তমানৰ) এলেকাত আহোম ৰাজত্ব ছশ বছৰীয়া নাছিল। ক্ৰমে কমতা, কোচ, বঙ্গৰ নবাবৰ হাতৰ পৰা ১৬৮২ ইং চনত কামৰূপৰ একাংশ আৰু দৰং নিৰবছিন্ন ভাৱে আহোম শাসনৰ অধীনলৈ আহে (ব্ৰিটিছে আহোম-অসম অধিকাৰ নকৰালৈকে)।

আহোম ৰাজত্বৰ সময়ত কামৰূপৰ গুৱাহাটীত আহোম ৰাজ প্ৰতিনিধি বৰফুকন থাকিলেও আহোম ৰাজঘৰে ইয়াক (কামৰূপ আৰু দৰঙক) দুখন দেশৰ মধ্যস্থিত দেশ (Buffer-state) বুলিহে গণ্য কৰিছিল। ড° ভূঞা দেৱৰ কথাৰে—

"Kamrup, which was contiguous to territories of the Moghuls and later to those of the East India company was regarded by the Ahoms as more or less a Buffer-State" (১)।

গোৱালপাৰাক বিদেশ বুলিয়েই গণ্য কৰিছিল।

কামৰূপ পোন প্ৰথম বাৰৰ কাৰণে আহোম ৰাজ্যৰ তললৈ আহে ১৬১৫ খ্ৰী.ত। মাজতে ১৬৩৯ পৰা ১৬৫৮ খ্ৰী., ১৬৬৩ পৰা ১৬৬৭ খ্ৰী. আৰু ১৬৭৯ ৰ পৰা ১৬৮২ খ্ৰী.—এই ছাবিশ বছৰ মোগলৰ অধীনলৈ যায়। মুঠ ১৮৫ বছৰ আহোম শাসনৰ তলতীয়া হলেও ইয়াৰ শাসন পদ্ধতি আহোম ৰাজ্যৰ আন অংশতকৈ বেলেগ আছিল। ১৬৮২ ইং চনৰ পৰা আকৌ ই আহোম ৰাজত্বৰ অধীনলৈ যায়।

আনহাতে গোৱালপাৰা জিলা আৰু কামৰূপৰ উত্তৰ পশ্চিম অংশ ১৭৬৫ চনৰ পৰাই কোচ আৰু মোগলৰ তলৰ পৰা পোনে পোনে ব্ৰিটিছৰ তললৈ যায়।

আমাৰ বুৰঞ্জীৰ পাঠত ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পৰা আহোম-অসম ইংৰাজৰ অধীনলৈ অহাৰ কথা কোৱা হলেও, দৰাচলতে তাৰ প্ৰায় দুবছৰ আগতেই ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কামৰূপ অধিকাৰ কৰে।

"এবং ১৭৭৫ শকৰ চৈত্ৰ মাহে ১২৩০ সন, ১৮২৩/২৪ ইংৰাজী মাৰ্চ মাহে কামৰূপ প্ৰবেশ (ইংৰাজে) কৰে"। + + + তাৰ পিচৰ বছৰত "তদনন্তৰ ১৭৪৬ শকে ডেবিদ ইস্কাট সাহেব কামৰূপৰ বুজৰবকৰা প্ৰভৃতিক তলব দি তেওঁলোকক কবুল মতে সেই সনে বন্দৱস্ত কৰি বিষ্ণুচন্দ্ৰ মুখপধ্যাকৰ তহশীল মকৰল কৰি তেওঁৰ হাতত টকা শোধাব দিলে। এবং হোৱাইট নামক সাহেব কলেক্টৰ হ'ল।" (হৰকান্ত সদৰামীনৰ আত্মজীৱনী) (২)

ইয়াণ্ডাবু সন্ধিৰ (১৮২৬ ইং) আগতেও নামনি অসম কিয়, উজনি অসমলৈকেও ইষ্ট ইণ্ডিয়া কোম্পানীৰ বেপাৰী সোমাইছিল, ১৭৯৩ চনৰ স্বৰ্গদেউ গৌৰীনাথ সিংহ (আহোম ৰজা) আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজৰ বনিজ চুক্তি অনুসৰি।

বিদেশী বণিক সকলে আগৰ পৰাই আহোম-অসমৰ এলেকাত সোমাই বাধাহীনভাবে বেহা-বেপাৰ চলাবলৈ চেলু চাই আছিল। মোৱামৰীয়া বিদ্ৰোহ আৰু নামনি অসমৰ দন্দুৱা দ্ৰোহ বিদ্ৰোহ দমন কৰিবলৈ আহোম ৰাজশক্তিৰ আমন্ত্ৰণত গোৱালপাৰাত থকা ইষ্ট ইণ্ডিয়া কোম্পানীৰ সেনাই বিদ্ৰোহ দমন কৰিলে।

১৭৯৩ ইং চনৰ চুক্তি তাৰেই পৰিণতি। ড° হেৰম্বকান্ত বৰপুজাৰীৰ কথাৰে—(৩)

"১৭৯৩ ইং চনৰ ফেব্ৰুৱাৰীত স্বৰ্গদেউ গৌৰীনাথ সিংহই কেপ্টেইন ওৱেলছৰ লগত এখন বাণিজ্যিক চুক্তি কৰিলে। এই চুক্তিয়ে বংগৰ সদাগৰ সকলক সাময়িক ভাবে হলেও তেওঁলোকক বেহাবেপাৰৰ উদ্দেশ্যে প্ৰদেশখনৰ একেবাৰেই মাজ মজিয়ালৈ সোমাই যাবলৈ উদগনি যোগালে।"

এনে চুক্তিখনৰ আধাৰতে বঙ্গদেশত বেহাবেপাৰ কৰা য়ুৰোপীয়, কেঞা মাৰোৱাৰী, বাঙ্গালী হিন্দু-মুছলমান বেপাৰীয়ে গুৱাহাটী আৰু আন

ঠাইত গোলা পাতিছিল। আহোম-অসমৰ সীমাৰ ভিতৰৰ গোৱাল-পাৰাৰ ইপাৰৰ থকা আবকাৰী তুৰাব্ব তুৰৰীয়া বৰুৱাসকলে বংগদেশৰ প্ৰখ্যাত বেংক ব্যৱসায়ী সন্থা আৰু জগৎ শেঠৰ দৰে সদাগৰ সকলৰ লগত কাৰবাৰ কৰিছিল।

ইয়াৰ আগলৈকে ইষ্ট ইণ্ডিয়া কোম্পানীৰ এলেকাৰ (গোৱালপাৰা আদি) ভিতৰলৈকে গৈ আহোম অসমৰ প্ৰজাই বেহাবেপাৰ কৰিব পাৰিলেও কোম্পানীৰ প্ৰজাক আহোম-অসমৰ বজাৰে তেনে সুবিধা দিয়া নাছিল।

"The Assamese were permitted to trade in the territories of the company ; but Bogle regretted that the Assamese Government did not concede the same privilage to the subjects of the company". (৪)

• ইয়াৰ আগতেও গোৱালপাৰাত (কোম্পানীৰ ৰাজত্ব) খোপনি পোতা য়ুৰোপীয় বনিকে নিজা সৈন্য সামন্ত লৈ আহোম-অসমৰ অভ্যন্তৰলৈ সোমাই উপদ্ৰৱ কৰা ঘটনা ইতিহাসত পোৱা যায়।

ফ্ৰেন্সিছ হেমিল্টনৰ ১৮০৮—৯ চনৰ ৰিপৰ্ট মতে আহোম-অসমৰ পৰা আৰু আহোম—অসমলৈ ৰপ্তানী আৰু আমদানী কৰা পণ্য সামগ্ৰীৰ তালিকাখন আছিল এনে ধৰণৰ—

আহোম-অসমলৈ অনা :

নিমখ ১৯২৫০০ টকাৰ, মিহিদাইল (পালচ্) ৮০০ টকাৰ, ঘি ১০০০ মোন—১৬০০ টকাৰ, চেনি—১০০০ টকাৰ, পাথৰুৱা মণি (বাখৰুৱা) ২০০০ টকাৰ, প্ৰবাল মনি (বাখৰুৱা) ১০০০ টকাৰ, অলংকাৰ আৰু মুক্তা ৫০০০ টকাৰ, ইউৰোপত প্ৰস্তুত আয়নাৰ বাচন-বৰ্তন আদি ৫০০ টকাৰ, মচলা ১০০০ টকাৰ, ৰং ৫০০ টকাৰ, তাম ৪৮০০ টকাৰ, Red lead (মটীয়া সেন্দুৰ) ১০০০ টকাৰ, ইংলণ্ডত প্ৰস্তুত উণ ২০০০ টকাৰ, পাট-সূতাৰ পাটকাপোৰ (Tafetas) ২০০০ টকাৰ, বেনাৰসী পাটৰ কাপোৰ ৫০০ টকাৰ (কিংখাপ), কড়ি (শংখ) ১০০ টকাৰ, মছলিন কাপোৰ ১০,০০০ টকাৰ, মুঠ ২,৩৮,৩০০ টকাৰ পণ্য।

আহোম-অসমৰ পৰা বাহিৰলৈ নিয়া :

১০,০০০ মোন লা ৩৫,০০০ টকাৰ, ৬৫ মোন মুগা ১১,৩৫০ টকাৰ, ৭৫ মোন মুগাৰ কাপোৰ ১৭,৫০০ টকাৰ, মজাঠি (এবিধ উদ্ভিদজাত দ্ৰব্য, যাৰপৰা হালধীয়া ৰং প্ৰস্তুত কৰা হয়) ৫০০ টকাৰ, জালুক (Black pepper) ৫০ মোন ৫০০ টকাৰ, গুটিৰে সৈতে কপাহ ৭০০০ মোন ৩৫,০০০ টকাৰ, হাতীদাঁত ৬,০০০ টকাৰ, কঁহৰ বাচন ১,৫০০ টকাৰ (ইয়াৰ প্ৰয়োজনীয় ধাতু কেঁচামাল সামগ্ৰী অসমৰ বাহিৰৰ পৰা অনা হৈছিল), সৰিয়হ ১৫,০০০ মোন ২০,০০০ টকাৰ, লোৰ দ্বাৰা প্ৰস্তুত কোৰ ৬০০ টকাৰ, থাইকল ফল (থেকেৰা) ৫০ মোন ১৫০ টকাৰ, মানুহ গোলাম ২,০০০ টকাৰ, মুঠ ১,৩০,৯০০ টকাৰ। এনে টকাবোৰক "নাৰায়নী" টকা বোলা হৈছিল।

অনোৰা আৰু পঠোৱা পণ্যৰ মূল্যৰ গিখিনি ধন ঘাটি পৰিছিল তাক শোধোৱা হৈছিল সোণ আৰু ৰূপেৰে। (৫)

দৰাচলতে ব্ৰিটিছ মোগল অধিকৃত অসমৰ একাংশ (গোৱালপাৰা) লোৱাৰ আগতেও গোৱালপাৰাত ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰ গঢ় লৈ উঠিছিল। বিনিময় প্ৰথাৰ (Barter system) মাজেদি গঢ়লোৱা বেহাবেপাৰৰ ক্ষেত্ৰ অতিশয় সংকুচিত আছিল।

প্ৰজাই ৰজাক ৰাজহ শোধোৱা পদ্ধতিৰ লগত বনিজৰ সম্পৰ্ক মন কৰিবলগীয়া আছিল। যেতিয়া প্ৰজাই ৰাজঘৰক নিজৰ উৎপাদিত শস্য বা সামগ্ৰীৰ (কুটীৰ শিল্পৰ ক্ষেত্ৰত) একাংশ ৰাজহ হিচাপে দিয়ে তেতিয়া মুদ্ৰাৰ প্ৰচলন বা বেহা-বেপাৰ সংকুচিত হৈ থাকে। কিন্তু ৰজাক নগদ ধনেৰে খাজনা শোধাবলগীয়া হ'লে, প্ৰজাই উৎপাদিত শস্য বা সামগ্ৰী বিক্ৰী কৰি নগদ ধন গোটাবলগীয়া হয়। এনে বিক্ৰীজাত পণ্যৰ বিক্ৰীৰ বাবে বেহা-বেপাৰৰ ক্ষেত্ৰ ভালদৰে গঢ় লৈ উঠে।

এই সূত্ৰ অনুসৰি অনুমান কৰা যায় যে মোগল ৰাজত্ব বা তাৰ আগতো গোৱালপাৰা-কামৰূপত বেপাৰ-বণিজ্যৰ ক্ষেত্ৰৰ উৎপত্তি আৰু বিকাশ হৈছিল। ১৫৫৫ চনৰপৰা কোঁচৰজা নৰনাৰায়ণে 'নাৰায়ণী' মুদ্ৰা প্ৰচলন

কৰিছিল। (৬) আনকি আহোম ৰাজত্বৰ শেষৰ পিনেও আহোম-অসমত নাৰায়ণী মুদ্ৰাৰ আদৰ আছিল। লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীয়ে আহোম "ৰজাঘৰত বাৰ্ষিক ১০,০০০ (দহ হেজাৰ) নাৰায়ণী টকা আৰু ৭০,০০০ (সত্তৰ হেজাৰ) নাৰায়ণী টকাৰ নানা দেশীয় দ্ৰব্য দিবলৈ স্বীকাৰ কৰি হাদিৰাচকী লৈছিল। (৭) আহোম স্বৰ্গদেউসকলে মাজে মাজে মোহৰ মৰালেও ৰাজ্যত, সৰহ ভাগতে, ধনৰ হিচাপত বা মুদ্ৰা অৰ্থনীতিৰ বেহা-বেপাৰ কম আৰু অতিশয় সীমিত আছিল।

মোগল চৰকাৰে সপ্তদশ শতিকাৰ প্ৰথমাৰ্দ্ধত কোঁচ হাজো ৰাজ্যখন দখল কৰি লৈছিল। পাইক প্ৰথা উঠাই দি মোগল ভাৰতৰ অন্যান্য অঞ্চলৰ দৰে ইয়াতো ৰায়তৰ পৰা টকাত খাজনা আদায় কৰিবলৈ যত্ন কৰা হৈছিল। (৮) 'নগদ টকাত ৰায়তসকলৰ খাজনা আদায় কৰিবলৈ গৈ ১৭ শ শতিকাৰ প্ৰথমাৰ্দ্ধত মোগল চৰকাৰ গোৱালপাৰা আৰু কামৰূপত ব্যাপক গণবিদ্ৰোহৰ সমুখীন হব লগা হৈছিল। (৯) 'নৱ, সনাতন, পৰশুৰাম, ভবচন আদি কোঁচ ৰাজবংশী সামন্তসকলৰ নেতৃত্বত প্ৰজাসকলে খাজনা দিবলৈ অস্বীকাৰ কৰিছিল। (১০)

সনাতন কোচ কামৰূপৰ বজালী অঞ্চলৰ আছিল। (বজালীৰ ঐতিহাসিক পটভূমি মুনীন্দ্ৰ নাথ শৰ্মাৰ প্ৰবন্ধ: ত্ৰি পঞ্চাশতম অসম সাহিত্য সভাৰ পাঠশালা অধিবেশনৰ ফেব্ৰুৱাৰী ১৯৮৭) স্মৃতিগ্ৰন্থ। এই বিষয়ে Studies on the Early History of Assam. K L Barua আৰু Anglo Assamese Relations Dr. S.K. Bhuya পুথি দুখনো চাবলগীয়া।

ৰায়তৰ উৎপাদনৰ অংশ বস্তুৰে খাজনা হিচাপে শোধালে তাৰ মাজত বেপাৰীৰ বা বণিক শ্ৰেণীৰ তথা বেপাৰীৰ ভূমিকা আহি নপৰে। কিন্তু নগদ ধনেৰে খাজনা শোধাবলৈ বাধ্য হ'লে উৎপাদিত পণ্য বিক্ৰী কৰি নগদ ধন গোটাবলগীয়া হয় আৰু সেয়ে বজাৰ আৰু বেপাৰীৰ শৰণাপন্ন হ'ব-লগীয়াত পৰে। বজাৰত দাম নিৰ্ণয় কৰে বেপাৰীয়ে। অৰ্থাৎ ৰাষ্ট্ৰযন্ত্ৰৰ উপৰিও সম্পদ উৎপাদনৰ ক্ষেত্ৰত বণিককুলৰ ভূমিকাৰ বিকাশ হয়।

অষ্টাদশ শতিকাৰ শেষাৰ্দ্ধৰ পৰাই গোৱালপাৰা জিলাৰ গোৱালপাৰা, ৰঙামাটি, কাপাচকুলা, যোগীঘোপা আদিত বৃহৎ ব্যৱসায় কেন্দ্ৰ আছিল।

বুকাননে (ফ্রেন্সিছ বুকানন, পিছত ফ্রেন্সিছ হেমিল্টন নামেৰে খ্যাত) শুনা মতে ৬৪ বৰ্গমাইল এলেকাত ৫২ খন বজাৰ বহিছিল। (১১) এনে বজাৰ তথা বণিকৰ প্ৰভাৱ গোৱালপাৰা আৰু তাৰ সংলগ্ন কামৰূপতো পৰিছিল।

গোৱালপাৰাত ভূমিৰাজহ ব্যৱস্থা মোগলে যিদৰে প্ৰৱৰ্তন কৰিছিল ১৭৬৫ খ্ৰীষ্টাব্দত ব্ৰিটিছে গোৱালপাৰা অধিকাৰ কৰি তাকে তেনেদৰেই বাহাল ৰাখে। কামৰূপতো একে ব্যৱস্থা কম-বেছি পৰিমাণে ব্ৰিটিছে 'আহোম-অসম' অধিকাৰ কৰাৰো কিছুদিন পিছলৈকে চলে।

'জাহাংগীৰ বাদছাহে কোঁচৰজাৰ উচ্চপদস্থ অভিজাত কৰ্মচাৰী কবীন্দ্ৰ পাত্ৰক ৰঙামাটি থানাৰ নায়েব কাননগো' নিযুক্তি কৰি চনদ জাৰি কৰিছিল। বঙালভূম, ঢেকেৰী, কামৰূপ আৰু দক্ষিণকুল এই চাৰিখন চৰকাৰৰ (প্ৰদেশৰ) নায়েব-কাননগোৰ দায়িত্ব পিছত তেওঁৰ পুত্ৰ কবিশেখৰে পাইছিল। ভূমিৰ পৰিমান প্ৰজাৰ দেয় খাজনাৰ নিৰিখ থলুৱা উচ্চ শ্ৰেণীৰ প্ৰজা অৰ্থাৎ প্ৰাথমিক জমিদাৰসকলৰ স্বত্ব ইত্যাদিৰ ভু লৈ কেন্দ্ৰীয়-ভাৱে কাগজ-পত্ৰ ঠিক ৰখাই আছিল নায়েব-কাননগোৰ কাম। তেওঁৰ দপ্তৰৰ প্ৰাথমিক তথ্যৰ ভিত্তিত মোগল চৰকাৰৰ বিষয়া (ক্ৰোৰি)সকলে গাঁৱে গাঁৱে অনুসন্ধান চলাই প্ৰজাৰপৰা · ৰাষ্ট্ৰৰ প্ৰাপ্যশস্যৰ মূল্য অনুযায়ী খাজনাৰ পৰিমান স্থিৰ কৰিছিল। ৰাজহ আদায়ৰ সুবিধাৰ বাবে প্ৰতিখন চৰকাৰক 'পৰগণা', 'তপে' আৰু 'তালুক'ত ভাগ কৰিছিল। নিৰ্দিষ্ট অঞ্চলৰ পৰা ক্ৰোৰি নিৰ্দ্ধাৰিত খাজনাৰ আদায়ৰ ঠিকা কেতিয়াবা মুস্তাফিৰ বা ইজাৰদাৰকো দিয়া হৈছিল। ক্ৰোৰি বেতনভোগী কৰ্মচাৰী আছিল, কিন্তু ইজাৰদাৰ আছিল ঠিকাদাৰ।' (১২)

মোগল ৰাজত্বৰ সময়ত কামৰূপ আৰু গোৱালপাৰাত মোগল ৰাষ্ট্ৰই কেইবাগৰাকী ব্ৰাহ্মণ আৰু উচ্চ বংশজাত লোকক ভূমিদান আৰু আন বিশেষ সুবিধা দিয়াৰ তথ্য পোৱা যায়।

'খালিছা আৰু জায়গীৰ এই উভয় এলেকাতে কিছু শ্ৰেণীৰ প্ৰজাই বংশানুক্ৰমে পৰগনাত খেতিয়কৰ মাটিত উৎপন্ন শস্যৰ এটা ভাগ পোৱাৰ বা নিষ্কৰ কিছু মাটি নানকাৰ হিচাপে ভোগ কৰাৰ অধিকাৰ পাইছিল।

মোগল ৰাজস্ব ব্যৱস্থাত তেওঁলোকৰ এই অধিকাৰ বা স্বত্ব মানি লোৱা হৈছিল। পৰগণাৰ ৰাজস্ব সংগ্ৰহৰ সময়ত তেওঁলোকলৈ ভাগ এটা এৰি দিয়াৰ উদ্দেশ্য আছিল তেওঁলোকক মোগল ৰাষ্ট্ৰ কাঠামোৰ ভিতৰুৱা কৰি লোৱাৰ। কাৰণ তেওঁলোকৰ সহায় নোলোৱাকৈ পোনে পোনে খাজনা আদায় কৰাটো টানেই আছিল। এওঁলোকক জমিদাৰ বোলা হৈছিল। মুখিয়াল জমিদাৰ এজনক পৰগণাৰ ওপৰত চৌধুৰী পাতি তেওঁক ৰাষ্ট্ৰই খাজনা তোলাৰ ভাৰ দিছিল। এই কামৰ বাবে তেওঁক যি কমিশ্বন দিছিল তাক 'চৌধুৰাই' বোলা হৈছিল। চৰকাৰী খাজনা তুলি দিয়াৰ পুৰস্কাৰ হিচাপে তেওঁলোকে খাজনাৰ এটা নিৰ্দিষ্ট শতাংশ কমিশ্বন বুলি পোৱাৰ উপৰি নিষ্কৰ মাটি আদি আন কিছু সুবিধা পাইছিল। চৌধুৰী বাবটোও ক্ৰমে বংশানুক্ৰমিক হৈ পৰিছিল। (১৩)

১৭৯৩ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ৰেগুলেশ্বন যোগে ভাৰতত তথা বংগদেশত চিৰস্থায়ী জমিদাৰী পদ্ধতি প্ৰৱৰ্তন কৰে। তেতিয়া গোৱালপাৰা আৰু চিলেট জিলা একে প্ৰশাসনৰ চামিলত আছিল। গোৱালপাৰাতো একে ব্যৱস্থা প্ৰৱৰ্তিত হয়।

কামৰূপৰ প্ৰাক্‌ব্ৰিটিছ (আহোম ৰাজাৰ ভিতৰত) আমোলৰ ভূমি ব্যৱস্থা সম্পৰ্কে ফ্ৰেন্সিছ হেমিল্টন ওৰফে ফ্ৰেন্সিছ বুকাননে ১৮০৮-৯ চনত যুগুতোৱা প্ৰতিবেদনত উল্লেখ কৰিছে : (১০)

"The pergunahs of kamrup, that had been reduced to the common system of Mogul finance, remained in the same state under the Government of Assam. Each pergunah is let for from one to five years to a Choudhuri, who agrees to pay a certain rent, one half in money and one half in goods and whose office is no sort hereditary. He lets all the lands that are not given to payiks for service, and that have not been granted for pious purposes. His profit ought to arise from the difference between the rent which he collects and the revenve that he pays to the collector, but he receives present, not only from the tenants, but from the payiks that live in his purganah. He also acts as an officer of police ; and it is usually alleged that the Choudhuris take money to allow rougues to escape.

It is supposed that the Choudhuris who are on the same footing with that of the zaminders of Bengal were before the new regulations do not give government more than two fifth of what they collect. The revenue of the assessed tands in kamrup which reaches the royal treasury amounts to 32,000 rupees a year. (.6)

(ইয়াত Government মানে আহোম ৰাষ্ট্ৰক আৰু New regulation মানে ১৭৯৩ খৃঃৰ চিৰস্থায়ী বন্দৱস্তিক বুজাইছে)। (উদ্ধৃতিৰ সাৰাংশঃ মোগল ৰাজস্ব ব্যৱস্থাত যেনেদৰে আছিল পিছৰ আহোম ৰাজত্বতো কামৰূপত তেনেদৰে পৰগণা পদ্ধতি আছিল। ৰাজহ সংগ্ৰহৰ বাবে পৰগনাপ্ৰতি এগৰাকী চৌধুৰী আছিল। নিৰ্দিষ্ট হাৰত চৌধুৰীয়ে প্ৰজাৰ তথা পৰগণাৰ ৰায়তৰ পৰা খাজনা সংগ্ৰহ কৰি ৰাজকোষত জমা দিব লাগিছিল। অৱশ্যে পাইকৰ (সেৱাৰ বাবে) আৰু ধৰ্মোত্তৰ ব্ৰহ্মোত্তৰ মাটিৰ খাজনা নাছিল। চৌধুৰীয়ে আদায় হোৱা ৰাজহৰ এটা অংশ কমিছন হিচাপে পাইছিল। তাৰ উপৰি পৰগণা নিবাসী পাইক আৰু ৰায়ত প্ৰজাৰ পৰা ভাৰ-ভেটি পাইছিল। মুঠ আদায় হোৱা ৰাজহৰ দুই পঞ্চমাংশহে ৰাজকোষত জমা পৰিছিল, বাকীখিনি চৌধুৰীৰ ভাগৰ লাভ হিচাপে ৰৈছিল। বংগদেশৰ চিৰস্থায়ী বন্দৱস্তিৰ (১৭৯৩ খ্ৰী.) আগৰ জমিদাৰ বিলাকৰ সৈতে কামৰূপত চৌধুৰীসকলৰ অৱস্থা একেই আছিল। এনে চৌধুৰীৰ পদ একৰ পৰা পাঁচ বছৰলৈকে দিয়া হৈছিল, কিন্তু সেয়া বংশানুক্ৰমিক হিচাপে দিয়া নহৈছিল। চৌধুৰী-সকল শান্তিৰক্ষকৰ দায়িত্বতো আছিল আৰু প্ৰায়ে টকা লৈ দুৰ্জনক এৰি দিছিল। ভূমি ৰাজস্ব হিচাপে কামৰূপৰ পৰা ৰাজকোষত যি জমা পৰিছিল তাৰ পৰিমান বছৰি ৩২,০০০ টকা।)

মোগল ৰাষ্ট্ৰৰ প্ৰৱৰ্তিত এনে ভূমি ব্যৱস্থা নিশ্চয় আহোম ৰাষ্ট্ৰই (কামৰূপৰ বাদে ৰাজ্যৰ আন অঞ্চলত) প্ৰৱৰ্তন কৰা ভূমি ব্যৱস্থাতকৈ সুবিধাভোগী মধ্যশ্ৰেণীটোৰ বাবে লাভজনক আছিল। **অকল মৰ্য্যাদা বা প্ৰতিপত্তিয়ে নহয় কামৰূপ আৰু গোৱালপাৰাৰ এনে শ্ৰেণীটোৰ হাতত ধনো গোট খাইছিল।**

ইতিহাসৰ পাত খুচৰিলে আমি দেখোঁ যে আহোম আৰু মোগলৰ ৰণত মোগল অধিকৃত কামৰূপৰ চৌধুৰীসকলে মোগলৰ পক্ষ লৈছিল। 'শৰাইঘাটৰ যুদ্ধৰ সময়ত সেনাপতি ৰামসিংহই বজালীৰ (কামৰূপৰ) দক্ষিণ অঞ্চলত কিছুদিন শিবিৰ পাতিছিল ··· ··· কন্দৰ্পেশ্বৰ চৌধুৰীৰ নামত বজালীয়া চৌধুৰী পৰগনাদাৰ এজনে এই অভিযানত ৰামসিংহক নানা প্ৰকাৰে সহায় কৰিছিল। যুঁজত হাৰি ৰামসিংহই উভতি যাওঁতে বাদচাহৰ ওচৰত পৰাজয়ৰ কাৰণ দৰ্শাই সাক্ষী দিবলৈ যি পাঁচজন বিশিষ্ট অসমীয়া লোক দিল্লীলৈ গৈছিল তেওঁলোকৰ ভিতৰত কন্দৰ্পেশ্বৰ চৌধুৰী অন্যতম। তেওঁৰ লগত যোৱাসকলৰ ভিতৰত আছিল কামৰূপৰ গোকুলচান্দ বৰুৱাৰ দদায়েক জয়ানন্দ কাননগুপ্তি, বাউসীৰ কামেশ্বৰ চৌধুৰী আৰু ক্ষেত্ৰীৰ কঠোৰাম পাটোৱাৰী। (১৬)

সম্ভৱতঃ সা-সুবিধা দি নিজৰ ফলীয়াকৈ ৰখাৰ বাবে আহোম ৰাষ্ট্ৰই গদাধৰ সিংহৰ দিনৰ পৰা মোগল ৰাষ্ট্ৰই লোৱা কৌশলকে (সম্ভ্ৰান্ত মানুহক ৰাষ্ট্ৰৰ ফলীয়াকৈ ৰখাৰ) অৱলম্বন কৰিছিল আৰু দেৱালয়, সত্ৰ, সজ্জনক ভূমিদান দিছিল।

এনে সুবিধাভোগী 'চৌধুৰী' আদিৰ হাতত নগদ ধন-সোণ গোট খোৱাৰ উপৰি বিভিন্ন ধৰণৰ ক্ষমতা থুপ খাইছিল। এওঁলোকে নিজে প্ৰজাৰ পৰা পণ্য নিজে বান্ধি দিয়া দামত একচেটিয়াকৈ কিনি ব্যৱসায় কৰাৰ দৃষ্টান্তও গোৱালপাৰাত দেখা যায়।

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী কৰাইবাৰীৰ জমিদাৰ আছিল। তেওঁ অনবৰত গাৰোবিলাকৰ সতে শত্ৰুতামূলক আচৰণ কৰিছিল। তেওঁ গাৰোৰ মুখিয়াল ৰাংটাক গাৰো পাহাৰৰ উৎপাদিত সকলো কপাহ কৰাইবাৰী বজাৰত বিক্ৰী কৰিবলৈ বাধ্য কৰিছিল। ইয়াকে নকৰিলে অত্যাচাৰ কৰিছিল। কৰাইবাৰী জমিদাৰৰ এনেদৰে বিক্ৰী কৰিবলৈ বাধ্য কৰাৰ কোনো অধিকাৰ নাছিল। কিন্তু তাত বিগত চল্লিছ বছৰ ধৰি চলা প্ৰথাটোৱে জমিদাৰৰ কাৰ্যক সমৰ্থন কৰিছিল। (১৭) (এই ঘটনা ওঠৰ শতিকাৰ শেষাৰ্দ্ধত, ব্ৰিটিছে গোৱালপাৰা অধিকাৰ কৰাৰ এক ডেৰ দশকৰ ভিতৰত)।

ভূমি-ৰাজহ ব্যৱস্থাক অৱলম্বন কৰি কামৰূপত চৌধুৰীৰ উপৰি তালুকদাৰ, মজুমদাৰ, মেনা, পাটোৱাৰী আদি বহুতো কম বেছি পৰিমাণে বিভিন্ন স্তৰৰ সুবিধাভোগী মজলীয়া শ্ৰেণী গঢ় লৈ উঠিছিল। ১৭৯৩ খ্ৰী.ৰ চিৰস্থায়ী বন্দৱস্তিৰ পিছত গোৱালপাৰাৰ জমিদাৰীয়ে এটা বেলেগ স্থায়ী ৰূপ পায় আৰু তাতো এটা মধ্যশ্ৰেণী আমোলাতন্ত্ৰ গঢ় লৈ উঠে। গ্ৰামাঞ্চলত পৰশ্ৰমজীৱী নায়েব আদি জমিদাৰী বিষয়া তথা জোতদাৰ, দেৱানী আদি সুবিধাভোগী মধ্যশ্ৰেণীৰ ব্যাপকতা বৃদ্ধি পায়। কামৰূপত তেনেদৰে বৃদ্ধি নহ'লেও এনে সুবিধাভোগী শ্ৰেণীৰ সুবিধা আৰু প্ৰতিপত্তি তেনেকৈ হ্ৰাস হোৱা নাছিল।

কামৰূপ-গোৱালপাৰা জিলাত মোগলে যিদৰে নগদ ধনৰ খাজনা ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ ফলত এক শ্ৰেণীৰ পুৰণি দিনৰ সামন্তৰ নেতৃত্বত প্ৰজা বিদ্ৰোহৰ সমুখীন হৈছিল, তেনেদৰে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বেপাৰ বাণিজ্যৰ স্বাৰ্থত কিছু কাম কৰিবলৈ গৈ মোগল যুগৰ জমিদাৰ দুই এজনৰ স্বাৰ্থৰ সতে প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হৈছিল। আনকি এনে ঘটনাও পোৱা যায় যে মোগলৰ পৰা গোৱালপাৰা অধিকাৰ কৰাৰ দুই তিনি দশকমানৰ পিছতো এনে জমিদাৰৰ লগত ব্ৰিটিছ তথা ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্তৃপক্ষৰ সতে হিংসাত্মক-সশস্ত্ৰ সংঘৰ্ষ হৈছিল।

আমি আগতেই উল্লেখ কৰিছো যে কোচ ৰাজোৰ প্ৰবৰ্তিত মোগল ৰাজস্ব-ব্যৱস্থাই চৌধুৰীসকলৰ হাতত ধন গোট খোৱাৰ সুযোগ দিছিল আৰু মোগল প্ৰশাসনীয় ব্যৱস্থাৰ পৰা বণিজৰ বিকাশ ঘটিছিল। অকল খাজনা সংগ্ৰহকাৰী হিচাপেই নহয় নেহা বেপাৰৰ মাজেদিও এই শ্ৰেণীটো আঢ্যবন্ত আৰু শক্তিশালী হৈছিল। চৌধুৰী সকলৰ হাতত গোটখোৱা ধনেৰে নিজাববীয়াকৈ বৰকান্দাজ বাহিনী ৰাখিব পাৰিছিল। কিন্তু এই সুযোগ আংশিকহে আছিল। চৌধুৰীৰ বাহিৰেও কিছুমান সম্ভ্ৰান্ত বুলি ৰজাঘৰে স্বীকাৰ কৰা লোকক বিনা খাজনা বা অৰ্দ্ধ খাজনাত মাটি বৃত্তি দান কৰিছিল। এনে ভূ-সম্পত্তিক চমুৱা আৰু চমুৱা প্ৰাপ্তসকলক চমুৱাদাৰ বা সংক্ষেপতে 'চমুৱা' বুলি কোৱা হৈছিল। এই সকলৰ

খাজনাৰ লেনদেন চৌধুৰীৰ মাজেৰে নহৈ পোনপটীয়াকৈ ৰজাঘৰৰ লগত হৈছিল। গোলাম আদি ৰাখি বা ৰায়তৰ হতুৱাই 'চমুৱা'ৰ খাতত খেতিবাতি কৰোৱা হৈছিল। এনে চমুৱা ধৰ্মকাৰ্য্যৰ বাবে দিয়া মাটি হ'বও পাৰে, নহ'বও পাৰে।

ৰণৰাম চৌধুৰীৰ ঘটনা

গোৱালপাৰাৰ কৰাইবাৰীৰ জমিদাৰে আগৰ চলি আহা বছৰীয়া ঐতিহ্যৰ ভিত্তিত নিজৰ জমিদাৰীত, নিজে বান্ধি দিয়া দামত, প্ৰজাৰ উৎপাদিত পণ্য বিক্ৰী কৰিবলৈ বাধা কৰাৰ ঘটনা আগতে উল্লেখ কৰা হৈছে। মেচ-পাৰাৰ জমিদাৰী আৰু কৰাইবাৰীৰ জমিদাৰী একোটা 'জমা'ৰ অৰ্থাৎ দুয়োটা একে পৰিয়ালৰ। মেচপাৰাৰ জমিদাৰ বৰ প্ৰতাপশালী, সাহসী আৰু দুৰ্দ্ধৰ্ষ আছিল। তেওঁ গাৰোসকলৰ ওপৰত অত্যাচাৰ কৰা, জমিদাৰীৰ ওচৰে পাজৰে বা এলেকাত, বামপথেৰে তথা জলপথেৰে আহযাহ কৰা বেপাৰীৰ ওপৰত ডকাইতি আৰু আনভাৱে আক্ৰমণ কৰাৰ অভিযোগ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়াই তুলিছিল। মেচপাৰাৰ জমিদাৰে ইষ্ট ইণ্ডিয়া কোম্পানীক খাজনা দিয়া বন্ধ কৰিলত কৰাই-বাৰীৰ জমিদাৰেই সেই খাজনা শোধাইছিল।

মেচপাৰাৰ জমিদাৰ ৰণৰাম চৌধুৰীয়ে হেনো গোৱালপাৰাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰেছিডেন্ট বেইলী চাহাবে বাৰে বাৰে পৰোৱানা জাৰি কৰা সত্ত্বেও চাহাবৰ ওচৰত হাজিৰ হবলৈ অস্বীকাৰ কৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ নথি-পত্ৰত থকা এনেবোৰ অভিযোগ কেনে পৰিস্থিতিত উত্থাপিত হৈছিল তাক সম্যকভাৱে ঠাৱৰ কৰা টান হ'লেও এই কথা অনুভৱ কৰা কঠিন নহয় যে ৰণৰাম চৌধুৰী স্বাধীনমনা আৰু সহজে সেওমনা বিধৰ নাছিল।

১৭৮৮ চনৰ ২২ নবেম্বৰত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৫০০ প্ৰাক্তন বৰকান্দাজ আৰু এজন তেনে হাবিলদাৰ লগত লৈ ৰণৰামৰ বাহিনীয়ে গোৱালপাৰা চহৰত থকা কোম্পানীৰ প্ৰতিনিধি বেইলী চাহাবৰ ৫দাম,

দেৱালেৰে আগুৱা চৌহদ অফিচ আৰু বেইলী চাহাবৰ বঙলাৰ ওপৰত সশস্ত্ৰ আক্ৰমণ চলাইছিল। আক্ৰমণৰ উদ্দেশ্য আছিল চাহাব আৰু সাংগোপাংগসকলক কাটি পেলোৱা। এই আক্ৰমণ কোম্পানীৰ ফৌজী বৰকান্দাজে প্ৰতিৰোধ কৰিছিল। এই সশস্ত্ৰ সংঘৰ্ষত কোম্পানীৰ পিনৰ এজন গোড়া চাহাব নিহত আৰু বহুতো ভাৰতীয় কৰ্মচাৰী, চিপাহী আদি লোক আহত বা নিহত হয়। ৰণৰামৰ পক্ষৰ হাবিলদাৰজন আহত আৰু প্ৰায় ৫০ জন নিহত বা আহত হয়। আন চাৰিজন বন্দী হয়। ৰণৰামে হাবিত আত্মগোপন কৰে আৰু কোম্পানীৰ ফৌজে সন্ত্ৰাস চলাই তেওঁক বিচাৰি চলাথ কৰে। ৰণৰামৰ পৰিয়ালৰ লোকক কোম্পানীৰ ফৌজে কয়েদ কৰে আৰু তেওঁৰ জমিদাৰী আৰু সা-সম্পত্তি বাজেয়াপ্ত কৰে। সম্ভৱতঃ আত্মগোপনৰত অৱস্থাতেই ৰণৰামৰ ১৭৯০ খ্ৰী.ৰ ফেব্ৰুৱাৰী মাহত মৃত্যু হয়। ৰণৰাম ইমানেই প্ৰভাৱশালী আছিল যে ব্ৰিটিছ শাসকে তেওঁৰ মৃত্যুৰ পিছত ৰণৰাম চৌধুৰীৰ নাবালক বৰপুত্ৰক জমিদাৰী গটাবলৈ বাধ্য হয়। (১৮)

ৰণৰাম চৌধুৰীয়ে খাজনা নিদিয়া বা গোৱালপাৰাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিনিধিৰ ওপৰত আক্ৰমণ চলোৱাৰ আৰু এটা কাৰণ থাকিব পাৰে। মোগল আমোলত কৰাইবাৰী, কালুমুলাপাৰা আৰু ঘুৰ্লা পৰগণাৰ জমিদাৰে কপাহেৰে আৰু বিজনীৰ ৰজাই হাতীৰে খাজনা শোধাব লাগিছিল, নগদ ধনেৰে নহয়।

১৭৮৭-৮৮ চনত ধনেৰে সমুদায় খাজনা শোধোৱা পদ্ধতি ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰৱৰ্তন কৰে (Mill's Report on the province of Assam. p. 284)। কৰাইবাৰীৰ লগতে ৰণৰাম চৌধুৰীৰ মেচপাৰা একে 'জমা'ত থকাৰ কথা আগতে কোৱা হৈছে। এই পদ্ধতিৰ ফলত ৰণৰাম চৌধুৰীয়ে জোৰ কৰি কপাহ উৎপাদনকাৰী প্ৰজা গাৱো মুখিয়ালৰ পৰা কপাহ অনা আগৰ প্ৰথা, বাধাপ্ৰাপ্ত হয়। আনহাতে নগদ টকাৰে খাজনা দিবলৈ কপাহ কিনোতা চৰকাৰী ব্যৱসায়ীৰ (ইষ্ট ইণ্ডিয়া কোম্পানীৰ) মৰ্জিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া অৱস্থাত পৰিবলগীয়া হোৱাটো অনুমান কৰিব পাৰি। কাৰণ গোৱালপাৰাত বেইলী চাহাব অকল যে প্ৰশাসনিক

প্ৰতিনিধিয়ে আছিল তেনে নহয়, ব্যৱসায়ৰ একচেটিয়া অধিকাৰো পাইছিল। **অসমৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীত ব্ৰিটিছ শক্তিৰ বিৰুদ্ধে ৰণৰামেই হ'ল প্ৰথম সশস্ত্ৰ সংগ্ৰাম কৰোঁতা।** ড° ভূঞা আৰু ড° গুহই তেওঁলোকৰ পুথিত ৰণৰামৰ কাহিনী উল্লেখ কৰিছে সঁচা, কিন্তু অসমত আন আন বুৰঞ্জীবিদ তথা স্বাধীনতা সংগ্ৰামৰ ইতিহাস প্ৰণেতাসকলে এই ঘটনাৰ ওপৰত যিমানখিনি প্ৰাধান্য দিয়া উচিত সিমানখিনি প্ৰাধান্য দিয়া নাই। (সম্ভৱতঃ অসম সম্পৰ্কে ধাৰণা আহোম-অসমৰ ভিতৰত সীমাবদ্ধ হৈ থকাৰ বাবে সেইটো হৈছে।)

ঘটনাৰ গুৰুত্ব আন দিশতো আছে। 'চৌধুৰী'ৰ হাতত ধন থকাৰ বাবেই কোম্পানীৰ প্ৰাক্তন বৰকান্দাজবোৰক নিজৰ কামত নিয়োগ কৰিব পাৰিছিল। কামৰূপৰ দন্দুৱাদ্ৰোহ আৰু দৰঙৰ 'ৰজা' কৃষ্ণনাৰায়ণৰ ঘটনাও এই দিশৰ পৰা চিন্তা কৰিব পাৰি। ইয়াৰ কিছু বহল বিৱৰণ ড° ভূঞাৰ পুথিত আছে। (১৯)

দৰঙী ৰাজকোঁৱৰ কৃষ্ণনাৰায়ণে কামৰূপৰ হৰদত্ত বুজৰবৰুৱাৰ (মোগলে দিয়া উপাধি '**বুজুৰ্গবৰুৱা**'ৰ অৰ্থ বিজ্ঞপ্ৰধান বৰুৱা) লগ লাগি বৰকান্দাজ (দৰমহা দি) সংগ্ৰহ কৰি আহোম ৰাজশক্তিৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল ওঠৰ শতিকাৰ শেষাৰ্দ্ধত। ব্ৰিটিছ সেনাপতি কেপ্তেইন ৱেলছৰ মধ্যস্থতা আৰু হস্তক্ষেপতহে সমস্যাটোৰ সিদ্ধান্ত হয়। তাৰ অলপদিন পিছতে ১৭৯৩ চনৰ ২৮ ফেব্ৰুৱাৰীত আগতে কৈ অহা বাণিজ্য চুক্তি আহোম ৰাষ্ট্ৰ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত সম্পন্ন হয়। (২০)

এই চুক্তিৰ উদ্দেশ্য হ'ল

"... with the object of establishing 'a reciprocal and entire liberty of commerce between the subjects of Bengal and Assam for all singular goods and merchandizes'.

ৰাষ্ট্ৰৰ সীমাৰ বাধাই বেহা-বেপাৰ তথা অৰ্থনীতিৰ ক্ৰিয়াকাণ্ডক ৰোধ কৰা টান। কামৰূপৰ ভূমি-ৰাজহৰ বিশেষ ব্যৱস্থা, কুটীৰ শিল্পৰ উৎপাদন প্ৰক্ৰিয়াৰ ঐতিহ্য, নগদ টকাৰ প্ৰচলন, এটা শ্ৰেণীৰ হাতত ধন-সোণ থুপ খাবলৈ ধৰা প্ৰৱণতা আৰু ক্ৰমাৎ লাভজনক হৈ পৰা বণিক বৃত্তিৰ বাবে

কামৰূপৰ সমাজখন মোগল আৰু আদি ব্ৰিটিছ ৰাজত্বত গাতে গা লাগি থকা গোৱালপাৰা বা গোৱালপাৰাৰ মাজেৰে ঢুকি পোৱা (য়ুৰোপীয় বণিকসকলেৰে বণিজ-ব্যৱস্থাত ক্ৰমাগত অগ্ৰসৰ হোৱা) বংগদেশৰ সান্নিধ্যলৈ বেছিকৈ আহে। স্বৰ্গদেউ গদাধৰসিংহৰ দিনৰপৰা একেৰাহে ছকুৰি বছৰ প্ৰায় আহোম ৰাজত্বৰ অধীনত থাকিলেও ইয়াত উজনিত প্ৰচলিত আহোম ৰাষ্ট্ৰৰ সমাজ ব্যৱস্থা প্ৰৱৰ্তিত নহ'ল, আনহাতে ভাটিৰ প্ৰচলিত তথা মোগলৰ প্ৰৱৰ্তিত সমাজ ব্যৱস্থাই অব্যাহত হৈ ৰ'ল।

আহোম ৰজাঘৰে এটা সময়ত কামৰূপৰ প্ৰজাক খাচ আহোম ৰাজ্যত সোমালে বিদেশী নাগৰিকৰ দৰে গণ্য কৰাৰ তথ্য ড° ভূঞাদেৱে দিছে। আনকি কামৰূপত থকা আহোম ৰাজ প্ৰতিনিধি বৰফুকন থকা সদৰৰ নগৰখনৰো দুৱাৰ কামৰূপ দৰঙৰ প্ৰজাৰ বাবে দিনৰ বেলিকাহে খোলা আছিল। ড° ভূঞাই বুৰঞ্জীৰ পৰা দিয়া তথ্যমতে:

'The Kamrupis and the Darrangis were not ordinarily allowed to enter the Ahom capital. In Guwahati, the Viceregal headquarters, the restriction was rigidly enforced. No Kamrupi was allowed to spend the night at Guwahati, the gates used to be closed at dusk by which times all Kamrupis were required to evacuate the place and halt somewhere outside the enclosures, if they wanted to come to the town next day. This restriction caused great inconvenience and humiliation to the Kamrupis whose business required constant presence at Guwahati. The social relations between the people of Kamrup and Darrang and those of Eastern Assam were also not of an intimate order as one aspect of it was pointed out by Capt. Welsh etc. etc. (২১)

(উদ্ধৃতিৰ সাৰাংশ: 'সাধাৰণতে কামৰূপীয়া আৰু দৰঙীয়া মানুহক আহোম ৰাজধানীত সোমাবলৈ দিয়া নহৈছিল। আহোম ৰাজপ্ৰতিনিধিৰ মুখ্যস্থান গুৱাহাটীত এনে বাধানিষেধ কঠোৰভাৱে বলবৎ আছিল। কোনো কামৰূপীয়াক এই নগৰত নিশা থাকিবলৈ দিয়া হোৱা নাছিল। তেওঁলোকে বেলি পৰাৰ লগে লগে চহৰৰ দুৱাৰডলিৰ বাহিৰ হৈ গুলাই যাব লাগিছিল, নিশা দুৱাৰ বন্ধ কৰি দিয়া হৈছিল। পিছদিনা বা সদায় নগৰত কাৰোবাৰ কিবা কাম থাকিলেও নগৰৰ বাহিৰতহে ৰবাত

নিশা যাপন কৰিব লাগিছিল। এনেধৰণৰ বাধানিষেধ তেওঁলোকৰ বাবে মৰ্য্যাদাহানিকৰ আৰু অসুবিধাজনক আছিল। কামৰূপীয়া আৰু দৰঙীয়া মানুহৰ উজনী অসমৰ মানুহৰ সৈতে সামাজিক সম্পৰ্ক অন্তৰংগ নাছিল বুলিয়েই কেপ্তেইন ৱেলছে আঙুলিয়াই থৈ গৈছে।')

এনেবোৰ কাৰণতে আহোম ৰাজ্যৰ প্ৰজা হৈ থকা সময়তো কামৰূপৰ আৰু দৰঙৰ সম্ভ্ৰান্ত লোকসকলে সকলো দিনৰ পৰাই আহোম ৰাষ্ট্ৰশক্তি বা খাচ আহোম ৰাজত্বত থকা উজনিৰ সকলোবোৰ কথাকে সৰ্বান্তকৰণে গ্ৰহণ কৰিব পৰা নাছিল। বৰঞ্চ তেওঁলোকে ভাটীৰ গোৱালপাৰা, কোচবিহাৰ তথা বংগদেশৰ কথাবোৰৰ আহিঁক বেছি মান্যতা দিছিল। কুৰি শতিকাৰ প্ৰথম দশকৰ পৰা অসমীয়া জাতীয়তাবোধে বিস্তৃতি লাভ কৰে আৰু তেতিয়াৰপৰাতে এনে মানসিকতাৰ সলনি হ'বলৈ ধৰে।

গোৱালপাৰা আৰু কামৰূপ তথা দৰঙত কোচৰাজা তথা কোচহাজো ৰাজাৰ সময়ৰ পৰাই বাণিজ্য বিস্তৃতি আৰু পণ্য উৎপাদনকাৰী ক্ষুদ্ৰ শিল্পৰ প্ৰসাৰণ ঘটে। এনেবোৰৰ লগত জড়িত বিশেষ ধৰণৰ সম্প্ৰদায় আৰু কাৰিকৰ ভাটীৰ পৰা আহে। আহোমৰ তললৈ কামৰূপ আৰু দৰঙ যোৱাৰ পিছতো এনে প্ৰব্ৰজন কম-বেছি পৰিমাণে অব্যাহত থাকে। মোগলে কামৰূপ এৰাৰ পিছতো কামৰূপৰ প্ৰজাৰ বাধাহীন যাতায়াত গোৱালপাৰা তথা ভাটীলৈ চলি আছিল। কামৰূপৰ গাতে লাগি থকা গোৱালপাৰা, যোগীঘোপা আদি ব্যৱসায় কেন্দ্ৰৰ লগতো যোগাযোগ অব্যাহত আছিল। সামাজিক যোগাযোগ অক্ষুণ্ণ আছিল। কোচ ৰাজত্ব আৰু মোগল ৰাজত্ব বা আদি-ব্ৰিটিছ যুগত ভাটীৰপৰা যি বিষয়াবৰ্গ বা ৰণুৱা বাহিনী আহিছিল তেওঁলোকৰ বহুতেই আৰু উভতি নগ'ল। এনে বিষয়া বা ৰণুৱাৰ ভিতৰত ভাৰতৰ আন আন ঠাইৰ ৰাজপুত আদি বহুতো গোষ্ঠীৰ লোক আছিল।

"মোৰ মাতৃবংশৰ উপৰিপুৰুষ পাঞ্জাৱী-হিন্দু কানুসিং, চুবাদাৰ। তেওঁ এটা ব্ৰিটিছ ফৌজৰ নায়ক হৈ অসমলৈ আহিছিল আৰু অসমীয়া হৈ দেশতে জাহ গৈছিল। তেওঁৰ নাতি লক্ষ্মীকান্ত চৌধুৰী মৌজাদাৰ। লক্ষ্মীকান্তৰ দুই পুতেক দুলাল চন্দ্ৰ চৌধুৰী আৰু মোৰ ককাদেউতাৰ

পিতামহ ৰমাকান্ত চোধুৰী।" (স্মৃতিৰ পাপৰি: অতুলচন্দ্ৰ হাজৰিকা)
"১৬ শতিকাত সম্ৰাট আকবৰৰ ৰাজত্বকালত দিল্লীত কোচবিহাৰৰ যুৱৰাজ বীৰ চিলাৰায়ৰ লগত বিজয়সিংহ চৰ্দাৰ নামে ৰাজপুত বীৰ এজনৰ সাক্ষাৎ হয়। বিজয়সিংহ চৰ্দাৰ আছিল মোগল বিৰোধী ৰাজপুত বীৰ। তেওঁ চিলাৰায়ৰ লগত বন্ধুত্ব স্থাপন কৰি কোচৰজাৰ সামৰিক বাহিনীত সোমাবলৈ কোচবিহাৰ পালেহি।

.... শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত বিজয়সিংহ চৰ্দাৰ সপৰিয়ালে ৰাজ নিৰ্দেশতেই বৰপেটাৰ সুন্দৰীদিয়া থানলৈ উঠি আহে আৰু মাটি-বাৰী লৈ প্ৰবল প্ৰতিপত্তিৰে বাস কৰিবলৈ ধৰে।" এই বিজয়সিংহ চৰ্দাৰেই কামৰূপৰ প্ৰভাৱশালী অতিৰাম বৰুৱা তথা বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰীৰ উপৰি পুৰুষ। (২২)

শ্ৰীমন্ত শঙ্কৰদেৱৰ উপৰিপুৰুষ চণ্ডীবৰেও গৌড়ৰাজৰ নিৰ্দেশত কামৰূপলৈ আহিছিল। তাৰ পিছত তেখেতৰ পুত্ৰ ৰাজধৰে নগাঁৱৰ আলিপুখুৰীলৈ উজাই যায়।

স্বৰ্গীয় খনীন্দ্ৰনাথ বৰুৱাৰ (কমাৰকুছিয়া) সম্পৰ্কে:

"আমাৰ বংশৰ পুৰুষীনামা বা বংশাৱলী অনুসৰি কমাৰকুছি গাঁৱৰ বৰুৱা, মজুমদাৰ, ডেকা আৰু পাটোৱাৰী উপাধিধাৰী লোকসকলৰ আদি পুৰুষ আছিল মিথিলাবাসী চন্দ্ৰবংশী ধনঞ্জয়ধ্বজ নামে লোক'.... 'তেওঁ লগত আহোঁতে নাপিত, কাপোৰধোৱা ধোবা পৰ্যন্ত লৈ আহিছিল।' 'ধনঞ্জয় ধ্বজৰ বংশধৰসকলে কমাৰকুছিত থকাৰ উপৰি ৰঙাৰবাৰী (উখুৰ), কোটালকুছি, বৰদিয়াবাৰী, ৰণাকুছি, নখেতি, বালা, বৰখুৰিকোনা আৰু গোৱালপাৰা জিলাৰ যোগীঘোপাৰ ওচৰৰ ভেৰাগ্ৰামত আছে। (২৩)

এনেদৰে কামৰূপৰ বহুতো সম্ভ্ৰান্ত পৰিয়ালৰ উপৰিপুৰুষসকল তাহানিৰে পৰা উত্তৰ ভাৰতৰ পৰা আহি ইয়াত বসতি কৰি নিগাজী হৈছিল।

চণ্ডীবৰ, বাৰভূঞা, আন ব্ৰাহ্মণ কিম্বা ৰাজপুতনাৰ পৰা অহা ৰাজপুত, এনেদৰে অসমলৈ আহি থিতাপি লোৱা পৰিয়ালবোৰে লগত আনিছিল উত্তৰ ভাৰতীয় তৎকালীন ধ্যান-ধাৰণা, জীৱনবোধ আৰু সংস্কৃতি। ই নিজ বৈশিষ্ট্য সহকাৰে কম-বেছি পৰিমাণে প্ৰাকৃব্ৰিটিছ শাসনকাললৈ

স্পষ্টভাৱে অব্যাহত আছিল। আমি উল্লেখ কৰা পৰিয়ালবোৰ উদাহৰণহে, বংশৰ গুৰি বিচাৰিলে কামৰূপ, গোৱালপাৰা আৰু দৰঙত আৰু এনে বহুতো পৰিয়াল পোৱা যাব।

মানাহ নদীৰ সিপাৰে আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে বিশেষকৈ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে গোৱালপাৰা অধিকাৰ কৰি গোৱালপাৰা, যোগীঘোপা আদিত বণিজকেন্দ্ৰ পতাৰ পিছৰপৰা বেপাৰ-বণিজ ক্ৰিয়াকাণ্ডৰ পৰিসৰ ব্যাপক হোবাৰ কথা আগতে উল্লেখ কৰা হৈছে। ইয়াৰ প্ৰভাৱ ১৭৯৩ খ্ৰীষ্ট (আহোম আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত চুক্তি সম্পন্ন হোৱাৰ) আগতেই পৰিছিল। ইংৰাজ - জৰ্জ লিয়ো, জাৰ্মান—ডেনিয়েল ৰাউছ, উইলিয়াম দো, ৰবাৰ্ট বিগাৰল বেৰনাৰ্ড, মেককুলাম, হুইটলেণ্ড, জন-টেইলৰ, ফৰাচী—লাভাল, জিৰুট, কোঁপান্যাক্, জঁ বাপ্তিষ্ট চেভানিয়াৰ আদি কেবাগৰাকী ইউৰোপীয়ই অসমৰ সতে বেপাৰত লিপ্ত আছিল।

আহোম ৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে লোৱাৰ আগতেই ব্ৰিটিছ শাসিত গোৱালপাৰাৰ বেপাৰ-বণিজৰ ক্ৰিয়াকাণ্ড ব্যাপক আছিল। আহোম-অসমৰ সীমামূৰীয়া ৰঙামাটি থানা এলেকাত ১১২ জন পাইকাৰী ব্যৱসায়ী আৰু অকল যোগীঘোপাতে ১১ জন মাৰোৱাৰী ব্যৱসায়ী আছিল। (২৭) বেহা-বেপাৰৰ যি প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়াই গোৱালপাৰাৰ দৰে কামৰূপৰো আভ্যন্তৰীণ সমাজখনক সামৰি লৈছিল। কৃষিজাত উদ্বৃত্ত ফচল বজাৰত বিক্ৰী কৰা, কুটীৰ শিল্পজাত দ্ৰব্য বিক্ৰী কৰা, কাঠৰ নাৱৰ খোলা আদি বনজাত বস্তু বিক্ৰী কৰা আদি আৰু লগে লগে সুতলৈ ধন ধাৰে দিয়া তেজাৰতী কাৰবাৰৰ প্ৰসাৰণ ঘটিছিল। এই ক্ষেত্ৰত যাতায়াত তথা জলপৰিবহণৰ সুযোগ থকা ঠাইবোৰত এনে বিকাশ দ্ৰুতভাৱে ঘটিছিল।

উদাহৰণ স্বৰূপে ১৮৯৭ চনৰ ভূইকঁপত লুপ্ত হোৱা চাউলখোৱা নদী পদ্ধতিৰ (River system) কথা কব পাৰি। উত্তৰ কামৰূপৰ ভূটান পাহাৰৰ পৰা ওলোৱা প্ৰায় কেইখন নদীয়েই চাউলখোৱা নদীত পৰিছে।

[চাউলখোৱা নদীৰ বিষয়ে W. Hunrer চাহাবে (statistical Account of Assam : Statistical Account of Kamrup) লিখিছে।]

The *Chaulkhoya* flows east to west and receives the drainage of most of the minor streams in the north of the Districts. It is fed by *Pagla Manas, Suru Manas* which fall into it about a mile above Barpeta, *the Pahumare* a very winding river, *the Kaldia, the Noanadi,* the *Baralia* a winding but deep stream which receives the waters of the *Nonai* before falling *into Chaulkhoya. The Rorsa* forms one of the principal outlet of the *Chaulkhoya* into *Brahmaputra.* The main channel of the *Chaulkhoya* however empties itself into *Manas* a little above the point where that river falls into *Brahmaputra.*

ডাঃ জন পিটাৰ বেদ এ An account of Assam (1800) পুথিত উত্তৰ কামৰূপৰ নদী সমূহৰ বিষয়ে কৈছে—

"The Banks of all the Camroop rivers are coverred with Towns except where they discharge themselves into the Brahmaputra.

BOORADIA

Rises from Bootan, to the west of the former (Sowlkhowa) and falls also into the *MANAHA.* These two rivers (বুঢ়াদিয়া আৰু চাউলখোৱা) are accessible to large boats in the dry season to a considerable distance and small boats as for as the foot of the Mountain.

[এই পুথিত কামৰূপৰ নৈ পদ্ধতিৰ এখন পূৰণি মানচিত্ৰ দিয়া হৈছে ।]

চাউলখোৱা নদী ব্ৰহ্মপুত্ৰৰ সমান্তৰাল হিচাপে উত্তৰ-পূবৰপৰা পশ্চিম-দক্ষিণলৈ বৈ মানাহ নদীত মিলিছে। সেই মিলনস্থলৰ অনতিদূৰত ব্ৰহ্মপুত্ৰ মানাহ নদীৰ সংগমস্থল। এই সংগমস্থলৰ পূব উত্তৰত হাদিৰা-চকী, পশ্চিমে যোগীঘোপা আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণে ওচৰতে গোৱাল-পাৰা। ব্ৰহ্মপুত্ৰৰ পাৰৰ কামৰূপৰ নগৰবেৰা (দক্ষিণ পাৰ) বহৰি (উত্তৰ পাৰ), শুৱালকুছি আৰু ৰামদিয়া (উত্তৰ পাৰ), পলাশবাৰী (দক্ষিণ পাৰ), চাউলখোৱা নদী পদ্ধতিৰে ঢুকি পোৱা বৰপেটা, সৰ্থেবাৰী, পাটাচাৰকুছি, নিত্যানন্দ আদিবোৰ বণিজকেন্দ্ৰ। (১৯০৭ চনৰ ইম্পিৰিয়েল গেজেটিয়াৰত বৰপেটা আৰু শুৱালকুছিক খ্যাত বণিজক্ষেত্ৰ বুলি উল্লেখ কৰি কৈছে যে ইয়াৰ অধিবাসীৰ প্ৰধান একাংশ ব্যৱসায়ী।) পিতলৰ কাৰিকৰী শিল্পৰ বাবে হাজো, কাঁহশিল্পৰ বাবে সৰ্থেবাৰী, বয়নশিল্পৰ বাবে শুৱালকুছি, কাঠৰ কাৰবাৰৰ বাবে নগৰবেৰা আৰু পলাশবাৰী আদি আৰু নাও সজা শিল্পৰ বাবে বৰপেটা ব্ৰিটিছে অসম লোৱাৰ আগৰেপৰা খ্যাত আছিল।

এনে ধৰণৰ পালি ব্যৱসায়ৰ মাজেৰে কামৰূপতো এচাম মানুহ ধনী হৈছিল আৰু সামাজিকভাবে প্ৰতিপত্তিশীল হ'ব পাৰিছিল। এনে ব্যৱসায়ত ভূমি ব্যৱস্থাৰ সৈতে জড়িত চৌধুৰী আদি মধ্যশ্ৰেণীত লিপ্ত হোৱাৰ প্ৰৱণতাৰ কথা আগতেই উল্লেখ কৰা হৈছে। উত্তৰ কামৰূপৰ লগত ভূটানৰ কাৰবাৰ আছিল ; বিশেষকৈ লা, গৰু, ঘোঁৰা, ভূটীয়া কম্বল আদি ভূটানৰ পৰা অহা পণ্য আছিল। কামৰূপৰ মাজেৰে সাগৰীয় লোণ ভূটানলৈ গৈছিল। এনে বেহা-বেপাৰক কেন্দ্ৰ কৰি উত্তৰ কামৰূপৰ নদী কিছুমানৰ উত্তৰ খণ্ডত সৰু সৰু বেপাৰ কেন্দ্ৰ হিচাপে গা কৰি উঠিছিল। এনে বেহা—বেপাৰত স্থানীয় মানুহে অংশ লৈছিল। হলিৰাম ঢেকিয়াল ফুকন, আনন্দৰাম ঢেকিয়াল ফুকন আদিকেই অসমৰ আধুনিক মধ্যবিত্ত শ্ৰেণীৰ অগ্ৰগামী বুলি কোৱা হয়। এই সকলৰ বংশৰ ইতিহাস খুচৰি চালে বেহা-বেপাৰকে এনে অগ্ৰগতিৰ ঘাই কাৰণ বুলি ক'ব পাৰি। তেখেত সকলৰ বংশৰ ইতিহাস এনে ধৰণৰ—গোৱালপাৰা তেতিয়া ব্ৰিটিছৰ দখলত আৰু কামৰূপ আহোম ৰজাৰ অধীনত। অষ্টাদশ শতিকাৰ সপ্তম দশকত দাক্ষিণাত্যৰ জনৈক লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী আহোম ৰাজ্যলৈ আহিছিল। তেওঁ ৰজাঘৰক সন্তোষ লগাই আহোম-অসম আৰু গোৱালপাৰৰ সীমান্তৰ হাদিৰাচকীৰ তুৰৰীয়া বৰুৱা হয়।

ব্ৰহ্মচাৰীয়ে ৰজাঘৰত বাৰ্ষিক ১০,০০০ নাৰায়ণী টকা আৰু ৭০,০০০ টকাৰ নানা দেশীয় দ্ৰব্য দিবলৈ স্বীকাৰ কৰি সেই চকী লৈছিল। হাদিৰাচকীত হিচাপৰ কাকতপত্ৰ লেখাৰ বাবে কট়ালৰ ঘৰৰ একোজনা ডেকা থাকিছিল। আন আন কাকতীও আছিল। ব্ৰহ্মচাৰী বাবাই দেখিলে যে যি নিয়মে কাৰ্য্য কৰা হয় আৰু হিচাপ ৰখা হয় সেইটো বৰ ভাল প্ৰণালীবদ্ধ নাছিল। সেই দেখি বঙালী আৰু কামৰূপী মানুহক কাকতী ললে। কামৰূপৰ হৰিপ্ৰসাদ আৰু সত্যানন্দ আৰু বঙালদেশী কোনো মানুহক হিচাপৰ কাকত লেখিবলৈ আৰু আন আন কাৰ্য্য কৰিবলৈ নিযুক্ত কৰিলে। (২৫)

(হৰিপ্ৰসাদৰ বংশধৰ বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰী। সত্যানন্দ সম্পৰ্কে আমি জানিব পৰা নাই।)

গুণাভিৰাম বৰুৱাই গোৱালপাৰাক বংগদেশৰ ভিতৰুৱা বুলি ভাবি, গোৱালপাৰাৰ লোককো বাঙালী বুলি কিজানি কৈছিল। হৰিপ্ৰসাদে হাদিৰাচকীত কাম কৰাৰ উপৰি কাঁহ-পিতলৰ ব্যৱসায়ো কৰিছিল বুলি প্ৰসন্নলাল চৌধৰীয়ে লিখিছে। (২৬)

লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীয়ে ৰজা, বুঢ়াগোহাঁই আৰু ৰাজ বিষয়াসকলৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল। দেশত ভাল চিপাহী নথকাত ব্ৰহ্মচাৰীয়ে শিখ আৰু হিন্দুস্থানী মানুহ ৰজাৰ চিপাহী দলত নিযুক্ত হবলৈ পুৰুষাৰ্থ কৰি অনাই দিবলৈ স্বীকাৰ কৰিলে। ক্ৰমে অনায়ো দিলে। তাৰে কিছুমান অসম আৰু বংগদেশৰ সীমা হাদিৰাচকী বা বঙাল হাটত থাকিল। (২৭)

লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীয়ে সীতাৰাম, পৰশুৰাম শম্ভুৰাম আৰু ৰণৰাম, অভিৰাম আৰু পটাভিৰাম বোলা ছজন ল'ৰাৰ পালক পিতৃ হ'ল।

পৰশুৰামৰ পুত্ৰ হ'ল হলিৰাম, হলিৰামৰ পুত্ৰ আনন্দৰাম ঢেকিয়াল ফুকন। (২৮)

লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীয়ে তোলা এই পৰিয়ালটোৱেই দুৱৰীয়া বৰুৱা হ'ল। 'উজনিৰপৰা ভাটীলৈ আৰু ভাটীৰ পৰা উজনিলৈ বেপাৰৰ যি বস্তু আছে তাক দুৱৰীয়াৰ ঘৰেই নিজেই লৈ নিজে কাৰবাৰ কৰিছিল। অধিক কি প্ৰায় সমুদায় দেশখনৰে বেপাৰ এহতীয়া হ'ল। বঙালহাট, গোৱালপাৰা নগৰবেৰা, গুৱাহাটী, দৰং আৰু যোৰহাট, নগাঁৱত দুৱৰীয়াৰ ঘৰৰপৰা গোলা দিয়া হ'ল। এই সকলৰ দ্বাৰাই বিস্তৰ লাভ হবলৈ ধৰিলে। চিপাহী-চন্তৰী, মানুহ বনুৱা অনেক হ'ল। বেপাৰৰ বাবে ২৪০ খন নাও আছিল। (২৯)

পৰশুৰাম বৰুৱাৰ অন্যতম পুত্ৰ যজ্ঞৰাম 'কলিকতালৈ গৈ সেই ঠাইৰ সুবিখ্যাত ৰামমোহন ৰায়ৰ উপদেশ আৰু শিক্ষা শুনিবলৈ ধৰিলে। .... তেওঁ প্ৰথমে যিকেইজন লোকৰ সতে ব্ৰহ্মোপাসনা কৰিছিল তাৰ মাজত যজ্ঞৰাম এজন আছিল।' ....চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱ যেতিয়া গুৱাহাটীত থাকে তেতিয়া হলিৰাম আৰু যজ্ঞৰামক ঢেকিয়াল ফুকন আৰু খাৰঘৰীয়া ফুকন আখ্যা দিয়ে।' (৩০)

এই পৰিয়ালটো ইমানেই প্ৰভাৱশালী আৰু আঢ্যৱন্ত হৈ উঠিছিল যে, 'চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে চীলমাৰীত চিপাহীক দৰমহা দিব নোৱাৰি সোণৰ ভৃঙ্গাৰ এটা দি এওঁলোকৰ পৰা ধন নিছিল। সেই ভৃঙ্গাৰ ঢেকিয়াল ফুকনে কাৰো হাক নুশুনি জগন্নাথ মহাপ্ৰভুক দিছিল।' ৩১) জমিদাৰকালীন গোৱালপাৰা জিলাৰ আৰ্থসামাজিক অৱস্থা সম্পৰ্কে চৰ্চা কৰি ড° অমলেন্দু গুহই সিদ্ধান্ত কৰিছে যে সেই জিলাৰ ভূমি-ব্যৱস্থাৰ ফলত (প্ৰাক ব্ৰিটিছ কালৰে পৰা চলা) জনজাতি, মুছলমান তথা ৰাজবংশী খেতিয়কৰ মাজত, তৃণমূলত, সৰু মজলীয়া জোতদাৰ শ্ৰেণী এটাৰ উদ্ভৱ হৈছিল। খেতিৰ ৰাহি শস্য বজাৰত বিক্ৰী কৰি, বনজ সম্পদকে ধৰি আন পণ্যৰ বেহাবেপাৰত ভাগ লৈ আৰু তেজাৰতি কাৰবাৰ কৰিও এনে জোতদাৰবোৰ ধনী হোৱাৰ অৱকাশ আছিল। এনে জমিদাৰী ব্যৱস্থাই অনাখেতিয়ক মধ্যস্বত্বভোগী জোতদাৰকেই নহয়— পুৰোহিত, পণ্ডিত, মৌলবী, জমিদাৰৰ ব্ৰাহ্মণ কায়স্থ কুটুম্ব আদিয়েও জমিদাৰৰ পৰা মাটি পাই—আনৰ হতুৱাই খেতি কৰাইছিল। এওঁলোকৰো আগতে কোৱা জোতদাৰৰ দৰে ধনী হোৱাৰ অৱকাশ আছিল।

আগতে কোৱা জোতদাৰ শ্ৰেণীটোৰ উৎপত্তি হৈছিল—ভূমি ৰাজহ-সংগ্ৰহ ব্যৱস্থাৰ পৰা।

গতিকে দেখা যায় যে অকল ভূমি-ব্যৱস্থা, কিম্বা সামন্তধৰ্মী ব্যৱস্থাই নহয়, ভূমিৰাজস্ব ব্যৱস্থাৰ মাজৰপৰা আৰু মোগল ব্ৰিটিছ যুগৰ বণিজৰ লগত পালি-ব্যৱসায়ীৰ ভূমিকাৰ মাজৰপৰা গোৱালপাৰাত কেইটামান শ্ৰেণীৰ উদ্ভৱ হৈছিল। কামৰূপতো তদ্ৰুপ ঘটিছিল। এনে শ্ৰেণী আৰু আগতে বৰ্ণোৱা সামাজিক অৰ্থনৈতিক প্ৰক্ৰিয়াৰ মাজতে আধুনিক অসমীয়া মধ্য-বিত্ত শ্ৰেণীৰ অংকুৰণ ঘটিছিল।

স্বভাৱতেই এই শ্ৰেণীবোৰৰ আকৰ্ষণ আছিল ব্ৰিটিছ ঔপনিবেশিক অৰ্থনৈতিক তথা প্ৰশাসনিক কেন্দ্ৰ বংগদেশ তথা ঢাকা-কলিকতা আদি প্ৰধান চহৰ। সিবোৰৰ সংস্কৃতি তথা নৱাধাৰণা আদিয়ে এনে উদীয়মান অংকুৰিত মধ্যবিত্তক অনুপ্ৰাণিত কৰিছিল। সেইবাবে কামৰূপ

আৰু গোৱালপাৰাৰ বিশেষ পৰিস্থিতি বিশেষভাবে অধ্যয়ন নকৰিলে অসমৰ মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস চৰ্চাত অসম্পূৰ্ণতা আৰু দুৰ্বলতা বৈ যোৱাৰ সম্ভাৱনা সৰহ।

পুৰণি মধ্যশ্ৰেণীৰ ভিত্তি

১৭৯৩ খ্ৰী· চনটো অসমৰ সমাজ ইতিহাসৰ বাবে গুৰুত্বপূৰ্ণ বছৰ। এই চনতেই বংগদেশৰ দৰে গোৱালপাৰা জিলাতো চিৰস্থায়ী জমিদাৰী বন্দৱস্তি হয়। আকৌ এই চনতেই স্বৰ্গদেউ গৌৰীনাথ সিংহৰ সৈতে ইষ্ট ইণ্ডিয়া কোম্পানীৰ বণিজ-চুক্তি সম্পাদিত হয়।

চিৰস্থায়ী বন্দৱস্তিৰ জৰিয়তে একোটা পৰিয়ালক নিৰ্দিষ্ট খাজনাত একোটা অঞ্চল চিৰস্থায়ী হিচাপে বন্দৱস্তি কৰি ভূ-সম্পত্তি (Estate) দিয়া হ'ল। আগৰ পাঁচবছৰীয়া বা সাময়িক বন্দৱস্তিৰ বিপৰীতে চিৰস্থায়ী বন্দৱস্তিৰ গুণগত পাৰ্থক্য যথেষ্ট। এনে জমিদাৰবোৰৰ নিজস্ব ভূমি প্ৰশাসন ব্যৱস্থা আৰু পদ্ধতিও চিৰস্থায়ী হিচাপে গঢ় লৈ উঠিল। জমিদাৰীৰ তলত প্ৰায় একে ধৰণৰ বন্দৱস্তিৰ জোতদাৰ শ্ৰেণী গঢ় লৈ উঠিল। ১৮৫৩ চনৰ তথ্যমতে গোৱালপাৰাৰ ৩৫২৫ বৰ্গমাইল এলেকাত ৭টা পৰিয়ালৰ অধীনত ১২ খন জমিদাৰী আছিল। ইয়াৰ লগতে ৭ ঘৰ লাখেৰাজদাৰকো চিৰস্থায়ী জমিদাৰ বুলি গণ্য কৰা হৈছিল। ১৯০৭ চনত জিলাখনত ৯ টা ডাঙৰ জমিদাৰী, ১০ খন সৰু জমিদাৰী আৰু ৪১ খন লাখেৰাজ ভূ-সম্পত্তি আছিল। (৪৫)

জমিদাৰীৰ এলেকাৰ কিছুমান সৰু অংশ জোতদাৰৰ লগত বন্দৱস্তি কৰা হৈছিল। উদ্দেশ্য আছিল খাজনা সংগ্ৰহ সুচল কৰা। জমিদাৰে ৰখাৰ দৰে জোতদাৰেও কিছু খাচমাটি ৰাখিছিল। তাত গোলাম-বন্ধা আদিৰে খেতি কৰাইছিল বা পিছত ১৮৪৩ খ্ৰী.ত বন্দী প্ৰথা উঠি যোৱাত, প্ৰজাক আধি ঠিকা ইত্যাদি ব্যৱস্থাৰে খেতি কৰিব দি জমিদাৰ তথা জোতদাৰে ব্যক্তিগত উদ্দেশ্যত ব্যৱহাৰ কৰিছিল।

ডাঙৰ জোতদাৰ সকলৰ সৰহভাগেই আছিল ব্ৰাহ্মণ, কায়স্থ বা সম্ভ্ৰান্ত খানদানি মুছলমান—সামাজিকভাৱে প্ৰতিষ্ঠাবান। (৩৩)

বুকানন চাহাবে এনে জোতদাৰ বিলাকৰ বিষয়ে লিখিছে :

"In general, they were well-behaved men, superior by much both in manners and education to the generality of their masters ; and many of them live better than landlords of the first families and largest estates in the district. It is true that they have not the same train of idle followers and flatterers but by this means they retain their understanding, and the necessity of application to business sharpens their wit, so that they can manage their affairs with economy and their houses, diet and clothing are at least equal to those of the landlords and many of them afford to ride on horse or to keep a palanquin. (৩৪)

(সাৰাংশ : সাধাৰণত এনে জোতদাৰ সকল শিক্ষা-দীক্ষা আৰু আচৰণত জমিদাৰসকলতকৈ শ্ৰেষ্ঠ আছিল। তেওঁলোকৰ বহুতে জমিদাৰ-সকলতকৈ ভালদৰে জীৱন-যাপন কৰিছিল আৰু নিজৰ সংসাৰ আৰু কাম-কাজ নিয়াৰিকৈ চলোৱাৰ বাবে প্ৰয়োজনীয় বুদ্ধি বিবেচনাৰ গৰাকী আছিল।)

সুযোগ আৰু সুবিধামতে এওঁলোকে হাতীমহল, কাঠমহল, মীনমহল আদিও ডাকি লৈছিল। আন আন ব্যৱসায়তো এওঁলোকৰ হাতত থুপখোৱা পুঁজি নিয়োগ কৰিছিল। উল্লেখ কৰা যায় যে ডাঙৰ ডাঙৰ জোতদাৰ-সকলৰ বহুতেই জমিদাৰৰ বিশ্বস্ত আত্মীয়, বন্ধু বা পৰিজন আছিল। সাধাৰণতে তৃণমূল পৰ্যায়ত প্ৰজাৰ তথা ৰায়তৰ সৈতে এই সকলৰ সামাজিক সম্পৰ্ক কম আছিল।

আগতে উল্লেখ কৰা হৈছে যে তৃণমূল পৰ্যায়ৰ প্ৰজাৰ মাজৰ পৰাও মজলীয়া আৰু সৰু জোতদাৰ শ্ৰেণীৰ উদ্ভৱ হৈছিল। এওঁলোকৰ কাম আছিল গাঁও বা ক্ষুদ্ৰ অঞ্চলৰ খাজনা সংগ্ৰহ কৰা। গ্ৰাম্য সমাজৰ সকলো দিশতে এই শ্ৰেণীৰ লোক মুখিয়ালস্বৰূপ আছিল। এওঁলোক সাধাৰণতঃ ৰাজবংশী, বড়ো বা মুছলমান সম্প্ৰদায়ৰ লোক আছিল। গ্ৰাম্য সমাজ তথা তৃণমূল পৰ্যায়ৰ প্ৰজাৰ সৈতে এই শ্ৰেণীৰ লোকৰ

যোগাযোগ সামাজিক সম্পৰ্ক সদায়েই আছিল। উদ্বৃত্ত ফচল বিক্ৰীকৰা, বনমহল বা মীনমহলৰ ডাঙৰ, ঠিকাদাৰৰ তলৰ পালি-ঠিকাদাৰ বা সুযোগ বুজি ঠিকাদাৰী, সৰু সৰু ব্যৱসায় বা তেজাৰতী ব্যৱসায় আদিৰ দ্বাৰা এওঁলোক সাধাৰণভাৱে অৱস্থাপন্ন হৈছিল।

পিছৰ যুগৰ ৰাজনীতি, সাংস্কৃতিক কৰ্ম, সমাজ সংস্কাৰ আদিত গোৱালপাৰাৰ যিসকল আগবাঢ়ি আহিছিল, সেইসকলৰ সৰহভাগেই ওলাই আহিছিল বৰ, মজলীয়া বা সৰু জোতদাৰ শ্ৰেণীৰ মাজৰ পৰা। জমিদাৰৰ বিৰুদ্ধে গোৱালপাৰাৰ যিবোৰ প্ৰজা আন্দোলন হৈছিল তাত মজলীয়া আৰু সৰু জোতদাৰ শ্ৰেণীৰ লোকৰ নেতৃত্ব দেখা যায়।

এনেবোৰ মাথোন যে উচ্চ হিন্দু বা মুছলমান তথা কোচ কমতাযুগৰ ৰাজপুৰুষৰ বংশধৰেই আছিল এনে নহয়, খেতিয়ক পৰিয়ালৰ পৰা অহা বড়ো বা আন জাতিৰ লোকো আছিল।

উনৈশ শতিকাৰ শেহৰ পিনে আৰু কুৰি শতিকাৰ প্ৰথম কেই দশকত শিক্ষা দীক্ষা, চাকৰি বাকৰি আদি লৈ গোৱালপাৰাৰ জনসমাজৰ পৰা যি সকলে আধুনিক মধ্যবিত্ত শ্ৰেণীৰ পৰিসৰলৈ ওলাই আহিল সেই সকলৰ সৰহভাগেই এনে জোতদাৰ শ্ৰেণীৰ পৰা উদ্ভূত।

আমি অন্যত্ৰ আলোচনা কৰিছোঁ যে ১৭৬৫ খ্ৰী ত ব্ৰিটিছে অধিকাৰ কৰাৰ আগৰ পৰা গোৱালপাৰা জিলাৰ ঠায়ে ঠায়ে ডাঙৰ ব্যৱসায় কেন্দ্ৰ গঢ় লৈ উঠিছিল আৰু সিবোৰলৈ বংগদেশ তথা বংগদেশৰ মাজেৰে ভাৰতৰ আন আন অঞ্চলৰ বেপাৰী, বণিক বৃত্তিৰ লোক আহি স্থায়ীভাৱে পিতাপি লৈছিল।

কোচ, মোগল যুগৰ পৰা এনে ব্যৱসায়ক কেন্দ্ৰ কৰি বংগদেশ আৰু তাৰ পশ্চিমৰ ৰাজ্যবোৰৰ পৰা বহুতো মানুহ আহি ইয়াত স্থায়ীভাৱে বসবাস কৰাৰ উপৰিও মোগল বা ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্মচাৰী আৰু সেনাবাহিনীৰ বহুতে ইয়াতে বিয়াবাৰু কৰাই থিতাপি লাগিছিল।

লগতে স্থানীয় কিছু লোক এনে বেপাৰ-বাণিজ্যৰ সৈতে জড়িত হৈছিল। ব্ৰিটিছ শহাৰ পাছত বিশেষকৈ জাহাজ চলাচল হোৱাৰ পিছত, সেই অঞ্চলবোৰৰ বেহা-বেপাৰ ত্বৰান্বিত আৰু ব্যাপক হৈছিল। ব্ৰিটিছ

প্ৰশাসন থিতাপি লগাৰ লগে লগে এনে বেপাৰী শ্ৰেণীৰ ব্যাপকতা বৃদ্ধি পায়। এনে শ্ৰেণীবোৰৰ মাজৰ পৰাও শিক্ষা-দীক্ষা লৈ চাকৰি-বাকৰি আদিৰ মাজেদিও আধুনিক মধ্যশ্ৰেণীলৈ বহুতো লোক ৰূপান্তৰিত হয়। ৰাজনীতি, সমাজ, সংস্কাৰ, সংস্কৃতি, শিক্ষা-প্ৰসাৰ আদি কামত এনেবোৰৰো অৱদান কম নহয়।

আহোম অসম ব্ৰিটিছে লোৱাৰ আগৰেপৰাই জমিদাৰীৰ কাম-কাজ, চৰকাৰী কাম-কাজ বা ব্যৱসায়ৰ কাম-কাজৰ বাবে বংগদেশ তথা ভাটীদেশৰ পৰা অহা মধ্যবিত্ত চাকৰিয়াল, ব্যৱসায়ী, উকিল আদিৰ বহুতেই আহি গোৱালপাৰা জিলাত থিতাপি লৈছিল। সেইসকলৰ পৰাও গোৱালপাৰাৰ আধুনিক মধ্যবিত্ত শ্ৰেণীত বহুতো লোক অন্তৰ্ভুক্ত হয়।

১৮৭৪ খ্ৰী-ত অসমত সুকীয়া প্ৰদেশ প্ৰশাসন প্ৰৱৰ্তন কৰা হয়। পৰবৰ্তীকালত ৰংপুৰৰ (পূৰ্ববংগৰ) পৰা আঁতৰাই আনি গোৱালপাৰা জিলাক অসমৰ বাকী অংশৰ সৈতে চামিল কৰা হয়। গোৱালপাৰা বা কামৰূপ জিলাৰ মধ্যবিত্তৰ সৈতে উত্তৰবঙ্গৰ, কলিকতা তথা বংগদেশৰ উদীয়মান মধ্যবিত্তৰ যোগাযোগ বেছি আছিল।

গৌৰীপুৰৰ জমিদাৰ প্ৰতাপচন্দ্ৰ বৰুৱাই (মৃত্যু ১৮৮০ খ্ৰী.) গৌৰীপুৰত মাইনৰ স্কুল স্থাপন কৰে। (৪৮) ১৮৯৮/৯৯ চনত ই হাই-স্কুললৈ উন্নীত হয়। অসমৰ আধুনিক শিক্ষা পদ্ধতিৰ অতি কম স্কুলৰ ভিতৰত ই এখন আছিল। গোৱালপাৰা জিলাৰ উপৰি এই স্কুলখনে অসমৰ আন আন অঞ্চলৰ বিশেষকৈ নামনি অসমৰ বহুতো আগ্ৰহী বিদ্যাৰ্থীক আকৰ্ষণ কৰিছিল। গৌৰীপুৰৰ জমিদাৰে শিক্ষা আৰু শিক্ষাৰ্থীৰ খৰচ বহন কৰিছিল।

১৭৯৩ খ্ৰী-ৰ পিছৰ পৰা কামৰূপৰ চৌধুৰী সকলৰ আৰু গোৱালপাৰাৰ চৌধুৰী জমিদাৰ-সকলৰ অৱস্থাৰ তাৰতম্য ঘটে। আগতে মোগল যুগত আৰু পৰৱৰ্তী আহোম যুগতো পৰগণাৰ বন্দৱস্তি সীমিত সময়ৰ বাবেহে চৌধুৰীসকলক দিয়া হৈছিল। ১৭৯৩ খ্ৰী-ত চিৰস্থায়ী বন্দৱস্তিৰ ফলত

গোৱালপাৰাৰ একে পৰ্য্যায়ৰ ভূস্বামী তথা খাজনা সংগ্ৰহকাৰী চৌধুৰীসকল জমিদাৰ পৰ্য্যায়লৈ ৰূপান্তৰিত হ'ল। কামৰূপত কিন্তু চিৰস্থায়ী বন্দবস্ত নহ'ল। মিলচ্ চাহাবে কামৰূপৰ চৌধুৰীসকলৰ সম্পৰ্কে কৈছে:

"The Chowdrees in Kamrup were mere Tahsilders: they had no special right either as to office or land. (৩৬)

(কামৰূপৰ চৌধুৰীসকলক তহচিলদাৰ হিচাপে লোৱা হৈছিল। তেওঁলোকৰ কাৰ্য্যালয় অথবা ভূমি স্বত্বৰ বাহিৰে আন বিশেষ অধিকাৰ নাছিল।)

১৭৯৩ খ্ৰী.ৰ চিৰস্থায়ী বন্দবস্তিয়ে গোৱালপাৰাৰ জমিদাৰ সকলৰ বাবে office আৰু land ৰ সম্পৰ্ক সৃষ্টি কৰিছিল। ইয়াৰ বিপৰীতে কামৰূপত সলনা সলনিকৈ বহু পৰিয়ালৰ লোকেই চৌধুৰী হৈছিল, এই পদে তেনে বিশেষ আৰু স্থায়ী স্বত্বৰ সৃষ্টি কৰা নাছিল।

ব্ৰিটিছ শাসক কেপ্তেইন বগল চাহাবে ১৮৩৩-৩৪ খ্ৰী.ত মোগল আহোম যুগত থকা (গোৱালপাৰা বাদে) নামনি অসমত পূৰ্বৰ ২৬ খন পৰগণা ভাঙি ১৫১ খন মৌজাৰ সৃষ্টি কৰিলে। (বহুবছৰ পিছলৈ এনে মৌজাবোৰকে ৰাইজে পৰগণা আখ্যা দিছিল।) বগল চাহাবৰ এনে কামৰ যুক্তি কি আছিল তাক দৰ্শাই মিলচ্ চাহাবে ৰিপৰ্টত কৈছে:

He (Capt. Bogle) abolished the whole of the former local divisions, excepting those on the south bank of the Brahmaputra which were not intermixed, and having thrown all the pargunnahs into one mass, parcelled them out into mohals or Mouzahs. In effecting the division, Captain Bogle states, he was guided by natural boundaries and by a desire to disturb the old Mouzahs as little as possible, and to allot to each of the Chowdrees a convenient tract of country in the immediate neighbourhood of their houses. The result of Captain Bogle's arrangement was that nearly everyman possessing any claims founded either on high character and talent, public services or ancient descent, was provided for.." (৩৭)

এনে কাৰ্য্যৰ দ্বাৰা যিবিলাকে উচ্চ বুদ্ধিমত্তা,, চৰিত্ৰ আৰু জনসেৱাৰ আৰু পুৰণি আভিজাত্যৰ দাবী ৰাখে তেনে সকলোবোৰকে প্ৰায় মৌজা দিব পাৰিছিল।

অন্যতম ব্ৰিটিছ প্ৰশাসক লেঃ কঃ জে-এ-এছ মেথি চাহাবৰ মতে, In Kamrup some of Chowdrees are affluent and most of them are very influential.' (৩৮) এনে ধনী আৰু প্ৰভাৱশালীসকলক সুবিধা দি নিজৰ অনুগত কৰি ৰখাটো চৰকাৰী নীতি আছিল। এইজন প্ৰশাসকৰ মতে এনে ভূমিৰাজহ প্ৰশাসন পদ্ধতিয়ে অসমীয়া ভদ্ৰলোক সকলক নিয়োজন ক্ষেত্ৰ দিব পাৰিছিল (Gives employment to many of the Assamese gentry.) আনহাতে প্ৰজায়ো বাহিৰা-বঙালীতকৈ নিজৰ মাননীয় আৰু স্থানীয় ডা-ডাঙৰীয়াক পছন্দ কৰিছিল। (The people prefer their own gentry getting charge of them to Bengalees.)

এনেদৰে ১৫১ খন মৌজাৰ সৃষ্টিৰ লগতে ইয়াৰ ১৫১ জন চৌধুৰীৰ তলত ৮৯ জন পাটোৱাৰী, ৪৯৫ জন ঠাকুৰীয়া আৰু ৪৯৭ জন কাকতী নিয়োগ কৰা হৈছিল। এনে পৰগণাৰ বাহিৰেও ১৮ খন খাত, ৬১ খন চমুৱা ৮১ টা লাখেৰাজ ভূ-সম্পত্তি, লগতে ১১০ জন দয়লদাৰ আৰু বহুতো খাত (Estate) সমাজৰ সম্ভ্ৰান্ত সকলৰ মাজত বিতৰণ কৰা হ'ল। (৩৯)

কোৱা বাহুল্য যে এনেবোৰ লোক পৰশ্ৰমজীৱী অনাখেতিয়ক। মৌজাৰ বাহিৰে ইবোৰৰ বাকী গোটবোৰ কাৰ্যতঃ প্ৰায় পুৰুষানুক্ৰমিক ভাৱে ভোগ কৰিব পৰা ভূ-সম্পত্তি।

এনেদৰে দেখা যায় যে উনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধলৈ কামৰূপৰ মধ্য শ্ৰেণীৰ সৰহভাগেই উল্লেখিত শ্ৰেণীৰ, ভূমি-প্ৰশাসন পদ্ধতিৰ মাজেৰে উদ্ভূত!

কামৰূপত ১৪ শ শতিকাৰ পৰাই মুছলমান ধৰ্মাৱলম্বী মানুহ আছিল। এনেসকলৰ বহুতৰ গুৰি তেৰ শতিকাত বখতিয়াৰ খিলিজীয়ে কামৰূপ আক্ৰমণ কৰা দিনৰে পৰা থকা বুলি অনুমান কৰা যায়। নামনি অসমৰ এনে মুছলমান ধৰ্মাৱলম্বী মধ্যশ্ৰেণীৰ লোকৰ বিষয়ে বিশেষ অধ্যয়ন আজিকোপতি হোৱা নাই।

অকল পাঠান বা মোগল আক্ৰমণৰ সেনা বা বিষয়া হিচাপে অহাই নহয় মোগল বা নৱাবৰ ৰাজত্ব কালত বা পাচতো ব্যৱসায় আদি আন

কাৰণতো কামৰূপলৈ আহি বহুতো মোগল বা পাঠানে নিগাজীকৈ বসতি কৰিছিল। এই সকলৰো কিছুমানে পৰৱৰ্তী আহোম আৰু ব্ৰিটিছ যুগত 'চৌধুৰী' আদি ভূমি বিষয়া হৈছিল।

মিলচ্ চাহাবৰ ৰিপৰ্টত (Report on the province of Assam, 1853) যি সকলে চৰকাৰে পাতি দিয়া স্কুলত পঢ়াশুনা কৰি চৰকাৰৰ দ্বাৰা বিভিন্ন কামত নিয়োজিত হৈছিল তাৰ তালিকা দিয়া আছে। সেই তালিকাত দিয়া কামৰূপৰ ৬০ জনৰ ভিতৰত ১১ জনেই মুছলমান ধৰ্মাৱলম্বী। উক্ত সূত্ৰমতেই জনা যায় যে পৰগণাৰ 'চৌধুৰী' বিষয় পোৱা সকলৰ ভিতৰতো আৰু চমুৱা সকলৰ মাজতো মুছলমান অভিজাত আছিল। তেনে পৰিয়ালবোৰৰ ইতিবৃত্ত সম্পৰ্কে বহু কথা চৰ্চাৰ অভাৱত এতিয়াও অজ্ঞাত হৈ ৰৈ আছে।

১৭৯৩ খ্ৰী.ৰ আহোম আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত হোৱা চুক্তি অনুসৰি অসমৰ মাজমজিয়ালৈ সোমোৱা বণিক সংস্থাবোৰত অকল ব্ৰিটিছ বা মাৰোৱাৰী ব্যৱসায়ীয়েই অহা নাছিল, ঢাকাৰ, বংগৰ তথা উত্তৰ ভাৰতৰ বহুতো মানুহ অসমত সোমাইছিল। তেওঁলোক হিন্দু ধৰ্মীয় বা ইছলাম ধৰ্মীয় মানুহ আছিল। আহোম ৰজাঘৰে অনা ভেৰোনীয়া সেনাবোৰৰ মাজতো বহুতে অসমত তথা কামৰূপত নিগাজীকৈ বসবাস কৰি লৈছিল।

এনে মিশ্ৰিত সমাজখনেই আছিল কামৰূপ তথা নামনি অসমৰ জনসমাজ আৰু তাৰ মধ্য বা উচ্চ শ্ৰেণীৰ পৰাই মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ হয়। এনে মধ্যবিত্ত শ্ৰেণীৰ দুই চাৰিজন ল'ৰা-ছোৱালীয়ে কলিকতাত পঢ়িছিল। আনন্দৰাম ঢেকিয়াল ফুকনে ১৮৫২ চনতেই তেনে কেইজনমানক কলিকতাত চিকিৎসা বিদ্যা পঢ়ি থকা পাইছিল।

'কলিকতাৰ মেডিকেল কলেজত ইউৰোপীয় বৈদ্যশাস্ত্ৰৰ শিক্ষা দিয়ে। তাৰ তেতিয়া দুই বিভাগ আছিল। ইংৰাজী বিভাগত ইংৰাজী ভাষাৰে শিক্ষা দিয়ে আৰু মিলিটাৰী বা দেশীয় বিভাগত হিন্দুস্থানী ভাষাৰে শিক্ষা দিয়ে। আমাৰ অসম দেশৰ কেইজনমান দেশীয় বিভাগত পঢ়িছিল। বৰপেটাৰ দীল মহম্মদ আৰু কেৰামৎ আলী, গুৱাহাটীৰ ৰহমৎ আলী,

মজফৰ হুছেইন আৰু আজিম হুছেইন, শিৱসাগৰৰ ভক্তৰাম, তেজপুৰৰ যজ্ঞৰাম আৰু ডিব্ৰুগড়ৰ শিৱৰাম আৰু বিদেশী সিংহ।' (৪০)

ভাৰতত বিভিন্ন ঠাইত থকাৰ দৰে অসমত তথা কামৰূপতো গোলাম-বন্দী প্ৰথা (Slavery) আছিল। এনে গোলামবোৰ শ্ৰমকাৰী সাধাৰণ মানুহ হ'লেও বজাৰত গৰু-ছাগলীৰ নিচিনা পণ্যৰ দৰে তেওঁলোকক বেচাকিনা হৈছিল। গোলাম-বন্দী কিনোতা গৰাকীজনৰ সম্পত্তি আছিল। 'কোচ-বিহাৰেৰ ইতিহাস' নামৰ খাঁ-চৌধুৰী আমানত উল্লা আহমদৰ বিখ্যাত গ্ৰন্থত লেখা আছে যে (১৭৮৭ খ্ৰী. মানত ব্ৰিটিছ প্ৰশাসনে সংগ্ৰহ কৰা বিৱৰণ মতে) আসাম আৰু কোচবিহাৰ অঞ্চলৰ পৰা প্ৰতিবছৰে প্ৰায় এশ মান বালক-বালিকা বংগদেশলৈ ৰপ্তানী হৈছিল। ছোৱালীৰ মূল্য জনে প্ৰতি ১২ টকাৰ পৰা ১৫ টকালৈ, কোচজাতিৰ ল'ৰাৰ মূল্য জনেপ্ৰতি ২০ টকা আৰু কলিতা জাতিৰ ল'ৰাৰ মূল্য জনেপ্ৰতি ৫০ টকা পৰ্যন্ত আছিল। ১৮০৮ খ্ৰী.ত এজন গোলাম বা বন্দীৰ দাম কুৰি টকা আছিল আৰু আহোম-অসমৰ পৰা ১০০ (এশ) গোলাম হাদিৰা চকীৰ মাজেদি ২০০০ টকা মূল্যত ৰপ্তানি কৰা হৈছিল বুলি বুকানিন চাহাবে লিখি গৈছে। (**An account of Assam, Francis Hamilton, 1963 edition.**)

১৮৪২-৪৩ চনত ব্ৰিটিছ চৰকাৰে গোলাম-বন্দী প্ৰথা ৰহিত কৰে আৰু সিবোৰক খালাচ দিয়ে। গোলাম-বন্দী সকলৰ খালাচৰ সময়ত মধ্যশ্ৰেণী আৰু সম্ভ্ৰান্ত সকলৰ প্ৰতিক্ৰিয়া এনে ধৰণৰ আছিল—

"আৰু গোলাম-বন্দী সকল খালাচ দিবৰ ১৮৪২ সনে আইন হোৱা বুলি ফৌজদাৰীৰপৰা খালাচ দিব ধৰিলে। এই কৰ্মত জানৰটলৰ জুনিয়ৰ সাহেব বৰ উৎসাহী ও ৰাধানাথ কটকী ফৌজদাৰীৰ মহৰীৰ, এতৎ কৰ্মে বৰ ৰাগী আছিল। দৰখাস্ত লিখাই কায়েদ ৰখা বুলি দৰখাস্ত দিয়া মাত্ৰেই খালাচেৰ হুকুম জাৰি কৰে। আৰো একখানি খালাচৰ ফয়চলা দিবৰো নিয়ম হৈ, দিছিল। এহাতে গোটেই কামৰূপ ও আসাম দেশত হাহাকাৰ হ'ল।" ॥১২৬॥ (৪১)

"তদপৰ কামৰূপৰ সকল মহন্ত আৰু ব্ৰাহ্মণ একত্ৰ হৈ অমৃত শিৱ পূজা কৰি অশ্বক্ৰান্তত জমা হৈ পূৰ্বব্ৰত দাস-দাসী ব্ৰহ্মোত্তৰ বহাল ৰখাৰ প্ৰাৰ্থনায় ১০০০ (এক হাজাৰ) কেতা দৰখাস্ত জিনকিঞ্চন কমিশ্বনাৰ সাহেবৰ হুজুৰে দাখিল কৰাতে কিছু হুকুম নিদিলে।" ॥ ১২৭ ॥

"তদপৰ চৌধাৰী দৰখাস্ত দিয়াত মোক পঢ়িব দিলে। পঢ়ি শুনালো। গোলাম-বন্দী খালাচ দিয়াৰ কাৰণ যে ভাল লোকৰ দুৰ্গতি হৈছে। মোত সুধিলে 'তোমাৰ খালাচ হৈছে?' মঞি কলো 'সাহেব মোৰো খালাচ দিছে। এহাতে আমালোকৰ জাত-কুল, মান-মৰ্য্যাদা সকল গৈছে" ॥ ২১৪ ॥ (৪২)

মণিৰাম দেৱানৰ সদৰৰ বাহাদুৰ জজ মেম্বাৰলৈ দিয়া ঐতিহাসিক এত্তেলাখনৰ ইংৰাজী তৰ্জমা মিলচ্ বিপৰ্টত (Report on the province of Assam ৬০৫-৬০৯ পৃঃত (অসম প্ৰকাশন পৰিষদ ২য় সংস্কৰণ, ১৯৮৪) দিয়া আছে। তাতে আন আন কথাৰ লগতে আপত্তি দৰ্শোৱা হৈছে: **"The upper and middle classes have been seen those offices abolished which were most suitable for them, their Logwas and Licksos taken away and their male female slaves set free."**

(উচ্চ আৰু মধ্যশ্ৰেণীৰ বাবে অতি উপযোগী বিষয় বাব (আহোম ৰজাদিনীয়া) বোৰ উঠাই দিয়া হৈছে, তেওঁলোকৰ লগুৱা লিকচৌবোৰ লৈ যোৱা হৈছে আৰু তেওঁলোকৰ পুৰুষ আৰু তিৰোতা গোলাম-বন্দীবোৰ স্বাধীন কৰি দিয়া হৈছে।)

কামৰূপৰ তথা সমগ্ৰ অসমৰ কৃষি-উৎপাদন নিৰ্ভৰশীল মধ্যশ্ৰেণীয়ে (এই মধ্যশ্ৰেণী সামন্তবাদীহে আছিল, আধুনিক মধ্যবিত্ত নাছিল।) গোলাম-বন্দী প্ৰথা ৰহিত হোৱাত বিপৰ্যায়ৰ সমুখীন হৈছিল, কাৰণ তাৰ ফলত খেতি-বাতিকে ধৰি সকলো কামকে মজুৰি দিয়া শ্ৰমিকৰে কৰাব লগীয়া হৈছিল।

আহোম ৰাজত্বৰ দিনতকৈ কামৰূপত ব্ৰিটিছ ৰাজত্বত খাজনা অতিপাত বৃদ্ধি পাইছিল।

উজনিত তেনেদৰে নাবাঢ়িলেও মণিৰাম দেৱানে তেওঁৰ উপৰোক্ত 'এ'ত্তেলাত আপত্তি কৰিছিল যে চৰকাৰৰ খাজনা শোধাওতে আনকি ৰজাৰো নিজৰ সম্পত্তি বিক্ৰী কৰিবলগীয়া হৈছিল। (The properry of several individuals has been sold in satisfaction of government revenue due on their houses and lands not even excepting Rajah, who has occasionally some of his property attached, on account of small sum of revenue.)
এত্তেলাত ব্ৰিটিছ চৰকাৰৰ দ্বাৰা খাজনাৰ অন্যায় পদ্ধতি (unjust system of taxation) প্ৰচলন কৰাৰ অভিযোগ তুলিছিল। আন দৃষ্টান্ত হিচাপে তেওঁ দেখুৱাইছিল যে যিবোৰ শ্ৰেণীয়ে আহোম ৰাজত্বত ছশ বছৰ ধৰি খাজনা দিয়াৰ পৰা মুক্ত আছিল সেই সকলৰ ওপৰতো খাজনা লগোৱা হৈছিল। (Those classes who had been exempted from the payment of revenue for 600 years are now bro ght under the assessment)

উজনি অসমত ৰাজহৰ চৰিত্ৰই আছিল ৰজাদিনীয়াৰ দৰে নহৈ নতুন আৰু অন্য ধৰণৰ হ'ল। ব্ৰিটিছে লগোৱা খাজনা পদ্ধতি আছিল সেই অঞ্চলৰ বাবে আচহুৱা। কামৰূপতো কিন্তু খাজনা বৃদ্ধি পাইছিল। সিয়ে প্ৰজাৰ মনত বেজাৰ দিছিল।

কামৰূপত "আসাম ৰাজাৰ আমলে বাৰিবস্তিৰ ও ফৰিঙ্গতিৰ খাজনা নাছিল। কেৱল ৰূপিতৰ এক আনা, ডেৰ আনা মাত্ৰ খাজনা আছিল। মানৰ আমলে চন্দ্ৰকান্ত ৰাজাই দক্ষিণ কুলে ব্ৰহ্মপুত্ৰৰ ছয় আনা খাজনা লগোৱাত ছয়আনি পৰগণা নাম হ'ল আৰু ফৰিঙ্গতি আৰু বস্তিঅলি (বাওঁতলি) অস্থিৰ মাটি, পানীয়ে তল কৰি আহুধান নিয়ে আৰু জংগলী, বন্য জন্তুৱে শস্য নষ্ট কৰে। এহেতু ত্ৰিগুণী, চৌগুণী অৰ্থাৎ ফৰিঙ্গতি তিনি পুৰাই ১ পুৰা ও বাওঁতলি ৪ পুৰাই ১ পুৰা গণ্টি ক্ৰমে ১ আনা, আদ আনা অথচ চৰতীয়া, তিনি চৰতীয়াকৈ খাজনা লৈছিল।' ... ॥ ১৪৭ ॥ (হৰকান্ত সদৰামীনৰ আত্মজীৱনী) (ছয় অনা = ৩৬ পইছা)

ব্ৰিটিছে ৰাজত্ব লোৱাৰ পিছত কেবাগুণেও খাজনা বাঢ়িল। চৰকাৰে যিকোনো প্ৰকাৰে সৰহকৈ খাজনা আদায়ৰ বাবে পৰগণা, মৌজা বা মহলবোৰ নীলাম কৰি দিয়াৰ কথাও ভাবিছিল (হাট-বজাৰ নীলাম

কৰাৰ দৰে)। সেই কথাত কামৰূপৰ সম্ভ্ৰান্ত মানুহখিনিয়ে ক্ষোভিত আৰু আতংকিত হৈছিল। এই কথা প্ৰকাশ পাইছে হৰকান্ত সদৰামীনৰ নিজৰ কথাৰে:

"ফৰিঙ্গতি মহল সকল নিলাম কৰি বন্দৰস্ত কৰিলে কেনে? (মিলচ্ চাহাবৰ প্ৰশ্ন)। তাতে মঞি (হৰকান্ত সদৰামীনে) কলো— এদেশে ভাল লোকৰ ভিতৰত ধনী লোক নাই। সামান্য হীন লোকমধ্যে ধনীলোক আছে। মহল নীলাম সিবিলাকে ডাকি লৈ মোৰ খাৰিজা মহল বুলি ৰায়তক অনেক প্ৰকাৰে দৌৰাত্ম্য কৰি খাজনা লব। অৱশেষে, ৰায়ত স্থানান্তৰ হৈ সৰকাৰৰ লোকচান ও গণ্ডগোল। এহাত ভাল বিবেচনা নকৰো। এনে কহাতে, সাহেব শেষে, গোলমাল হব পাৰিব বুলি স্বীকাৰ কৰিলে" ॥ ২৪৬ ॥ (৪৩)

ইয়াত "ভাল লোক" মানে উচ্চবৰ্ণ তথা সম্ভ্ৰান্ত পৰিয়ালৰ লোকক বুজোৱা যেন ধাৰণা হয়। ইয়ে কামৰূপৰ সমাজত আগৰদিনীয়া সম্ভ্ৰান্ত শ্ৰেণীৰ বাহিৰেও আন 'অন্য অনুচ্চ বৰ্ণৰ' শ্ৰেণীৰ লোকে ব্যৱসায় আদিৰ যোগেদি বিত্তবান হোৱাৰ আৰু এই সকলে সম্ভ্ৰান্ত শ্ৰেণীৰ সতে প্ৰতি-যোগিতাত অৱতীৰ্ণ হব পৰাৰ ইংগিত বহন কৰিছে।

নামনি অসমত আহোম ৰাজত্বত সুবিধাভোগী "ভাল মানুহ" বিলাকে ধৰ্মোত্তৰ, ব্ৰহ্মোত্তৰ, লাখেৰাজ আদি ভূমি খাজনা নোহোৱাকৈ বা কম খাজনাত পাইছিল। এনে ব্যৱস্থা বৰ্তাই ৰখাত ব্ৰিটিছৰ ভিতৰি ভিতৰি কোনো আগ্ৰহ নাছিল। কামৰূপত এনে নিষ্কৰ ভূমিৰ দাবীদাৰ বহুতো আছিল। এই সম্পৰ্কে ব্ৰিটিছ প্ৰশাসক এ বগল চাহাবৰ মতামত ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্তৃপক্ষলৈ তেওঁ লিখা টোকাত প্ৰকাশ পাইছিল।* বগল চাহাবে ১ ছেপ্তেম্বৰ ১৮৩৫ চনত লিখিছিল:

"The quantity of Lakhiraj amounts to nearly one half of the cultivated area of the district, besides an immense extent of garden and other lands of great value, but adverting to the circumstances under which the British Government conquered Assam. Who had held it for seven or eight years and had

* পৃ. ২৫—মিলচ ৰিপৰ্ট অন দি প্ৰভিন্স অব আসাম।

annihilated every thing in the shape of rent-free tanures. I see no reason why the whole should not be fully assessed ; as with the exception of a few small grants for support of temples and Shasters, it is quite clear that every right or privilege given under the former Rajahs of Assam was extinguished by the Burmese invasion and that the British Government has in no way pledged itself to revive them. Our troops did not conquer the province for the Brahmins ; therefore, as they have by our aid obtained peaceful possession, of their lands, which had in many instances entirely lost, they have no reason to complain if they are required to pay full cess for them nor can they reasonably expect that the policy observed by our Government with regard to Bengal and other ceded districts should be followed, for there is a wide difference between the acquisition of an infant power gained by treaties and negotiation and the conquest of a great empire made at the point of Bayonet."

(আহোম ৰজাই দিলেও মানৰ আক্ৰমণ আৰু ৭/৮ বছৰ কাল মানৰ ৰাজ্য দখলৰ ফলত দেৱোত্তৰ আদি নিষ্কৰ মাটি পোৱা সকলৰ স্বত্ব হেৰাই গৈছিল। ব্ৰিটিছে মানৰ লগত সন্ধিৰ ফলস্বৰূপেহে পাইছে, আহোম ৰজাৰ লগত যুদ্ধ কৰি জয়ৰ ফল হিচাপে অসম পোৱা নাই। সেয়ে আহোমৰাজৰ বন্দৱস্তি মানিবলৈ ব্ৰিটিছ চৰকাৰ বাধ্য নহয়। এই যুক্তিত মন্দিৰ আৰু সত্ৰৰ বাহিৰে বাকী ৰজাদিনীয়া নিষ্কৰ ভূমিত পূৰ্ণ খাজনা লগোৱাব লাগে।)

ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্তৃপক্ষই কাক কাক নিষ্কৰ বা অৰ্দ্ধ-খাজনাৰ ভূমি দিব লাগিব তাৰ নিৰ্ণয়ৰ কৰ্তৃত্ব বগল চাহাবৰ ওপৰতেই এৰি দিছিল। এই অনুসৰি বগলচাহাবে নিৰ্ণয় কৰা লাখেৰাজ, নিষ্কৰ বা অৰ্দ্ধকৰ ভূমি আগতকৈ বহুখিনি হ্ৰাস পাইছিল। আৰু তাৰ দ্বাৰা বহুতো ৰজাদিনীয়া 'ভাল মানুহ' ক্ষতিগ্ৰস্ত হৈছিল। স্বভাৱতেই হীন লোকৰ মধ্যে ধনী' হোৱাৰ আৰু 'ভাল লোকেৰ মধ্যে ধনী লোক' নথকা পৰিস্থিতিত আগৰ সম্ভ্ৰান্ত শ্ৰেণীয়ে অসন্তোষ পাইছিল। একে অভিযোগ মণিৰাম দেৱানৰ এজেহাৰত প্ৰকাশ পাইছিল।

১৫ গৰাকী চৌধুৰীয়ে (গৌৰীনাৰায়ণ চৌধুৰী, মহীনাৰায়ণ চৌধুৰী, বিজয়নাৰায়ণ চৌধুৰী, গোবিন্দৰাম চৌধুৰী, ৰজতচন্দ্ৰ বড়ুৱা চৌধুৰী, মধুৰাম চৌধুৰী, হৰকান্ত বৰুৱা চৌধৰী, যজ্ঞদেৱ বড়ুৱাচেটা চৌধুৰী, বলৰাম ফুকন, গোপীনাথ শৰ্মা চৌধুৰী, মোহনৰাম চৌধুৰী, লক্ষ্মীসিংহ চৌধুৰী, গৌৰীকান্ত শৰ্মা ডেকা বড়ুৱা চৌধুৰী, ৰুদ্ৰৰাম ধাখ্যা চৌধুৰী আৰু চন্দ্ৰকান্ত শৰ্মা চৌধুৰী) ২৬ মেই ১৮৫৩ তাৰিখে দিয়া আবেদনৰ প্ৰথম দফাটোৰেই আছিল খাজনা বৃদ্ধি আৰু ৰাজহ ব্যৱস্থাত থকা আসোঁৱাহৰ বিৰুদ্ধে। (৪৪)

ব্ৰিটিছ চৰকাৰৰ আমোলা আৰু তৎকালীন আধুনিক অসমীয়া মধ্যবিত্তৰ প্ৰবীণ আনন্দৰাম ঢেকিয়াল ফুকনে চৰকাৰলৈ দিয়া টোকাত কৈছিল :

Rates on Assessment

"On this subject we have to submit that the assessment on the several description of lands in Assam does not appear to have been fixed with reference to their actual capabilities.***

In adverting to the general pressure of taxation, we deem it necessary to bring to the notice of Government, that the assessment at present imposed on the lands of the province is not only what the country can possibly afford, but in some instances more: and that an enhancement of the rates under the present circumstances of the province, without any marked improvement in agriculture and commerce would overburden the people with taxes, which they could but ill afford to bear. The former Government never exceeded the standard of assessment laid down by the ancient Hindu lagislators i.e., one sixth of the produce of the lands. The present rate of taxation, however, has far exceded that limit and assesment on some of the poorest classes of Roopit land is nearly equal in value to one half of their produce. In illustration of this fact, we would beg to point out that a *poorah* of high roopit land yielding twenty, or fifteen maunds of rice valued from 2 to 3 Rs. is loaded with a tax of one rupee

and four annas | ...unless, therefore the Government provides the people with better and improved means of cultivating their lands an increase of assessment will inevitably lead to an increase of the unhappiness of the people (৪৬)

(কেবা বিধৰ মাটিত ৰায়তে দিব পৰা সামৰ্থৰ ভিত্তিত খাজনা লগোৱা হোৱা নাই। খাজনাৰ সাধাৰণ বোজাৰ কথালৈ নগৈও কব পাৰি যে বৰ্তমানে মাটিত যি হাৰত খাজনা লগোৱা হৈছে সি অধিক হৈছে, কাৰণ কৃষি আৰু বাণিজ্যত এতিয়াও উল্লেখনীয় উন্নতি হোৱা নাই। এনেস্থলত পজাৰ ওপৰত খাজনাৰ গধুৰ বোজা পৰিছে— যাক অতি কষ্টেৰেহে আৰু দুখেৰেহে বহন কৰিব পাৰি। আগৰ চৰকাৰে (ব্ৰিটিছৰ আগৰ) উৎপাদনৰ এক ষষ্ঠাংশৰ বেছি খাজনা নিৰ্দ্ধাৰিত নকৰিছিল। এতিয়াৰ খাজনাৰ হাৰ আগৰ সেই নিৰিখতকৈ বহুত বেছি হৈছে। কিছুমান ওখ শালি খেতিৰ ৰূপিত মাটিৰ খাজনা খেতিৰ উৎপাদনৰ মূল্যৰ আধা পৰিমাণৰ হৈছে। উদাহৰণ স্বৰূপে এপূৰা ওখ শালি-খেতিৰ মাটিত পোন্ধৰ বা কুৰি মোন ধান হয়, যাৰ মূল্য দুই বা তিনি টকা মাত্ৰ। সেই মাটিত এটকা চাৰি অনা (এটকা পচিশ পইচা) লগোৱা হৈছে : *** যদি চৰকাৰে প্ৰজা খেতিয়কক খেতিৰ বাবে ভাল উন্নত উপায়ৰ ব্যৱস্থা নকৰে এনে ধৰণৰ খাজনাৰ হাৰ বৃদ্ধিয়ে প্ৰজাৰ অসন্তোষ বৃদ্ধি কৰিব।"

বণিজৰ উন্নতিৰ লগত কৃষি তথা পণ্য উৎপাদনৰ উন্নতিৰ এৰাব নোৱাৰা সম্পৰ্কৰ কথাটো আধুনিক মধ্যবিত্তৰ অগ্ৰণী ঢেকিয়াল ফুকনে স্পষ্টকৈ উপলব্ধি কৰিছিল।

আমি পৰৱৰ্ত্তী কালৰ ঘটনাৱলী লক্ষ্য কৰি দেখিছো যে আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰজা-অসন্তোষৰ সকীয়নি যথাৰ্থ আছিল।

খাজনা বৃদ্ধিৰ গতি বাঢ়িয়েই থাকিল। খেতি নহ'লেও বন্দৱস্তিৰ মাটিৰ খাজনা দিবলগীয়া হোৱাৰ ভয়ত সৰহভাগ প্ৰজাই দহচনা বন্দৱস্তিৰ ভিত্তিত মাটি নলৈ এবছৰীয়া বন্দৱস্তিত মাটি লোৱাকে উপযুক্ত বিবেচনা কৰিছিল। লোৱা মাটি 'ইস্তাফা' বা এৰি দিয়াৰ প্ৰৱণতা

বাঢ়িছিল। বংগৰ চৰকাৰে ১৮৭১ চনত (তেতিয়াও অসমত স্বকীয়া প্ৰদেশ গঠন হোৱা নাছিল) অসমৰ ভূমি-পট্টন সম্পৰ্কে কমিছনাৰলৈ টোকা পঠাইছিল :

"That it was hard to believe that none of those who have the best land care for the security offered by a ten year settlement, accompanied, as it is by hereditary and transferable right of their holding" (৪৬) (এইটো বিশ্বাস কৰিবলৈ টান যে যিসকলৰ অতি উৎকৃষ্ট মাটি আছে তেওঁলোকেও নিৰাপত্তাৰ খাটিৰতো দহ বছৰলৈ ছেটেলমেণ্ট লবলৈ ৰাজী নহয় অথচ এনে বন্দৱস্তিৰ জৰিয়তে মাটিবিলাক পুৰুষানুক্ৰমে ভোগ দখল কৰা বা হস্তান্তৰ কৰাৰ অধিকাৰ পাব পাৰি।)

মাটিৰ প্ৰতি আদৰৰ কথাটোৰ লগত তাৰ উৎপাদনশীলতাৰ সম্পৰ্ক আছে। আনহাতে বজাৰৰ বিকাশৰ লগত উৎপাদনৰ বিকাশৰ প্ৰশ্নটো অঙ্গাঙ্গী ভাবে জড়িত। বজাৰ নাপালে উৎপাদন মাত্ৰ ঘৰুৱা প্ৰয়োজনতেই সীমাবদ্ধ হৈ ৰয়। বজাৰ এখনৰ বিকাশৰ লগত একালে যিদৰে বজাঘৰৰ বাণিজ্য সম্পৰ্কে লোৱা নীতিৰ সম্পৰ্ক থাকে তেনেদৰে উৎপাদিত পণ্যই ডাঙৰ বজাৰ এখন পাবলৈকে পৰিবহণ, বাট-ঘাট আদিৰ সুচল ব্যৱস্থাৰ প্ৰয়োজন। এই আটাইবোৰ কথাই ইটোৰ লগত সিটো অঙ্গাঙ্গীভাবে নিৰ্ভৰশীল। ভাল বজাৰ এখন নাপালে প্ৰজাই নিজৰ উৎপাদনৰ দাম নাপায়। আৰু প্ৰজাৰ হাতলৈ ধন নাহে। দীৰ্ঘ কালৰ বাবে সৰহ মাটিলৈ এনে পৰিস্থিতিত খাজনাৰ দায়িত্ব লবলৈ প্ৰজা আগ্ৰহী নহয়। ইবোৰ কাৰণতে সামগ্ৰিক ভাবে অসমত ব্যৱসায়ী পুঁজি আৰু বণিক সম্প্ৰদায়—ব্ৰিটিছৰ আগতে ব্যাপকভাবে গঢ় লোৱা নাছিল। মোগলে গৰকা নামনি-অসম কিছু-ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম আছিল। (১৭৯৩ খ্ৰী ৰ গৌৰীনাথ সিংহ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজৰ বণিজ-চুক্তিৰ পিচতহে অসমৰ উজনি খণ্ডত বণিজৰ কিছু উন্নতি হয়।)

দীৰ্ঘম্যাদী বন্দবস্তিত মাটি নোলোৱা এনে প্ৰৱণতাৰ সম্ভাৱ্য কাৰণ আনন্দৰাম ঢেকিয়াল ফুকনৰ টোকাতো পোৱা যায়। কাৰণটো হ'ল

তৎকালীন অসমত কৃষিৰ বিকাশ আৰু বেহা বেপাৰৰ আশানুৰূপ উন্নতি নোহোৱাটো আৰু ইয়াৰ লগতে মেটমৰা খাজনাৰ বোজা, হোৱাটো (যিটো খাজনা, উৎপাদনৰ প্ৰায় আধাখিনি শস্যৰ মূল্যৰ সমান।)

কৃষকৰ দুৰৱস্থাৰ বিষয়ে ড° গুহই **'Planters to Raj Swaraj'** পুথিত লিখিছে। খেতিয়ক ৰাইজ কি ভাবে ঋণগ্ৰস্ত হৈছিল তাৰ উমান এনেদৰে পোৱা যায় যে অসমৰ ১৮৯১ চনৰ পিয়লমতে কামৰূপ জিলাতে অকল ১২২১ জন সুদলৈ ধন ধাৰে দিয়া ব্যৱসায়ী থকা বুলি গণনা কৰা হৈছিল। ইয়াৰ বাহিৰে সৰু সৰু ব্যৱসায়ী বুলি গণনা কৰা লোকৰ সৰহ-ভাগেই আছিল তেজাৰতী কাৰবাৰ কৰা ব্যৱসায়ী। ড° গুহৰ কথাৰে :

"The fact that the market sector of the peasant economy was completely in the grip of the well entrenced Marwari trading capital ever since the advent of British rule is beyond dispute. Peasants used to receive cash advances from the Marwari traders against pledged crops to considerable extent.

*** * * The numerous shops provided a net-work for filtration of credit into the rural area, Peasants also secured loans through the mortgage of their labour to local landlords and traders,'**
(৪৭)

(ইয়াত কোনো বিতৰ্কৰ অৱকাশ নাই যে সমগ্ৰ অসমতেই কৃষকৰ অৰ্থনীতিৰ, বেচা-কিনা বজাৰখন সম্পূৰ্ণভাবে মাৰোৱাৰী সকলৰ ব্যৱসায়ী মূলধনৰ নিয়ন্ত্ৰণলৈ আহিছিল আৰু ই ঘটিছিল ব্ৰিটিছ আগমনৰ লগে লগে। পথাৰত থকা শস্য নৌওলাওঁতেই তাৰ বিক্ৰীৰ বাবে নামমাত্ৰ দামত অগ্ৰিম নগদ ধন কৃষকে লবলগীয়া হৈছিল। এই পৰিস্থিতি ব্যাপক আছিল। অসংখ্য সৰু সৰু দোকানৰ পৰস্পৰ সংযোগশীল প্ৰণালীৰ মাজেদি কৃষকক ঋণ দিয়া হৈছিল। একো উপায় নহ'লে নিজৰ শ্ৰমশক্তিক স্থানীয় ব্যৱসায়ী আৰু মাটিৰ মহাজনৰ ওচৰত বন্ধক থৈয়ো ধন ধাৰে লৈ 'বন্ধা' হৈছিল।)

বহুল অৰ্থত মাৰোৱাৰী ব্যৱসায়ী সকল আছিল সাম্ৰাজ্যবাদী পুঁজিৰ দালাল। অসম তথা কামৰূপৰ বিশেষকৈ বৰপেটা, বহৰি, গুৱালকুছি, বৰভাগ আদিতো এচাম ব্যৱসায়ীৰ সৃষ্টি হৈছিল—যিবোৰে মাৰোৱাৰী ব্যৱসায়ী যাব নোৱাৰা অতি পিছপৰা দুৰ্গম স্থানলৈকেও গৈ দোকান দি

এনে ব্যৱসায় কৰি এই ব্যৱসায় প্ৰণালীৰ লগত সাঙোৰ খাইছিল। এওঁলোক আছিল মাৰোৱাৰী **Trading Capital** ৰ পালি-দালাল **Sub-agent**। ইয়াৰ উপৰি বংগদেশৰ বিভিন্ন ঠাইৰ পৰা নাৰেৰে বেপাৰ কৰিবলৈ অহা 'ভাচানীয়া' বেপাৰী সকলৰ লগত শুৱালকুছি তথা বৰপেটাৰ বেপাৰী সকলৰ সততে বেহা-বেপাৰৰ যোগাযোগ আছিল। উজনি অসমত এনে ধৰণৰ থলুৱা ব্যবসায়ীৰ সংখ্যা বৰ কম আছিল। নামনি অসমৰ পৰাও কিছু সংখ্যাকে গৈ উজনি অসমত এনে বেহা-বেপাৰৰ যোগেদি থিতাপি লৈছিল। সেয়ে বৰপেটা, নলবাৰী আদি ঠাইৰ এনে বেপাৰী গোৱালপাৰা, কামৰূপ আৰু দৰঙৰ অতি দুৰ্গম জনজাতি অঞ্চল বা আন আন ঠাইত আৰু ভূটান পাহাৰৰ নামনি অঞ্চলত পোৱা গৈছিল।

লক্ষণীয় এয়ে যে অসমৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সোমাই পৰা আন প্ৰদেশৰ পৰা অহা ব্যৱসায়ীৰ অতি ক্ষুদ্ৰ অংশইহে তেওঁলোকৰ নিজৰ আয় অসমৰ শিল্পত বিনিয়োগ কৰিছিল। সেই আয়ৰ সৰহভাগেই অসমৰ বাহিৰলৈ পঠাইছিল। এনে ব্যৱসায়ীসকলে গোলা দিয়া বা ধনধাৰে দিয়া কাৰবাৰত আৰব্ধ থাকিলেও পিছৰ যুগত অতি লাভজনক ব্যৱসায় কানিৰ (opium) চৰকাৰী দোকান বা মদৰ মহল আদি লৈছিল আৰু কিছু পুঁজি হাতত হ'লে চাহবাগিছা খোলাৰ বা কিনাৰ চেষ্টা কৰিছিল।

১৭৯৩ খ্ৰী.ত আহোমৰাজ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত হোৱা বণিজ-চুক্তি আৰু ১৮২৬ খ্ৰী.ত ইষ্ট ইণ্ডিয়া কোম্পানী তথা ব্ৰিটিছে আহোম-অসম অধিকাৰ কৰাৰ পিছত এই অধিকৃত অঞ্চলত বেহা-বেপাৰ আৰু বণিজৰ বাবে পণ্য উৎপাদনৰ ক্ষেত্ৰ অভূতপূৰ্ব ভাবে বৃদ্ধি পাইছিল। কিন্তু থলুৱা মধ্যশ্ৰেণীয়ে এনে বৃদ্ধিৰ সুযোগ লব নোৱাৰিলে। আনহাতে অকল ইউৰোপীয় বণিকেই নহয়, আহোম-অসম এলেকাৰ বাহিৰৰ পৰা অহা ভাৰতীয় বহিৰাগত মধ্যশ্ৰেণীয়েও ইয়াৰ সুযোগ লৈ অসমৰ অৰ্থনীতিত আধিপত্য কৰিলে। এই ঐতিহাসিক পৰিস্থিতিৰ ফলশ্ৰুতিত অসমৰ থলুৱা মধ্যশ্ৰেণীয়ে বেপাৰ-বণিজ আদিত আশানুৰূপ স্থান এতিয়ালৈকে লব পৰা নাই।

নামনি-অসমত ৰাজহ সংগ্ৰহ পদ্ধতি, পণ্য উৎপাদন তথা বণিজৰ স্বাধীনতা অলপ অচৰপ আগৰে পৰা আছিল। সেয়ে ইয়াৰ দুই এঠাইত সংগঠিত বণিজকেন্দ্ৰ বা পণ্য উৎপাদন কৰা শিল্প (কুটিৰ) দেখা গৈছিল। ইয়াৰ কাৰণ আছিল আহোম ৰজাঘৰেও ইয়াত ৰাজ্যৰ বাকী অংশৰ দৰে সৰ্বাঙ্গীন শ্ৰম—কৰৰ (Lasour rent) ওপৰত নিৰ্ভৰশীল ৰাজস্ব পদ্ধতি আৰু বণিজবিমুখ উৎপাদন পদ্ধতি প্ৰচলন কৰা নাছিল। সেয়ে অলপ অচৰপ হ'লেও ইয়াৰ মধ্যশ্ৰেণীয়ে আগতে কোৱা পৰিস্থিতিৰ সুযোগ লব পৰিছিল।

দুৱৰীয়া বৰুৱা (পৰশুৰাম বৰুৱা) ঘৰে আহোম ৰাজ্যৰ পশ্চিম সীমাৰ চৌকীত অসমলৈ অহা আৰু অসমৰ পৰা ৰপ্তানী হোৱা বেহা-বেপাৰত খাজনা সংগ্ৰহ কৰাৰ ৰাজকীয় অধিকাৰৰ বলত আহোম ৰাজত্বৰ অন্তিম কালত, বেহা-বেপাৰত লিপ্ত হোৱাৰ কথা আমি পাও, কিন্তু তাকেই সামগ্ৰিক অৱস্থাৰ চানেকী বুলি ধৰা সমিচীন নহ'ব। অৱশ্যে আধুনিক অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ পুৰোধা হিচাপে এওঁলোকৰ পৰিয়ালৰ পৰাই ওলাইছিল (আনন্দৰাম ঢেকীয়াল ফুকন)। কিন্তু ই আছিল ব্যতিক্ৰম। এই পৰিয়ালৰো কৰ্মক্ষেত্ৰৰ কেন্দ্ৰ আছিল নামনি-অসমত অৱস্থিত।

নামনি অসমৰ মধ্যশ্ৰেণী আৰু আন প্ৰজাৰ অসন্তোষ

ব্ৰিটিছ শাসনৰ প্ৰথমতে (১৮৩৫ খ্ৰী.) প্ৰশাসনে, নিষ্কৰ, অৰ্দ্ধকৰ ভূ-সম্পত্তি তথা নিস্পিখেৰাজ, লাখেৰাজ আদি মাটি সম্পৰ্কত লোৱা দৃষ্টিভঙ্গীৰ কথা ইয়াৰ আগতে অন্যত্ৰ উল্লেখ কৰা এ বগল চাহাবৰ মতামতৰ পৰা জানিব পাৰি। ১৮৪৩ খ্ৰী.ত গোলাম-বন্দী মুক্ত কৰা আইন প্ৰৱৰ্তনৰ ফলত "ভাল লোকৰ" কেনে দুৰ্গতি হৈছিল সেই কথাও চৰকাৰী বিষয়া হৰকান্ত সদৰামীনৰ সতে মিল চাহাবৰ হোৱা কথোপকথনৰ পৰা জনা যায়, (ইতিমধ্যে উল্লেখিত)। মণিৰাম দেৱানৰ এত্তেলাতো চৰকাৰৰ অসঙ্গত ৰাজহনীতি আৰু গোলাম-বন্দী মুক্ত কৰা আইনত সম্ভ্ৰান্ত মধ্যশ্ৰেণীৰ দুৰ্গতিৰ কথা উল্লেখ আছে। ইবোৰে পুৰণি ৰজা

দিনীয়া মধ্যশ্ৰেণীৰ মনত পুহি ৰখা অসন্তোষৰ কথা বুজায়। ড° গুহই অসমৰ গোলাম-বন্দীৰ পৰিমাণ জনসংখ্যাৰ ৫ৰ পৰা ৭ শতাংশ বুলি কৈছে।

ব্ৰিটিছ প্ৰশাসনে নিষ্কৰ বা অৰ্দ্ধকৰ ভূ-সম্পত্তিৰ পৰা কিছু 'ভাল মানুহ' মধ্যশ্ৰেণীক বঞ্চিত কৰিছিল তেনে নহয়—যাক তেনে ভূ-সম্পত্তিৰ গৰাকী বুলি স্বীকাৰ কৰিছিল তেওঁৰো মাটিৰ খাজনা বৃদ্ধি বাৰে বাৰে কৰিছিল। লগতে সাধাৰণ প্ৰজাৰো মাটিৰ খাজনা বাৰে বাৰে বৃদ্ধি কৰিছিল। **আনহাতে বিদেশীক চাহ খেতিৰ নামত নামমাত্ৰ খাজনাত মাটি দিছিল।**

মাটিৰ খাজনা ধাৰ্য্য কৰাৰ ক্ষেত্ৰত চৰকাৰী বিবেচনা কেনে অসঙ্গত আছিল সেই কথা অন্যতম চৰকাৰী বিষয়া আনন্দৰাম ঢেকিয়াল ফুকনে তেওঁৰ ওপৰৰ প্ৰশাসনিক বিষয়ালৈ দিয়া টোকাত স্পষ্টভাবে উল্লেখ কৰি চৰকাৰক সকিয়নি দি কৈছিল যে এনে অসঙ্গত নীতিয়ে প্ৰজাৰ অসন্তোষ বৃদ্ধি কৰিব। (এই কথা ইতিমধ্যে আন ঠাইত উল্লেখ কৰা হৈছে)।

প্ৰজাৰ (মধ্যশ্ৰেণী নিৰ্বিশেষে) অসন্তোষৰ অন্যতম কাৰণ আছিল বেপাৰী আৰু মহাজনৰ (তাৰ এক বুজন অংশ আছিল অসমৰ বাহিৰৰ পৰা অহা) শোষণ। অধিক সুদত ধন ধাৰে দি ঋণ পৰিশোধ কৰিব নোৱাৰিলে উৎকৃষ্ট খেতিৰ মাটিডোখৰ হস্তগত কৰা, বা ধাৰে লোৱা জনক 'বন্ধা' বা 'মৰকীয়া' ৰখা বা পথাৰৰ শস্য নৌচপাওঁতেই আগতীয়াকৈ কম দামত বন্দবস্তি কৰি শস্য কিনা তথা 'দাদন পদ্ধতি' আদিৰে অন্যায় ভাবে শোষণ কৰিছিল। এইক্ষেত্ৰত উল্লেখনীয় যে প্ৰজাৰ নিত্যব্যৱহাৰ্য্য ভোগ্যপণ্য আদিৰ (দোকানৰ পৰা কিনা) প্ৰয়োজন ক্ৰমাগত বৃদ্ধি পাইছিল।

সাধাৰণ প্ৰজাৰ একমাত্ৰ (প্ৰায়) জীৱিকাৰ উপায় আছিল কৃষি। শস্যৰ দাম কম আছিল আৰু সেই অনুপাতে মাটিৰ খাজনা আছিল বেছি আৰু অসঙ্গত। বাধ্যবাধকতাত পৰি ৰজাৰ খাজনা দিবলৈ প্ৰজাই এনে বেপাৰী মহাজনৰ শৰণাপন্ন হবলৈ বাধ্য হৈছিল।

আনহাতে চৰকাৰে এনেবোৰ কথালৈ ভ্ৰূক্ষেপ নকৰি নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে খাজনা বৃদ্ধি কৰি গৈছিল।

সেইবাবে উনৈশ শতিকাৰ শেষাৰ্দ্ধত কি 'ভাল মানুহ' তথা গ্ৰামীন মধ্যশ্ৰেণী, কি সাধাৰণ প্ৰজা—সকলোৰে মনত গভীৰ অসন্তোষৰ সৃষ্টি হৈছিল।

১৮৭০ চনতো খাজনাৰ হাৰ বৃদ্ধি হ'ল। তেনেদৰে দহ বছৰে দহ বছৰে ছেটেলমেণ্টৰ নামত খাজনা বৃদ্ধি হৈ গৈ থাকিল। ১৮৮৩ খ্ৰী ৰ খাজনাৰ হাৰতকৈ ১৮৯৩ খ্ৰী.ত খাজনাৰ হাৰ বাঢ়িল সাধাৰণ খেতিৰ খেৰাজ মাটিৰ বাবে দহ বছৰত ৩২ শতাংশ আৰু নিষ্পিখেৰাজ মাটিৰ ৬৪ শতাংশ। (৪৮) এনে বৃদ্ধিৰ সমৰ্থনত ৰাইজৰ অৱস্থা আগতকৈ ভাল বুলি মুঠেই কব পৰা পৰিস্থিতি নাছিল। কামৰূপৰ সৰ্বশ্ৰেণীৰ প্ৰজাৰ বাবে এনে বৃদ্ধি অসহনীয় হৈছিল। 'ভাল লোক'ৰ হাতত থকা নিষ্পি-খেৰাজ মাটিৰ খাজনা ৬৩ শতাংশ বৃদ্ধিয়ে মহন্ত, গোস্বামী আদি নিষ্পিখেৰাজদাৰ সকলক সংকটজনক অৱস্থাত পেলাইছিল। খাজনাৰ দায়ত 'ভাললোক' সকলে নিজৰ অস্থাৱৰ সম্পত্তিকে বেচি খাজনাৰ ধন শোধাব লগীয়া হ'ল। আন সাধাৰণ খেতিয়কৰ বিলাইৰ কথা নকলোৱেইবা।

এনে পৰিস্থিতিত পথৰুঘাট, ৰঙিয়া, লাছিমা আদি ঠাইত ১৮৯৪ চনত ঘটা 'ৰাইজ মেল' বা কৃষক অভ্যুত্থানবোৰ পৰ্য্যালোচনা কৰিব পাৰি।

ৰঙিয়াত ২৪ ডিচেম্বৰ ১৮৯৩ খ্ৰী. তাৰিখে তুশ আঢ়ৈশ মান প্ৰজাই (সৰহভাগেই বড়ো-কছাৰী সম্প্ৰদায়ৰ) ৰঙিয়া বজাৰখন লুট কৰিলে। স্বাভাৱিকতেই বেপাৰী, দোকানীৰ (তেওঁলোকৰ ভূমিকা সম্পৰ্কে আগতে কোৱা হৈছে) ওপৰত সাধাৰণ প্ৰজাৰ আক্ৰোশ আছিল। সেই ঘটনাৰ দ্বাৰা শুকান খেৰণিৰ জুইৰ দৰে সমগ্ৰ কামৰূপ আৰু সংলগ্ন মংগলদৈ মহকুমাত বিক্ষোভ সঞ্চাৰিত হৈছিল। ইখনৰ পাছত সিখন গাঁৱত ৰাইজৰ মেল বহিল। আঞ্চলিক ভাবেও মেল বহিল, নেতৃস্থানীয় সকল আছিল গোসাঁই, মহন্ত, চৌধুৰী আদি 'ভাল মানুহ' সকল। ৰাইজৰ মেলত খাজনা দিয়া বন্ধ কৰাৰ সিদ্ধান্ত হ'ল। এনে আলোড়ন ডিচেম্বৰ আৰু জানুৱাৰী ১৮৯৩—১৮৯৪ চনত হৈছিল। ৬ জানুৱাৰী ১৮৯৪ তাৰিখে

এগৰাকী মেজিষ্ট্ৰেটৰ নেতৃত্বত পুলিচে ১৫ গৰাকী আন্দোলনকাৰীক গ্ৰেপ্তাৰ কৰিলত চাৰিদিন পিছত ১০ জানুৱাৰীত ৰাইজৰ প্ৰতিনিধি কেইজনমানে গৈ বন্দী কেইজন মুকলি কৰাৰ বাবে হাকিমক আবেদন জনালে। তাত সফলকাম নোহোৱাত প্ৰায় তিনি হেজাৰ লোকে লাঠি আদিৰে সজ্জিত হৈ গাৰ বলেৰে বন্দী মুকলি কৰিবৰ মানসেৰে ৰঙিয়া থানা ঘেৰাও কৰিলে। কোনো নিহত নহলেও পুলিচে গুলীচালনা কৰিহে সমবেত জনতাক ছত্ৰভংগ কৰিব পাৰিলে।

পাতি দৰং, নলবাৰী, উপৰ-বৰভাগ, বজালী, বৰমা আৰু সৰুক্ষেত্ৰী মৌজা তথা তহচিল—এই সমগ্ৰ অঞ্চলৰ ৰাইজে একগোট হৈ খাজনা নিদিবৰ বাবে সিদ্ধান্ত কৰিলে। এই অঞ্চলবোৰত খাজনা আদায় কৰা কঠিন হৈ পৰিল। চৰকাৰে প্ৰজাৰ ওপৰত নিৰ্যাতন চলালে। খাজনা নিদিলে ঘৰ দুৱাৰ, সম্পত্তি ক্ৰোক আৰু নীলাম কৰিব বুলি ভাবুকি দিলে। আনফালে ৰাইজৰ ফালৰ পৰা যিয়ে খাজনা দিয়ে তাক সামাজিকভাবে বৰ্জন তথা এঘৰীয়া কৰা হব বুলি কোৱা হ'ল।

খাজনাৰ সম্পৰ্কত সমগ্ৰ অঞ্চল জুৰি উত্তেজনা হ'ল।

সৰ্থেবাৰীৰ ওচৰত লাছিমাত খাজনা আদায় কৰিবলৈ যাওঁতে সৰুক্ষেত্ৰীৰ মৌজাদাৰ, আৰু মণ্ডলজনক ২১ জানুৱাৰী ১৮৯৪ তাৰিখে কিছুমানে মাৰপিট কৰিলে। পুলিচে ৭৫ জনক গ্ৰেপ্তাৰ কৰিলত তেওঁলোকক প্ৰায় তিনিহেজাৰমান প্ৰজাই পুলিচৰ হাতৰ পৰা গাৰ বলেৰে মুকলি কৰি নিলে। পিছদিনাখন সশস্ত্ৰ পুলিচ লগত লৈ বৰপেটাৰ হাকিম (মাধৱ চন্দ্ৰ বৰদলৈ, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ দেউতাক) আহিল। ২৫ জানুৱাৰী ১৮৯৪ তাৰিখে সেই অঞ্চলৰ মুখিয়াল মানুহ ৫৯ জনক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ হতুৱাই তেওঁলোকৰ বাবে এখন অস্থায়ী জেল বা গড়াল সজোৱালে। সেই নিশা প্ৰায় ছয় হেজাৰ প্ৰজাই চহী কৰি বন্দী কেইজনক মুকলি কৰি দিবলৈ মহকুমাধিপতিৰ ওচৰত লিখিত দাবী দাখিল কৰিলে। এই সমবেত জনতাক বেয়নেট চাৰ্জ কৰিহে ছত্ৰভংগ কৰিব পাৰিলে। এই

ঘটনাৰ অন্যতম নায়ক আছিল পুষ্পৰাম কহাৰ (তেওঁৰ দীৰ্ঘদিনীয়া জেল হৈছিল) আৰু ব্যাসকুছিৰ গোঁসাই যজ্ঞৰাম দেৱ গোস্বামী।

মংগলদৈ মহকুমাৰ পাথৰুঘাটতো এনে ধৰণৰ ঘটনা ঘটিল। পাথৰুঘাটলৈ জিলা মেজিষ্ট্ৰেট আহিব বুলি কেবা হেজাৰো বিক্ষোভকাৰী ৰৈ আছিল। সশস্ত্ৰ পুলিচে সমবেত জনতাক ছত্ৰভংগ কৰিবলৈ পোনতে বেয়নেট আৰু পিছত গুলীচালনা কৰে। তাত ১৫ গৰাকী ৰায়ত নিহত আৰু বহুতো প্ৰজা আহত হয়।

এই ঘটনাবোৰ সম্পৰ্কে স্বৰ্গীয় কেশৱ নাৰায়ণ দত্তই তেওঁৰ **'Landmark of the freedom struggle in Assam'** গ্ৰন্থত, ড° অমলেন্দু গুহই তেওঁৰ **Planters Raj to Swaraj** পুথিত বৰ্ণনা কৰিছে। হৰকান্ত সদৰামীনৰ আত্মজীৱনীত আছে (৬২) যে ১৮৮৯ ৯০ খ্ৰী.ৰ "১৭ মেই হাজো প্ৰভৃতি পৰগণাৰ ৰায়ত ** তহচিলদাৰ পৰ ৰাইজ উঠাতে, শ্ৰী হেট্ সাহেব একটিং ডিপুটি কমিচনাৰ ও পুলিচ সাহেব মপস্বল যোৱাতে, ৰাইজে অপমান কৰে ॥ ১২১৭ ॥ ২৬ জৈষ্ঠ ৭ জুন শ্ৰীকেম্বল সাহেব একটিং জজ ও হেট সাহেব ও পুলিচ সাহেব মপস্বল যাই ৰাইজ উঠা তদন্ত ক্ৰমে * * * ৩০ জৈষ্ঠ ১২ জুন ৰাইজ উঠা মৰ্কদ্দমায় ** প্ৰভিভিকে ৬। ৬ মাহ ফাটেক দিয়ে। ॥ ১২১৮ ॥ এই 'ৰাইজ উঠা' বা প্ৰজা অভ্যুত্থানৰ বিশদ বিৱৰণ পোৱা নাই। কিন্তু 'তহচিলদাৰ পৰ ৰাইজ উঠা'লৈ চাই খাজনা বৃদ্ধিৰ বাবে ই প্ৰতিবাদী অভ্যুত্থান যেনহে লাগে।

উনৈশ শতিকাৰ শেষাৰ্দ্ধত ভাৰতবৰ্ষৰ আন আন ঠাইত বিশেষকৈ বংগদেশৰ কেবাঠাইতো পোনতে জমিদাৰৰ আৰু বৃটিছ শাসকৰ বিৰুদ্ধে প্ৰজাৰ আন্দোলন হৈছিল মূলতঃ প্ৰজা শোষণৰ বিৰুদ্ধে। এনেবোৰ খবৰ বঙলা বাতৰি কাকতৰ যোগেদি চেগাচোৰোকাকৈ প্ৰচাৰিত হৈছিল। এই সময়ছোৱাত প্ৰজাৰ বিশেষকৈ মধ্যবিত্ত চামৰ বহুতৰ মনত বৃটিছ ৰাজত্বৰ সোণোৱালী ছবি ম্লান পৰিব ধৰিছিল। উনবিংশ শতিকাৰ শেষৰ দশক কেইটা আৰু কুৰি শতিকাৰ প্ৰথম দুই দশকত

গোৱালপাৰা আৰু কামৰূপত হোৱা কৃষক তথা প্ৰজা অভ্যুত্থানবোৰ মূলতঃ বৃটিছ ভূমিৰাজস্বনীতি তথা শোষণৰ প্ৰতিবাদী জনজাগৰণ।

অকল যে কৃষক সমাজ তথা গ্ৰাম্য সমাজতেই তেনে নহয়। মধ্য-বিত্ত সমাজমানসতো বিভিন্নমুখী প্ৰতিক্ৰিয়া সেই সময়ৰ ঘটনাৱলীৰ মাজেদি লক্ষ্য কৰা যায়।

অসমৰ বাহিৰৰ বাতৰি কাকত কিছুমানত (Hindu Patriot : 5.2.1894 : Indian Nation : Calcutta 12.2.1894) এনেবোৰ ঘটনাৰ বিবৰণ প্ৰকাশ পাইছিল, আনকি কেন্দ্ৰীয় আইন সভাত (Imperial lagislative council) ড° ৰাস বিহাৰী ঘোষৰ বক্তৃতাত এই বিষয়ে সৰৱ প্ৰতিক্ৰিয়া প্ৰকাশ পাইছিল। (৬৩)

ইয়াৰ বিপৰীতে উচ্চ শিক্ষাৰে শিক্ষিত অসমৰ উদীয়মান মধ্যবিত্ত শ্ৰেণীৰ বুদ্ধিজীৱী সকলৰ নীৰৱতাৰ প্ৰতি আঙুলিয়াই ড° ৰমেশচন্দ্ৰ কলিতাই কৈছে—"১৮৬০-৬২ খ্ৰী.ৰ ফুলগুৰিৰ কৃষক বিদ্ৰোহকে আৰম্ভ কৰি ১৮৯৩-৯৪ খ্ৰী.লৈ অসমত সংঘটিত হোৱা কৃষক বিদ্ৰোহ সমূহৰ কোনো তৎকালীন ঐতিহাসিক বিৱৰণ উচ্চ শিক্ষাত শিক্ষিত অসমীয়া ছাত্ৰ সকলে নিলিখাটো তাৎপৰ্য্যপূৰ্ণ।' অথচ "সাম্ৰাজ্যবাদী শোষণৰ লুণ্ঠনৰ হেঁচা তীব্ৰতৰ হোৱা কৃষক বিদ্ৰোহসমূহৰ কালছোৱা 'জোনাকী', 'বিজুলী' আলোচনীৰো ভৰপকৰ যুগ"। (৬৪)

ওপৰত উল্লেখ কৰা বিক্ষোভৰ ঘটনাবোৰ আছিল গ্ৰামীন মধ্যশ্ৰেণী আৰু সাধাৰণ প্ৰজাৰ ব্ৰিটিছ শাসকৰ প্ৰবৰ্তিত নতুন বিধিৰ বিৰুদ্ধে ফাটি পৰা জনবিক্ষোভ।

বেপাৰ বণিজৰ যথাযথ অগ্ৰগতি, পৰিবহণ যাতায়ত ব্যৱস্থাৰ উন্নতি আদিৰ লগত কৃষি ক্ষেত্ৰৰ পণ্য উৎপাদনৰ লাভজনক বৃদ্ধিৰ সম্পৰ্ক নিহিত আছে। ইয়াৰ লগত সংগতি থকা কৰ ব্যৱস্থা—কৰৰ নিৰিখ নিৰূপণ কৰাটো কাম্য। নহলে অৱধাৰিত ভাবে প্ৰজাৰ অসন্তোষ বৃদ্ধি পায়। এই কথা সঠিকভাবে চৰকাৰী বিষয়া হৈয়ো আনন্দৰাম ঢেকিয়াল ফুকনে বহু বছৰ আগতেই চৰকাৰক জনাইছিল। (ফুকনৰ বক্তব্য ইতিমধ্যে উল্লেখ কৰা হৈছে)।

এই বিক্ষোভিত প্ৰজাৰ মাজত ভূস্বামী মধ্যশ্ৰেণীটোৰ এটা বৃহৎ অংশৰ সক্ৰিয় ভূমিকা লক্ষণীয়। নতুন কৰনীতি, ভূমি ব্যৱস্থাৰ সংশোধন আৰু গোলাম-বন্দী মুক্তি আইনৰ ফলত এই শ্ৰেণীটোৰ অৱস্থান দুৰ্বল হৈ গৈ আছিল।

আমি ইতিমধ্যে উল্লেখ কৰিছো যে মৌজাৰ সংখ্যা বৃদ্ধি কৰি এনে মধ্য-শ্ৰেণীৰ একাংশক আয়ৰ পথ দিয়া আৰু আধুনিক শিক্ষাৰ সুবিধা দি চাকৰি দিয়া আদিৰেও নামনি অসমৰ পুৰণি দিনীয়া মধ্যশ্ৰেণীটোৰ বৃহৎ অংশৰ নকৈ হোৱা অসুবিধা আঁতৰ কৰিব ব্ৰিটিছ প্ৰশাসনে পৰা নাছিল।

আলোচিত প্ৰজা বিক্ষোভৰ প্ৰতি নব্য মধ্যশ্ৰেণী তথা আধুনিক মধ্যবিত্ত শ্ৰেণীৰ উদাসীন ভূমিকা চকুত পৰা বিধৰ। আনহাতে অসমীয়া চৰকাৰী বিষয়া দুই এজনৰ জোখতকৈ বেচি প্ৰশাসন তৎপৰতাই আধুনিক মধ্যবিত্ত শ্ৰেণীৰ প্ৰজা-বিৰূপ মনোভাবৰেই ইংগিত দিয়ে।

বেহা বেপাৰ আদিৰ ক্ষেত্ৰত পোনপটীয়াকৈ ইংৰাজ বণিকৰ লগত যোগসূত্ৰ নাথাকিলেও নামনি অসমৰ এচাম মধ্যবিত্তই বঙালী আৰু মাৰোৱাৰী ব্যৱসায়ীৰ লগ লাগি অসমৰ পৰা কেঁচামাল সৰবৰাহ আৰু বাহিৰৰ পৰা বিশেষকৈ ইউৰোপীয় শিল্পজাত পণ্য আমদানিৰ ব্যৱসায়ত লিপ্ত আছিল। ডিব্ৰুগড়ৰ পৰা ওলোৱা 'অসম বান্ধৱ' কাকতৰ পৃষ্ঠপোষক গংগাৰাম চৌধুৰী (কামৰূপৰ পৰা উঠি গৈ ডিব্ৰুগড়ত ব্যৱসায় কৰা) আদিয়ে সেয়ে মাৰোৱাৰী বা বঙালী ব্যৱসায়ীৰ পৰা "বেহা বেপাৰৰ বহুতো লাগতিয়াল কথা শিকিবলগীয়া থকা" বা সেই সকলৰ সৈতে "বন্ধুভাৱ ৰখাৰ পোষকতা" কৰিছিল নিজৰ শ্ৰেণী স্বাৰ্থতেই। একেটা ধাৰণা হলিৰাম ঢেকিয়াল ফুকন, আনন্দৰাম ঢেকিয়াল ফুকন আদি উনবিংশ শতিকাৰ আগভাগৰ মধ্যবিত্ত সকলৰ মাজত আছিল।

উনবিংশ শতিকাৰ মধ্যবিত্তৰ বিশেষকৈ, নামনি অসমৰ, মাজত এনে ধৰণৰ প্ৰৱণতাৰ ব্যাপকতা আৰু গভীৰতা অকল ব্যৱসায় বণিজ্যৰ ক্ষেত্ৰতেই নহয় আন আন ক্ষেত্ৰতো লক্ষ্য কৰা যায়।

থাওকতে আমি দেখোঁহক যে পোনতে ব্ৰিটিছ শাসনক বৰকৈ আদৰিলেও এনে শাসনৰ পৰা অভিজাত সকলে আদিতে পোৱা সা-

সুবিধা লাহে লাহে হেকুৱাবলৈ ধৰিলে। ব্ৰিটিছ চৰকাৰৰ ভূমি স্বৰাজ নীতিয়ে এনে সকলৰ মৰ্যাদা আৰু স্বাৰ্থত ক্ৰমাগত ভাবে আঘাত দিবলৈ ধৰিলে। অথচ প্ৰজা শাসনৰ ক্ষেত্ৰত এই শ্ৰেণীটোৱেই আগতে হাতিয়াৰ স্বৰূপ আছিল।

দ্বিতীয়তে এই শ্ৰেণীটোৰ প্ৰতিদ্বন্দ্বী স্বৰূপে ব্যৱসায়-বাণিজ্যৰ মাজেদি সমাজখন নিয়ন্ত্ৰণ কৰিব পৰা এচাম অসমীয়া আৰু অসমলৈ আহি বেহা বেপাৰ কৰা মধ্যশ্ৰেণীৰ লোকৰ সামাজিক ক্ষমতা বাঢ়িবলৈ ধৰিলে। এই সকলৰ বেহা-বেপাৰ, পুঁজি নিয়োগ সকলোবোৰৰ মূল স্বৰূপ আছিল ব্ৰিটিছ উপনিবেশ বণিক ব্যৱস্থাৰ পালি-দালালী চৰিত্ৰ।

তৃতীয়তে ইংৰাজ পদ্ধতিৰ শিক্ষা দীক্ষা লৈ গঢ় লোৱা শিক্ষিত চাকৰিয়াল, আমোলা, উকীল, মহৰী শ্ৰেণী এটাৰ নকৈ বিকাশ হবলৈ ধৰিলে আৰু ইবোৰৰ লগত ভাৰতৰ আন প্ৰান্তৰ তথা ইউৰোপত হোৱা বিকাশৰ মানসিক সংযোগ ঘটিবলৈ ধৰিলে।

আমি এই আলোচনাত প্ৰথমতে কোৱা শ্ৰেণীটোৰ সম্পৰ্কে কিছু কথা আলোচনা কৰিলো। পিছত আন দুটা শ্ৰেণীৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সম্পৰ্কে আলচ কৰাৰ চেষ্টা কৰিম।

তিনি

১৮২৬ খ্ৰী.ত আইনত. আহোম-অসম বংগ প্ৰেছিডেন্সিৰ এটা অংশ হৈ পৰিল। ১৮৭৩ খ্ৰী.লৈকে অসম এখন চীফ কমিছনাৰ শাসিত স্বকীয়া ৰাজ্য হিচাপে গঢ় নোলোৱাকৈ এনেদৰে থাকিল। বংগদেশ আৰু গোৱাল-পাৰা ১৭৬৫ খ্ৰী.ত ব্ৰিটিছৰ অধীনলৈ গৈছিল। আগতেই তাত ব্ৰিটিছ প্ৰশাসনৰ আওভাও বুজা এক শ্ৰেণীৰ আমোলা বা তলখাপৰ বিষয়াৰ সৃষ্টি হৈছিল।

আমি আগতে অন্যত্ৰ আলোচনা কৰিছো যে কামৰূপৰ বাহিৰে আহোম-অসমৰ ভূমি প্ৰশাসন ব্যৱস্থাৰ লগত ব্ৰিটিছ প্ৰণালীৰ ভূমি প্ৰশাসন একেবাৰেই মিলা নাছিল। গতিকে আহোম ৰাজত্বৰ বিষয়াসকলে ব্ৰিটিছ প্ৰণালীৰ প্ৰশাসনত চাকৰি কৰাৰ বাবে বৰ বেছি সক্ষম নাছিল। তথাপিও 'বৰলাটৰ প্ৰতিনিধি' (Agent to the Governor General) পদত অধিষ্ঠিত হোৱাৰ কিছুদিনৰ ভিতৰতে স্কট চাহাবে আহোম শাসন কালৰ পুৰুষানুক্ৰমে হোৱা ডা-ডাঙৰীয়াসকলকে প্ৰশাসনত নিযুক্তি দিয়া অতি আৱশ্যক বুলি ভাবি সেইমতে নিয়োগ কৰিছিল।

কামৰূপত ১৮৩৩-৩৪ চনত বগল চাহাবে পূৰ্বৰ ২৬ খন পৰগণা ভাঙি ১৫১ খন মৌজাৰ সৃষ্টি কৰাৰ উদ্দেশ্যৰ ভিতৰত এটা আছিল যে বেছি সংখ্যক অসমীয়া ডা-ডাঙৰীয়াক (Gentry) কামত নিয়োগ কৰাটো। কাৰণ প্ৰজাই বঙালীতকৈও নিজৰ সমাজৰ সম্ভ্ৰান্তসকলক এনে পদত থকাটোকে বিচাৰিছিল।

সম্ভৱতঃ এই নীতি নামনিত বাহিৰে উজনিত বিশেষ ফলপ্ৰসূ হোৱা নাছিল। মনিৰাম দেৱানৰ এক্তেলাত দিয়া অভিযোগ মন কৰিবলগীয়া।

বগল চাহাবৰ এই নীতিৰ ফলত ব্ৰিটিছ ৰাজত্বৰ আগৰে পৰা ভূমি প্ৰশাসনৰ সৈতে সংযুক্ত নামনি অসমৰ চৌধুৰী, মেনা, তালুকদাৰ ইত্যাদি

সম্ভ্ৰান্ত মধ্য শ্ৰেণীয়ে আগতে পাই অহা সুবিধাজনক অৱস্থানৰ পৰা তেনেই উৎখাত নহৈ অলপ কম বেছিকৈ হ'লেও আগৰ সামাজিক মৰ্য্যাদা আৰু সুবিধা পোৱা হেতু তেওঁলোকৰ অতীজৰে পৰা ভূমি প্ৰশাসনীয় অভিজ্ঞতাখিনিৰে ব্ৰিটিছ প্ৰশাসনৰ লগত খাপ খুৱাই লব পাৰিছিল। উজনি অসমত এনে পৰিস্থিতি নাছিল।

গুণাভিৰাম বৰুৱাই 'আসাম বন্ধু'ত লিখিছিল :

'আমাৰ নিজৰ দেশৰ লোকসকলে সেই সময়ত ইংৰাজৰ নিয়মে বড় লাগতিয়াল বিষয় পালিবলৈ অসমৰ্থ আছিল। ইংৰাজৰ দিনৰ সকলো কথাই লেখা-পঢ়াৰ কাম। আমাৰ পূৰ্বৰ বিষয়াসকলে সেই ৰূপ শিক্ষা পোৱা নাছিল। (গতিকে) ৰাজকীয় কৰ্মচাৰী মানেই অধিকাংশ বঙালী আছিল। (৬৫)

মণিৰাম দেৱানৰ বিখ্যাত 'এক্তেলাখনত দেৱানে উল্লেখ কৰিছিল :

Under the revenue settlement of military officers, while a number of respectable Assamese are out of employ, the inhabitants of Marwars and Bangalees from Sylhet have been appointed to Mouzadarship; and for us respectable Assamese to become the riots of such foreigners is a source of deep mortification. (From Mills' Report on the Province of Assam)

মণিৰাম দেৱানৰ উক্ত নিয়োগ সংক্ৰান্ত অভিযোগৰ বিপৰীতে হৰকান্ত সদৰামীনৰ ব্যক্তিগত ধাৰণা বিচাৰযোগ্য। আত্মজীৱনীত লিপিবদ্ধ এই ধাৰণা সদৰামীনৰ একান্ত ব্যক্তিগত আৰু গোপনীয়। তেখেতৰ দিনলিপি বুলি আত্মজীৱনীখনক ধৰা উচিত হব। তেখেতৰ মৃত্যুৰ বহু পাচত ই প্ৰকাশিত হয়। আমি আলচ কৰা বিষয় সন্দৰ্ভত ১৮৫৩-৫৪ সময়ৰ তেওঁৰ টোকাত এনেদৰে পোৱা যায়।

"তদপৰ ৰৌলট্ সাহেব মোত কলে," মিল সাহেব এই কথা সুধিছিল যে, গবৰ্ণমেণ্টৰ যি দেশেৰ যি লোক, তাকে মকৰৰ (নিয়োগ) কৰাৰ অভিপ্ৰায়। এ কামৰূপে বাঙ্গালী পৰদেশী লোক অনেক আছে।" তাতে, ৰৌলট্ সাহেব কলে "বাঙ্গালী লোক নহলে কাৰ্য্য নচলে;

সেহেতু মকৰৰ হৈছে।" তাতে, মিল সাহেব কলে, কালেক্টৰীৰ চেৰস্তাদাৰ বাঙ্গালী কি অসমীয়া? আৰো প্ৰধান সদৰামীন ও সদৰামীন, মুনচেফ্ সকল অসমীয়া কি বাঙ্গালী?" বুলি সোধাত "অসমীয়া বুলি কলোঁ।" তাতে মিল সাহেব কলে "যদি অসমীয়া হয়, কি মত কৰ্ম চলিছে?" তাতে ৰৌলট্ সাহেবে (E A. ROWLATT, সৰু আকৰ collector) মোত কলে "বোলে মঞি বৰ চৰম পাই এই মাত্ৰ কলোঁ, মঞি মকৰৰ কৰা নাই, আগৰে মকৰৰ আছে।" এমত কহাতে মিল সাহেব মনে মনে থাকিল ॥ ২৬২ ॥

তদুত্তৰ মঞি ৰৌলট্ সাহেবত কলোঁ, আপুনি চৰম পাব পায়, কেৱল অনুচিত কথা কলে, কিয়নো ইতঃপূৰ্ব্বে বাঙ্গালী নহলে কৰ্ম নচলিছিল হয়, কিন্তু মঞি ১৮৪৯ ইংৰেজী ও ১২৫৫ সনে উজান শিবপুৰ (শিবসাগৰ) প্ৰভিতি জেলাত দেখি আহিলোঁ শিৱসাগৰত সকলো লোক অসমীয়া, ও তেজপুৰে ৩।৪ জন মাত্ৰ বাঙ্গালী, সকল অসমীয়া, তেওঁলোকৰ দ্বাৰা কৰ্ম চলিছে। ইদানিক বাঙ্গালীৰ অপেক্ষা নকৰে।" এমত কোৱাতে ৰৌলট্ সাহেব মনে মনে থাকিল ॥ ২৬৩ ॥ ৬৬

চিপাহী বিদ্ৰোহৰ সময়ৰ ঘটনাত ব্ৰিটিছ ৰাজত্বৰ সুবিধাপ্ৰাপ্ত মধ্য-শ্ৰেণীয়ে ৰজাঘৰৰ বিৰুদ্ধে যাবলৈ ভয় পাইছিল 'এগলো সাহেব গোৱাল-পাৰাত মেজেষ্টৰ হৈ তুই তিনিজন লোকক 'ফাঁচী দিয়া' বুলি' হৰকান্ত সদৰামীনে শুনিছিল বুলি লিপিবদ্ধ কৰি থৈ গৈছে। শিৱসাগৰ জিলাৰ তুতীৰাম ফৌজদাৰীৰ চেৰস্তাদাৰ বিদ্ৰোহী ব্যাপাৰে কয়েদ হৈ চালান হোৱা আৰু তুতীৰাম চেৰস্তাদাৰক কালাপানী দিয়া" কথাও সদৰামীনে লিপিবদ্ধ কৰি গৈছে।

আমি গোৱালপাৰাত ফাঁচী দিয়া কেজন সম্পৰ্কে এতিয়ালৈকে বিশেষ-ভাবে নাজানো বা তাৰ তথ্যও উদ্ঘাটন হোৱা নাই। কিন্তু হৰকান্ত সদৰামীনৰ মণিৰাম দেৱানৰ ফাঁচী তথা চিপাহী বিদ্ৰোহৰ লিপিবদ্ধ প্ৰতিক্ৰিয়া (চ্ছেদ—২৮৬ / ২৮৭ / ২৮৮ / ২৯৫ / ৩১৮ / ৩১৯) তেখেতৰ আত্মজীৱনীত পাওঁ।

হৰকান্ত সদৰামিনৰ আত্মজীৱনীত আছে উজনিখণ্ডত পুৰন্দৰ সিংহৰ শাসনত (লালবন্দী কৰতলীয়া থাকোতে মণিৰাম দেৱান কালেক্টৰিৰ চিৰস্তাদাৰ আৰু কাশীনাথ তামুলীফুকন দেৱানীৰ আৰু লঠো ফৌজদাৰীৰ চিৰস্তাদৰ আছিল। ছেদ ॥ ২৮৭ ॥)

(১৮৩২ খ্রী. ১৭৫৪ শকৰ পৰা ১৭৬১ শক, ১৮৩৯ খ্রী.লৈ দক্ষিণে ধনশিৰী নদী, উত্তৰে কচুজানকে সীমা কৰি শদিয়ালৈকে এই অঞ্চল,—শিৱসাগৰ আৰু লক্ষীমপুৰ (অবিভক্ত) জিলা দুখন,—আহোম ৰাজবংশধৰ পুৰন্দৰ সিংহক লালবন্দী দিয়া হৈছিল।)

কামৰূপ তথা নামনি অসমত প্ৰশাসনিক ক্ষেত্ৰত বিশেষকৈ ভূমি প্ৰশাসনত লেখা-পঢ়া জনা লোক ব্ৰিটিছ অহাৰ আগৰে পৰা আছিল। প্ৰাকব্ৰিটিছ কালতো নামনি অসমৰ ভূমি প্ৰশাসনৰ ক্ষেত্ৰত ব্যাপকভাৱে নহলেও লেখা-পঢ়াৰ কাম আছিল। আদিৰ পৰাই তেনে কামত অভিজ্ঞ থলুৱা লোকক ব্ৰিটিছে নিয়োগ কৰিছিল। হৰকান্ত সদৰামিনৰ আত্ম জীৱনীত তেনে কিছুমান মানুহৰ নাম পোৱা যায়। (প্ৰাপ্ত তথ্যমতে এই লিখকৰ উপৰিপুৰুষ বৰপেটাৰ ভোলানাথ ৰায়চৌধুৰীয়ে ১৮২৬ খ্রী ৰ পৰা কামৰূপৰ কাননগো দপ্তৰত কাম কৰাৰ কথা পোৱা যায়।)

ভাষাৰ প্ৰশ্ন

'বংগৰ চৰকাৰে ১৮৩০ চনৰ এপ্ৰিল মাহত ফাৰ্চীৰ ঠাইত অসমত বঙলা ভাষাক আদালতত প্ৰচলন কৰিলে (৬৭) (অসমীয়াৰ ঠাইত নহয়।) মনত ৰাখিবলগীয়া যে ১৮৭৩ খ্রী.লৈ ব্ৰিটিছ অধিকৃত ব্ৰহ্মপুত্ৰ উপত্যকা বংগদেশৰ ৰংপুৰ কলেক্টৰীৰ লগত সাঙুৰি থোৱা আছিল আৰু অকল অসমতেই নহয় সমগ্ৰ অঞ্চলটোতেই ফাৰ্চীৰ সলনি বঙলা ভাষাক আদালতৰ ভাষা কৰা হয়। ৰংপুৰ কলেক্টৰী এলেকাধীন— ব্ৰহ্মপুত্ৰ উপত্যকাৰ (আহোম-অসম) বাবে বেলেগ ভাষাৰ দিহা কৰা নাছিল।

আদালতত বঙলা ভাষা প্ৰচলন সম্পৰ্কে হেমচন্দ্ৰ গোস্বামীয়ে লিখিছে :

'অসমৰ ইংৰাজ হাকিমসকলে স্বাৰ্থপৰ বঙালী বিষয়াবিলাকৰ টুটকীয়া কথা মুশুনি নিজে বিচাৰ কৰি চোৱা হলে তেওঁবিলাকে কেতিয়াও আমাৰ আদালত আৰু পঢ়াশালিত অসমীয়া ভাষাৰ সলনি বঙলা নুসুমালেহেঁতেন'। (৬৮)

এই কথাষাৰ যে সম্পৰ্ণ মিছা আৰু ভিত্তিহীন সেই কথা দৃঢ়ভাৱে ড° হেৰম্বকান্ত বৰপূজাৰীয়ে ইতিহাসৰ তথ্য উদ্ঘাটন কৰি দেখুৱাইছে। তেখেতে লিখিছে :

"দৰাচলতে ইংৰাজ অহাৰ আগতেই অসমত বঙলা ভাষাৰ প্ৰচলন আছিল। ** অসমীয়া বুদ্ধিজীৱীৰ ভিতৰতে কিছুমানে এতিয়াও ভাবে যে স্কুল, কাছাৰীত বঙলা ভাষা প্ৰবৰ্তন কৰাৰ গুৰিতে আছিল এই আমোলাবিলাকেই। **তেনে ধাৰণা যে সম্পূৰ্ণ মিছা আৰু ভিত্তিহীন** সেই কথালৈ ইতিপূৰ্বে এই লেখকে আন আন পুথি আৰু ৰাজহুৱা বক্তৃতাত আঙুলিয়াই দিছে।" (৬৯)

সাত সাগৰ তেৰ নদী পাৰ হৈ আহি সসাগৰা পৃথিৱী জয় কৰা আৰু ভাৰতবৰ্ষ অধিকাৰ কৰা ব্ৰিটিছ ৰাজক নিজৰ বিবেচনা নথকা আৰু তলতীয়া চাকৰিয়ালৰ টুটকীয়া কথা শুনি কাম কৰা বুলি ব্ৰিটিছ চৰকাৰৰ অন্যতম চাকৰিয়াল গোস্বামীয়ে কিদৰে ভাবিব পাৰিছিল সি আচৰিত যেন লাগে। ব্ৰিটিছ প্ৰশাসনৰ এজন মাত্ৰ বিষয়াই নীতি নিৰ্দ্ধাৰণ নকৰিছিল।

Francis Hamiltion (বুকানিনে) An Account of Assamত ১৮০৮ চন মানতে উল্লেখ কৰিছে :

"The Bengalese Language also become more common, although it was not used on the coin nor in the state affairs, until the time of Rudra, son of Godadhar, now it is the commion Language, even of the court : and the original Assamese, commonly spoken in the reign of Aurangzeb, in all probability will be soon lost : and it is now a dead Language, and is only studied by those who follow the old worship.

I have deposited in the company's library a vocabulary of the dialect of Bengalese now used in Assam. (৭০)

আউৰংজেবৰ শাসন কালত থকা 'Original Assamese (আদি অসমীয়া) ভাষাটো তল পৰি স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত বঙলা ভাষাৰ চল হ'ল। (আহোমে নামনি অসম অধিকাৰ কৰাৰ পৰৱৰ্তী কালত) এই Original Assamese ভাষাটোৰ অৰ্থ সম্ভৱতঃ বৈষ্ণৱ যুগৰ তথা প্ৰাচীন অসমীয়া (কামৰূপীয়া) ভাষাকে বুজাইছে। মন কৰিবলগীয়া এয়ে যে স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত বংগদেশৰ বহুতো বুদ্ধিজীৱী তথা পণ্ডিতক আহোম ৰাজ দৰবাৰ তথা অসমলৈ আমদানি কৰা হৈছিল।

১৯০১ খ্ৰী.ৰ ২৭ জুন তাৰিখৰ 'আসাম বন্তি' কাকতত এখন ১৪৭৮ শকৰ আহোম স্বৰ্গদেউ, স্বৰ্গনাৰায়ণৰ (চুহুংমুং) ৰাজ সভাৰ পৰা মহাৰাজ নৰনাৰায়ণলৈ পঠোৱা চিঠি প্ৰকাশিত হৈছিল। সি এনে ধৰণৰ :

'...তোমাৰ কুশলবাৰ্তা শুনিয়া পৰমাপ্যাপ্তি হৈলো। আৰু যে লিখিছা প্ৰীতিবৃক্ষ অংকুৰিত সেয়ে তোমাৰ আমাৰ সাহলাদেত বৃদ্ধিক পায়া ফলিত পুষ্পিত হৈবাৰ যি খান কহিছ ই গোট বিশেষ। কিন্তু তোমাৰ আমাৰ প্ৰীতিগোট যিহত হস্তে ঘটিছে সমস্তে জানা সেই ৰূপ মৰ্যাদা ব্যৱহাৰত যদি ৰহিব ফলিত পুষ্পিত কিসক নহৈব। আমৰা পূৰ্ব অভিপ্ৰায়তে আছি? (৭১) ইত্যাদি।

চুহুংমুং বা স্বৰ্গনাৰায়ণৰ ৰাজত্বকাল ১৪৯৭-১৫৩৯ খ্ৰী. স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ (১৬৯৬-১৭১৪ খ্ৰী) প্ৰায় ডেৰশ বছৰ আগৰ। এই চিঠিখনৰ পৰা (পোন্ধৰশ শতিকা বা ষোড়শ শতিকাৰ আগভাগত) আহোম ৰাজঘৰে ব্যৱহাৰ কৰা ভাষাৰ নমুনা পোৱা যায়। এনে ভাষা বঙলা নহয়। ভালদৰে গমি চালে দেখা যাব যে আমাৰ প্ৰাচীন পুথিবোৰতো (যথা কীৰ্তন ঘোষা ইত্যাদি) এনে ভাষা ব্যৱহৃত হৈছিল (যাক কামৰূপী ভাষা বা প্ৰাচীন অসমীয়া ভাষা বোলা হয়)। এই ভাষাটো কমতা কোঁচ কামৰূপ ৰাজ্যত তথা সমগ্ৰ অসমতেই (ব্ৰহ্মপুত্ৰ উপত্যকা) প্ৰচলিত আছিল। প্ৰায় চাৰে তিনিকুৰি বছৰ আগেয়ে অসম সাহিত্য সভাৰ অন্যতম প্ৰাক্তন সভাপতি অমৃত ভূষণ অধিকাৰীয়ে সঠিক ভাবে তেখেতৰ শ্ৰীমন্নাম ঘোষা পুথিত মন্তব্য কৰিছিল যে নামঘোষাৰ ভাষায়ে (পদাৱলী

গদ্যাকাৰে পৰিবৰ্তন কৰি ললে) শদিয়াৰ পৰা কোচবিহাৰলৈ প্ৰাচীন কামৰূপ তথা অসমৰ তৎকালিন প্ৰচলিত সাধুভাষা আছিল।

এই প্ৰসংগত স্বৰ্গীয় কনকলাল বৰুৱাই লিখিছে:

"The Kamrupi dialect was originally a variety of Eastern Maithili and it was no doubt the spoken Aryan Language throughout the kingdom which then included the whole of the Assam valley and the whole of Northen Bengal with the addition of the Purnea District, of Bihar. (৭২)

সাম্প্ৰতিক বিস্তৰ গৱেষণালব্ধ তথ্যৰ ভিত্তিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° উপেন্দ্ৰনাথ গোস্বামীয়ে কামৰূপী ভাষাটোৰ বিশেষত্বৰ কাৰণ সম্পৰ্কে মন্তব্য কৰিছে:

"কামৰূপী ভাষাটোৰ বা পূৰণি অসমীয়া ভাষাটোৰ স'তে বঙ্গালী ভাষাৰ বহু বিষয়ত মিল থকাৰ কাৰণ হ'ল—বঙ্গালী, কামৰূপী তথা অসমীয়া উভয় ভাষাত থকা সংস্কৃত প্ৰভাৱৰ প্ৰাধান্য।" (৭৩)

Baptist Missionary Magazine xxiv June 1844 (p. 124) ত সম্পাদকে ব্ৰাউন চাহাবৰ গুৱাহাটী অঞ্চলৰ ভাষা সম্পৰ্কে দিয়া বৰ্ণনাৰ ভিত্তিত দিয়া টোকাটো আছিল এনে ধৰণৰ:

'According to the best information at command, although there is some discrepency in the testimony, there ***is a material difference between the dialect of Assam proper and that of Lower Assam,*** **Although both dialects are called Assamese. The native often speaks indeed in common parlance of Assamese, and Dhekeri and Bangali as being the same language, (Dhekeri is the generic name of the inhabitants of Lowar Assam), being all derived** ***form the sanskrit.*** **And, yet, says Brown (নাথান ব্ৰাউন) "the difference is so great that a missionary speaking only Assamese would not be understood by the people of Lower Assam.** (৭৪)

চাহাব সকলৰ কোনোবা কোনোবাই ভাবিছিল যে নামনি অসমৰ ভাষা বঙলা ভাষাৰে মিহলি। Mrs. S.R. ward নামৰ মহিলা এগৰাকীয়ে 'Glimpse of Assam' নামেৰে এখন পুথি লিখিছিল। তাত (II chapter, para 9) তেওঁ মন্তব্য কৰিছিল।

'নামনি আসামত্ত যি ভাষা কোৱা হয় সেই ভাষা বঙালী ভাষাৰে মিহলি। কিন্তু উজনি আসামত, বিশেষকৈ শিৱসাগৰ জিলাত নিভাঁজ অসমীয়া কয়: কাৰণ শিৱসাগৰ জিলাই আগৰ ভদ্ৰলোক সকলৰ আবাসভূমি।' (৭৫)

নামনি অসমৰ মানুহৰ, বিশেষকৈ ভদ্ৰলোকৰ বাবে তৎকালীন সাধু বা মান্য বঙলা ভাষাটো (ঈশ্বৰ চন্দ্ৰ বা বংকিমচন্দ্ৰৰ ভাষা মন কৰক) আগৰ পৰাই অৰ্থাৎ ব্ৰিটিছে অসম অধিকাৰ কৰাৰ আগৰ পৰাই অপৰিচিত নাছিল। কাৰণ কামৰূপী আৰু বঙলা দুয়োটা ভাষাৰ ভিত্তি আছিল সংস্কৃত ভাষা। দুয়োটা ভাষাতেই সংস্কৃত শব্দ আৰু সংস্কৃত ব্যাকৰণৰ প্ৰভাৱ বেছি আছিল আৰু ই প্ৰাচীন কামৰূপত প্ৰচলিত আৰু আগতে উজনিত ভদ্ৰ সমাজৰ (elite) মাজত পৰিচিত আছিল। ইয়াৰ বিপৰীতে উজনি অসমৰ সৰ্বসাধাৰণ মানুহৰ কথিত (অৰুণোদয়ী) ভাষাটো নামনি অসমৰ লোকৰ বাবে আচহুৱা বা আচাভুৱা আছিল।

সেই কাৰণে সেই সময়ত ১৮৩০ খ্ৰী.ত ফাৰ্চী ভাষাৰ সলনি বঙলা ভাষাক আদালতৰ ভাষা কৰাত কাৰোপৰা আপত্তি উঠা নাছিল।

ড° হেৰম্বকান্ত বৰপূজাৰীয়ে এঠাইত মন্তব্য কৰিছে:

"অসমত আদিৰে পৰা টোল, পঢ়াশালি আৰু সত্ৰ বিলাকত দেশীয় শিক্ষাৰ ব্যৱস্থা আছিল। সেই শিক্ষা ধৰ্মমূলক আৰু উদ্দেশ্যও আছিল পবিত্ৰ জীৱন যাপনৰ প্ৰস্তুতি, জ্ঞান বহলোৱা বা জীৱিকা নিৰ্বাহৰ বাবে নাছিল। (৭৬)

'জ্ঞান বহলোৱা বা জীৱিকা নিৰ্বাহৰ বাবে নাছিল' এই কথাষাৰি নামনি অসমৰ বেলিকা নাখাটে। কাৰণ নামনি অসমৰ বেহা-বেপাৰ আৰু ভূমি ব্যৱস্থাৰ প্ৰয়োজনতেই ধৰ্মৰ লগত সম্পৰ্ক নথকা বিদ্যাও শিকিব লগাত পৰিছিল। নামনি অসমৰ তথা কোঁচ-কমতা-কামৰূপৰ ভূমি ব্যৱস্থাৰ বাবে বা তাৰ আৰ্থ-সামাজিক ব্যৱস্থাৰ বিশেষত্বৰ বাবে শিক্ষানুষ্ঠানত ব্যৱহাৰিক জ্ঞানৰ পাঠ দিব লগাত পৰিছিল।

কামৰূপৰ একালৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামীয়ে লিখিছে:

'আমাৰ দেশত টোল বা চতুষ্পাঠী কথাৰ প্ৰচলন নাছিল। .... পঢ়াশালী দুই ৰকমৰ আছিল—বামুণীয়া আৰু কাইথেলী। বামুণীয়া পঢ়াশালিত সংস্কৃত পঢ়া হৈছিল। কাইথেলী পঢ়াশালীত কাইথেলী বিদ্যা শিক্ষা দিয়া হৈছিল। যেনে যোগ, বিয়োগ, পূৰণ, হৰণ, মাটিকালি আদি গণিত বিষয় আৰু স্যমন্ত হৰণ, ভীম চৰিত্ত, কাণখোৱা আদি অসমীয়া সাহিত্যৰ পুথি, লগতে দলিল লিখা আদি কথাও শিকোৱা হৈছিল। ··· পঢ়াশালিবিলাক সাধাৰণতঃ কোনো ডাঙৰ গাঁৱত গণ্যলোকৰ আশ্ৰয়ত নাইবা কোনো ডাঙৰ লোকৰ আশ্ৰয়ত অথবা সম্পন্ন হলে অধ্যাপক বা কাইথৰ ঘৰত স্থাপিত হৈছিল। কাইথ বুলিলে কায়স্থ জাতিৰ নহলেও কাইথেলী বিদ্যা জনা যেই সেই লোকক বুজাইছিল।' (৭৭)

সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱায়ো একে কথাকে কৈছে। (৭৮)

উক্ত কাইথেলী বিদ্যাটো আছিল গণিত, মাটিকালি, থলুৱা ভাষা চৰ্চা, দলিল আদি লিখা বিদ্যা। ই জীৱিকা নিৰ্বাহৰ বাবে শিকা বিদ্যা। এনে বিদ্যাৰ প্ৰচলন বহুকাল আগৰ পৰা আছিল। শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ বৰপুতেক ৰামানন্দক মজুমদাৰী বা মজুন্দাৰী বিদ্যা শিকিবলৈ লগাই দিছিল। এই বিদ্যা খাজনা সংগ্ৰহৰ বাবে প্ৰয়োজনীয়। মজুমদাৰ বাবটো আছিল খাজনা সংগ্ৰহকাৰী বিষয়াৰ। (আৰবী 'মজঅম' অৰ্থ আদায়-কাৰ্য্য, ফাৰ্চী 'দাৰ' শব্দ অধিকাৰী অৰ্থত প্ৰত্যয়)।

হেমচন্দ্ৰ গোস্বামীয়ে কামৰূপ অনুসন্ধান সমিতিৰ হকে হাতে লিখা সাঁচিপতীয়া পুথি গোটাইছিল। এই সমিতিখন ১৯১২ খ্ৰী.ত কামাখ্যা-ধামত বহা উত্তৰবংগ সাহিত্য পৰিষদৰ অধিবেশনত গৃহীত সিদ্ধান্ত মৰ্মে স্থাপন কৰা হয়। এই অধিবেশনৰ সভাপতি আছিল বংগদেশৰ খ্যাতনামা ঐতিহাসিক শশধৰ ৰায়। কোচবিহাৰৰ খান চৌধুৰী আমানত উল্লা আহমদে (কোচ বিহাৰৰ ইতিহাস প্ৰণেতা) এই প্ৰস্তাৱটো উত্থাপন কৰে আৰু ৰংপুৰৰ (বংগদেশৰ) মৃত্যুঞ্জয় চৌধুৰীয়ে সমৰ্থন কৰে। ইয়াৰ মুখ্য উদ্যোগী আছিল পণ্ডিত পদ্মনাথ বিদ্যাবিনোদ (কামৰূপ শাসনাৱলীৰ ৰচক) ইয়াৰ প্ৰতিষ্ঠাতা সম্পাদক আছিল গুৱাহাটীৰ স্বৰ্গীয় কালীচৰণ সেন। এই সংগঠনত

অসমীয়াৰ ভিতৰত ৺প্ৰতাপ চন্দ্ৰ গোস্বামী, ৺তাৰানাথ চক্ৰবৰ্ত্তী আৰু ৺উত্তম চন্দ্ৰ বৰুৱাইও যোগ দিছিল। (৭৯) ১৯১৫-১৬ খ্ৰীঃত ই অসম চৰকাৰৰ সাহায্য পায় আৰু স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীয়ে ইয়াত যোগ দিয়ে। (৮০)

চৰকাৰী বিষয়া স্বৰ্গীয় গোস্বামীদেৱক এই কাৰ্য্যত মন দিবলৈ চৰকাৰে নিযুক্তি (deputation) দিয়ে। স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীয়ে, গোটেই হাতে লিখা সাঁচিপতীয়া পুৰণি পুথিবোৰ সম্পৰ্কে তাৰ বিৱৰণ আদিৰে 'Descriptive catalogue of Assamese Manuscript' (৮০) নামৰ পুথি যুগুত কৰে আৰু সেই পুথিখন ড° সূৰ্য্যকুমাৰ ভূঞাৰ যত্নত আৰু ১৯৩০ খ্ৰী.ত কলিকতা বিশ্ববিদ্যালয়ে তাক প্ৰকাশ কৰে। গোটেইবা পুথিবোৰৰ ভিতৰত কেবাখনো গণিত শাস্ত্ৰ আদি আছে। যথা জ্যোতিষ চূড়ামণি (আনুমানিক ৰচনাকাল ১৪৬০ খ্ৰী.—১৫৬০ খ্ৰী.)। ইয়াত থকা কথাবোৰ সম্পৰ্কে স্বৰ্গীয় গোস্বামীদেৱে লিখিছে: **'This puthi first teaches the notation and numeration and four rules. It gives a large number of examples to workout besides their answers. It then lays down the rules how to survey and calculate the areas of land of different shapes giving appropriate examples to workout.**

আন এখন তেনে প্ৰাচীন পুথিৰ নাম 'কিতাবত মঞ্জৰী'; গ্ৰন্থকৰ্তা সেই সময়ৰ শ্ৰেষ্ঠ গণিতজ্ঞ বকুল কায়স্থ। তেওঁ ১৪৩৪ খ্ৰী.ত বিখ্যাত হৈ উঠিছিল। পুথিখনৰ ৰচনাৰ সময় ১৪৩৪ খ্ৰী., পুথিখন 'কাইথেলী' আখৰেৰে লিখা।

গোস্বামীদেৱে এই পুথিখন সম্পৰ্কে আৰু লিখিছে:

"The puthi first describes how the accounts are to be kept under different heads and how the stores belonging to a Royal household should be classified and entered in a stock book etc. It then teaches the arithmetic in three parts,... The puthi not only deals with arithmetic but also teaches how lands are to be measured and their areas calculated and also how the rent rolls are to be prepared. Towards the end it contains numerous examples from several authors such as Narayan Das, Umapati, Siddha, Hriday ananda Kayastha and Durga Das."

তেখেতে আৰু কৈছে : **'The old Assamese method of teaching arithmetic was quite different form the methods now prevailing in the schools of Assam. There are now only a few old men who know the ancient methods described in this book and with them the knowledge is bound to disappear completely.**

এই প্ৰসংগত আজি কেইবছৰমান আগতে প্ৰয়াত হোৱা "কাইথেলী অংক পুথি" প্ৰণেতা স্বৰ্গীয় দণ্ডীৰাম দত্তৰ কথা উল্লেখনীয়। তেখেতে এই লিখকক কথা প্ৰসংগত কৈছিল যে তেখেতে জনাখিনি কাইথেলী অংকৰ সামান্য অংশহে মাথোন।

এনে পুথিবোৰৰ ভাষা প্ৰাচীন কামৰূপী ভাষা। এনে শিক্ষা ব্যৱস্থাৰেই শিক্ষিত আৰু উপযুক্ত হৈ ব্ৰিটিছ অহাৰ আগৰ কালত নামনি অসমত মধ্যশ্ৰেণীয়ে ৰাজকাৰ্য্য বা বিষয় চন্তালিছিল। ব্ৰিটিছ অহাৰ সময়তো এনেবোৰে লোকেই চৰকাৰী কামত নিয়োজিত হৈছিল।

সম্ভৱতঃ অসমৰ আনবোৰ ঠাইত একে পৰিস্থিতি নাছিল।

ভৌগোলিক, সামাজিকভাৱে আৰু আগতে দীৰ্ঘকাল ধৰি একে ৰাজনৈতিক, সামাজিক আৰু আৰ্থ-সামাজিক ক্ষেত্ৰত উত্তৰ বংগৰ এটা বুজন অংশ আৰু নামনি অসম অঞ্চলৰ বৰ ওচৰা-উচৰি অৱস্থান হেতু আৰু সততে সংযোগশীল হৈ থকাৰ বাবে ব্ৰিটিছে প্ৰচলন কৰা উনৈশ শতিকাৰ সংস্কৃত প্ৰাধান্য থকা বঙলা ভাষাটো একে সংস্কৃত ভাষাৰ প্ৰাধান্য থকা কামৰূপী ভাষা-ভাষী লোকৰ বাবে আচহুৱা বা অচিনাকি নাছিল। সম্ভৱত সেই বাবেই বঙলা প্ৰচলনত নামনি অসমত বিৰোধিতা হোৱা নাছিল। এনে প্ৰচলন আছিল আদালতৰ কাম-কাজ তথা চৰকাৰী চাকৰি পোৱাৰ বাবে উপযুক্ত কৰি তোলাৰ বাবে যি শিক্ষাদান কৰা হয়, তেনে শিক্ষা তথা স্কুলৰ ক্ষেত্ৰতহে।

১৮১৩ খ্ৰী.ত প্ৰথম অসমীয়া ছপা পুথি ধৰ্ম পুস্তক (খ্ৰীষ্টান ধৰ্ম পুথি) ওলালেও আগতে অভিধান নাছিল। ১৮৬৩ খ্ৰী.ত ব্ৰন্সন চাহাবে এখন অসমীয়া ইংৰাজী অভিধান লিখে। এই অভিধানৰ প্ৰথম ৬৮৮ টা শব্দৰ ৫৯১ টা শব্দ বঙলা ভাষাৰ বুলি কিছুমানে দাবী কৰাত পুথিখন

বঙালী পণ্ডিত তথা চৰকাৰী বিষয়া আৰ. চি. দত্তক পৰীক্ষা কৰিবলৈ দিলত তেওঁ চাইচিন্তি অভিমত দিলে যে এনে একে যেন দেখা শব্দ কেইটা সংস্কৃত ভাষাৰ পৰা ওলোৱা গতিকেই দুয়োটা ভাষাতেই আছে। (৮১)

দৰাচলতে শিৱসাগৰৰ কথিত ভাষাৰ ওপৰত মিছনাৰীসকলে গঢ় দিয়া অসমীয়া (অৰুণোদয়ী) ভাষাটোৰ লগত আগৰ প্ৰাচীন অসমীয়া ভাষা (প্ৰাচীন পুথিত ব্যৱহৃত) তথা নামনি অসমৰ কামৰূপী ভাষাটোৰ পাৰ্থক্য বহুতো। এটাৰ লগত আনটোৰ সংগতিসূত্ৰ বৰ সামান্য।

ড° উপেন্দ্ৰনাথ গোস্বামীৰ গৱেষণাই কৈছে:

'This Kamrupi dialect, with a long history of its own, differs greatly from the eastern variety of Assamese. The difference range over the whole field of phonology, morpholgy and vocabulary. Even in proverbs, riddles and idiomatic expressions great divergence between the two dialects are noticeable.'

William ward নামৰ এগৰাকী মিছনাৰীয়ে ১৮৫৪ খ্ৰী.ত নৱেম্বৰত ব্ৰন্সন চাহাবলৈ লিখা এখন চিঠিত কৈছিল:

'Among the thousand in Kamroop to whom I have given our books, I do not recollect an instance of an individual who if he could read at all did readily and perfectly understand them, atleast so far as the language is concerned and that too when all our books are in strict language of upper Assam.' (৮২)

নাথান ব্ৰাউনেও এই কথা প্ৰকাৰান্তৰে স্বীকাৰ কৰিছে।

'I challenge any person to point out an equal extent of territory, in any part of the world, where there is greater uniformity of pronunciation than there is among, the Assamese, *excluding, of course, the Dhek-eres of Kamrup also kacharis and other* hill tribes to whom *the language is not vernacular and* who cannot therefore be expected to speak it in its purity.'
(ব্ৰন্সনলৈ শিৱসাগৰৰ পৰা ১৮৫৪ খৃ.ৰ ৫ নৱেম্বৰত লিখা চিঠিৰ পৰা।) ৮৩

১৮৩৭ খ্ৰী.ত কামৰূপৰ কলেক্টৰ মেথি চাহাবে জিলাখনত কিছুমান গাঁৱলীয়া স্কুল পাতি দিছিল। সেই সময়ত অসমীয়া ভাষা শিকাবৰ বাবে সমগ্ৰ অসমতে দুখন নে তিনিখন মিছনাৰীয়ে পতা স্কুল আছিল। এনে

গাঁৱলীয়া স্কুলবোৰত বঙলা শিকোৱা হৈছিল। বঙলা পাঠ্যপুথি সহজতে পোৱা গৈছিল আৰু অসমীয়া প্ৰাথমিক পাঠ্যপুথি পোৱা নগৈছিল। এনে স্কুলবোৰ ভালেই চলিছিল। **(All sufficiently good Bengali Schools to take upon themselves the duty of elementary instruction in reading, writing and arithmetic, all that it was expected of them to teach)** (৮৪)

এনে স্কুলবোৰৰ পৰা পাঠ সাং কৰি ওলোৱাবোৰক চৰকাৰে চাকৰিত নিয়োগ কৰিছিল। ১৮৫৩ খ্ৰী.ৰ Mills চাহাবৰ ৰিপ'ৰ্ট মতে কামৰূপত এনে চাকৰিয়ালৰ সংখ্যা ৬০ গৰাকী বুলি উল্লেখ আছে। (বৰপেটাৰ চানাৰাম দত্ত, গোবিন্দৰাম দাস (চৌধুৰী), বীৰুৰাম, জুৰোৰাম (পাঠক), খুহুৰাম দাস, মণিৰাম, পৰশুৰাম দাস, ৰঘুনাথ ৰায় (চৌধুৰী) ৰামদাস (উকিল), জয়ৰাম, হৰিমল ৰায়চৌধুৰী, ৰাধাকান্ত ৰায়, ভগীৰথ দত্ত, সন্তোৰাম, যজ্ঞৰাম, পিতাম্বৰ, চুনজৰ পাটোৱাৰী ইত্যাদি) এনে চাকৰিয়ালৰ বহুতে পিছত 'উকিল' বা পৰগণাৰ 'চৌধুৰী' হয়। (৮৫) কামৰূপৰ আধুনিক কালৰ মধ্যবিত্তৰ এচাম এনেবোৰৰেই সতি-সন্ততি।

নামনি অসমত (ব্ৰিটিছৰ আগৰ কালৰ) প্ৰাচীন শিক্ষা পদ্ধতিৰ খুঁত মূলতঃ তিনিটা আছিল। প্ৰথমটো হ'ল—পাঠ্যপুথি সহজলভ্য নাছিল, মৌখিকভাবে আৰু হাতে লিখা পুথিৰ সহায়তহে পাঠদান হৈছিল। ছপা পুথি নাছিল। দ্বিতীয়টো হ'ল চৰকাৰ বা ৰজাঘৰে সুপৰিকল্পিত আঁচনিৰে পাঠদান ব্যৱস্থাৰ পৃষ্ঠপোষকতা বা তদাৰকী কৰাৰ ব্যৱস্থা নাছিল। তৃতীয়টো হ'ল—শিক্ষা মাথোন উচ্চবৰ্ণৰ মাজত সীমাবদ্ধ আছিল। (নামনি অসমত দুই-এঠাইত 'আৰবী' ভাষাৰ যোগেদি ইছলামধৰ্মীয় শিক্ষা দিয়া বা ফাৰ্চী শিক্ষা দানৰ অলপীয়া ব্যৱস্থা থকাৰ কথাও শুনা যায়।)

ব্ৰিটিছৰ দিনত শিক্ষা সকলোৰে বাবে মুকলি কৰি দিয়া হয়। ব্ৰিটিছ চৰকাৰে ছপা পুথিৰ সহায়ত, চৰকাৰী নীতিৰে আৰু তদাৰকীৰে পৰিচালিত প্ৰণালীৰে আন আন বহুতো জানিবলগীয়া কথাকো শিকাইছিল।

বৃটিছে গোৱালপাৰা অধিকাৰ কৰা সময়ত কামৰূপ দৰঙকে ধৰি নামনি অসমৰ ভাটী দেশৰ সৈতে ইতিমধ্যে থকা যোগাযোগ বহুগুণে বৃদ্ধি হ'ল। ইতিমধ্যে বংগদেশত ৰাজাৰামমোহন ৰায়ৰ নেতৃত্বৰ 'নৱোল্লাস' আন্দোলন আৰম্ভ হৈছে। ছপাৰ আখৰেৰে নানান পুথি-পত্ৰ আনকি বাতৰি কাকত, আলোচনী আদিও বঙলা ভাষাত ওলাইছে; যথা সমাচাৰ দৰ্পণ ১৮১৮ খ্ৰী· ব্ৰাহ্মণ সেবধি ১৮২১ খ্ৰী., সংবাদ কৌমুদী ১৮২১ খ্ৰী. সমাচাৰ চন্দ্ৰিকা ১৮২২ খ্ৰী· ইত্যাদি। এনে ধৰণৰ ছপা আখৰৰ মাজেদি সহজলভ্য হৈ ওলোৱা বঙলা পাঠ্যপুথি ইতিমধ্যে প্ৰচাৰিত হৈছে। (বংগদেশত ১৭৭৮ খ্ৰী·ত বঙলা আখৰযুক্ত ছপা মুদ্ৰণ যন্ত্ৰৰ আবিৰ্ভাৱ হয়।)

কামৰূপৰ চুবুৰীয়া গোৱালপাৰা জিলাখন ১৭৬৫ খ্ৰী·ৰ পৰাই ব্ৰিটিছৰ অধীনত। সেই জিলাৰ লগত সামাজিক আৰু অৰ্থনৈতিক যোগাযোগ থকাত (বিশেষকৈ ১৭৯৩ খ্ৰী·ৰ আহোম বৃটিছ বণিজ চুক্তিৰ ফলত এনে যোগাযোগ আৰু ব্যাপক হৈছিল।) কামৰূপ তথা আহোম-অসমৰ বিশেষকৈ নামনি খণ্ডৰ তৎকালীন বিদ্বান সমাজ বা মধ্যশ্ৰেণীটোৱে বংগদেশৰ ভাষা সাহিত্য সংস্কৃতি আৰু চিন্তাৰ ক্ষেত্ৰৰ নবা ধাৰণা আৰু সমাজৰ বিকাশৰ কথাবোৰৰ উমান পাই আহিছিল। সেয়ে ব্ৰিটিছে আহোম-অসম লোৱাৰ লগে লগে নামনি অসমৰ মধ্য তথা সম্ভ্ৰান্ত শ্ৰেণীয়ে বঙলা ভাষা সাহিত্যৰ প্ৰতি সশ্ৰদ্ধভাৱে আকৰ্ষিত হৈছিল। মেথি চাহাবে কোৱাৰ দৰে (আগত উল্লিখিত) কামৰূপত চৰকাৰী স্কুলৰ যোগেদি বঙলা শিক্ষা সফল হৈ উঠিছিল।

এই সন্দৰ্ভত আমি আকৌ সুঁৱৰিব লাগিব যে ব্ৰিটিছে আহোম-অসম লোৱাৰ পিছত ইয়াক (উজনি অসমৰ দুখন জিলা স্বৰ্গদেৱ পুৰন্দৰ সিংহক লালবন্দী দিয়া ৫ বছৰ বাদে) বংগদেশৰ ৰংপুৰ খণ্ডৰ সৈতে চামিল কৰা হৈছিল। ১৮২৬ খ্ৰী·ৰ পৰা ১৮৭৩ খ্ৰী·লৈ অসমৰ বাবে পৃথক প্ৰশাসন কেন্দ্ৰ হোৱা নাছিল। ১৮৭৪ খ্ৰী·তহে তুৰলীয়া লাটৰ অধীনস্থ পূৰ্ববংগৰ পৰা একাষৰীয়াকৈ আনি গোৱালপাৰা আৰু চিলেট জিলা সম্বলিতে অসম প্ৰদেশখন চীফ কমিছনাৰ শাসিত

প্ৰদেশ হিচাপে গঠন কৰা হয়। ব্ৰিটিছে ১৮৩০ খ্ৰী.ত আদালতৰ পৰা ফাৰ্চী ভাষাক আঁতৰাই (বহুতে কবৰ দৰে অসমীয়া ভাষাক নহয়) বঙলা ভাষা চৰকাৰী কাম-কাজত প্ৰবৰ্তন কৰিলে। নামনি অসমত অতি নিম্ন পৰ্য্যায়ত কিন্তু আগৰ দৰে কামৰূপী ভাষাই প্ৰচলিত ৰ'ল।*

মিছনাৰী সকলে শিৱসাগৰ জিলাৰ কথিত ভাষাক মান্যতা দি যি 'অৰুণোদয়ী অসমীয়া' ভাষা গঢ় দিবলৈ ল'লে সেই ভাষা নামনি অসমৰ মানুহৰ বাবে বোধগম্য নাছিল। নামনি অসমৰ মানুহে কমতা-কোঁচ-কামৰূপ পৰম্পৰাৰ কামৰূপী ভাষাৰ (প্ৰাচীন অসমীয়া) মাজত সংস্কৃত ভাষাৰ অধিক প্ৰভাৱৰ বাবে একে চৰিত্ৰৰ সংস্কৃতমূলীয় বঙলা ভাষাটোহে আদৰি লৈছিল।

ইংৰাজী শিক্ষাৰে শিক্ষিত আহোম-অসমৰ প্ৰথম অসমীয়াজন সম্ভৱতঃ যজ্ঞৰাম খাৰঘৰীয়া ফুকন। হলিৰাম আৰু যজ্ঞৰাম আহোম ৰাজত্বৰ শেষ পৰ্বৰ আহোম-অসম আৰু ব্ৰিটিছ অধিকৃত গোৱালপাৰা সীমান্তৰ আহোম ৰাজ্যৰ বিষয়া তুৱৰীয়া বৰুৱা পৰশুৰামৰ পুত্ৰ। যজ্ঞৰামৰ জন্ম ১৮০৫ খ্ৰী.ত। যজ্ঞৰামক দেউতাকে সংস্কৃত আৰু ফাৰ্চী ভাষাৰ শিক্ষা দিছিল। চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে হলিৰামক ঢেকিয়াল ফুকন আৰু যজ্ঞৰামক খাৰঘৰীয়া ফুকন বিষয়বাব দিছিল। যজ্ঞৰামে কলিকতালৈ গৈ ইংৰাজী ভাষা আৰু অন্যান্য শাস্ত্ৰাদি আলোচনা কৰিছিল। তেওঁ ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰি ৰাজা ৰামমোহন ৰায়ৰ (১৭৭৪—১৮৩৩ খ্ৰী.) লগ লৈছিল। (৮৬)

ইংৰাজী শিক্ষাৰে শিক্ষিত যজ্ঞৰামে ১৮৩৯ খ্ৰী.ত **Lucy and her bird** কবিতাটি বঙলাত ভাঙনি কৰি সমাচাৰ দৰ্পণত প্ৰকাশ কৰিছিল। ১৮২৯ খ্ৰীঃত হলিৰাম ঢেকিয়াল ফুকনে বঙলা ভাষাত অসম বুৰঞ্জী লিখিছিল। অসমীয়া ভাষা প্ৰচলনৰ প্ৰথম অসমীয়া প্ৰবক্তা চৰকাৰী বিষয়া আনন্দৰাম ঢেকিয়াল ফুকনে আইন সংক্ৰান্ত গ্ৰন্থসমূহ বঙলা ভাষালৈ ভাঙনি কৰিছিল। আনন্দ ৰামৰ দিনৰে বৰপেটাৰ গোবিন্দৰাম চৌধুৰীয়ে সমাজ সচেতন মনেৰে আৰু সংস্কাৰবাদী দৃষ্টিৰে নাৰী সমাজৰ শাৰীৰিক ৰোগৰ তথা প্ৰসূতি সম্পৰ্কীয় শৰীৰ বিজ্ঞানৰ আৰু শিশুৰ প্ৰাথমিক চিকিৎসা সম্পৰ্কে

---

* এই পুথিত দিয়া ১৮৩৭/৩৮ খ্ৰী.ৰ কামৰূপত দিয়া মাটিৰ পট্টাৰ ভাষা দ্ৰষ্টব্য।

জানিবলগীয়া কথা বিলাক জন-সমাজত প্ৰচাৰ কৰাৰ দায়িত্ব উপলব্ধি কৰিছিল। এই চিন্তাৰ দ্বাৰা উদ্বুদ্ধ হৈয়েই তেখেতে মহাত্মা যদুনাথ ডাক্তৰৰ দ্বাৰা ৰচিত 'ধাত্ৰী শিক্ষা' নামৰ বঙলা ভাষাৰ কিতাপখন কামৰূপী অসমীয়ালৈ অনুবাদ কৰি 'সূতিকা পটল' নামাকৰণেৰে পুথিখন পদ্যছন্দত প্ৰকাশ কৰিছিল। (৮৭)

অসম সাহিত্য সভা, কামৰূপ অনুসন্ধান সমিতি আদিৰ লগত জড়িত থকা কামৰূপৰ এগৰাকী খ্যাতিমন্ত পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামীয়ে (জন্ম ইং ১৮৮৪ মৃত্যু ইং ১৯৬২ চন) তেখেতৰ 'জীৱন স্মৃতি আৰু কামৰূপী সমাজ' পুথিত কিদৰে বঙলা সাহিত্যই তেখেতক প্ৰভাৱিত কৰিছিল সেই সম্পৰ্কে লিখিছিল:

"পিতাৰ দিনৰ পৰা আমাৰ ঘৰত বঙ্গবাসী কাগজ আছিল। মইও সেই কাগজৰ নিয়মিত গ্ৰাহক আছিলো। প্ৰকাণ্ড কাগজ, আহি পালেই মনটো ভাল লাগি যায়। গতিকে কেতিয়া বঙ্গবাসী আহে, কেতিয়া বঙ্গবাসী আহে ভাবি থাকো। অহা মাত্ৰকে কাগজখন আদিৰ পৰা অন্তলৈ নপঢ়াকৈ আন কোনো কাম কৰিব নোৱাৰো। বঙ্গবাসী কাগজৰ কৃপাত বহু শাস্ত্ৰীয় গ্ৰন্থ সুলভ মূল্যত কিনি পঢ়িবৰ সুযোগ পালো। বঙ্গবাসীৰ প্ৰতিষ্ঠাতা ৺ যোগেন্দ্ৰনাথ বসু মহাশয়ে স্বৰ্গগত মহামহোপাধ্যায় পঞ্চানন তৰ্কৰত্নৰ সহায়ত মূল ৰামায়ণ, মহাভাৰত, অনেক পুৰাণ উপপুৰাণ, স্মৃতি-দৰ্শন প্ৰভৃতি গ্ৰন্থ (বঙালী ভাষাত) প্ৰকাশ কৰি বঙ্গবাসীৰ গ্ৰাহক বিলাকক কম মূল্যত বিক্ৰী কৰাৰ পদ্ধতি আৱিষ্কাৰ কৰি হিন্দুৰ দুষ্প্ৰাপ্য শাস্ত্ৰ গ্ৰন্থসমূহ সহজে প্ৰাপ্য কৰি দিলে। মইও অনাটনৰ ভিতৰতো এই সকল অমূল্য গ্ৰন্থ সংগ্ৰহ কৰি পঢ়িব ধৰিলো। এইদৰে পৰিশ্ৰম কৰাৰ ফলত মোৰ জ্ঞানৰ পৰিসৰ বাঢ়ি গ'ল।

* * * মইও বসুমতী প্ৰত্ৰিকাৰ গ্ৰাহক হৈ সেই পুথিবিলাক সংগ্ৰহ কৰি পঢ়িব ধৰিলো। ইয়াৰ পৰা বিখ্যাত গ্ৰন্থকাৰ বঙ্কিম চন্দ্ৰ, ৰমেশচন্দ্ৰ দত্ত, দামোদৰ মুখোপাধ্যায়, নবীন সেন, হেমচন্দ্ৰ ৰঙ্গলাল প্ৰভৃতি শ্ৰেষ্ঠ লেখকসকলৰ লেখাৰ লগত মোৰ পৰিচয় ঘটিল লগতে সাহিত্যৰ প্ৰতিও

মোৰ বাপ জন্মিল। * * * এইবিলাক পঢ়াৰ ফলত মোৰ আধুনিক জগতৰ জ্ঞান-বিজ্ঞান আদিৰ বিষয়ে জ্ঞান জন্মিল। * * * প্ৰবাসীৰ বিবিধ প্ৰবন্ধ পঢ়াৰ পৰা ৰাজনীতিৰো কিছু জ্ঞান হ'ল।"—

(বঙ্গবাসী, বসুমতী, প্ৰবাসী ইত্যাদি বঙলা ভাষাৰ বাতৰি কাকত তথা আলোচনী।)

অকল ৺ গোস্বামীদেৱৰে নহয়—নামনি অসমৰ তথা অসমৰ তৎকালীন বুদ্ধিজীৱীসকলৰ ক্ষেত্ৰতেই এনে ধৰণৰ অনুভৱ আৰু অভিজ্ঞতা আছিল। মন কৰিবলগীয়া কথাটো হ'ল এয়ে যে ব্ৰিটিছে অসমৰ শাসনভাৰ লোৱাৰ বহু আগেয়ে বংগদেশত পশ্চিমীয়া সাহিত্য সংস্কৃতিৰ প্ৰভাৱ পৰাই নহয়, আধুনিক শিক্ষাপদ্ধতি, ছপাযন্ত্ৰ বা কাগজ আলোচনী, সংবাদপত্ৰ, ছপাপুথি আদিৰ বহুল প্ৰচলন হৈছিল। পশ্চিমীয়া সাহিত্য সংস্কৃতিৰ দ্বাৰা বঙালী ভাষা সমৃদ্ধ হৈছিল। আনহাতে আহোম অসমত সিবোৰ সুবিধা একো নাছিল। নামনি অসম আৰু বংগদেশৰ একাংশৰ (তথা প্ৰাচীন কামৰূপৰ একাংশও) যোগাযোগ, একে সংস্কৃত আৰু পূৰ্বমাগধী ভাষাৰ পৰা ওলোৱা এই দুই ভাষাৰ (উত্তৰ বংগৰ বঙালী আৰু কামৰূপীয়া অসমীয়া) সাদৃশ্যৰ বাবে বঙালী ভাষাৰ লগত কামৰূপীয়া অসমীয়া ভাষাৰ ব্যৱধান অপেক্ষাকৃতভাৱে কম আছিল। আনহাতে আচহুৱা ইংৰাজী ভাষাৰ লগত বৈষ্ণৱ যুগৰ পুথিৰ ভাষা তথা কামৰূপীয়া ভাষাৰ ব্যৱধান আকাশ-পাতাল সদৃশ আছিল।

ইংৰাজী ভাষাক ভালদৰে আয়ত্ত কৰি পশ্চিমীয়া সাহিত্য, সংস্কৃতি সভ্যতা আদি উপলব্ধি কৰাটো প্ৰায় অসম্ভৱ আছিল। ইতিমধ্যে বিকশিত হোৱা বঙালী ভাষাৰ মাধ্যমেৰে এই কাম অপেক্ষাকৃতভাৱে উজু হৈছিল। বৌদ্ধিক ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত বঙালী ভাষা-সাহিত্য সংস্কৃতিৰ অনুকৰণ আৰু অনুসৰণ সেই সময়ৰ স্বাভাৱিক প্ৰৱণতা আছিল। এই প্ৰৱণতাৰ লগত আজি-কালি ইংৰাজী ভাষা। সাহিত্য আদিৰ প্ৰতি থকা প্ৰৱণতাক বিজাই চালে পৰিস্থিতিটো বুজাত উজু হব।

নামনি অসমৰ তৎকালীন শিক্ষিতসকলৰ মাজত যিদৰে বঙলা ভাষাৰ আদৰ আছিল তেনেদৰে সেই ভাষাত ৰচিত পুথি আদিৰ দ্বাৰা প্ৰভাৱিত

হৈ নিজৰ ভাষাত নাটক আদিও লিখিছিল বা বঙলা ভাষাৰ পৰা তৰ্জমা কৰিছিল। অকল নামনি অসমৰেই নহয় আন ঠাইতো বৰপেটাৰ অভিনয় গোষ্ঠীয়ে ব্যৱসায়িক ভিত্তিত বঙলা ভাষাৰ 'যাত্ৰাগান' অভিনয় কৰিছিল। এনে অভিনয় নামনি অসমত জনপ্ৰিয় হৈ উঠালৈ চাই এই কথা ধৰি লব পাৰি যে বঙলা ভাষা প্ৰায় বোৰেই বোধগম্য আছিল আৰু তাৰ আদৰ আছিল।

মিলচ্ চাহাবে কৰা অনুমোদন মতে আৰু অসম এখন চীফ কমিছনাৰৰ অধীনৰ সুকীয়া প্ৰদেশ হোৱাৰ পিছত আদালত আৰু স্কুলত বঙলা ভাষাৰ ঠাইত ব্ৰহ্মপুত্ৰ উপত্যকাত আহোম-অসম খণ্ডত অৰুণোদয়ী অসমীয়া ভাষা প্ৰবৰ্তন কৰা হয়। ইয়াত নামনি অসমৰ পৰা বিৰোধিতা হৈছিল। ২২ গৰাকী উকিল, ৩৩ গৰাকী মৌজাদাৰ, ৭৪ গৰাকী মণ্ডল, ৪ গৰাকী গোসাঁই, ২ গৰাকী দলৈ—বৰদেউৰীকে ধৰি ১২২৬ জনৰ চহী সম্বলিত এখন দৰ্খাস্ত অসমত আধুনিক অসমীয়া প্ৰচলনৰ ব্যৱস্থাত আপত্তি জনাই বংগদেশৰ লেফটেনেণ্ট গৱৰ্ণৰৰ ওচৰত দাখিল কৰা হৈছিল। এই ঘটনাটোত কিছুমান অসমীয়া ভাষাৰ বুৰঞ্জী লিখোতা বা অসমীয়া ভাষা প্ৰেমীয়ে খেদ প্ৰকাশ কৰা দেখা যায়। সেই দৰ্খাস্তৰ কথা আছিল:

"The people of Lower Assam protested against the order of the Highcourt order of the dialect current in Upper Assam improperly designated as Assamese Language has been enforced in supersession of the Bangali which has for upwards 40 years been recognised as the Court and adopted as the medium of instruction in schools. The Upper Assam dialect is spoken only by a small portion of the population of Assam district of Dibrugarh and sibsagar and is altogether unimportant and meagre and its capabilities and chances to make itself the language of the entire province are extremely limited as the comparative poverty in respect to written and published works does conclusively show.

The presumption of Upper Assam people to force their own patois to the acceptance to the people...would wear an air of absurdity had their wishes been not seconded by the noise created

by the Missionaries, who, we are sorry to witness have already made a sad havoc with our Language by adopting an absurd system of spelling by phonetic representation and by publishing highly objectionable dictionary and one or two grammatical primers. The Bengali which had hither to continued with utmost advantages to the real interests of our progress to be the Court language of Assam and which must yet continue for long years to be the medium of instruction in our schools before all *can hope to prepare suitable text book*, it is one undoubted fact that in our religion and social usages are identical with Bengali. Thus the petitioners requested that Bangali should be retained for a long time to come. (৮৮)

এনে আপত্তিৰ হেতুকেইটা হ'ল .

যিটো ভাষাক অসমীয়া ভাষা বুলি আদালত আৰু স্কুলত প্ৰচলন কৰিবলৈ বিচাৰিছে সেই ভাষাটো অসমৰ সকলো মানুহে বজি পোৱা ভাষা নহয়—দৰাচলতেই ই এটা আচহুৱা বৰ্ণবিন্যাস আৰু অশুদ্ধ ব্যাকৰণেৰে মিছনাৰীসকলে প্ৰচাৰ কৰা উজনি অসমৰ এটা সৰু অঞ্চলৰ কথিত ভাষা। বঙলা ভাষা বহুবছৰ ধৰি চলাৰ ফলত ইয়াক সকলোৱে বুজে আৰু ইয়াৰ দ্বাৰা উন্নতি সম্ভৱ। উপযুক্ত পাঠ্যপুথি নোলোৱালৈকে দীৰ্ঘদিনলৈ বঙলা ভাষাক আদালত আৰু শিক্ষাৰ মাধ্যম হিচাপে ৰাখিব লাগে। আমাৰ ধৰ্ম আৰু সামাজিক আচাৰ-ব্যৱহাৰৰ বঙালীৰ সৈতে সামঞ্জস্য আছে। আবেদন খনৰ বক্তব্য আছিল এয়ে।

পিছৰ যুগৰ বহুতো অসমীয়া ভাষাৰ ইতিহাস লিখোতাই নামনি অসমৰ পৰা ১২১৬ গৰাকী লোকে তেতিয়া অসমীয়া প্ৰচলনৰ বিৰুদ্ধে দৰ্খাস্ত দিয়াত দুখ প্ৰকাশ কৰিছিল সঁচা, কিন্তু দৰাচলতে স্বৰ্গীয় পদ্মনাথ গোহাঞি বৰুৱাৰ কথাৰে 'আমি যি ঘৰ সাজিবলৈ উথপথপ্ লগাইছোহঁক তালৈচোন ভেটি চোংগোৱা হোৱাই নাই' অৱস্থা তেতিয়া আছিল। অৰ্থাৎ ১৮৭৪ চনত উপযুক্ত পাঠ্যপুথি প্ৰস্তুত হোৱাই নাছিল। (দৰাচলতে অসমৰ অসমীয়া বুলি পৰিচয় দিয়া সকলো থলুৱা মানুহৰ মাতৃভাষাক সামৰা এখন ভাল অসমীয়া অভিধান আৰু ব্যাকৰণ এতিয়া-

লৈকেও (১৯৯৭ খ্ৰী.লৈ ওলোৱা নাই)। লগতে অৰুণোদয়ী অসমীয়া ভাষাটোৰ লগত আগৰ মান্য ভাষাটোৰ তথা কেবা শ বছৰ ধৰি সাহিত্য সম্ভাৰ সৃষ্টি কৰা বৈষ্ণৱযুগীয় তথা প্ৰাক্‌বৃটিছ যুগৰ অসমীয়া তথা কামৰূপী ভাষাৰ ব্যাকৰণগত, উচ্চাৰণগত, প্ৰকাশ ভংগীগত, পৰম্পৰা শৈলীৰ লগত সম্বন্ধ নাই। সেইকাৰণেই নামনি অসমৰ মানুহৰ বাবে অৰুণোদয়ী-অসমীয়া ভাষাটো আছিল আচহুৱা।

অসমীয়া প্ৰচলনৰ বিৰোধিতা কৰা সকলৰ মানসিকতাৰ সতে আধুনিক অসমীয়া মানুহৰ মানসিকতাৰ মিল দেখা যায়; যথা ইংৰাজী ১৯৭২ চনত এটা প্ৰচণ্ড জাগৰণৰ ফলত শিক্ষাৰ মাধ্যম অসমীয়া হ'ল। সেই আন্দোলনৰ সৰব সমৰ্থক অসমৰ বুজন একশ্ৰেণীৰ অসমীয়া লোকে নিজৰ সন্তানক উচিত উচ্চ শিক্ষা দিয়াৰ বাবে ইংৰাজী মাধ্যমৰ প্ৰাথমিকতে ধৰি শিক্ষা ব্যৱস্থাহে বিচাৰে। তেনে ধৰণৰ ধাৰণাতেই নামনি অসমৰ মধ্যবিত্ত এচামে প্ৰভাৱিত হৈ বঙলা ভাষাটো চলি থকাটো বিচাৰিছিল। ১৯৬০ চনত অসমৰ ৰাজ্যভাষা হোৱা স্বত্বেও তেনে একে কাৰণতেই প্ৰশাসনৰ পৰা আজিও ইংৰাজী (১৯৯৭খ্ৰী.) ভাষা আঁতৰা নাই।

এনে প্ৰবৃত্তিৰ উপৰিও কোঁচ কমতা কামৰূপী সংস্কৃতিৰ প্ৰভাৱ তেতিয়া প্ৰবলভাৱে নামনি অসমত আছিল। ১৯৪৭ চনৰ ভাৰত বিভাজনৰ আগলৈকে উত্তৰ বংগৰ অধিকাংশ হিন্দুৰ পুৰোহিত আৰু ধৰ্মগুৰু আছিল কামৰূপীয়া ব্ৰাহ্মণ। (৮৯)

এটা প্ৰশ্ন উদয় হয়, প্ৰাচীন কামৰূপী অসমীয়া ভাষাটোৱে অসমীয়া সাহিত্য-সংস্কৃতি কেবা শ বছৰ ধৰি বহন কৰি থকা সত্বেও তাক এৰি মিছনাৰীসকলে উজনি অসমৰ কথিত ভাষাক বুটলি ল'লে কিয়? পুৰণি অসমীয়া তথা কামৰূপী ভাষাটোৱে এটা আন প্ৰভাৱশালী ধৰ্মৰ (হিন্দু) বাহক আছিল সেয়ে এনে বিকল্পৰ আশ্ৰয় মিছনাৰী সকলে লৈছিল জানো?

বংগদেশৰ নৱন্যাস যুগৰ তথা সমাজ চেতনাৰ হেন্দোলনি নামনি অসমৰ তথা অসমৰ তৎকালীন উঠি অহা তৰুণ চামৰ গাত লাগিছিল।

ইয়াৰ কেন্দ্ৰ কলিকতাই তেওঁলোকক প্ৰবলভাবে আকৰ্ষণ কৰিছিল। কলিকতা তৎকালীন ভাৰতৰ ৰাজধানী আছিল (ইং ১৯১২ চনলৈ)। কলিকতা মাদ্ৰাজ আৰু বোম্বাই ক্ৰমে উত্তৰ ভাৰত, দক্ষিণ ভাৰত আৰু পশ্চিম ভাৰতৰ বাবে পশ্চিমীয়া বা-বতাহ সোমোৱা দুৱাৰডলিৰ নিচিনা আছিল। ব্ৰিটিছ, ফৰাচী আদি ইউৰোপীয় ঔপনিবেশিক শক্তিৰ মূল কেন্দ্ৰবোৰ এইকেইখন চহৰ বা তাৰ ওচৰ-পাজৰত আছিল। ইয়াৰ মাজেদি ভাৰতীয় লোকে তথা নতুনৰ অভিলাষী আধুনিক যুৱকে বিশ্ব সভ্যতাৰ পোহৰৰ ৰেঙনি দেখা পাইছিল। সেই কাৰণে আমি উত্তৰ-পূব বা উত্তৰ ভাৰতত বঙালীৰ, দাক্ষিণাত্যত তামিলৰ আৰু গুজৰাট মধ্যভাৰতত মাৰাঠীৰ প্ৰভাৱ অধিক দেখোঁহক। বংগদেশৰ ৰামমোহন ৰায়ৰ নবন্যাস আৰু ব্ৰাহ্মধৰ্ম আন্দোলনৰ প্ৰভাৱত অসমৰ অকল প্ৰথম ইংৰাজী শিক্ষিত যজ্ঞৰাম খাৰঘৰীয়া ফুকনেই পৰা নাছিল। সেই সময়ৰ বহুকেইটা উন্নত বা প্ৰতিষ্ঠা সম্পন্ন পৰিয়ালৰ লৰাই ব্ৰাহ্মধৰ্মত দীক্ষিত হৈছিল। তাৰ ভিতৰত স্বৰ্গীয় গুণাভিৰাম বৰুৱা, অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্য, শংকৰী বৈষ্ণৱী পৰিয়ালৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আদিও আছিল।

নামনি অসমৰ অভ্যন্তৰত ইয়াৰ ঢৌ কেনেভাৱে পৰিছিল তাক স্বৰ্গীয় অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'মোৰ জীৱন ধুমুহাৰ এছাটি' নামৰ ৰচনাত পাওঁহক, এনেদৰে :

"সম্ভৱতঃ ইং ১৮৯৪-৯৫ চনত বৰপেটাৰ হিতসাধিনী সভা নামেৰে এটা অনুষ্ঠান স্থাপিত হয়। তাৰ নেতৃত্ব কৰে স্বৰ্গীয় গঙ্গানাথ ৰায়চৌধুৰী (আমাৰ ভাগীৰ দাদা, মেডিকেল প্ৰেক্‌টিছনাৰ); স্বৰ্গীয় লোহিত চন্দ্ৰ নায়ক, বি, এল, উকিল; .... স্বৰ্গীয় ৰামপ্ৰসাদ দাস, এম. এ. বি. এল. উকিল.... স্বৰ্গীয় কমলাকান্ত দাস, বি. এল. উকিল.... ৰমেশচন্দ্ৰ দাস ....। এওঁলোকে কলিকতাৰ কলেজত পঢ়ি তাত ব্ৰাহ্ম সমাজৰ প্ৰাৰ্থনাবোৰত যোগ দি আৰু কলিকতাৰ সেই সময়ৰ নানা সামাজিক আন্দোলনৰ আওভাও লৈ আহি 'বৰপেটা হিতসাধিনী সভা' স্থাপন কৰে। এই

সভাৰ আৰম্ভণি গীত হিচাপে কলিকতাত শিকি অহা বঙালী ব্ৰাহ্মগীত গোৱাইছিল।' অম্বিকাগিৰিয়ে আৰু লিখিছে: '১৯০৪-৫ ইং চনত বৰপেটাত বঙালী ভাষাৰ নাটক, গীত আৰু অভিনয়ৰ একাধিপত্য।' (৯০)

অসমীয়া মৌলিক নাটকৰ অভাৱত বহুদিন পিছলৈকে বঙলা নাটকৰ 'কাটি উলিওৱা' বা তৰ্জমা বা তাৰ আৰ্হি লৈ নাটক লিখা আৰু সিবোৰৰ অভিনয় চলিছিল।

উনৈশ শতিকাৰ মাজভাগৰ পৰাই সত্ৰীয়া ৰূপৰ প্ৰাচীন ভাওনাৰ প্ৰভাৱ কামৰূপত নোহোৱা হৈছিল। তাৰ ঠাই লৈছিল 'যাত্ৰাগানে' বংগদেশৰ আৰ্হিত বিয়াৰ আগনিশা যাত্ৰাগান, সভা বা সবাহত পালাৰ (যাত্ৰাগানৰ) মাজেদি আমোদ-প্ৰমোদৰ ব্যৱস্থা কৰা হৈছিল। ইবোৰৰ ক্ষেত্ৰতেই নহয়, গীত-মাত, বাদ্য, লোকগীত সকলোতে উত্তৰবংগৰ প্ৰচলিত ৰূপৰ লগত মিল আছে। প্ৰাক্ ব্ৰিটিছ কালৰ পৰা প্ৰবাহমান কমতা, কোঁচ, কামৰূপী সংস্কৃতিৰ প্ৰভাৱৰ ফলত এনে মিল আছিল। তাৰ বাহিৰে ইয়াক নামনি অসমত আচহুৱা যেন লগা নাছিল।

অৱশেষে পিছৰ যুগৰ ইংৰাজী শিক্ষিত ডেকাসকলে ইউৰোপীয় আৰ্হিৰ থিয়েটাৰ আৰু ইংৰাজী সাহিত্যৰ নাটক আদিৰ দ্বাৰা প্ৰেৰণালব্ধ হৈ অসমীয়া নাট আন্দোলনৰ বিকাশ কৰে।

কলিকতাৰ তথা বঙালী মধ্যবিত্তৰ বৌদ্ধিক প্ৰভাৱ তৎকালীন অসমৰ শিক্ষিত চামৰ গাত কেনেদৰে পৰিছিল তাৰ উদাহৰণ ভোলানাথ দাসৰ (মূল ঘৰ নৰ্গাওত, জন্ম ১৮৫৮ খ্ৰী. মৃত্যু ১৯২৯ খ্ৰী.) কাব্য-সাহিত্যত পোৱা যায়। 'সীতাহৰণ' কাব্যত তেখেতে বঙালী কবি মাইকেল মধুসূদনক অনুসৰণ কৰা বুলি সনম্ৰ স্বীকৃতি জনাইছে।

"সেই ৰামায়ণ গীত
গাইবে বাঞ্ছিছো আমি মূঢ় অকিঞ্চন
অমৃত অক্ষৰ ছন্দ, হে মাতঃ বাগ্দেৱী।
যি ছন্দে গাইলা বহু মধুময় গীত
তব অনুগ্ৰহে অতি প্ৰিয়পুত্ৰ তব
শ্ৰীমধুসূদন বঙ্গ কবি কুলমণি।'

তেখেতৰ কবিতাৰ ভাষা আৰু প্ৰকাশৰ নমুনা :

'নিমিষে নিমিষে উগাৰে অনল
নিমিষে জগত যেন ৰসাতল
যায় মনে বোধ হ'ল পলে পল ;
কপিল শৰীৰ পৰাণ আকুল।
গৰ্জন ওপৰে উঠিছে গৰ্জন
সমীৰণো পৰে বহে সমীৰণ যে মহাৰুদ্ৰ
সৃষ্টি সংহৰণ
কৰিবে উদ্যত ধৰিয়া ত্ৰিশূল। (৯১)

ভোলানাথ দাসে কলিকতাৰ প্ৰতি এনেদৰে আকৰ্ষিত হৈছিল যে তেওঁ 'কলিকতা' নামৰ এটা দীঘল কবিতাকেই লিখি পেলাইছিল। তাৰ এটা পংক্তি :

স্থানে স্থানে অভিনয় হোৱে ৰাত্ৰিকালে :
কি যে সুমধুৰ বাদ্য বাজয় মন্দিৰে।
যেন সুৰঙ্গনাগণ আসিয়া সি স্থলে,
বজাৱে সুযন্ত্ৰ ধৰি সুকোমল কৰে।
বাজে বংশী 'হাৰ্ম্মনিয়াম' 'ক্লেৰিনেট' বিপুল
যত বিলাতীয় যন্ত্ৰ অতি মধুস্বৰে,
শুনি সি মিশ্ৰিত স্বৰ জগতে অতুল
কোন নৰ-নাৰী হয় নম্ৰয়ে অন্তৰে ?
তালে তালে নাচে গায় অভিনেত্ৰী গণ,
বোধহয় মনে যেন সুখৰ স্বপন।'
ইফালে প্ৰকৃতি দেৱী দীনা দুৰ্ভাগিনী
আমাৰে নিচিনা হায় ত্যজি কলিকতা
ইচ্ছা বিপৰীতে, এড়ি চিৰ ৰাজধানী
বসিছে 'ইডেনে' যেন অশোকত সীতা'

ৰাজনৈতিক সচেতনতা

উনৈশ শতিকাৰ শেষাৰ্দ্ধ আৰু কুৰি শতিকাৰ আগখণ্ডত নামনি অসমৰ মধ্যবিত্তৰ মাজত সৰ্বভাৰতীয় ৰাজনৈতিক সচেতনতা আহিবলৈ ধৰিছিল। ইয়াৰ ভিতৰত প্ৰথমটো ধাৰা আছিল ব্ৰিটিছৰ ছত্ৰছায়াত থাকি অসমৰ উন্নতি কৰা, আনটো আছিল বংগদেশৰ নৱন্যাস আন্দোলন আৰু জাতীয় গৌৰৱত ভিত্তি কৰা জাতীয় চেতনা। সেইকালত এই দুয়োটাৰে প্ৰভাৱ অসমৰ মধ্যবিত্তৰ ওপৰত পৰা দেখা যায়।

পোন প্ৰথমতে যদিও শিক্ষাৰ উদ্দেশ্য আছিল চাকৰি পিছলৈ সি কমিবলৈ ল'লে আৰু পশ্চিমীয়া পদ্ধতিৰ মাজেৰে ওকালতি, ডাক্তৰি আদি আন বৃত্তিধাৰী এচাম মধ্যবিত্ত নামনি অসমত ওলাল।

'ৰাজাৰামমোহন ৰায়েই ভাৰতীয় নেতাসকলৰ ভিতৰত পোন প্ৰথমতে ৰাজনৈতিক সংস্কাৰৰ কাৰণে আন্দোলন আৰম্ভ কৰিছিল। তেওঁ বাতৰি কাকতৰ স্বাধীনতা, জুৰি প্ৰথাৰে বিচাৰ, কাৰ্য্যপালিকা আৰু ন্যায়-পালিকাৰ পৃথকীকৰণ, চাকৰিৰ উচ্চপদত ভাৰতবাসী নিয়োগ ইত্যাদিৰ বাবে যুঁজিছিল। তেখেতৰ সমস্ত ৰাজহুৱা উখল-মাখলৰ গুৰিত বৃটিছ শাসনৰ কিছুকালৰ পিছত, স্বাধীন ভাৰতবৰ্ষই জন্মলাভ কৰিব বুলি এটি আশা আছিল। তেওঁৰ পিছত 'দেৰোজিয়ান' বুলি খ্যাত এদল উগ্ৰপন্থী বঙালী যুৱকে ফৰাচী বিপ্লৱ আদিৰ পৰা প্ৰেৰণা লৈ স্বাধীনতা দেশপ্ৰেম আদিৰ এক প্ৰবল আবেগৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। (৯২)

সেই উখল মাখলৰ ঢৌ নামনি অসমত লাহে লাহে অলপ অচৰপ লাগে। কলিকতালৈ পঢ়িবলৈ যোৱা এচাম ছাত্ৰ, বঙালী ভাষাৰ আলোচনী বাতৰি কাকত আৰু এচাম প্ৰবাসী বঙালীৰ প্ৰভাৱত নামনি অসমৰ এচাম মধ্যবিত্তৰ ওপৰত অলপকৈ বা খন্তেকীয়াকৈ হ'লেও পৰিছিল আৰু ইয়ে লাহে লাহে 'স্বদেশী' আন্দোলনৰ ৰূপ লৈছিল।

সৰ্বভাৰতীয় ৰাজনীতিৰ লগত যোগাযোগ ৰাখি ১৮৭৭ খ্ৰী.ত বৰপেটাৰ গোবিন্দৰাম চৌধুৰীয়ে কলিকতা ভিত্তিক **Indian League** ৰ সদস্য হৈছিল।

'স্বদেশী আন্দোলন'ৰ ব্যাপকতাৰ লগে লগে সৰ্বভাৰতীয় চিন্তা-চেতনাৰ গতি লাহে লাহে অসমতো প্ৰকাশ্যভাৱে বৃটিছ বিৰোধিতাৰ পিনে আগবাঢ়িল। অসমৰ সুৰমা উপত্যকাত এনেবোৰৰ প্ৰভাৱ বাককৈয়ে লক্ষ্য কৰা যায়।

১৮৭৪ খ্ৰীঃ ৰ পৰা গঠিত সুকীয়া অসম প্ৰদেশখনক পূৰ্ববংগৰ লগত লগ লগাই ১৯০৫ চনৰ ১৬ অক্টোবৰৰ পৰা 'পূৰ্ববংগ আৰু অসম' নামৰ এখন নতুন প্ৰদেশ গঠন হোৱাৰ লগে লগে বংগদেশত প্ৰবল 'বংগভংগ' আন্দোলন আৰম্ভ হ'ল। এই আন্দোলনৰ অংশীদাৰ কিছুমানে সশস্ত্ৰ আন্দোলন কৰি ব্ৰিটিছক ভাৰতৰপৰা খেদি দিয়াৰ কথাও ভাবিছিল। বংগদেশ আৰু অসমৰ শ্ৰীহট্টত ইয়াৰ প্ৰবল জোকাৰণি উঠিছিল। এনেবোৰ সংগঠন আছিল যথা "সুহৃদ সমিতি", "অনুশীলন সমিতি"। ইবোৰত ডেকা ল'ৰাবোৰে যোগ দিছিল। ইবোৰৰ ওপৰত বৃটিছ শাসকৰ দমন দলন চলিছিল। অসমৰ গুৱাহাটীত এনে আন্দোলনৰ প্ৰভাৱ অলপ কিছুসংখ্যক তৰুণৰ ওপৰতহে পৰিছিল। এই আন্দোলনটো "স্বদেশী" আন্দোলন বুলি খ্যাত আছিল। কিন্তু এই আন্দোলনৰ প্ৰভাৱ ক্ষীণ আছিল। অম্বিকাগিৰী ৰায়চৌধুৰী আদিকে ধৰি কেইজনমান অসমীয়া আৰু গুৱাহাটীস্থ কেইজনমান প্ৰবাসী বঙ্গালী তৰুণ ইয়াত লিপ্ত হৈছিল যদিও উজনি অসমত অসমীয়াৰ মাজত এই আন্দোলনৰ প্ৰভাৱ একেবাৰে নাছিল। এই অপৰাধতে বৃটিছ চৰকাৰে অম্বিকাগিৰীক বৰপেটাত কেইবছৰমান অন্তৰীণ কৰি থৈছিল বুলি জনা যায়।**

অসমখন পূৰ্ববঙ্গৰ লগত চামিল কৰাৰ প্ৰশ্নত অসমৰ পৰা প্ৰতিবাদ উঠিছিল। চৰকাৰী তথ্যৰ পৰা জনা যায় যে, অসম এছোচিয়েচনৰ সভাপতি গৌৰীপুৰৰ ৰজা প্ৰতাপচন্দ্ৰ বৰুৱা, গুৱাহাটীৰ মাণিকচন্দ্ৰ বৰুৱা আৰু বৰপেটাৰ* ললিত (লোহিত) চন্দ্ৰ নায়ক, কমলাকান্ত দাস আৰু ৰামপ্ৰসাদ দাসে কলিকতাত চৰকাৰৰ কৰ্তৃপক্ষক পূৰ্ববঙ্গৰ লগত অসমক

** বৰপেটাৰ এই তিনিগৰাকী সমাজকৰ্মী শিক্ষিত উকীল আছিল। গুৱাহাটী তেজপুৰ আৰু বৰপেটাৰ ছাত্ৰসকলে দোকানী সকলৰ লগ হৈ দেশজাত সামগ্ৰী প্ৰচলনৰ বাবে প্ৰচাৰ চলাইছিল। (স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা : ড° ৰমেশ চন্দ্ৰ কলিতা পৃঃ ২৫)

চামিল কৰাৰ বিৰোধিতা কৰি প্ৰতিবেদন দিছিল। (এই সম্পৰ্কে **The political History of Assam—vol 1** পৃ ২০০-২০১ ত বিতংকৈ আছে)।

অসম এছোচিয়েচনৰ গোৱালপাৰা, বৰপেটা, গুৱাহাটী, তেজপুৰ, নগাওঁ, গোলাঘাট, আৰু ডিব্ৰুগড়ৰ শাখাবোৰেও একেধৰণৰ প্ৰস্তাৱ লৈছিল। অগত্যা যদি লগ লগাবই লাগে, তেন্তে ডিব্ৰুগড়ৰ শাখাই চিটাগঙক অসমত চামিল কৰিবৰ আৰু গৌৰীপুৰ শাখাই উত্তৰবঙ্গৰ ৰংপুৰ, কুচবিহাৰ, জলপাইগুড়ি আৰু বগুৰা জিলাৰ একাংশক, অসমৰ লগত সাঙুৰিবলৈ মত প্ৰকাশ কৰিছিল। গৌৰীপুৰৰ প্ৰস্তাৱত কোৱা হৈছিল যে এইবোৰ ঠাইৰ অধিবাসীবোৰৰ জাতি (race) ধৰ্ম বা ভাষা নামনি অসমৰ সতে একে।

(As the inhabitants of these places are identical in race, relegion and language with those of Lower Assam which is contiguous to them).

তথাপিও ক'ব লাগিব যে, বঙ্গভঙ্গ আন্দোলনৰ প্ৰভাৱ অসমত কম। সেই সময়তে ইংৰাজ বিষয়াসকলে শাসক আশ্ৰিত এচাম বুদ্ধিজীৱীৰ মাধ্যমেৰে সুকৌশলেৰে চেষ্টা কৰিছিল যাতে ভাষা-সংস্কৃতিৰ প্ৰশ্ন তুলি অসমীয়া আৰু বঙ্গালী তৰুণসকলৰ মাজত পাৰ্থক্য বাঢ়ে। লগতে মনকৰিবলগীয়া কথা এয়ে যে, গৌৰীপুৰৰ শাখা আসাম এছোচিয়েচনৰ যি মত বহুদিন পিছতো ১৯৫৪-৫৫ ৰ সময়ত ভাষাৰ ভিত্তিত ৰাজ্য পুনৰ্গঠন আয়োগৰ আগত অসম সাহিত্য সভাকে আদি কৰি বিভিন্ন সংগঠনে কোচবিহাৰ আদি ঠাই অসমৰ লগত সাঙুৰি দিয়াৰ বাবে দাবী জনাইছিল। এই দাবীৰ যুক্তিও পূৰ্বতে গৌৰীপুৰ শাখাই দিয়া যুক্তিৰ অনুৰূপ আছিল।

সেই সময়ৰ আইন সভাৰ অসমীয়া সদস্যসকলে তাৰ বিৰুদ্ধে তেনে প্ৰতিবাদ কৰা নাছিল। ব্ৰিটিছ শাসক সকলে অসমৰ ডেকা-সকলৰ মাজত যাতে 'বংগভংগ' তথা স্বদেশী আন্দোলনৰ ঢৌ নালাগে তাৰ বাবে সচেতন আছিল। মাথোন আগতে কৈ অহা দুই

এজন যুৱকে এনে এনার্কিষ্ট আন্দোলনত যোগ দিয়াৰ বাবে গুণা-গঁথা কৰিছিলহে।

এই সম্পৰ্কে ড° গুহই কৈছে :

'Fuller's skillful, divisive role was the factor in this matter. He believed mistakenly if not mischievously that the inhabitants of the Brahmaputra valley speaks language which is in fact a dialect of Bengali.' But like many other British civilians of his days, he too thought that the growing tree of Indian nationlism could be cut at its root only by isolating Bengali babus….

বঙালী মধ্যবিত্তৰ পৰা অসমীয়া মধ্যবিত্তক আঁতৰাই ৰাখিব পাৰিলে বৃটিছ বিৰোধিতাৰ পৰা অসমক আঁতৰাই ৰাখিব পৰা যাব বোলা ভাবনাটো অকল Fuller চাহাবেই নহয় অসমৰ চীফ কমিছনাৰ চাহাবেও একে ধৰণৰ কথাৰে অসমীয়া মানুহৰ মনত ভাষাৰ অস্তিত্ব ৰক্ষাৰ সম্পৰ্কে সন্দেহ ওপজাই দিছিল। **(All efforts to boost up Assamese as a sparate language are, I am convinced, doomed to failure.) (৯৩)**

অসমীয়া ভাষা বিকাশৰ ক্ষেত্ৰত ব্ৰিটিছ বিষয়াসকলে কি কৈছিল আৰু কিয় কৈছিল আৰু অসমীয়া এচামে তাক কেনেদৰে লৈছিল ? (৯৪)

বেণুধৰ শৰ্মাৰ কথাৰে এটা ঘটনাৰ কথা উল্লেখ কৰিব খুজিছো : 'অসমৰ সৈতে বংগৰ জিলা কেইখনমান সাঙুৰি দি অসম নাম সলাই ইষ্টাৰ্ণ বেঙ্গল এণ্ড আসাম নাম দিয়াৰ পিছত গৱৰ্ণমেণ্টে 'বিশ্ববাৰ্তা' নামেৰে ঢাকাৰপৰা এখন সাপ্তাহিক কাকত প্ৰকাশ কৰে। কাকতৰ সম্পাদক আছিল শ্ৰীযুত কালিৰাম বৰ্মণ। (১৯০৭ ইং চনত) ৯৪

'কাকতৰ মূল উদ্দেশ্য আছিল নকৈ পতা প্ৰদেশখনৰ সুচলতা দেখুওৱা আৰু বোমা ফুটোৱা আন্দোলনৰপৰা অসমক বিৰত ৰখা। কিন্তু বৰ্মণ ডাঙৰীয়া সম্পাদক থাকোঁতে কৰ্ণেল গৰ্ডন চাহাবে কেনেকৈ অসমীয়া ভাষাৰ হিত চিন্তিছিল সেই কথাৰ হ'লে স্মৰণ নহ'ল। গৰ্ডনে বুজাইছিল অসমীয়া ভাষা অসমীয়াই, বঙলাৰ সৈতে তেনেই তেল পানী বিশ্ববাৰ্তাৰ ভাষা অসমীয়া। ইয়াৰ ভাষাও সেই দেখি নিভাঁজ অসমীয়া হব লাগে। কিন্তু সম্পাদকে মজামজিকৈ সংস্কৃতীয়া শব্দ ব্যৱহাৰ কৰাত

গৰ্ডনৰ খং উঠি এদিন বৰ্মণ ডাঙৰীয়াক জক-জকাই ধৰিলেগৈ, 'কালিৰাম, তুমি সম্পাদকৰ কাম এৰি দিব লাগে। তুমি অসমীয়া ভাষা নেজানা।"

বৰ্মণে মৃদুভাৱে মাত লগালে—"নিৰ্ভাজ কামৰূপৰ মানুহ মই, মই অচমীয়া ভাষা নাজানো কোনে জানে?"

অ' তুমি নেজানা, তুমি লিখিছা, গৱৰ্ণমেণ্টে মাহে ২০ টকা বৃত্তি দিলে অসমীয়া ছাত্ৰৰ উৎসাহ বাঢ়িব, সেইদৰে কেলেই লিখিবা? তুমি লিখিব লাগিছিল, চৰ্কাৰ বাহাদুৰে মাহে কুৰি টকাকৈ জলপানি দিলে অসমীয়া ছাত্ৰৰ মন গা দাং খাই আহিব।'

ব্ৰিটিছ শাসকৰ এনে 'তেল পানী' পৃথক কৰাৰ খবৰদাৰী নীতিয়ে— নামনি অসমৰ মধ্যবিত্তক কিদৰে প্ৰভাবিত কৰিছিল সি বেলেগ চিন্তাৰ বিষয়।

অসমীয়া ভাষা সম্পৰ্কে আন যাৰ যিয়ে ধাৰণা নাথাকক কিয় ষোড়শ শতিকাৰ আগৰ পৰাই ই এটা সাহিত্যসমৃদ্ধ ভাষা। ব্ৰিটিছ চৰকাৰ আৰু মিছনাৰী সকলে এই আগৰ ভাষাটোক ছপাশাল আদিৰ মাধ্যমত সমৃদ্ধ কৰাৰ সলনি নতুনকৈ গঢ় দিয়া কামত লাগিল। ইয়াকে লৈ নানান ধৰণৰ বেমেজালি লাগিল। ইয়াত ৰাজনৈতিক কাৰণ থকাটো আচৰিত নহয়।

বিশেষকৈ বংগদেশক কেন্দ্ৰ কৰি (সেই সময়ত কলিকতা ব্ৰিটিছ ভাৰতৰ ৰাজধানী আছিল) কুৰি শতিকাৰ আগলিত আৰম্ভ হোৱা বিদেশী-ব্ৰিটিছ বিৰোধী চিন্তা আৰু আন্দোলনৰ সময়ত অসমৰ মানুহক মানসিকভাৱে বঙ্গদেশ তথা বঙালীসকলৰ পৰা "নিৰাপদ" দূৰত্বত ৰখাৰ প্ৰয়াস হিচাপে ব্ৰিটিছ শাসকৰ আগতে কোৱা "বঙালী অসমীয়া তেলপানী" নীতিৰ উদ্ভৱ হ'ল। "বঙালী আমোলাৰ ফুচলনিত অসমীয়া ভাষাক খেদি অসমত বঙালী প্ৰবৰ্ত্তন কৰা" আদি কথা (যাক বাচ-বিচাৰ নকৰাকৈয়ে পৰৱৰ্তী কালত আনকি পাঠ্যপুথিতো সুমুৰাই দিয়া হৈছিল।) উঠি অহা চামৰ মাজত এনে "তেলপানী" তত্বৰে প্ৰোথিত কৰা হ'ল। আনকি নামনি অসমৰ ভাষাৰ (কামৰূপীয়া) সতে বঙালী ভাষাৰ, ঐতি-

হাসিক কাৰণত, কিছু পৰিমাণে সাদৃশ্য থকা বাবে তাকো এলাগি আৰু বৰ্জন কৰি "বিশুদ্ধ অসমীয়া ভাষা" এটা প্ৰচলনৰ প্ৰচেষ্টা চলিল। লক্ষ্যনীয় এইটোৱেই যে এই প্ৰচেষ্টাৰ পিছত আছিল ব্ৰিটিছ আৰু তাৰ সহযোগী মিছনাৰীসকল। এই প্ৰচেষ্টা কাৰ্যাকৰী কৰিবলৈকে নিয়োজিত হ'ল—চৰকাৰৰ অনুগ্ৰহপ্ৰাপ্ত অসমীয়া মধ্যবিত্ত বুদ্ধিজীৱী এচাম। চৰকাৰী পৃষ্ঠপোষকতাৰে (পাঠ্যপুথি বাচনি আদি) আগত কোৱা প্ৰচেষ্টাই গা-কৰি উঠিল। ব্ৰিটিছ বিষয়া, মিছনাৰীসকলৰ অকুণ্ঠ গুণগান প্ৰশংসা, যেন তেওঁলোকেই 'অসমীয়া ভাষাৰ' "জন্মদাতা পালক পিতৃ" এনে ধাৰণা এটাৰ প্ৰচাৰ চলিল। তেনে প্ৰচাৰ এতিয়ালৈকে চলি আছে। অসমীয়া বুদ্ধিজীৱী মধ্যশ্ৰেণীৰ নেতা সকলে—অসমীয়া সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত মাধৱকন্দলী, শংকৰ-মাধৱদেৱ আদিতকৈয়ো—ব্ৰিটিছ বিষয়া আৰু মিছনাৰীসকলক জোখতকৈয়ো সৰহ মৰ্য্যাদা দিয়া হৈছিল নে তাকো বিচাৰ কৰিবৰ হ'ল।

এই সন্দৰ্ভত নামনি অসমৰ মধ্যশ্ৰেণীৰ প্ৰতিক্ৰিয়া সম্পৰ্কে অলপ আলোচনা কৰা উচিত হব। ইতিমধ্যে আমি ১৮৭৪ খ্ৰী.ত চৰকাৰে প্ৰচলন কৰা "অসমীয়া ভাষা"টোক উজনি অসমৰ দুখন জিলাৰ কথ্যভাষাক (patois) মিছনাৰীয়ে বিকৃত কৰি তাক প্ৰাচীন (কামৰূপীয়া) অসমীয়াৰ সলনি প্ৰচাৰ কৰাত সি অনুপোযোগী ভাষা বুলি গ্ৰহণ কৰিবলৈ ৰাজী নহৈ, উপযুক্ত কিতাপপত্ৰ নোলোৱালৈকে বঙালী ভাষা অব্যাহত ৰখাৰ দাবীত দিয়া আবেদনৰ কথা উল্লেখ কৰা হৈছে।

পৰবৰ্তী কালতো এটা সৰ্বাঙ্গ বিকশিত নামনি-উজনি সকলোৱে বুজি পোৱা অসমীয়া ভাষা এটা পাবলৈ নামনি অসমৰ বুদ্ধিজীৱী মধ্যশ্ৰেণীৰ প্ৰচেষ্টা কুৰি শতিকাৰ প্ৰথম দ্বিতীয় দশকত চলিছিল। তাৰ পৰিণতিত "আসাম বান্ধৱ" নামৰ আলোচনী এখন নামনি অসমৰ মধ্যবিত্ত এচামে উলিয়াইছিল।

১৮৮৯ খ্ৰী ত 'জোনাকী' আলোচনীখন কলিকতাৰ পৰা প্ৰকাশিত হ'ল। এই আলোচনীয়ে পৰিৱেশন কৰা অসমীয়া ভাষাটো নামনি অসমৰ

এজন মধ্যশ্রেণীয়ে কিদৰে লৈছিল সি মন কৰিবলগীয়া কথা। ৺প্ৰতাপচন্দ্ৰ গোস্বামীয়ে এনেদৰে লিখি গৈছে—

"সাহিত্যৰ ক্ষেত্ৰত প্ৰবেশ কৰিয়েই বুজিলো যে কামৰূপী ভাষা অচল। সেই সময়ৰ সাহিত্য ক্ষেত্ৰৰ মহাৰথী ৺ৰায়বাহাদুৰ পদ্মনাথ বৰুৱা, ৺সত্যনাথ বৰা প্ৰভৃতিৰ মতে অলপ সংস্কৃতমূলক শব্দ লিখিব গলেই বা কামৰূপত প্ৰচলিত কোনো শব্দৰ প্ৰয়োগ কৰিলেই সাহিত্য অচল আৰু অসমীয়া সাহিত্যৰ জঞ্জাল। এওঁলোকৰ এনে ব্যৱহাৰৰ উদ্দেশ্য বোধকৰো এইটো আছিল যে কিজানি তেওঁলোকৰ লিখাৰ ঠাচৰ অলপ লৰচৰ কৰিলেই লিখাটো বঙালী হৈ পৰে আৰু বঙালী লোকে অসমীয়া ভাষাটো বঙালীৰে এটা অপভ্ৰংশ বুলি প্ৰমাণ কৰিবলৈ সুযোগ পায়। * * * সেই সময়ত তাৰানাথ চক্ৰৱৰ্তী কাব্যবিনোদ আৰু মোৰ বাহিৰে কামৰূপৰ গাঁৱত থাকি সাহিত্যৰ চৰ্চা কৰা আন কোনো লোক নাছিল। কামৰূপীয়া যি দুই চাৰিজনে অলপ লিখা-পঢ়া নাইবা কিতাপ পত্ৰ লিখিব আৰম্ভ কৰিছিল তেওঁলোক সকলো প্ৰায় নগৰবাসী আছিল। দুই এজন গাঁৱৰ মানুহ হ'লেও তেওঁলোকো চাকৰি আদিৰ বাবে নগৰত আছিল। তেওঁলোকে কিতাপপত্ৰ লিখিছিল অৰ্থ লাভৰ কাৰণে আৰু তেওঁলোকৰ আদৰ্শও আছিল সেই সময়ৰ সাহিত্যৰ মহাৰথীসকল। গতিকে তেওঁলোকৰ কামৰূপী শব্দ প্ৰয়োগৰ ইচ্ছা থাকিলেও প্ৰতিষ্ঠিত নোহোৱাৰ ভয়ত আৰু উজনি, নামনি সকলোতে সমানে প্ৰিয়পাত্ৰ হবৰ ইচ্ছা থকা গতিকে সেই সম্বন্ধে তেওঁলোকে বিশেষ কোনো মতামত দিয়া নাছিল। স্কুলীয়া কিতাপৰ বাহিৰে কেতিয়াবা প্ৰবন্ধ আদি লিখিলেও "জোনাকী"ত বহু পৰিৱৰ্তনৰ পাছতহে ৰূপ সলাই প্ৰকাশ হৈছিল। সেই কাৰণে জোনাকীত মই কোনো প্ৰবন্ধ লিখা নাছিলো। তাৰানাথ চক্ৰৱৰ্তীও খুব সম্ভৱ জোনাকীত লিখা নাছিল। অৱস্থাৰ প্ৰতিকাৰৰ নিমিত্তে চক্ৰৱৰ্তীৰ লৈতে পৰামৰ্শ কৰি "আসাম বান্ধব" প্ৰকাশ কৰিলো। (৯৫)

'এইদৰে আসাম বান্ধবৰ চেষ্টাত উজনি আৰু কামৰূপৰ ভাষাৰ ভিতৰত সামঞ্জস্য বিধান কৰিবৰ বাবে কিছুমান জ্ঞানী আৰু গুণীলোকে চেষ্টা আৰম্ভ

কৰিলে। তাৰ ভিতৰত মোৰ সৰুভাই শৰৎচন্দ্ৰ গোস্বামী, চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন প্ৰভৃতি আছিল।

'আসাম বান্ধব'ৰ আৰ্থিক সংকট উপস্থিত হ'ল—'কাগজ ওলালে যে অনেকে কিনি নপঢ়ে আৰু অনেকে বাকীকৈ কিনি পিছত টকা নিদিয়ে আৰু আনেকে টকা দিবৰ সময়ত টকা নিদিবৰ কাৰণে নানা চল-চুতা উলিয়াই, এইবোৰ কথা আমাৰ সম্পৰ্ণ অজ্ঞাত আছিল। গতিকে আসাম বান্ধবৰ অৰ্থকৃচ্ছ্ৰতা উপস্থিত হ'ল। মোৰ আৰু সম্পাদক চক্ৰৱৰ্তীৰ আৰ্থিক অৱস্থাও ভাল নাছিল। দামো আসাম বান্ধৱৰ প্ৰতি সংখ্যাত মাত্ৰ দুই আনা আছিল। এনে অৱস্থাত পৰি আসাম বান্ধবৰ প্ৰকাশ অনিয়মিত হব ধৰিলে। এই কথা জানিব পাৰি স্বনামধন্য হৰেকৃষ্ণ দাস ডাক্তৰ মহাশয়, ৰায়বাহাদুৰ কালিৰাম মেধি এম. এ তত্ত্বনিধি, ভৰতচন্দ্ৰ দাস বি-এ, প্ৰভৃতিয়ে উপযাচি যোগ দিলে। (এই কেইগৰাকী নামনি অসমৰ শিক্ষিত মধ্যবিত্ত) তেওঁলোকে তেতিয়া সকলোয়ে চৰকাৰী কাৰ্য্যসূত্ৰে ডিব্ৰুগড়ত লগ লাগিছিল। তেওঁলোকে এখন বোৰ্ড কৰি আসাম বান্ধবৰ আৰ্থিক দায়িত্ব গ্ৰহণ কৰি আসাম বান্ধবৰ অফিচ ডিব্ৰুগড়লৈ তুলি নিলে। লগতে সম্পাদকেও চুটি লৈ (চাকৰিৰ) ডিব্ৰুগড় পালেগৈ। ডিব্ৰুগড়ত ৰায়-চাহাব গঙ্গাৰাম চৌধুৰী (এখেতৰো ঘৰ কামৰূপত, ব্যবসায় কৰিবৰ বাবে ডিব্ৰুগড়ত বসতি কৰিছিল।) আসাম বান্ধৱৰ প্ৰকাশক আৰু তেওঁৰ ঘৰতে অফিচ আৰু সম্পাদকৰ থকা ঠাইও নিৰ্দ্দিষ্ট হ'ল। মোৰ ঘৰুৱা জঞ্জাল বেচি হোৱাত আৰু দূৰৈত বান্ধবৰ অফিচ হোৱা বাবে বান্ধৱৰ বাবে মই লাগি যাচি কাম কৰিব নোৱাৰা হেতু বান্ধবৰ সহকাৰী সম্পাদকৰ পদ এৰিলো। মোৰ ঠাইত অম্বিকাগিৰি ৰায়চৌধুৰী হ'ল সহকাৰী সম্পাদক। সম্পাদকেও ডিব্ৰুগড় এৰি আহিব লগীয়া হোৱাত ৰায়চৌধুৰীয়ে সম্পাদকৰূপে কিছুদিন কাম কৰাৰ পাছত তেৰো গুৱাহাটীলৈ আহিব লগা হোৱাত ডাক্তৰ দাসেই (হৰিকৃষ্ণ দাস) সম্পাদক হৈ কেইটামান সংখ্যা কাগজ উলিয়ালে।

তাৰ পাছত আসাম বান্ধবৰ প্ৰয়োজন সিদ্ধি হোৱাত অৰ্থাৎ উজনি নামনি ভাষাৰ ভেদভাব নাৰাখি নামনি আৰু উজনিৰ ভাল ভাল শব্দ,

কথা আৰু ভাববোৰ সাহিত্যত সমানে প্ৰবেশ লাভ কৰাৰ কিছুমানৰ অধিকাৰ পোৱাত আসাম বান্ধবৰ প্ৰকাশ বন্ধ হ'ল।" (৯৬)

কিছুমানৰ ভাষাৰ ক্ষেত্ৰত নামনি অসমৰ অসমীয়া ভাষাটোৰ প্ৰতি বিৰূপ মনোভাৱ পৰবৰ্ত্তী কাললৈয়ো বহুদিনলৈ থকা যেন অনুমান হ'ল। চন্দ্ৰকান্ত অভিধান প্ৰণয়নৰ ক্ষেত্ৰত কামৰূপৰ সৰ্থেবাৰীৰ কোহিৰাম দাসে (জন্ম ১৮৮২ মৃত্যু ১৯৫১) মুখ্য সংকলক হিচাপে ১৯২৫ চনৰ পৰা ১৯২৮ চনলৈ প্ৰায় তিনি বছৰ কাম কৰি প্ৰায় শেষ হওঁ হওঁ অৱস্থাত কাম এৰি গুচি আহিব লগা হ'ল। এই কাম অসম সাহিত্য সভাই ৰাধাকান্ত সন্দিকৈৰ দানেৰে হাতত লৈছিল। কোহিৰাম দাসে তেখেতৰ আত্মজীৱনীত লিখি গৈছে—* * * এই কাম তিনি বছৰ কৰা হয়। * * শেষৰ ৩।৪ টা আখৰ লিখাৰ আগতে কৰ্ত্তৃপক্ষই (অসম সাহিত্য সভাৰ) মোক বিদায় দিলে। তেওঁলোকে অভিধানখন (চন্দ্ৰকান্ত অভিধান) কামৰূপী কৰা বুলি সন্দেহ কৰিলে। ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই শেষত অভিধানখন নিজে সংশোধন কৰি তাক চমুকৈ উলিয়ালে। * * অভিধানৰ পাতনিত মোৰ আৰু মোৰ সহকৰ্মী সভাৰ (সাহিত্য সভাৰ) সম্পাদক স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ কোনো উল্লেখ নাই। অভিধান লিখা কিমান জটিল কষ্টসাধ্য কাম তাক আনে অনুভৱ কৰিব নোৱাৰে।" (এইখন আত্মজীৱনী ১৯৪৮ চনত ৰচিত আৰু মৰণোত্তৰ প্ৰকাশ হৈছে ১৯৭৫ চন খ্ৰী.ত)

এটা সময়ত সম্ভৱতঃ ইবোৰ কাৰণতে অসম সাহিত্য সভাৰ মাজত খেলি-মেলি লাগিল। ৺শৰৎচন্দ্ৰ গোস্বামী অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু প্ৰধান উদ্যোক্তা আছিল। তেখেতেও তাৰ পৰা আঁতৰিব লগীয়া হ'ল। ৺প্ৰতাপ গোস্বামীৰ ভাষাৰে (৯৭)

"ক্ৰমে সাহিত্য সভাৰ গতি স্থগিত হ'ল; অৰ্থাৎ কোনো নতুন কাম আদি নোহোৱা হ'ল। পুৰণি যি আছিল সি থাকিল। চৰকাৰী সাহায্য স্থগিত আনকি এখন সাহিত্য সভা ভুখনত পৰিণত হ'ল।

সাহিত্য সভাৰ এনে বেমেজালি ঘটাৰ আগন্তুক বুজিব পাৰি অসম

---

* যতীন গোস্বামীৰ অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস পৃ ৩০৪।

সাহিত্য সভাৰে পৰিপূৰক হিচাপে গুৱাহাটীত কামৰূপ সাহিত্য সমাজ স্থাপিত হ'ল। কালিৰাম মেধি, হৰমোহন দাস, কেশৱচন্দ্ৰ দাস, আদ্যনাথ শৰ্ম্মা আৰু সৰুগোসাই (শৰৎচন্দ্ৰ গোস্বামী) প্ৰভৃতি এই কামৰূপ সাহিত্য সমাজ স্থাপনত আগভাগ ললে। * * * এনে অৱস্থাত কিছুদিন থকাৰ পাছত সৰুগোসাই পেঞ্চন লৈ গুৱাহাটীলৈ আহিল। আৰু কামৰূপ সাহিত্য সমাজৰ কামত লাগিল।"

অম্বিকাগিৰীয়ে ডা: হৰিকৃষ্ণ দাসৰ স্মৰণত একালৰ ভাষা-বিবাদ সম্পৰ্কত লিখিছে।(৯৮)

"কামৰূপী মাত-কথাক বঙ্গ কৰাৰ প্ৰত্যুত্তৰত পণ্ডিত ভাবানাথ চক্ৰৱৰ্তী কাব্যবিনোদৰ সম্পাদকতাত হি সাহেকীয়' আসাম বান্ধৱ ওলাইছিল, তাত প্ৰসিদ্ধ ভাষাতত্ত্ব ব্যাকৰণবিদ সাহিত্যিক কালিৰাম মেধি, সাহিত্যিক গ্ৰন্থকাৰ ৺ ভাৰতচন্দ্ৰ দাস আৰু ডিব্ৰুগড় বাসী প্ৰসিদ্ধ চাহ খেতিয়ক ব্যৱসায়ী ৺ গঙ্গাৰাম চৌধুৰীৰ সৈতে সমভাৱে তেৰোঁ (ডা: হৰিকৃষ্ণ দাসে) অৰ্থসাহায্য কৰিছিল আৰু ৰাজকাৰ্য্যত সম্পাদকৰ সৈতে মেধি আৰু দাস ডাঙৰীয়াদ্বয় আন ঠাইলৈ বদলি হৈ যোৱাৰ পাছত আৰু ৺ গঙ্গৰাম চৌধুৰীয়ে হেলা কটাত, আসাম বান্ধৱৰ কাৰ্য্যালয়টো ডাক্তৰ দাদাই (ডা: হৰিকৃষ্ণ দাস) তেওঁৰ নিজ ঘৰলৈকে আনি লৈ নিজৰ সম্পাদকতাত নিজে গোটেইখিনি খৰচ বহন কৰি কাকতখন কেইবাবছৰো চলাই আত্ম-পৰিচয়ৰ সন্মান অক্ষুন্ন ৰাখিছিল। ময়ো দুবছৰ আসাম বান্ধৱৰ সহকাৰী আছিলোঁ আৰু তাৰ বাবে মোৰ পাৰিশ্ৰমিকখিনিও ডাক্তৰদাদাই নিজৰ পৰাই দিছিল। এই আত্মপৰিচয়ৰ প্ৰতি সন্মানৰ বাবেই তেওঁ নিজৰ বৰপেটীয়া মাত কথা মৃত্যুৰ দিনলৈকে ৰাখি চলিছিল।"

চাৰি

ইংৰাজে আহোম-অসম অধিকাৰ কৰা সময়ত ইতিমধ্যে বংগদেশত বিশেষকৈ কলিকতাত আধুনিক শিক্ষা ব্যৱস্থাৰ বহুতো উন্নতি হৈছিল, কলেজ স্থাপন হৈছিল, বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হওঁ হওঁ। সেই শিক্ষাৰ মাজেৰে শিক্ষিত বিশেষকৈ য়ুৰোপীয় ধ্যান ধাৰণা তথা আধুনিক ধ্যান-ধাৰণাৰ লগত বঙ্গদেশীয় তৰুণ মানসৰ যোগাযোগ ঘটিছিল। তাৰ বিদ্যা-বিকাশ আৰু বিস্তাৰৰ বাবে ছপাশাল, যন্ত্ৰৰ দ্বাৰা নিৰ্মিত কাকত আদি ব্যৱহৃত হৈছিল। তাৰ মধ্যশ্ৰেণীৰ একাংশই য়ুৰোপীয় বণিক সম্প্ৰদায়ৰ লগত ব্যৱসায় আদি কমতো লিপ্ত হৈ আধুনিক পদ্ধতিত বেহাবেপাৰ বণিজ সম্পৰ্কে জ্ঞান আহৰণ কৰিছিল।

সেই সময়ত ই সম্ভৱ হোৱাৰ অন্যতম কাৰণ আছিল এয়ে যে বংগীয় সমাজৰ আৰ্থ কাঠামো এনে বিকাশৰ বাবে প্ৰতিকূল নাছিল, বৰঞ্চ অনুকূল আছিল। ব্ৰিটিছ অহাৰ আগতে তথা মোগল বা নবাব আমোলতে য়ুৰোপীয় ব্যৱসায়ী সকলে বঙ্গদেশত বেপাৰ বণিজৰ ঘাটি কৰি লৈছিল, তাৰ বহুতো পণ্য সামগ্ৰীৰ উৎপাদন পদ্ধতিয়ে বেপাৰ বণিজৰ অৰিহণা যোগাইছিল। নতুন ধৰণে বেহা-বেপাৰ কৰাৰ বাবে তাত নিপুণ মুদৈ শ্ৰেণী এটাৰ বিকাশ ঘটিছিল।

উত্তৰপূৰ্ব ভাৰতৰ (বিহাৰ, বঙ্গদেশ, নামনি অসম, উৰিষ্যা) হিন্দু সমাজৰ বণিক সম্প্ৰদায় এটা (চা, চাহা, সাউ আদি নামৰ) মোগৰ পাঠানৰ দিনৰে পৰা বণিক-সম্প্ৰদায় হিচাপে ভূমিকা পালন কৰি আহিছিল। বংগদেশত য়ুৰোপীয় বণিক (পৰ্তুগীজ, ফৰাচী, ব্ৰিটিছ) আহি খোপনি পোতাৰ পিচৰ পৰাই বণিজ ক্ৰিয়াকাণ্ড আগতকৈ বৃদ্ধি পায়। (নামনি

অসম বণিজতো এই সম্প্ৰদায়ৰ ভূমিকা লক্ষণীয়। উজনি অসমত নাছিল) আনহাতে বঙ্গদেশৰ প্ৰচলিত ভূমি ব্যৱস্থাই এনে শ্ৰেণীৰ ভূস্বামীৰ জন্ম দিছিল —যাৰ হাতত পুঁজি থুপ খাইছিল। তাত ইতিমধ্যে মাটি বা ভূমি কিনি লব পৰা সম্পত্তি আছিল। এনে ভূস্বামী শ্ৰেণীয়ে বণিজত অংশ গ্ৰহণ কৰাৰ সুবিধা আছিল। বংগদেশৰ বিকাশমান মধ্যশ্ৰেণীৰ একাংশই চৰকাৰী চাকৰিৰ বাবে নগৈও বাণিজ্যিক প্ৰতিষ্ঠানত চাকৰি কৰি কিম্বা জমিদাৰীত কাম লৈয়ো চলিব পাৰিছিল।

গোৱালপাৰা বা কামৰূপত তেনে বাট মুকলি আছিল সঁচা, কিন্তু সি তুলনামূলক ভাবে আটকীয়া। আহোম-অসমৰ আন আন অঞ্চলত এনে বাট মুকলি নাছিলেই কাৰণ স্বতন্ত্ৰীয়া ভাবে বেহাবেপাৰ বণিজ ক্ষেত্ৰৰ পৰিসৰ নামনি অসমৰ বাহিৰে কতো মুকলি নাছিল। সাংস্কৃতিক ক্ষেত্ৰতো ৰুদ্ৰসিংহ স্বৰ্গদেউৰ দিনৰ (১৬৯৬-১৭১৪ খ্ৰী.) পৰাহে আহোম ৰাজ্যৰ বাহিৰৰ ভাল ভাল অৰ্থাৎ যুগোপযোগী উপাদানসমূহ অসমত প্ৰবৰ্তন কৰাৰ আৰম্ভণি হয়। ইয়াৰ আগলৈকে একমাত্ৰ সত্ৰ প্ৰণালীৰ বাহিৰে আন মাধ্যমেৰে ৰাজ্যৰ সীমাৰ বাহিৰৰ পৰা বিকাশমান সমাজৰ উপযোগী উপাদান আমদানীৰ কোনো ব্যৱস্থাই নাছিল। সাজপাৰ পোছাক-পাতিৰ, পৰ, সংগীত আদি, প্ৰশাসনীয় ব্যৱস্থাৰ কিছুমান কথা, প্ৰশাসনিক আন্তৰ্কাঠামোৰ সালসলনি কৰা আদিৰ বাবে ভাটী দেশৰ আন ঠাইৰ লগত সাংস্কৃতিক যোগাযোগ উল্লেখনীয় ভাবে তেতিয়াৰ পৰাহে আৰম্ভ হৈছিল।

অসমত বৃটিছ শাসনৰ আদি ছোৱাতে চৰকাৰে স্কুল পাতিবলৈ লয়। ১৮৫৩ চনলৈ এনে চৰকাৰী স্কুলৰ সংখ্যা হয়গৈ এসত্তৰখন। তাৰে ডুখনত, গুৱাহাটী আৰু শিৱসাগৰত ইংৰাজী শিকোৱা হৈছিল, বাকীবোৰত শিকোৱা হৈছিল বঙলা। এইটো প্ৰায়বোৰৰেই জনা কথা। কিন্তু এটা পৰিস্থিতিত ১৮৫৩ চনত মিলচ চাহাবে স্কুলৰ সংখ্যা কমাবৰ প্ৰস্তাৱ দিছিল। হিচাপে দৰ্শোৱা কাৰণ আছিল যে স্কুলবোৰত ছাত্ৰৰ সংখ্যা কম।

বংগদেশৰ গৱৰ্ণমেণ্টৰ ছেক্ৰেটাৰীলৈ ২৪ জুলাই ১৮৫৩ তাৰিখে পঠোৱা প্ৰতিবেদনত মিলচ চাহাবে আন কথাৰ উপৰিও কৈছিল যে বৰ্তমান স্কুলৰ

সংখ্যা এসত্তৰখন, তাত ছাত্ৰৰ উপস্থিতিত সেৰেঙা আৰু স্কুলবোৰৰ অৱস্থান পাতল বসতিপূৰ্ণ এলেকাবোৰত। গতিকে স্কুলবোৰৰ সংখ্যা কম পক্ষেও আঠাইশখনলৈ কমাব লাগে। ইংৰাজী স্কুল দুখনৰ ঠাইত এখনহে থাকিব লাগে আৰু তাৰ স্থান হব লাগে শিৱসাগৰত। কাৰণ শিৱসাগৰ হ'ল পুৰণি ৰজাৰ ৰাজধানী আৰু তাত প্ৰাচীন সম্ভ্ৰান্ত লোকসকলে বাস কৰে।

"The schools now number seventyone, many of them are located in parts of the country thinly populated and attendance is of course very small. I think, as suggested by the tnspector, that the number of schools should certainly be reduced to the extent proposed by him viz, twentyeight, if not to a greater extent, they should be established in the most populous villages. * * * There should be only one Anglo vernacular school in the province and that should in my opinion be established at Sibsagar, Which was the ancient seat of royalty and is the residence of all the old nobility. (১১)

ছাত্ৰ নাই, গতিকে উঠাই দি স্কুলৰ সংখ্যা কমাব লাগে আৰু আহোম ৰজাৰ ৰাজধানীত য'ত ডা-ডাঙৰীয়াসকল থাকে তাতেই ইংৰাজী স্কুল (Anglo-vernacular) পাতিব লাগে। এনে মন্তব্যৰ বাস্তৱ ভিত্তি কিমান আছিল তাত সন্দেহৰ অৱকাশ আছে। কাৰণ ইংৰাজ অহাৰ পিছত আৰু ঠায়ে ঠায়ে আনুষ্ঠানিক শিক্ষাদানৰ বাবে স্কুল পতাত শিক্ষালাভৰ প্ৰতি আকৰ্ষণ বাঢ়িছিল, বিশেষকৈ যেতিয়া তেনে শিক্ষা বা বিদ্যা অৰ্জনে চৰকাৰী চাকৰি আনি দিছিল। মিলাচে অন্য এটা প্ৰসংগ আলোচনা কৰি উক্ত প্ৰতিবেদনখনতেই কৈছিল।

Captain Butler of Nowgong states that in 1839 perhaps thirty educated individuals could not be found in his district and that universal ignorance pervaded the whole community without distinction. He adds, times have changed in the course of thirteen years ; hundreds of boys have gone forth from these little village schools, able to read and write. * * * * It will be seen from the statement of the number of pupils who have received government employ, that the humble office of village accountant is freely accepted by them but as far as I can judge, the respectable classes seem to take little or no interest in theinstitution, and my observations are borne out generally by the statement of the collector.

Captain Butler's remarks are, I think, much to the point. They (the respectable classes) show no desire whatever to see the rising generation educated or made wiser than themselves ; in fact I believe if the higher classes could prevent the Assamese youth being educated they would not hesitate to do so. * * * * The motive which brings the boys to the schools is simply the prospect of getting government employ. * * * * The one cry with the higher classes is 'you have given us education under the promise of employ and unfitted us for an agricultural life and you do not fulfil your promise." (১০০)

নগাঁও জিলাৰ উদাহৰণ দি মিলচে কৈছিল যে নগাঁও জিলাত আগতে ১৮৩৮ ইং চনত ত্ৰিশজনো শিক্ষিত লোক পোৱা নগৈছিল। অজ্ঞানতা সকলোৰে মাজত বিয়পি আছিল। কিন্তু যোৱা তেৰ বছৰত, শিক্ষা ব্যৱস্থাৰ ফলত পৰিস্থিতি সলনি হৈছে। শই শই লিখিব আৰু পঢ়িব জনা ল'ৰা গাঁৱলীয়া স্কুলৰ পৰা ওলাই আহিছে। তেওঁলোকে অতি নিম্ন পৰ্য্যায়ৰ গাঁৱলীয়া কাকতীৰ কামকো মুকলি মনেৰে গ্ৰহণ কৰিছে। কিন্তু সম্ভ্ৰান্ত শ্ৰেণীবিলাকে এনে অনুষ্ঠানবোৰৰ প্ৰতি কোনো আগ্ৰহ দেখুৱা নাই। এই শ্ৰেণীটোৱে অৰ্থাৎ সমাজৰ উচ্চ শ্ৰেণীটোৱে অসমীয়া যুৱকসকলক শিক্ষিত হোৱাটো নিবিচাৰে। পাৰিলে এনে শিক্ষা-ব্যৱস্থাত তেওঁলোকে হয়তো বাধাই দিলেহেঁতেন। এনে শিক্ষিত লৰাহঁতৰো একেটাই মাথোন আকাংক্ষা, এটা চৰকাৰী চাকৰি পোৱা। উচ্চ শ্ৰেণীবোৰৰ মাজত অভিযোগ —"তোমালোকে চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে আমাক শিক্ষিত কৰিছা আৰু আমাক কৃষিজীৱী জীৱনৰ পৰা আঁতৰাই আনিছা। আৰু এতিয়া তোমালোকে প্ৰতিশ্ৰুতি পালন নকৰা অৰ্থাৎ চাকৰি নিদিয়া।"

এই উদাহৰণেৰে গোটেই অসমখনৰ অৱস্থা বুজাব পাৰি। মিলচ চাহাবে গুৱাহাটীৰ এগৰাকী মিছনাৰী পদাধিকাৰ এ. এইচ ডেনফোৰ্থৰ পৰা অসমৰ তৎকালীন শিক্ষা সম্পৰ্কে মন্তব্য বিচাৰিছিল। মিছনাৰীজনে ইং ১৯'৭।১৮৫৩ তাৰিখে দিয়া মন্তব্যত কৈছিল (১০১) যে ইয়াত শিক্ষাৰ উদ্দেশ্য মন আৰু জ্ঞান বহলোৱাতকৈ চৰকাৰী চাকৰিৰ বাবে পাছপোৰ্ট

গোটোৱা। (The ultimate end of education is to secure a passport into public service.) যি শিক্ষা পোৱা যায় তাৰে মাথোন নিজৰ চাকৰিত লগাখিনিহে ৰাখি বাকীবোৰ আৱৰ্জনা বুলি জ্ঞান কৰে। (Whatever knowledge is not immediately required for the actual performance of its duties is thrown aside as useless trash.) সেই কাৰণে শিক্ষিতসকলো শিক্ষা নোপোৱাসকলৰ দৰে একে ঠেক মনোবৃত্তিৰ। (Hence the educated natives are scarcely less narrow minded and ignorant than the uneducated.) এনে শিক্ষিতসকলে বহুৱা—তোষামোদকাৰী হৈ বছৰৰ পিছত বছৰ চৰকাৰৰ পিছে পিছে চাকৰিৰ বাবে ঘূৰি ফুৰে আৰু জন-সাধাৰণৰ উন্নতিৰ বাবে একো নকৰে। (for proof, I need only to refer to the great mass educated in Government schools ; they are mere sycophants, hanging year afteryear upon the skirts of the Government in idle suspense with the hope of ultimately 'getting into office' without contributing a fraction to the general improvement of the people.) (১০১)

অৰ্থাৎ আজিৰ পৰিস্থিতিৰ লগত তেতিয়াৰ পৰিস্থিতি কিছু ৰিজাব পাৰি। 'স্কুল কলেজৰ শিক্ষা মাথোন চাকৰিৰ বাবেহে, চাকৰিত যিখিনি লাগে তাৰ বাহিৰে শিক্ষাৰ বাকী অংশ অৰ্থহীন আৱৰ্জনা' এনে ধাৰণা শিক্ষিত সমাজৰ একাংশৰ মাজত এতিয়াও আছে।

মিছনাৰী চাহাবৰ উক্তি যে স্কুলৰ শিক্ষাক চাকৰি পোৱাৰ পাছপোৰ্ট হিচাপেহে লয়। যিবোৰ শিক্ষা পায় তাৰে মাথোন চাকৰিত থিতাতে লগাখিনিহে ৰাখে বাকীখিনি অলাগতিয়াল আৱৰ্জনা বুলিহে ভাবে; শিক্ষিতসকল শিক্ষা নোপোৱাবোৰৰ দৰে সংকীৰ্ণচেতা আৰু অজ্ঞান, ইত্যাদি কথা জীৱনৰ মূল্যবোধৰ সতে জড়িত। অন্ধ সংস্কাৰ, পুৰণিকলীয়া এলেন্ধুৱা জীৱনবোধ আদিক শিক্ষা পোৱাৰ মাজেৰে নতুন যুগৰ লগত খাপ খুৱাবলৈ বিশেষ যত্ন নকৰাৰ কাৰণ হ'ল—আৰ্থ-সমাজনৈতিক প্ৰক্ৰিয়াৰ স্থবিৰতা। তেনে স্থবিৰতা তেতিয়া আঁতৰা নাছিল।

নামনি অসমতো অৱস্থা প্ৰায় একে থাকিলেও ইয়াৰ মানুহৰ বঙলা ভাষাৰ যোগেদি চাকৰিত বাহিৰেও আনকামৰ বাবে জ্ঞান আহৰণৰ কিছু

প্ৰবণতা আছিল। উদাহৰণ স্বৰূপে বৃটিছে পতা স্কুলত প্ৰথম ভাগতে শিক্ষা লাভ কৰা বৰপেটাৰ গোবিন্দৰাম চৌধুৰীয়ে বঙালী ডাক্তৰৰ পুথিৰ আৰ্হি আৰু জ্ঞান লৈ সুতিকা পটল নামক চিকিৎসা বিষয়ক পুথি কলিকতাত ছপাই অনাৰ সম্ভেদ ৺ প্ৰসন্নলাল চৌধুৰীয়ে দিছে। উক্ত গোবিন্দৰাম তেওঁৰ ককাক আছিল। নামনি অসমতো যি বঙালী ধৰণ-কৰণ সংস্কৃতিৰ ক্ষেত্ৰত হৈছিল তাৰে চালিকাশক্তি আছিল তৎকালীন আধুনিক যুগৰ লগত জীৱনমান আৰু জীৱনবোধক খাপ খুৱাই লোৱাৰ প্ৰৱণতা।

ঊনবিংশ শতিকাৰ মধ্যভাগত বৃটিছৰ লগত অহা বঙালী আমোলাবিলাকৰ বিৰুদ্ধে এনে ধৰণৰ শিক্ষিত এচাম অসমীয়া মধ্যবিত্তৰ আক্ৰোশ আছিল আৰু তাৰ বিপৰীতে আন এচামৰ বেলেগ ধাৰণাও আছিল। 'আসাম বন্ধু' কাকতত বঙালী শীৰ্ষক এটা প্ৰবন্ধত 'আ ব' বোলা এগৰাকীয়ে (চ'ত, শক ১৮০৬ ই, ১৮৮৫) লিখিছিল—"আমাৰ নিজৰ দেশৰ লোকসকলে সেই সময়ত ইংৰাজৰ নিয়মে বড অথবা লাগতিয়াল বিষয় পালিবলৈ অসমৰ্থ আছিল। ইংৰাজৰ দিনত সকলো কথাই লেখা পঢ়াৰ কাম। আমাৰ পূবৰ বিষয়া সকলে সেই ৰূপ শিক্ষা পোৱা নাছিল। যি সকলে বিষয় কৰ্ম কৰে, শিক্ষা দিয়ে, সেই সকলেই সমাজৰ নেতা। আমাৰ মানুহে সেই ৰূপ উচ্চ অথবা সাধাৰণৰ লগত সদায় লগলাগি থাকিব পৰা বিষয় নকৰাত বঙালীএই এক প্ৰকাৰে আমাৰ সমাজৰ নেতা হল। * * * বঙালীৰ আচাৰ নীতি বস্ত্ৰ অজস্ৰে আমাৰ মানুহে লয়, কিন্তু লোকক ঘৃণা কৰে। * * * ক্ৰমে বঙালী শিক্ষিত লোক যিমান এই দেশলৈ আহিব, আমাৰ মানুহ যিমান বিদেশলৈ যাব আৰু শিক্ষাৰ দ্বাৰাই সংকীৰ্ণভাব যিমান গুচিব আৰু ঈশ্বৰৰ পিতৃত্ব, মনুষ্যৰ ভাতৃত্ব ভাব ব্যাপক হব তিমান দুষণীয় ভাব গুচিব। আমাৰ কৰ্ত্তব্য এইটোহে দেখা যায় যে বঙালীকো ভাই ককাই যেন দেখো। হিমালয়ৰ গৰ্ভত উৎপত্তি এই ব্ৰহ্মপুত্ৰ নদ যেনে ৰূপে আমাৰ দেশেৰে বই গৈ পদ্মানদীৰে লগ লাগি সুবিস্তাৰ মেঘনা নাম ধৰি মহাসমুদ্ৰত পৰিছে সেইৰূপে আমি সংকীৰ্ণ ভাব এৰি বিদেশী বঙালীৰে মিহলি হই

উন্নতিৰ সমুদ্ৰত পৰো। এই কথা সাৰোগত কৰিব পাৰিলে দেশৰ মঙ্গল হয়।" ড° নগেন শইকীয়াই এই নিবন্ধ লিখক গৰাকীক স্বৰ্গীয় গুণাভিৰাম বৰুৱা হব পাৰে বুলি ভাবিছে। (অসম প্ৰকাশন পৰিষদৰ সংকলিত 'আসাম বন্ধু')।

চৰকাৰে সেই সময়ত স্কুলৰ সংখ্যা কমোৱাবলৈ (৭১ খনৰ পৰা ২৮ খনলৈ) কোৱা, তাৰ বাবে দিয়া যুক্তি আৰু শিক্ষিত সকলে চৰকাৰী চাকৰিৰ বাবে দিয়া হেঁচা এই কেইটা কথাই বিপৰীতমুখী যেন লাগে। ১৮৫৩ খ্ৰী.ত মিলচ চাহাবে এটা নতুন পৰামৰ্শ আগবঢ়াইছিল। সেইটো হ'ল প্ৰশাসনীয় বিভাগৰ চাকৰিত বঙালীৰ পৰিবৰ্তে অসমীয়া সম্ভ্ৰান্ত লোকৰ ল'ৰা-ছোৱালীক নিয়োগ কৰা।

জ্ঞান আৰ্জনৰ বাবে শিক্ষাৰ প্ৰবৃত্তিৰে উনৈশ শতিকাৰ অসমত বৃটিছে পাতি দিয়া স্কুলবোৰলৈ ছাত্ৰ অহা নাছিল। লিখা-পঢ়া শিকি চাকৰি বাকৰি পাবলৈ "লেখা পঢ়া শিকে যিয়ে উঠে সিয়ে ঘোৰাগাড়ী" প্ৰৱণতাৰ বশৱৰ্তী হৈয়েই স্কুললৈ ছাত্ৰ আহিছিল (বংগদেশ কিয় সমগ্ৰ ভাৰতেতে এনে প্ৰৱণতা দেখা গৈছিল)। যেতিয়া চাকৰি বাকৰি পোৱাৰ আশা কমিল বা সীমিত হ'ল—তেতিয়া ছাত্ৰৰ সংখ্যাও কমিল যেন লাগে। ছাত্ৰৰ অভাৱৰ বাবেই ৭১ খনৰ পৰা ২৮ খনলৈ স্কুল কমোৱাৰ প্ৰস্তাৱ আহিল। সম্ভৱতঃ বৃটিছ প্ৰৱৰ্তিত নতুন শিক্ষা আধুনিক আৰু নতুন পৰিস্থিতিত জ্ঞান আহৰণ কৰিবৰ বাবে যে প্ৰয়োজন এনে ধৰণৰ দৃষ্টিভঙ্গী গঢ় লোৱা নাছিল। ইয়াৰ কাৰণ এয়ে হব পাৰে যে আগৰ পৰা চলি অহা দৃষ্টিভঙ্গী, পৰম্পৰা আৰু ঐতিহ্য তথা সংস্কাৰৰ লগত নতুন শিক্ষাই দিবলৈ অনা জ্ঞানবোৰ খাপ নাখাইছিল।

ছপাশাল আৰু ভাষাৰ বিকাশ

ব্ৰিটিছ চৰকাৰে পোনতে প্ৰচলন কৰা শিক্ষা পদ্ধতিয়ে কেৱল মাথোন চৰকাৰী চাকৰিৰ আশাধাৰী সকলকহে আকৰ্ষণ কৰিছিল, পাঠ্যপুথি বা পাঠ্যক্ৰমৰ পৰা জ্ঞান পোৱাৰ অভিলাষ কম আছিল।

কিন্তু স্কুল আৰু আদালতৰ ব্যৱহাৰৰ বাহিৰেও ছপাশাল আৰু যন্ত্ৰপ্ৰস্তুত কাকতৰ প্ৰচলনে অসমীয়া সাহিত্যৰ প্ৰসাৰণ ঘটায়। অৱশ্যে ই কিছুদিন পিছৰ ঘটনা।

মিছনাৰীসকলে পতা স্কুল বা প্ৰচলিত পাঠ্যপুথিবোৰ, তেওঁলোকে উলিওৱা 'অৰুণোদই' কাকতৰ অন্য উদ্দেশ্য আছিল খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰা। ছপাশাল আৰু নতুন প্ৰযুক্তি বিদ্যাৰ সংযোগত এনে প্ৰচাৰৰ সুবিধা বাঢ়িছিল।

মন কৰিবলগীয়া কথাটো হ'ল—তাৰ আগৰ অসমীয়া সাহিত্য যিমানেই উন্নত বা জনপ্ৰিয় নহওক কিয় তাৰ মাধ্যম আছিল সাঁচিপাত, ভূৰ্জপত্ৰ আদিৰ ওপৰত হাতেৰে লিখা পুথি। সিবোৰ সহজলভ্য নাছিল। গতিকে সাহিত্যচৰ্চা বা ভাষা চৰ্চাও সীমিত আছিল।

১৮১৩ খ্ৰী.ত বঙ্গদেশৰ শ্ৰীৰামপুৰত অসমীয়া প্ৰথম ছপাপুথি 'ধৰ্মপুস্তক' (বাইবেল) ছপা হৈ ওলায়। ই ব্ৰিটিছে আহোম অসম অধিকাৰ কৰাৰ তেৰবছৰ আগৰ ঘটনা। ডেভিদ স্কট চাহাবে অসমলৈ আহোঁতে সেই পুথিখন লৈ অহা বুলি প্ৰকাশ। আনহাতে আমেৰিকান মিছনাৰীয়ে লগতে ছপাযন্ত্ৰও আনিছিল। নিজা ছপযন্ত্ৰে ১৮৬৪ খ্ৰী.ত 'অৰুণোদই' উলিয়ায়।

১৮৭৪ চনত অসমৰ আদালত আৰু পঢ়াশালিৰ বাবে "অসমীয়া ল'ৰাৰ মিত্ৰ" আদি আনন্দৰাম ঢেকিয়াল ফুকনৰ পুথিৰ বাদে আন কি কি পুথি ছপা কৰি উলিয়াইছিল সেই সম্পৰ্কে এতিয়ালৈকে ভালদৰে বাচ-বিচাৰ হোৱা নাই।

কথাপ্ৰসঙ্গত উল্লেখনীয় যে ব্ৰিটিছ অধিকাৰৰ পিছত ওলোৱা অসমীয়া পুথি গ্ৰেটব্ৰিটেইনৰ লণ্ডন মিউজিয়াম আৰু লাইব্ৰেৰীত থকা বুলি শুনা যায়। এতিয়ালৈকে ব্ৰিটিছ অহা দিনৰ পৰা ছপা হৈ ওলোৱা পুথিৰ তালিকা এতিয়াও প্ৰস্তুত হোৱা নাই।

আনন্দৰাম ঢেকিয়াল ফুকনে ১৮৫২ খ্ৰী.ত কলিকতাত 'কলিকতা নিউপ্ৰেছ' বুলি এটা ছপাশাল পাতিছিল। অৰুণোদইৰ পাতত তাৰ পৰা

প্ৰকাশিত 'ঘোষাপুথিৰ' বিজ্ঞাপন দেখা যায়। তাৰ প্ৰকাশক আছিল গুণাভিৰাম বৰুৱা। 'ঘোষাপুথি' বুলিলে সচৰাচৰ শ্ৰীমাধৱদেৱৰ নাম-ঘোষাকে বুজা যায়। কিছুমানে আকৌ শ্ৰীপুৰুষোত্তম ঠাকুৰৰ 'নঘোষা' খনকো ঘোষাপুথি বুলিছিল।

সি যি নহওক দেখা যায় যে অসমীয়া সমাজত প্ৰাচীন অসমীয়া ভাষাৰ জনপ্ৰিয় ধৰ্মপুথিবোৰৰ চাহিদা থকাৰ বাবেই ঢেকিয়াল ফুকনে ছপাবৰ বাবে ঘোষা পুথিকে বাচি লৈছিল।

১৮৭১ খ্ৰী.ত আউনীআটি সত্ৰৰ সত্ৰাধিকাৰে অসমত ধৰ্মপ্ৰকাশ যন্ত্ৰ নামে এটা ছপাশাল স্থাপন কৰি বৈষ্ণৱধৰ্মৰ পুথি ছপাই প্ৰকাশ কৰে। নামনি অসমতো প্ৰায় একে সময়ত কোনো কোনো ঠাইত ছপাশাল পতা হৈছিল। গোৱালপাৰাৰ হিতবিধায়িনী তেনে এটা ছপাশাল। তাৰ পৰা শ্যামচৰণ ভাদুড়ী সংকলিত, জগবন্ধু সামন্তৰ দ্বাৰা প্ৰকাশিত ছপাপুথি 'ৰুক্মিণী হৰণ' ওলাইছিল ১৮৭৬ খ্ৰী ত।

প্ৰায় একে সময়তেই বৰপেটাৰ অনাদৰ দাস উকীলে বৈকুণ্ঠনাথ ভট্টদেৱৰ 'কথাগীতা' ছপাই উলিয়ায়। গুৱাহাটীৰ জিননাথ (জিউনাথ) চৌধুৰীয়ে সংকলন কৰা আৰু ৰামদেৱ শৰ্মাই প্ৰকাশ কৰা 'ভক্তি ৰত্নসিন্ধু' ছপা হৈ ওলায়।

দেখা যায় যে সেই সময়ত ধৰ্মমূলক জনপ্ৰিয় পুথি ছপাই প্ৰকাশ কৰাৰ ধুম পৰিছিল। ১৮৭৭ চনৰ ২০ অক্টোবৰত গুৱাহাটীৰ চিদানন্দ প্ৰেছত শ্ৰীমাধৱদেৱৰ 'ভক্তি ৰত্নাৱলী'। একেই বছৰতে গোৱালপাৰাৰ হিতবিধায়িনী প্ৰেছৰ পৰা কণ্ঠভূষণৰ 'শংকৰদেৱৰ জীৱন চৰিত আৰু বংশাৱলী' উলিয়াইছিল। ১৮৯৫ খ্ৰী.ত বৰপেটাৰ হাহিৰাম বেপাৰীয়ে সংকলন কৰা 'কাণখোৱা' পুথিখন চণ্ডীচৰণ বন্দোপাধ্যায়ৰ দ্বাৰা প্ৰকাশিত হৈছিল। সেই বছৰতে উক্ত হাহিৰাম বেপাৰীয়ে ১০২ পৃষ্ঠাৰ 'বৰগীত" খন সংকলন আৰু তাক ছপাই প্ৰকাশ কৰিছিল বৰপেটাৰে ভোগজুৰ বেপাৰী আৰু লাক্ৰিসিং বেপাৰীয়ে। উনৈশ শতিকাৰ অষ্টম দশকত গুৱাহাটীৰ ৰমাকান্ত চৌধুৰীৰ (১৮৪৮—৮৯ খ্ৰী.) 'সীতাহৰণ' নাটকখন

গোৱালপাৰাৰ হৰিপ্ৰসাদ নাথৰ দ্বাৰা, গোৱালপাৰা হিতসাধিনী প্ৰেছত ছপা হৈ প্ৰকাশিত হয়। এই একে গৰাকী লিখকৰ 'অভিমন্যু বধ' নাটক ১৮৭৫ খ্ৰী.ত গোৱালপাৰাৰ পৰা ছপা হৈ প্ৰকাশিত হয়। *

গুৱাহাটীৰ অন্যতম সাহিত্যিক ভোলানাথ দাসে (১৮৫৮ খ্ৰী.—১৯২৯খ্ৰী.) উনৈশ শতিকাৰ সপ্তম দশকতেই নিজৰ লেখা প্ৰকাশ কৰিছিল।

সৰহভাগ পুথিয়েই সাঁচিপতীয়া পুথিৰ পৰা ছপাযন্ত্ৰৰ মাধ্যমেৰে প্ৰকাশ কৰা পুথি আছিল। আন ছপা হোৱা পুথিবোৰৰো ভাষা অৰুণোদইৰ ভাষাৰ দৰে নহৈ কমবেছি পৰিমাণে পুৰণি অসমীয়া ভাষাত ৰচিত হৈছিল।

মন কৰিবলগীয়া কথা হ'ল যে সাঁচিপতীয়া হাতে লিখা পুথিৰ ব্যৱসায়িক বা বাণিজ্যিক প্ৰচাৰ নাছিল। ছপা পুথি প্ৰকাশ হৈছিল ব্যৱসায়িক ভিত্তিত। আনটো মন কৰিবলগীয়া কথা আছিল—খ্ৰীষ্টধৰ্ম প্ৰচাৰত ছপাশালৰ ব্যৱহাৰৰ আঁহি হিন্দু ধৰ্মমূলক পুথিবোৰ ছপাই জনপ্ৰিয় কৰা কামৰ মাজেদি লোৱা দেখা যায়।

এনে ছপাপুথিবোৰ এতিয়া দেখিবলৈকে পোৱা নাযায়—আনকি তাৰ নামবোৰো পাবলৈকো নাই।

বহুপুথি কলিকতাৰ ছপাশালতো ছপা হৈছিল।

আকৌ শিক্ষা' চাকৰি আৰু ভাষাৰ প্ৰশ্ন

আৰ্থ সামাজিক অৱস্থাৰ তথা অৰ্থনৈতিক অৱস্থাৰ সলনি নহ'লে বা হোৱাৰ সম্ভাৱনা নেদেখিলে ধ্যান-ধাৰণাৰ সলনি সাধাৰণতঃ সততকাই নহয়।

উনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধত, ইংৰাজ অহাৰ পিছতো, আমাৰ সমাজৰ অৰ্থনীতি আদিৰ সলনি হোৱা নাছিল। আদিতে বৃটিছ শাসনে কোনো সামাজিক বিকাশমূলক কামতো প্ৰবৃত্ত হোৱা নাছিল, ইয়ে প্ৰাক-ব্ৰিটিছ শাসনৰ সামাজিক অৱস্থাৰ কোনো বিশেষ সংস্কাৰৰ কোনো প্ৰতিশ্ৰুতি কঢ়িয়াই আনিবপৰা নাছিল। ব্ৰিটিছে অসম অধিকাৰ কৰা সময়ত বংগদেশত ইতিমধ্যে কলেজীয়া

---

* এই সম্ভেদবোৰ ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ 'মহাফেজখানাৰ খিৰিকীয়েদি' পুথিৰ পৰা লোৱা।

শিক্ষাৰ আৰম্ভ হৈ বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তুতি চলিছিল। তেনে অৱস্থাত অসমৰ সমাজত শিক্ষাৰ প্ৰতি অনীহা লক্ষ্য কৰিবলগীয়া কথা। সেই সময়ত বংগদেশত এচাম দেশীয় মানুহে বেহা-বেপাৰ শিল্প আদিত য়ুৰোপীয়সকলৰ লগতে পালি হিচাপে মধ্যযুগৰ অৰ্থনীতিৰ বিকাশত যোগ দিছিল।

(নামনি অসমত কিছু বেহা-বেপাৰ-মুদ্ৰা অৰ্থনীতিৰ আংশিক প্ৰভাৱ আগৰ পৰা থাকিলেও ১৭৯৩ ইং চনতেহে প্ৰকৃত বণিজ বেহা-বেপাৰৰ আৰম্ভ হয়। সিয়ো বাহিৰৰ পৰা অহা মুদৈ সদাগৰ আদিৰ মাজতেহে আবদ্ধ হৈ ৰৈছিল।)

গতিকে শিক্ষাপ্ৰাপ্ত সকলৰ মাজৰ আটকীয়া চাকৰিৰ খোৱা কামোৰা হয় আৰু তাৰ ফলত বঙালী বিৰোধৰ উৎপত্তি হয়।

মিলচ আৰু ৰৌলট চাহাবে হৰকান্ত সদৰামীনৰ সতে এই বিষয়ে হোৱা কথা সদৰামীনৰ আত্মজীৱনীত এনেদৰে পোৱা যায় :

‘তদপৰ দিনা কাছাৰীত উপস্থিত হৈ কৰ্মত প্ৰবৰ্ত হৈছোঁ, এনে সময়তে মিল সাহেব একজন আৰদালী পঠাই মোক তলব দিয়াতে, ৰৌলট সাহেবত কৈ মঞি শুক্ৰেশ্বৰৰ জাহাজত মিল সাহেবৰ সাক্ষাত হোৱাত মোত ক’লে, ‘বাঙ্গালী কত আমলা আৰু অসমীয়া কত, ও মছলমান কত ঠিকনা দিয়া’ মঞি তেতিয়াই আমাৰ চেৰস্তাৰ ঠিকনা দিলো। সাহেব কলে নহয় সকলো আপীচৰ লাগে। তাতে মঞি কলো মঞি কাছাৰী গলেহে পাৰোঁ। সাহেব অনুমতি দিয়াতে কাছাৰী আহি ৰৌলত সাহেবত কোৱাত তেতিয়াই ৰাধামোহন গোসাঞী চেৰস্তাদাৰ ও মাধব পেচকাৰৰ আগত কোৱাতে তেতিয়াই ফৰ্দ্দ কৰি দিলে। সেই অনুসাৰে যোট কৰিলে, সাহেব জাহাজত থকাতে দিলোঁ। * * *

‘তদপৰ ৰৌলত চাহাবে মোত কলে, ‘মিল সাহেব এই কথা সুধিছিল যে গবৰ্ণমেণ্টৰ যি দেশৰ যি লোক, তাকে মকৰৰ (appoint) কৰাৰ অভিপ্ৰায়। এ কামৰূপে বাঙ্গালী পৰদেশী লোক অনেক আছে’। তাতে ৰৌলট চাহাবে ক’লে, ‘বাঙ্গালী লোক নহলে কাৰ্য্য নচলে ; সেহেতু মকৰৰ হৈছে তাতে মিল সাহেব ক’লে, ‘কালেক্টৰিৰ চেৰস্তাদাৰ বাঙ্গালী কি

অসমীয়া ? আৰো প্ৰধান সদৰামীন, আৰু সদৰামীন মুনচেফসকল অসমীয়া কি বাঙ্গালী ? বুলি সোধাত, অসমীয়া বুলি কলো' তাতে মিল সাহেব ক'লে যদি অসমীয়া হয়, কি মতে কৰ্ম চলিছে ? তাতে ৰৌলট সাহেবে মোতে ক'লে, 'বোলে মঞি বৰ চৰম পাই এইমাত্ৰ কলো, মঞি মকৰৰ কৰা নাই আগৰে মকৰৰ আছে।' ॥ ২৬১ ॥

তদুত্তৰে মঞি ৰৌলট সাহেবত কলো, 'আপুনি চৰম পাব পায় কেবল অনুচিত কথা ক'লে। কিয়নো ইতঃ পূৰ্বে বাঙ্গালী নহলে কৰ্ম নচলিছিল হয়। কিন্তু মই ১৮৪৯ ইংৰাজী ও ১২৫৫ সনে উজান শিবপুৰ প্ৰভিতি জেলাত দেখি আহিলো শিৱসাগৰত সকললোক অসমীয়া ও তেজপুৰে ৩/৪ জন মাত্ৰ বাঙ্গালী, সকল অসমীয়া, তেওঁলোকৰ দ্বাৰা কৰ্ম চলিছে। ইদানিক বাঙ্গালীৰ অপেক্ষা নকৰে।' এমত কোৱাতে ৰৌলট সাহেব মনে মনে থাকিল। ॥ ২৬৩ ॥ (১০২)

১৮৫৩ খ্ৰী.তেই মিলচ চাহাবে চাকৰিত নিয়োগ নীতি সম্পৰ্কে যে চিন্তা ভাৱনা কৰিছিল তাক হৰকান্ত সদৰামীনৰ আত্মজীৱনীৰ বাহিৰেও তেওঁ বংগদেশৰ গৱৰ্ণমেণ্টৰ ওচৰত দাখিল কৰা প্ৰতিবেদনত পোৱা যায়। (১০৩)

The people should be disabused of the idea that the one great aim and end of giving them education is to qualify them for public employ, but the natives of the Province have great reason to complain of the preference which is too often given to Bangallees when selecting officers to fill vacancies. A number of Bangallees came into Assam when we took the province, and from the uneducated state of the Assamese it was necessary to give them service, but there are now in Seebsagar and Gowhatty many young men of high family and good character who have qualified themselves for employ and it is most discouraging to them to see most of the high and even some of the inferior office filled by foreigners.

বৰ্ণিত পৰিস্থিতি ১৮৫৩ চন বা তাৰো কিছু সময় আগতে শিৱসাগৰকে (শিবপুৰ) ধৰি সকলো প্ৰশাসনীয় কেন্দ্ৰৰ অফিচ কাছাৰীত নিয়োজিত আমোলাৰ সৰহভাগেই আছিল অসমীয়াহে বাহিৰা বঙালী নহয়। (এই

সন্দৰ্ভত মণিৰাম দেৱানে এস্তেলাত নিয়োগ সম্পৰ্কে দিয়া আপত্তি পৰীক্ষণীয়।) সেই সময়ৰ চৰকাৰেও থলুৱা লোকক নিয়োগ কৰা নীতি পালিছিল। কিন্তু ১৮৭৩ চন পৰ্য্যন্ত অসমক বঙ্গদেশৰ পৰা কাটি আনি বেলেগ শাসিত গোট নকৰালৈকে অফিচ আদালত আদিত বঙালী ভাষাৰ প্ৰচলন আছিল আৰু চাকৰিৰ বাবে (যোগ্য হবলৈ) সকলোৱে স্কুলত বঙালী মাধ্যমৰ মাজেদি পঢ়াশুনা কৰিছিল।

উক্ত প্ৰতিবেদন মতে তেনে বঙালী চৰকাৰী চাকৰিয়াল নগাঁৱত কুৰিজন, কামৰূপত পয়তাল্লিছজন, কমিচনাৰ আৰু ডিপুটি কমিচনাৰৰ দপ্তৰত ত্ৰিশজন আৰু দৰঙত ওঠৰজন থকা বুলি জনা যায়।

মিলচ চাহাবৰ পৰামৰ্শ আছিল:

When I was commissioner of Cuttuck, the Government at my recommendation interdicted the employment of Bengallees, not domiciled in the country, without the special sanction of the Commissioner in Orissa, and I think the same order might with the greatest advantage be introduced into Assam.

শিক্ষিত অসমীয়াৰ বঙালী চাকৰিয়ালৰ বিৰুদ্ধে থকা ক্ষোভৰ কাৰণৰ প্ৰধানটো আছিল চাকৰি বাকৰিৰ প্ৰশ্নত। উনবিংশ শতিকাৰ সমাজত এই ক্ষোভৰ একমাত্ৰ কাৰণ ভাষাৰ প্ৰশ্নটো বুলি কব নোৱাৰি।

উনবিংশ শতিকাৰ মধ্যভাগত মিছনাৰীসকলে অসমীয়া ভাষাক গঢ়ি তোলাৰ ওপৰত আৰু তেনেভাষাৰে শিক্ষাদানৰ ওপৰত গুৰুত্ব দিছিল। ইমান গুৰুত্ব আনন্দৰাম ঢেকিয়াল ফুকনৰ বাহিৰে আন অসমীয়া মধ্যবিত্তই দিয়াটো পৰিলক্ষিত নহয়। সেই আনন্দৰাম ঢেকিয়াল ফুকনেও বঙলা ভাষা আৰু ভাষিকসকলক শত্ৰুজ্ঞান কৰা নাছিল।

মিঃ এ. এইচ. ডেনফোৰ্থ নামৰ মিছনাৰী পদাধিকাৰী এগৰাকীৰ পৰা অসমৰ শিক্ষা আৰু ভাষাৰ মাধ্যম সম্পৰ্কে মতামত বিচৰাত তেওঁ অসমীয়াৰ সপক্ষে মত দিলেও বঙলা ভাষা বৰ্জনৰ সম্পৰ্কত সাৱধানে মন্তব্য কৰিছিল: (১০৪)

But to secure this must we give up the Bangallee ? By no means.

I would have the caurse in Bangallee rendered more extensive and more through. This seems absolutely necessary so long as the business of the courts is conducted in that language.

Besides Bangaliee has so much in common with the Assamese, and the literature of the Latter is so meagre at present it seems, desirable that literature of the Bangallee should be thrown open to the Assamese. But I would make this completion rather than the foundation of education.

এ, জে, মফত মিলচ চাহাবে অসমত চৰকাৰী চাকৰিত থলুৱা অসমীয়া মানুহ নিয়োগনীতিৰ সম্পূৰ্ণভাবে পক্ষপাতী আছিল। তেওঁ দেখিছিল যে শিৱসাগৰ আৰু গুৱাহাটীৰ ভাল ঘৰৰ লৰাবোৰৰ বহুতে উপযুক্ত শিক্ষা পাই উঠিছে। সেইবুলি তেওঁ আদালতৰ ভাষা বঙালী থকালৈকে বঙালী ভাষা মাধ্যমেৰে শিক্ষা অব্যাহত ৰখাৰ সপক্ষে আছিল। তেওঁ দেখিছিল যে বঙালী আৰু অসমীয়াৰ বহুতো উমৈহতীয়া উপাদান আছে। অসমীয়া ভাষাৰ সাহিত্য অতি আটকীয়া। অসমীয়াৰ মাজত বহুল ভাবে বঙালী শিক্ষাৰ প্ৰচলন উচিত বুলি ভাবিছিল। কিন্তু এই ব্যৱস্থাৰে শিক্ষাদানৰ ভেটিতকৈয়ো শিক্ষা সম্পূৰ্ণ কৰাৰ কথাকে কৈছিল। (But I would make this completion rather than the foundation of education.)

বঙলা ভাষাৰ মাধ্যমেৰে প্ৰচাৰিত সাহিত্যৰাজিয়ে অসমীয়া সাহিত্য সৃষ্টি আৰু বৃদ্ধিত সহায়ক আছিল। বিশেষকৈ আগৰ কালত ইংৰাজী সাহিত্যত পাৰদৰ্শী হৈ তাৰপৰা আধুনিক চিন্তা আদি আহৰণ কৰি অসমীয়া ভাষাৰ সাহিত্য সমৃদ্ধ কৰিব পৰা লোক বৰ তাকৰ আছিল।

প্ৰাচীন অসমীয়া সাহিত্য আনপিনে চহকী হলেও আধুনিক যুগৰ প্ৰয়োজনীয় ধ্যান-ধাৰণা কঢ়িয়াবলৈ সমৰ্থ হৈ গঢ় লোৱা নাছিল 'আনহাতে বঙালী ভাষাই সেই সময়ত ৰেনাচাঁ যুগৰ বা-বতাহত, এনে সামৰ্থৰ অধিকাৰী হৈছিল।

সাহিত্য অকল আখৰ, শব্দ, শব্দগাঠনি তথা ব্যাকৰণ সৰ্বস্বই নহয়, ধাৰণা আৰু চিন্তাৰ পৰিধিক কিমান দ আৰু বহলকৈ ভাষাই সাৰ্থকভাবে বহন কৰিব পাৰে তাৰ ওপৰতে ইয়াৰ যোগ্যতা নিৰ্ভৰ কৰে। এই ক্ষেত্ৰত তৎকালীন বঙ্গ সাহিত্য আগবঢ়া আছিল।

'আমাৰ ভাষা সংস্কৃতমূলক। সেইৰূপে বঙলা আৰু হিন্দী ভাষাও সংস্কৃতমূলক। আমাৰ মানুহৰ ধৰ্ম আৰু ধৰ্মৰ লগত লগা আচাৰ-নীতি ভাব সকলো একে। সেই কাৰণে ধৰ্ম আচাৰ-নীতি সম্পৰ্কীয় কথা, বস্তু সকলো বিষয়ত সমূদায় ভাৰতেত সস্কৃত মূলৰ নিমিত্তে একে। সেই কাৰণে অসমীয়া, হিন্দী উড়িয়া, বঙলা কেইওভাষাৰ কাৰণে উচ্চ আৰু সাধুভাষা প্ৰায় একে। সাধাৰণতঃ যি ৰূপ কথা-বাৰ্তা হয় তাৰে চালে বেলেগ ভাব দেখি। (১০৫) এনে ধাৰণাহে সেইকালত বাস্তব আৰু সৰ্বজনগ্ৰাহ্য আছিল। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ ইংৰাজী ভাষা-সংস্কৃতি, আচাৰ-ধৰ্ম আদিক সেই সময়ৰ অসমীয়া মধ্যবিত্তই যিমান নিজৰ সতে অমিল দেখিছিল তাৰ বিপৰীতে তিমানেই চুবুৰীয়া বঙালীৰ লগত মিল দেখিছিল।

সংস্কৃত, ফাৰ্চী আদি ভাষাৰ লিপি জনা লোক যিমান আছিল তাতোকৈ সৰহলোকে এটা উমৈহতীয়া লিপিৰেহে এনে ভাষাবোৰ চৰ্চা কৰিছিল। বঙ্গালী অসমীয়া বা চিলেটী নাগৰী ভাষাৰ ক্ষেত্ৰত ই এটা বাস্তব। বহুতো সংস্কৃত পুথি সংস্কৃত লিপিৰে লেখা নহয়। ইয়ে সংস্কৃত ফাৰ্চী আৰবী আদি ভাষাৰ বহুতো শব্দ বঙালী, অসমীয়া (কামৰূপী) বা চিলেটী নাগৰী ভাষাবোৰলৈ স্বাভাবিক ভাবে অহাত বা গৃহীত হোৱাত সহায় কৰিছিল বুলি ধাৰণা কৰা হয়। আমি লিপিবিদ্যা বিশাৰদ নহয়, এই বিষয়টো তেখেত সকলৰ বাবে এৰিলো। ভাষাৰ সামঞ্জস্যৰ লগত উমৈহতীয়া লিপিৰ গুৰুত্ব স্বীকাৰ কৰিবই লাগিব।

অসমৰ, বিশেষকৈ নামনি অসমৰ মধ্যবিত্তই বঙলা ভাষাক কিয় আৰু কেনেদৰে গ্ৰহণ কৰিছিল তাক পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামীৰ (ইং ১৮৮৪-১৯৬২) আত্মোপলব্ধিৰে উমান লব পাৰি। "বংগবাসী কাগজৰ (বঙলা মাধ্যমৰ সংবাদপত্ৰ) কৃপাত বহু শাস্ত্ৰীয় গ্ৰন্থ সুলভ মূল্যত কিনি পঢ়িবৰ সুযোগ পালো। বংগবাসীৰ প্ৰতিষ্ঠাতা স্বৰ্গীয় যোগেন্দ্ৰনাথ বসু মহাশয়ে স্বৰ্গগত মহামহোপধ্যায় পঞ্চাননতৰ্কৰত্নৰ সহায়ত মূল ৰামায়ণ, মহাভাৰত, অনেকপুৰাণ, উপপুৰাণ স্মৃতিদৰ্শন প্ৰভৃতি গ্ৰন্থ প্ৰকাশ কৰি বংগবাসীৰ গ্ৰাহক-

বিলাকক কম মূল্যত বিক্রী কৰাৰ পদ্ধতি আবিষ্কাৰ কৰি হিন্দুৰ দুষ্প্ৰাপ্য শাস্ত্ৰ গ্ৰন্থসমূহ সহজে প্ৰাপ্য কৰি দিলে। মই অনাটনৰ ভিতৰতো এই-সকল অমূল্যগ্ৰন্থ সংগ্ৰহ কৰি পঢ়িব ধৰিলো। এইদৰে পৰিশ্ৰম কৰাৰ ফলত মোৰ জ্ঞানৰ পৰিসৰ বাঢ়ি গল আৰু লগে লগে সমাজতো খ্যাতি প্ৰতিপত্তি লাভ কৰিব ধৰিলো। শাস্ত্ৰৰ কোনো আশঙ্কাৰ কথা হলে সুবিধাৰ বাবে মানুহে মোক বিচাৰ কৰা হ'ল। (১০৬)

এনে পুথিবোৰৰ লিপি বঙলা আছিল। পদ্মনাথ গোহাঞিঃ বৰুৱাই লিখিছে (১০৭) দেশীভাষাৰ (vernacular) ছাত্ৰবৃত্তি স্কুলৰ পাঠ্য তেতিয়া অসমৰ সৰ্বত্ৰতে বঙলা আছিল। মোৰ অভিভাৱকৰ দিহামতে মই বঙলা বিভাগৰ শিক্ষা সাং কৰিহে ইংৰাজী বিভাগত সোমোৱাটো স্থিৰ হয়। তেতিয়া বঙ্গদেশত যি স্কুলৰ, যি শ্ৰেণীত, যি কিতাপ চলিছিল অসমতো সেই স্কুলৰ, সেই শ্ৰেণীত, সেই কিতাপকে চলোৱা হৈছিল। সেই অনুসৰি, অসমৰ মজলীয়া খাপৰ স্কুলত এনেবোৰ কিতাপ পাঠ্য চলোৱাইছিল যেনে, ১। সাহিত্য বিষয়ক (ক) মদনমোহন তৰ্কালঙ্কাৰৰ 'শিশুশিক্ষা' ১ম, ২য় আৰু ৩য় ভাগৰ লানি (series) ; (ঘ) ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ 'বোধোদয়', (ঙ) তাৰাশঙ্কৰ বিদ্যাৰত্নৰ 'ৰামেৰ ৰাজ্যাভিষেক', (চ) হফেজাকৃত 'সদ্ভাবশতক' এইবোৰেই প্ৰকৃতপক্ষে আমাৰ অন্তৰত অসমীয়া জাতিৰ সাহিত্যচৰ্চাৰ অনুৰাগ সঞ্চাৰ কৰে। আমাৰ শিক্ষাগুৰু দুজনাৰ পৰা যি সাকুৰা শিক্ষা লাভ কৰিছিলোঁহক, সেয়ে মোৰ আৰু পানীন্দ্ৰ গগৈদেৱৰ উচ্চশিক্ষাৰো আচল ভেঁটি। সেইকালৰ বঙলা সাহিত্যৰ ওচৰত আমি চিৰধৰুৱা, বিশেষকৈ তেতিয়াৰ বঙলা সাহিত্য সংস্কৃতীয়া বা ং ঃ শূন্য সংস্কৃত' হোৱাৰ ফলত তেতিয়াৰ পৰা ঘাই মাতৃভাষা সংস্কৃততো অলপ এচৰপকৈ আমাৰ ব্যুৎপত্তি লাভ হৈছিল ; কালত সেই বঙলা সংস্কৃত সাহিত্যৰ ব্যুৎপত্তিৰ আভাসে অসমীয়া সাহিত্য চৰ্চাত আমাক বিশেষ গুণ দিছিল আৰু দিছে।'

পিছৰ কালত পদ্মনাথ গোহাঞিবৰুৱাই পাঠ্যপুথি ৰচনাৰ কামত হাত দিয়াৰ কাৰণ আছিল ঃ

"আমি চালোঁহঁক কথা সঁচা, আনৰে সৈতে ফেৰ পাতিবলৈ আমাৰ ভাষাত ঘাইকৈ ওখ খাপৰ সাহিত্য পুথি এখনেই নাই। সেই কালত অসমৰ মজলীয়া ছাত্ৰবৃত্তি পঢ়াশালিত প্ৰথম শ্ৰেণীত যি কেখন বঙলা সাহিত্য পুথি চলিছিল, তাৰ শাৰীত থিয় কৰিবলৈ আমাৰ ভাষাত এখনো উপযুক্ত সাহিত্য পুথি বিচাৰি নাপাওঁ। এই কথাত গগৈদেৱ আৰু মই মনে মনে বৰ লাজ আৰু মনস্তাপ পালো আৰু এই আপাহতে আমাৰ যুটীয়া পুৰুষাৰ্থৰ বলেৰে বঙ্গভাষাৰ সেই শ্ৰেণীৰ সাহিত্য পুথিৰ শাৰী পুৰাব পৰাকৈ এখন ওখখাপৰ অসমীয়া সাহিত্য পুথি যুগুত কৰি উলিয়াবলৈ বুলি আমি দুয়ো দুয়োৰে ওচৰত প্ৰতিশ্ৰুত হলোঁহঁক।" (১০৮) উনৈশ শতিকাৰ শেষৰ দশক আৰু কুৰি শতিকাৰ প্ৰথম তিনি দশকত ওলাই অহা অসমীয়া মধ্যবিত্ত স্বৰ্গীয় পদ্মনাথ গোহাঞিবৰুৱাৰ (জন্ম ইং ১৮৭১—মৃত্যু ১৯৪৬ এপ্ৰিল) এয়ে আছিল অনুভৱ।

এই সকলোবোৰৰ পৰিপ্ৰেক্ষিততে এচাম অসমীয়া মধ্যবিত্তই কুৰি-শতিকাৰ দ্বিতীয় দশকত ভাবীকালৰ উঠি অহা অসমীয়া তৰুণ চামৰ বাবে পাঠ্যপুথিত কি লিখিছিল তাক চোৱা প্ৰয়োজন।

"অসমীয়া ভাষাৰ ঠাইত বঙলা ভাষা সুমুৱাত অসমীয়াৰ বহুত হানি হ'ল। অসমীয়া ভাষা পঢ়াশালিৰ আৰু আদালতত নথকা বাবে বহুত অসমীয়া মানুহে বঙলা ভাষাৰে কাম চলাব নোৱাৰি আদালত আৰু স্কুলৰপৰা বিদায় লৈছিল আৰু জীৱিকা অৰ্জনত বহু বিঘিনি হৈছিল।" (১০৯)

একমাত্ৰ চৰকাৰী চাকৰিৰ (তাৰ সংখ্যাও আছিল কম) ওপৰতেই নিৰ্ভৰশীল অসমীয়া তৎকালীন শিক্ষিত সকলৰ, চাকৰিৰ কিছুমান পদত বঙালী মানুহ থকাত, নিজৰ বাবে চাকৰিৰ কিছু আটকীয়া হৈছিল। তাৰ বাবে নিবনুৱা অসমীয়াৰ চিন্তা আৰু উৎকণ্ঠা হৈছিল। কিন্তু বৃটিছে অসম লৈয়েই ইং ১৮২৬ চনৰপৰা ১৮৭৪ চনলৈ বঙলা প্ৰবৰ্তন কৰাত অসমীয়া ভাষা-সাহিত্য **বিকাশৰ স্বাভাৱিক গতিত ভেটাৰ সৃষ্টি হোৱা বুলি যি অভিযোগ তথা ক্ষোভ পাঠ্যপুথিৰ মাজেৰে অসমীয়া ছাত্ৰৰ মগজুত প্ৰোথিত কৰিবৰ প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়াৰ লগত**

ইতিহাস সম্পৰ্কে অজ্ঞানতা বা আন ধৰণৰ উদ্দেশ্যও জড়িত থকা যেন অনুমান হয়।

অসমীয়া শিক্ষিতৰ বাবে যিদৰে চাকৰি আটকীয়া আছিল সেইদৰে চাকৰি পোৱাৰ ক্ষেত্ৰত বঙালীৰ স'তে প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লাগিছিল। এনে প্ৰতিযোগিতা এৰাবৰ বাবে ভাষাৰ প্ৰশ্নটোক ব্যৱহাৰ কৰা যেন ধাৰণা কৰিব পাৰি।

মন কৰিবলগীয়া যে ইং ১৮৭৪ চনলৈ বৰ্তমানৰ (স্বাধীনতাৰ আগৰ) অসমখন সুকীয়া ৰাজ্য নাছিল—ই আছিল বংগদেশৰ লগত চামিল। ই' ১৮৭৪ চনৰ পিছত অসম সুকীয়া ৰাজ্য হোৱাতো বিপুল জনসংখ্যাৰ ছিলেট জিলাখন ইং ১৯৪৭ চনলৈকে অসমতেই আছিল। (ইং ১৮৭৫ চনৰ পৰা ইং ১৯১১ চনলৈ নকৈ 'পূৰ্ববংগ আৰু অসম' প্ৰদেশখন পুনৰ্গঠিত হোৱাৰ ঘটনা বাৰু নধৰিলোৱেই)। ছিলেট জিলাৰ জনসংখ্যাৰ মাতৃভাষা ছিলেটী তথা বঙলা ভাষা আছিল। গতিকে স্বাভাৱিকভাৱে কিছুসংখ্যাক বংগভাষী (ছিলেট জিলাৰ) চাকৰিৰ দাবীদাৰ আছিল। গতিকে অসমৰ চাকৰিৰ ক্ষেত্ৰত অকল অসমীয়া ভাষী যি প্ৰতিযোগিতাৰ সন্মুখীন হৈছিল তাৰ কাৰণ আছিল তেতিয়াৰ অসমৰ বহু ভাষিক জনগাঠনিহে।

ইং ১৮২৬ চনৰ পৰা ইং ১৮৭৪ চনলৈ (আহোম অসমৰ এলেকাৰ বাহিৰৰ বহু অঞ্চল সামৰা) অসমত বঙলা ভাষা প্ৰৱৰ্তনৰ লগত অসমীয়া মানুহৰ 'জীৱিকা অৰ্জাত বহুত বিঘিনি হৈছিল' নে নাই তাক আলোচিত পৰিস্থিতিৰ পটভূমিতহে বিচাৰ্য্য।

বুটিছে পুৰন্দৰ সিংহৰ পৰা লালবন্দী বাতিল কৰি ১৮৩৮ খ্ৰী ত শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাৰ প্ৰশাসন পোনপটীয়াভাৱে নিজৰ হাতলৈ আনে। তাৰ পাছত গোলাম প্ৰথা উঠাই দিয়া হয়। নতুনকৈ পানী নৰসকা ৰাজনীতি প্ৰৱৰ্তন কৰা হয়। ফলত আগৰ সুবিধাভোগী শ্ৰেণী তথা ডা-ডাঙৰীয়াসকল সংকটৰ সন্মুখীন হৈছিল। এনে সংকটৰ প্ৰতিফলন মনিৰাম দেৱানৰ ঐতিহাসিক এক্তেলাখনতো আছে। তাত

কোৱা হৈছিল যে ঃ মৌজাদাৰৰ বিষয়বোৰ ছিলেটৰ আৰু মাৰোৱাৰৰ পৰা অহা বঙালী (বিদেশী) সকলক দিয়া হৈছে। অসমীয়া আগৰ দিনৰ ডা-ডাঙৰীয়াসকল অকল বঞ্চিত হোৱাই নহয় সিবোৰ তলতীয়া ৰায়তৰ পৰ্য্যায়লৈ নামিছে।

নামনি অসমৰ ক্ষেত্ৰত পৰিস্থিতি বেলেগ আছিল।

১৮৪৪ খ্ৰী.ত কেপ্তইন ব্ৰডীয়ে খাজনাৰ ক্ষেত্ৰত সেয়ে কিছু সকাহ দিবলৈ অনুমোদন জনাইছিল (শিৱসাগৰ জিলাত)।

I beg at the same time to state that the circumstances of this division are some what peculiar, in as much as the bulk of the old Assam nobility are located here, and notwithstanding the number of these class who either hold office or have received pensions from the liberality of Government, there are still very large numbers out of employ and who find the utmost difficulty in meeting the present demands upon them. In recommending therefore a general increase on the rate I would couple this with some relief. (captain Brodies letter no 193 Dt 14.3 1844) (11)

ই মনিৰাম দেৱানৰ বিদ্ৰোহৰ আগৰ ঘটনা। শিৱসাগৰ জিলাৰ মৌজাদাৰ আদিৰ নামৰ তালিকা মিলচৰ ৰিপৰ্টত (**Report on the province of Assam**) দিয়া আছে। তাৰ সত্ৰবোৰকে ধৰি খাজনা মাফ দিয়া মুঠ ২০০৬ আৰু ৭৭৭ পুৰা লাখেৰাজ বন্দৰস্তীৰ মাটি যি ৩০ গৰাকীক দিয়া হৈছিল সেইসকলৰ নাম, ১৩০ গৰাকী মৌজাদাৰ আদিৰ নামৰ তালিকা দিয়া আছে। সিবোৰৰ কোন মাৰোৱাৰ বা বংগদেশৰ পৰা অহা মৌজাদাৰ সেই তালিকা চাই নিৰ্ণয় কৰিব পৰা নগ'ল।

Deunneeram, Ghin Gagai, Lakhilal, Denonath, Hemkant, Bapi Sirma, Kristoram Dutta, Poornokaunt Dutt, Treelochan sirma, seebokaunt, Indubar Dutt, Poorna sirma, Bhoodher Dutt, Bungseedhur Dutt, Soroonram Dutt, Goonaram Doom আদিয়ে গৱৰ্ণমেণ্ট স্কুলত পঢ়ি চৰকাৰী চাকৰি পোৱা বুলি উল্লেখ আছে।

পাঁচ

বেপাৰ বণিজ

অসমৰ পুৰণি বুৰঞ্জী বা চৰিত পুথি আদিত বেহাবেপাৰৰ কথা ক'ৰবাত ক'ৰবাত উল্লেখ আছে। যিকোনো স্তৰৰ সমাজ ব্যৱস্থাত বিনিময় (**Barter**) প্ৰথাৰপৰা আৰম্ভ কৰি আধুনিক জটিল পদ্ধতিৰ বেহাবেপাৰ থাকিবই কিন্তু পেশাদাৰী (**Professional**) বেহা কৰা বেপাৰী বা বণিক সমাজৰ বিকাশ সামাজিক বিকাশৰ এটা স্তৰতহে উদ্ভৱ হয়। সেই স্তৰটোত মুদ্ৰা ব্যৱস্থাই অৰ্থনীতিৰ সকলো কথা নিয়ন্ত্ৰণ কৰে, পণ্য উৎপাদনকাৰী সকলে নিজৰ বিবেচনা আৰু ইচ্ছামতে (কাৰো নিৰ্দেশত বাধ্যবাধকতাত নহয়) যি কোনো বজাৰ উপযোগী পণ্য উৎপাদন কৰি মুদ্ৰাৰ বিনিময়ত বিক্ৰী কৰিব পৰাটো নিশ্চিত কৰে। অৱশ্যে মুদ্ৰা ব্যৱহাৰৰ লগত প্ৰত্যক্ষ বস্তু বিনিময় প্ৰথাৰ সহ -অৱস্থানো চলি থাকিব পাৰে।

১৭৯৩ খ্ৰী.ত ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ এখন বনিজ চুক্তি হোৱাৰ ফলত ভাটীৰ পিনৰ বেপাৰী আৰু সদাগৰ সকলে আহোম অসমৰ আভ্যন্তৰলৈ গৈ বেচা-কিনা কৰাৰ সুযোগ পায় আৰু সেই সময়ৰ পৰা আহোম-অসমৰ বেহা-বেপাৰে এটা নতুন বিকাশৰ ধাৰা লয় বুলি অনুমান কৰিব পাৰি।

এই ক্ষেত্ৰত উৎপাদন পদ্ধতিৰ কথাটো আহি পৰে। যি উৎপাদন পদ্ধতিৰ বজাৰমুখী চৰিত্ৰ একেবাৰেই নাই তেনে উৎপাদন পদ্ধতি আৰু ব্যৱস্থা স্থবিৰ আৰু অতিশয় পিছপৰা। এনে ব্যৱস্থাত উৎপাদন পদ্ধতিত বিশেষজ্ঞ বা পেশাদাৰী কাৰিকৰ সকলৰ উৎকৰ্ষ সাধন তেনেদৰে নহয় ; উৎপাদনৰ পৰিমাণো সীমিত হয়। আনহাতে, যিখন সমাজত উৎপাদিত

পণ্য ভোগ কৰাৰ স্বাধীনতা নাথাকে তেনে সমাজত আভ্যন্তৰীণ বজাৰো গঢ়ি নুঠে। আকৌ পেশাদাৰী বেপাৰী (সদাগৰ, বেপাৰী বা মুদৈ) সকলৰ পৃষ্ঠপোষক হিচাপে ৰাজশক্তি নাথাকিলে বা ৰাজশক্তি সেইসকলৰ প্ৰতি বিৰূপ হ'লে সুশৃংখল বনিজ পদ্ধতিও গঢ়ি নুঠে। কোৱা বাহুল্য যে বেপাৰী বা বনিক সকলৰ উদ্দেশ্য হ'ল—লাভৰ মাজেৰে সম্পদ গোটোৱা। যদি সম্পদ গোটোৱাবৰ আৰু তাকো ভোগ কৰাৰ স্বাধীনতা নাপায় তেন্তে বণিকসকল নিৰুদ্যম হোৱাই স্বাভাবিক।

আহোম ৰাজত্বত, (বিশেষকৈ আহোম-অসম) ওপৰত বৰ্ণিত আটাই-কেইটা দুৰ্বলতাই বিৰাজ কৰিছিল। এনে দুৰ্বলতাৰ ফলস্বৰূপে আহোম—অসমত এটা সবল সংগঠিত বণিজ পদ্ধতি বা সংগঠিত বণিক সম্প্ৰদায় গঢ় লৈ নুঠিল। সেই কাৰণে ১৭৯৩ খ্ৰীঃৰ বণিজ চুক্তিৰ বলত থলুৱা বনিক সম্প্ৰদায় এটা গঠি নুঠা বা বণিজ মুখী উৎপাদন পদ্ধতি গঢ় লৈ নুঠা দুৰ্বলতাৰ ফলত অতি আয়াসতে ভাটীৰ পিনৰ পেশাদাৰী ব্যৱসায়ীয়ে ব্ৰিটিছ চৰকাৰৰ পৃষ্ঠপোষকতাত অসমৰ বণিজ ব্যৱস্থা তথা থলুৱা বণিকশূন্য বজাৰখন বিনা প্ৰতিদ্বন্দ্বিতাৰে দখল কৰি লৈছিল। বনজ সম্পদৰ বাহিৰে পৰ্বতীয়া অঞ্চলৰ কপাহ আৰু দৰঙ-কামৰূপৰ (তথা আহোম-অসমৰ উপকুৱা হিচাবে ধৰা অঞ্চল) পৰা সৰিয়হ আৰু ধান (মাজে মাজে) ৰপ্তানি হৈছিল।* বণিজ শস্য (মাথো ৰপ্তানী বা বজাৰৰ বাবে পণ্য হিচাপে) উৎপাদন প্ৰায়েই নাছিল। উদাহৰণ স্বৰূপে সৰিয়হৰ তেল উলিওৱাৰ বাবে 'গছ পেৰা'ৰ (এটা বেতৰ জপাত সৰিহয় থৈ তুচলা কাঠৰ মাজত দি, ছাপ সৃষ্টিৰ দ্বাৰা তেল উলিওৱা) প্ৰচলন আছিল, তাৰ পৰিবৰ্তে ঘাণী পেৰাৰ (কাঠৰ পেৰাশালত সৰিয়হ দি এদাল কাঠৰ মাৰি দি গৰু বা মানুহে টনা) প্ৰচলন কৰা বাহিৰৰ পৰা অহা তেলী বেপাৰীবোৰে তেল বিক্ৰী কৰিছিল। কামৰূপ, দৰঙত এনে বাহিৰৰ পৰা অহা 'তেলী' পোৱা

* নামনি অসমত বজাৰৰ বাবে সৰিয়হৰ খেতি কৰা হৈছিল। বৃহৎ পৰিমাণৰ সৰিয়হৰ বেপাৰ অসমৰ ভিতৰত আনকি বাহিৰতো কামৰূপৰ বেপাৰীসকলে কৰিছিল। পৃঃ ৭৬ Imperial gazzetteer of Ineia—Vol-6 No. 17 noted from Planter's Raj to Swaraj : Dr. A. Guha P.59 F.N

নাযায়। 'গছ পেৰাৰ' সলনি ঘাণী পেৰা ব্যৱহৃত হৈ তাত আগৰ পৰাই আছিল। অৰ্থাৎ উৎপাদন ব্যৱস্থাৰ অনুন্নত অৱস্থাও অতীত আহোম-অসম বণিজৰ ক্ষেত্ৰত দুৰ্বলতাৰ এটা কাৰণ।

সমগ্ৰ ভাৰতৰ ইতিহাসলৈ লক্ষ কৰিলে দেখা যাব যে চন্দ্ৰগুপ্তৰ দিনতে কৌটিল্যই ৰচনা কৰা 'অৰ্থশাস্ত্ৰ'ত কোৱা হৈছে যে বণিক সম্প্ৰদায়ৰ ওপৰত ৰজাই গুৰুত্ব দিব লাগে, বেহা-বেপাৰ বণিজৰ ক্ষেত্ৰত ৰাজপ্ৰশাসনে উদগণি দিব লাগে। হাৰপ্পা বা মহেঞ্জোদাৰোৰ ইতিহাসেও বহিৰ্বাণিজ্য থকাৰ উমান দিয়ে। আহোম-অসমত ইয়াৰ অভাৱ আছিল।

ভাৰতলৈ ইউৰোপীয় বণিকসকল আহিছিল বণিজৰ স্বাৰ্থত আৰু সেইসকলে (ব্ৰিটিচ, পৰ্তুগীজ, ফৰাচী) ৰাজদণ্ড লৈ আমাৰ দেশত খোপনি পুতি লৈছিল। সেইসকলৰ ৰাজনৈতিক প্ৰশাসকৰ বাঘজৰী আৰু ব্যৱসায়ী কায়দাৰ লগত আমাৰ দেশৰ বণিক সম্প্ৰদায় আৰু শিল্প উদ্যোগে ফেৰ মাৰিব পৰা নাছিল। সেয়ে কালত দেখা গৈছিল যে আমাৰ দেশৰ বণিক সম্প্ৰদায়ে উপভোক্তা আৰু মূল মহাজনৰ মাজৰ (compredor) বেপাৰী হৈ বণিক বৃত্তিধাৰী হৈছিল।

এনে বিধৰ বেপাৰীৰ শ্ৰেণীও ইমান দিনলৈ অসমত গঢ়ি উঠা নাই বুলিলেই হয়। নামনি অসমৰ বাহিৰে আন অঞ্চলত পণ্য সামগ্ৰী বুলিবলৈ দুই এপদৰ বাহিৰে বনজ সম্পদহে আছিল।

সম্ভৱতঃ এনেবোৰ কথা আগত ৰাখিলে এশ বছৰৰো আগতে 'আসাম বন্ধু' কাকতত 'আমাৰ শিল্প' নামৰ প্ৰবন্ধত এগৰাকীয়ে লিখিছিল :

"আমাৰ দেশত যি শিল্পবিদ্যাৰ, অনুশীলন আছিল সি ভাৰতবৰ্ষৰ আন দেশৰ দৰে নহ'লেও একেবাৰে পেলনীয়া নাছিল। কঁাহৰ বাচন, মুগা-পাটৰ কাপোৰ, সোণ-ৰূপৰ কিছুমান অলঙ্কাৰ, বৰ ভাল শৰাই বা বটা প্ৰভৃতি বস্তু আমাৰ ভাল আছিল। বেপাৰ নাথাকিলে শিল্পৰ বিশেষ উন্নতি নহয়। আমাৰ দেশীয় বা বিদেশীয় বেপাৰৰ তিমান চলতি নাছিল। যি যি বস্তু হৈছিল সি দেশতেই থাকিছিল। ৰজাৰ বা বিষয়াৰ ঘৰলৈ সেইবোৰ বস্তু অধিক পৰিমাণে গৈছিল। সকলো লোকে সকলো দ্ৰব্য

ব্যৱহাৰ কৰিব নোৱাৰিছিল। সকলো কাৰ্য্যই খেলে খেলে হৈছিল। আন দেশৰ দৰে বিশেষ জাতিৰ কাৰ্য্য নাছিল। খনিকৰৰ খেলে খনিকৰৰ, সোণাৰিৰ খেলে সোণাৰিৰ কাম, কহাৰে কহাৰৰ কাম কৰিছিল। সেই খেলতে সেই কাৰ্য্য বন্ধা আছিল। এইৰূপ কাৰ্য্য কৰাৰ বাবে সেই কাৰ্য্যকাৰকবোৰে মাটি পাইছিল। তাৰ পৰিৱৰ্তে ৰজাঘৰত কাম বা বস্তু সোধাইছিল। ৰজাঘৰৰ পৰা কাম চলাবৰ কাৰণে ৰজা বা বিষয়াও নিযুক্ত আছিল। সকলো বস্তুৱেই সেই কাৰণে ৰজা বা বিষয়াৰ নিমিত্তে কৰা হৈছিল। সেই শিল্পকৰ্মৰ উন্নতি বেগৱতী নাছিল। (১১০)

ৰজাঘৰে আৰোপ কৰা প্ৰতিবন্ধকতাৰ কথা বুৰঞ্জীত পোৱা যায়:

'সেইবেলা লাখটকীয়া মুদৈয়ে ঘৰসব সজালে। ঘৰকো ভাঙিলে। তাৰোপৰা নিবন্ধ কৰিব দিলে, বোলে হিন্দুৱে এনেকৈ ঘৰ নাসাজিব খুকং ফুলচতি লগাই। এই কুকুৰচোৱা কব দিলে। সোণৰ মণি আঙঠি থুৰিয়া আদি নিপিন্ধিব। এনে ঘৰ নেসাজিব। আহমৰো যি যিমানৰ মানুহ সেইমানহে কৰিব। বঢ়া শুনিলে কাটিম। গুণা দিয়া কাপোৰ, নড়া মেখেলা যি পিন্ধে নড়া চোলা, তাক কাটিম, এই নিবন্ধ দিলে। ॥ ৮৩ ॥ (১১১) (নড়া চোলা: নড়া মেখেলা—এবিধ ফুলতোলা ধুনীয়া পুৰ্বদেশৰ পৰা আমদানি হোৱা কাপোৰ।)

ইয়ে সেই সময়ৰ ৰাজঘৰৰ দৃষ্টিভঙ্গীৰ পৰিচয় বহণ কৰে।

অসমৰ হাবিৰ আগৰকাঠ, হাতীৰ দাঁত আৰু জালুক (গোলমৰিচ) আদৰ যেনেকৈ আছিল তেনেদৰে মুগাসূতাৰ আৰু মুগাকাপোৰৰো আদৰ ভাটীদেশত মোগল যুগতো আছিল। বংগদেশৰ নবাবৰ দিনটো অসমৰ পৰা এনেবোৰ কিনাৰ বাবে সেই মুদৈসকল আগ্ৰহী আছিল।

১৫৬০ শকৰ (১৬৩৮ খ্ৰী.) ১০ ফাগুণ তাৰিখে বংগৰ শাসকৰ পক্ষৰ পৰা কাজলী মুখৰ বৰবৰুৱা চেটিয়া গোহাঁইৰ জৰীয়তে স্বৰ্গদেউলৈ 'হাট-বাট'ৰ সুচল বিচাৰি লিখিছিল:

'তোমাৰা দুইজনৰ বকিছকতে খাত্তিৰখুছি হইবেক, * * অতএব আমি তোমাৰ চাগিদ হৈলো, তুমি আমাৰ সলাহকৰ আৰু তোমাৰ দিকিৰ

বৰম্বদৈ সওদ আমাৰ মল্লুকেৰ চা-মহাজন সাউদেৰ টোল বত্তায়া খৰিদ কৰ, যে জৌখ-জোখা বস্তু লাগে সে ভগায়া পয়দা কৰ।'

লগতে কটকী ফেমলজানৰ মুখেৰে আৰ বচনে বুলিলে '৺ দেৱৰাজকে আমি বাপ টাকিলোঁ ৺ তকৈ আমাকো হাট-বাট দিয়োক। (১১২)

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে নৰায়ণপুৰলৈ এইছোৱা অসম কেতিয়াবা কোঁচ, কেতিয়াবা আহোমৰ তলত আছিল। সেই পুৰণি দৰং জিলাৰ শিঙৰিৰ ঘটনা এটা বুৰঞ্জীত এনেদৰে উল্লেখ আছে:

'সেইবেলা বঙ্গালৰ ৰতনছা নামে এক সদাগৰে শিঙৰিত আগৰ কাষ্ঠ কিনি আছে। মহাৰজাৰ আজ্ঞায়ে তাক তৈৰে পৰা হাবুং চোটিয়ায়ে খেদি পঠালে আৰু আগৰ কাষ্ঠকো কাঢ়ি ললে, বোলে কোঁচ ৰাজাক মাৰি আশ পালি। সেইমতে আমাকো ছলহে চা' আৰু সেইবেলা মহাৰাজায়ে চেংধৰাক পঠাই দিলে বঙ্গালৰ বাৰ্তাক জানিবাক প্ৰতিঃ তাক বচনেও এইখান বুলিলে, কাজলি মানে ফুৰিবিগৈ বঙ্গালক পালে নেৰিবি।" (কাজলি-কাজলীমুখ:—কপিলী আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থল।)

* * 'তাত পাচে চেংধৰা গৈ বঙ্গালৰ দুখান নাও পাই তাক মাৰিলগৈ। দুটা মানুহ কাটি তাৰ মাথা আনিলে। এই কথা বঙ্গালৰ লোকে গৈ হাজোৰ চৈয়দ বাবাকৰ প্ৰমুখ্যে যত ওমৰাও আছে তাৰ আগে সমস্ত বৃত্তান্ত ক'লে, বোলে, 'পাৎসাক লাগি যত আগৰ কাষ্ঠ কিনিলো, সমস্তে আচামে লুটিলে আৰু দুইখান নাও মাৰিলে।' (১১৩)

এনেবোৰ ঘটনা ১৬১৪ খ্ৰী.ৰ আগৰ কালৰ। তথাপিও এই কথা সঁচা যে বংগদেশ আৰু অসমৰ সীমামূৰীয়া অঞ্চলত মোগল যুগতো দুয়োপিনৰ মাজত কিছু বেহা-বেপাৰ চলিছিল—হাতীদাঁত আৰু আগৰ কাঠ প্ৰধান পণ্য সামগ্ৰী হিচাপে ভাটী, বজাৰত চাহিদা আছিল। (**Elephants tusk and Agarwood were principal articles of export during the Mogul period**) (১১৪)

Captain T. Welsh চাহাবে মোৱামৰীয়া বিদ্ৰোহ দমণ কৰাৰ বাবে তথা অজুহাত লৈ ১৭৯৩ খ্ৰী.ত অসমৰ অভ্যন্তৰত সোমাইছিল আৰু আহোম-অসম ৰাজ্যৰ বণিজ সম্ভাবনা সম্পৰ্কে এটা ধাৰণা কৰি লৈছিল।

তেওঁৰ উদ্যোগতে আহোম স্বৰ্গদেউ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত ২৮ ফেব্ৰুৱাৰী ১৭৯৩ তাৰিখে বণিজ চুক্তিখন সম্পাদন হয়। (১১৫)

ড" সূৰ্যকুমাৰ ভূঞাই তাৰে উল্লেখ কৰিছে:

Captain Welsh's treaty with Swargadeo Gourimath Singha of February 1793 aimed at a 'reciprocal and entire liberty of commerce between the subjects of Bangal and those of Assam for all the singular goods and merchandizes' and the subjects of Bengal were permitted to proceed with their boats loaded with merchandizes into Assam and to expose their goods for sale, (১১৬)

সেই সময়ৰপৰাই অসমৰ অভ্যন্তৰলৈ বংগদেশৰ যোগেদি সৰ্বভাৰতীয় আৰু ইউৰোপীয় বণিজ ব্যৱসায়ী শিপা মেলিলে। বংগদেশৰ প্ৰজা (Subjects of Bangal) মানে অকল বংগভাষী লোকেই নহয়, সুদূৰ ৰাজস্থানকে ধৰি উত্তৰ ভাৰতৰ আন ঠাইৰো ব্যৱসায় সম্প্ৰদায়ক বুজাইছিল।

গুণাভিৰাম বৰুৱাই লিখিছে: 'কাপ্তান ওৱালিশ সাহাব এই দেশলৈ অহাৰ পাছত বঙ্গালদেশে সইতে গমনাগমনৰ পথ উত্তমৰূপে মুকলি হ'ল। কমলেশ্বৰ ৰজাৰ দিনত কেয়া আৰু বঙ্গালী মানুহে এই দেশৰ কোনো কোনো ঠাইত দোকান কৰিলে। তাৰো সংখ্যা অতি কম। ভূতৰ পুতেকৰ খবৰৰ সময়ত যোড়হাট নগৰত তিনিখন দোকানহে আছিল। তাৰে দুখন পৰশুৰাম দুৱৰীয়াৰ ঘৰৰ। গুৱালপাড়াৰ সিপাৰে হাদিৰাচকীক বঙ্গালহাট বুলিছিল। উজনি আৰু ভাটীৰ যাবতীয় বেপাৰৰ বস্তু তাত একত্ৰিত হৈছিল। আৰু তাৰে বস্তু বিশেষে কৰ গ্ৰহণ কৰা হইছিল। ***তেতিয়া যিসকলে ইয়াত বেপাৰ কৰিছিল তেওঁবিলাক এনেকৈ কইছিল বোলে 'শোকোতা দি মুকুতা পাইছো।' (১১৭)
(কমলেশ্বৰ সিংহ ইং ৪।৮।১৭৯৫ চনত ৰজা হয়।)

উজনিত মোৱামৰীয়া দ্ৰোহ আৰু ভাটীত দৰঙীয়া ৰজাৰ দ্ৰোহৰ খামখুমীয়াত পৰা আহোম ৰাজত্বই নিজৰ আত্মৰক্ষাৰ বাবে ব্ৰিটিছ সৈন্যৰ সহায় ভিক্ষা কৰিছিল। ব্ৰিটিছে আহোম ৰাজত্বক সেনাবলেৰে এই দুই দ্ৰোহৰ পৰা ৰক্ষা কৰিলেও ব্ৰিটিছ শক্তিয়ে আহোম স্বৰ্গদেউৰ পৰা 'শোকোতা দি মুকুতা পোৱা' বণিজ চুক্তি আদায় কৰিলে।

এই বণিজ চুক্তিৰ (১৭৯৩ ইং চন) পিছত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বিবিধ প্ৰশ্ন পত্ৰেৰে ৱেলছ চাহাবৰ পৰা অসম সম্পৰ্কে বিভিন্ন তথ্য জানিব বিচাৰিছিল। ইয়াৰ উত্তৰ সমন্বিত যি প্ৰতিবেদন ৱেলছ চাহাবে পঠালে সিয়ে **Welsh Report** (ইং ১৭৯৪ চন) বুলি জনাজাত।

ইয়াত ৱেলছে লিখিছে যে বিস্তৰ সম্ভাবনা থকা সত্বেও ৰজাঘৰে আৰোপ কৰা প্ৰতিবন্ধকতাৰ ফলত বণিজ আগবঢ়াব নোৱাৰে। "Commerce could never have been very considerable in Assam, under the discouraging restraints imposed by a Government particularly jealous of strangers." অসমৰ পণ্য সামগ্ৰী সম্পৰ্কে ৱেলছে প্ৰতিবেদনত কৈছিল : (১১৮)

The Merchantable produce of Assam may be considered at more length under three heads of vegetable, mineral and animal productions.

sugarcane thrives in every part of Assam. The cane is best quality affords a granulated sugar, on experiment superior to the cane of Rongpare. The native convert the juice into a substane (ghoor) unfit for granulation, and of little consequence as an article of export. But in respect to this article it may be confidently asserted that proper encouragement would render it very valuable.

Peper vine is cultivated in Kamroop, Derungh, Bassadoyungh In larger quantity, Bisswenath and other provinces of the kingdom possibly, in no great abundance anywhere although the soil in many parts would seem extremely favoureble to its cultivation.

Mustard seed : The plant is cultivated in great abundance. The seed and oil are articles of export, the latter, of universal consumption, within the kingdom.

* * *

Tobacco was procured in luxuriance in the lower provinces and of a superior quality in the higher. It was formerly an article of export.

Sooparee was produced in great quantity everywhere. The consumption among the inhabitants was enormous yet was an articleof export.

Ginger is produced everywhere in abundance.

Rice was and is, produced in very great abundance. It is asserted positively that a scarcity has never been known to happen from natural causes. The nature of the seasons in Assam confirms the assertion. It might prove an invaluable export in times of famine in Bengal.

Animal production: Lac. The quality usually exported in favourable times, has not been Ascertained, but we may presume, that it was not very inconsiderable from the actual produce which we have lately observed.

Moongah silk seems to offer a most valuable and extensive article of export with proper encouragement, as the several trees on which the worm feeds, were cultivated in the utmost profusion, throughout the whole extent of the kingdom, with few exceptions. A coarser kind of silk is produced by worms which feed on the castor oil trees.

Elephants teeth have always been an article of export and in the present desolated condition of the country might be procured in any quantity. † † †

ৱেলছে বণিজ যোগাযোগৰ ক্ষেত্ৰত আৰু লক্ষ্য কৰিছিল যে,

Commercial intercourse is much faciliated by the number of navigable streams, which intersects Assam in every direction, espscially in the seasons of the rains, including a period of seven or eight months some of those flow from the mountains on the northern and southern confines. *

অৰ্থাৎ লা, মুগা, হাতীদাঁত, সৰিয়হ, জালুক আদি বিভিন্ন পণ্যৰ উৎপাদনৰ আৰু অসংখ্য নাও চলা নদীপথ বা বণিজ সম্ভাৱনা থকা সত্বেও আহোম অসমত শিল্প উৎপাদন আৰু বণিজৰ অন্তৰ্গাঠনি (Infrastructure) এটা গঢ়ি উঠাৰ বাধা আছিল সেই সময়ৰ সমাজ ব্যৱস্থা আৰু ৰাজঘৰীয়া প্ৰতিবন্ধকতা।

* The North East Frontier of India: A Mackenzie, (First published 1884 entitled "History of the Relations of the Goverment with the Hill tribes of the North-East Frouteer of Bengal.) reprinted by Mittal publishers' Distributors—1981.—P. 377-389.

সকলো প্ৰাকৃতিক সা-সুবিধা সম্ভাৱনা থকা সত্বেও সমাজ পদ্ধতি বা সমাজ ব্যৱস্থাৰ মাজত বাণিজ্যৰ অনুকূল অন্তৰ্গাঠনি নাথাকিলে বণিজৰ বিকাশ নহয়। বণিজৰ বিকাশ অবিহনে সামন্তবাদী অৰ্ধপুঁজিবাদী কিম্বা পুঁজিবাদী সমাজতো শিল্পোদ্যোগ তথা উৎপাদন পদ্ধতিৰো বিকাশ হ'ব নোৱাৰে।

আহোম-অসমত উল্লেখযোগ্য বণিক সম্প্ৰদায় এটা গঢ়ি নুঠাৰ কাৰণো সেয়ে। বৰ্ণ বিভাজিত হিন্দু সমাজত থকা জাতি-প্ৰথাই 'জাতি'ৰ ভিত্তিত বৃত্তিয়াল শ্ৰেণী কিছুমানৰ সৃষ্টি কৰিছিল। এনেবোৰে বণিজ ব্যৱস্থাত প্ৰতিবন্ধকতা নকৰি বহু ক্ষেত্ৰত অনুকূল পৰিবেশৰহে সৃষ্টি কৰিছিল। তেনেদৰে বণিজ নিৰ্ভৰ সম্প্ৰদায় এটাও তেনে সমাজত সৃষ্টি হৈছিল। মুছলমানী সমাজ ব্যৱস্থাত জাতিপ্ৰথা নাথাকিলেও পণ্য উৎপাদনকাৰীসকলৰ লগত বণিক শ্ৰেণীৰ সহযোগিতাৰ ক্ষেত্ৰত বজাঘৰ বা সমাজে উৎসাহ দিছিল। শ্ৰেষ্ঠী, সদাগৰ আদি বণিক শ্ৰেণীয়ে সেয়ে ভাৰতৰ আন ঠাইৰ সমাজত মৰ্য্যাদাৰ আসন পাইছিল।

কোঁচ-মোগল-আহোম এই তিনিও ৰাজশক্তিৰ দ্বাৰা সময়ে সময়ে শাসিত নামনি অসমৰ সামাজিক পদ্ধতি, সমাজ ব্যৱস্থা বা সমাজ বৈশিষ্ট্যৰ কথা ইয়াৰ আগতে অন্য এক প্ৰসংগত আলোচিত হৈছে। ই উজনিখণ্ডৰ আহোম-অসমতকৈ এনেবোৰ বিষয়ত ভিন্ন যে আছিল তাকো চৰ্চা কৰা হৈছে।

স্বাভাবিকতে এই সন্দৰ্ভত অসমৰ মুগাসূতা আৰু কাপোৰ উৎপাদনকাৰী শুৱালকুছিৰ কথা মনলৈ আহে। শুৱালকুছি সম্পৰ্কে বুৰঞ্জী পুথিত উল্লেখ আছে। (বক্তব্যবোৰৰ এটাৰ স'তে আনটোৰ অমিলো আছে।) ১৬৩৩ খ্ৰী.ৰ এটা ঘটনা সম্পৰ্কে এখন বুৰঞ্জীত আছে :

'তাতে পাছে লাম্বাখৰু চেটিয়াক ৺ত গোচৰ দিলে, নিদানৰ বেলা বঙ্গালে পেৰা ভিতৰ কৰি কাপৰেৰে ঢাকি মহাৰাজালৈ পাৎসা কিবা দি পঠালে, তাক মহাৰাজা পালে কি নাপালে আমি নেজানিলোঁ। আৰু শুৱালকুছিয়া ১৬০ ঘৰ তাঁতীয়ে পাৎসালৈ কাপৰ বৈছিলে, তাকো লুট কৰি

দক্ষিণ কোলত পাতিলেনি, পাৎসাৰ কাপৰ আপুনি ৰাখিলে। মহাৰাজাৰ ৰাজ্যত নেকি ঠায়ে নাটিলে? এই কথাত লাম্মাখৰু চেটিয়াক মাৰিলে। বৰবৰুৱা, গণকৰ বৰুৱাক বন্দী কৰিলে, ১৫৫৮ শক। (১১৯)

আন এখন বুৰঞ্জীত এনেদৰে পোৱা যায়:

পাছে মোমাই তামুলীক বৰবৰুৱা পাতিলে। তাৰেপৰা বৰবৰুৱা নামে বিষয়া হ'ল। এওঁ বৰবৰুৱাই বচাদেয়াঙ্গ ও নগাঁও প্ৰভৃতি মানুহবোৰক নিবন্ধ কৰি জাতি জাতি খেল খেল কৰি গাঁও বা চুবুৰী কৰি পাতিলে ও কামৰূপতো দক্ষিণপাৰৰ পৰা আৰু আন ঠাইৰো তাঁতীসকলক নি শুৱালকুছিত পাতিলে। আৰু তেলী-সকলকো আন আন ঠাইৰ পৰা আনি ৰামদিয়াত পাতিলে। (১২০) ই হ'ল স্বৰ্গদেউ চুচেনফাৰ (১৬১১—৪৯ খ্ৰী.) দিনৰ কথা।

চৰিত পুথিসমূহতো নামনি অসমত তাঁতী থকাৰ কথা পোৱা যায় শ্ৰীশ্ৰীমাধৱদেৱৰ মুখ্য শিষ্য মথুৰাদাস বুঢ়াআতা 'তাঁতী'বিলাকৰ 'মোড়ল' তথা 'মৰল' বা 'মুখীয়াল' আছিল।

নামনি অঞ্চলত বেহা-বেপাৰ কৰি জীৱিকা অৰ্জন কৰা লোকৰ কথাও চৰিত পুথিত পোৱা যায়। শ্ৰীমন্ত শঙ্কৰদেৱৰ অন্যতম প্ৰধান শিষ্য ভবানন্দ (নাৰায়ণদাস ঠাকুৰ) আতাই বেহা কৰাৰ কথা তাত উল্লেখ আছে:

'আৰু নাঞ বেহা ধৰিলে। কালিৰামঃ ধৰমঃ ৰামধনঃ ভবানন্দ (অন্য এক নামৰ এজন): বঙ্গঃ আতা (নাৰায়ণদাস ঠাকুৰ আতা): বাকলিপো ৰামে সৈতে সাতজনে বেহা বণিজ কৰে চাৰিওদ্বাৰে' (এই চাৰিও দুৱাৰে অৰ্থাৎ সীমাৰ কথা উল্লেখ আছে) "অচম, গাৰো ভোট আৰু বঙাল ৰাজ্য"। অৰ্থাৎ বণিজক্ষেত্ৰ আছিল পূবে অহোম ৰাজ্য, উত্তৰে ভোট, দক্ষিণে গাৰোপাহাৰ আৰু পশ্চিমে বঙ্গদেশ। (১২১)

সেই সময়ত কামৰূপ তথা নামনি অসম কোঁচৰজাৰ অধীনত আছিল। আমি আগতে বঙ্গদেশৰ 'ছা' বা 'চা' উপাধিৰ বণিকৰ কথা বুৰঞ্জী পুথিত পাইছো। প্ৰাচীন কামৰূপ ৰাজ্য বা কোঁচৰাজ্য এলেকাত এনে জাতিৰ মানুহ থকাৰ কথা গুণাভিৰাম বৰুৱাইয়ো কৈ গৈছে।

'চৌলমাৰীত ৰজা আৰু বুঢ়াগোহাঁই আৰু আন ডাঙৰীয়া আৰু অনেক লোক ভাগি আছিল। (মান পলনিৰ সময়ত) সেইবিলাক গৈ 'তাতে থাকিল। তাতে কালিকান্ত চাহা আৰু ৰমাকান্ত চাহা নামৰ এঘৰ সাউ বা শুৰি জাতিৰ মানুহ আছিল। সিহঁতৰ যোগীঘোপাত গোলা আছিল আৰু তুৰবীয়া ঘৰে সৈতে কাৰবাৰ আছিল। এই আপাহতে কালিকান্ত আৰু ৰমাকান্ত চাহাহঁতে এওঁবিলাকৰ বৰ যতন কৰিছিল। (১১২)

এনে 'চাহা'সকল সম্পৰ্কে ১৯১১ চনৰ জনগণনাৰ ৰিপোৰ্টত কোৱা আছে ঃ

'Shaha is the great trading caste of Bengal. They are indigenous in Sylhet which contained 67 percent of the total, most of the rest are in Kamrup and represent the Assamese caste Sau. (১২৩)

নামনি অসমৰ এলেকাত যে বণিজ নিৰ্ভৰ 'জাতি' বা গোষ্ঠী আছিল সেই কথা নিঃসন্দেহে ক'ব পাৰি। বৰপেটা, শুৱালকুছি, হাজো-শুৱালকুছিৰ দক্ষিণপাৰ, সৰ্থেবাৰীৰ ওচৰে পাজৰে এনেবোৰে বেহা-বেপাৰত প্ৰবৃত্ত আছিল।

১৭৯৩ খ্ৰী.ৰ বণিজ চুক্তিয়ে সমগ্ৰ অসমৰ বিশেষকৈ নামনি অসমত বণিজৰ কাৰ্য্যকলাপ বৃদ্ধি কৰিছিল। অকল বেহা-বেপাৰেই নহয় শিল্পৰ বিকাশৰো ই কাৰণ হৈছিল। শুৱালকুছি আৰু তাৰ ওচৰে-পাজৰে তাঁত-শিল্প (মুগা আৰু এড়ি) সৰ্থেবাৰীত কাঁহশিল্প, হাজোত পিতলৰ শিল্প আগৰেপৰা থাকিলেও বাণিজ্যৰ বৃদ্ধিয়ে তাত সাৰপানী যোগাইছিল।

ফ্ৰেন্সিছ হেমিল্টনে ১৯০৮ চনত লক্ষ্য কৰিছিল ঃ

The coppersmiths are mostly Kalitas. They furnish the metal, but none of them have a capital of more than a hundred rupees. They are reckoned by the Bangalese very skilful in working in bellmetal, so that some is sent to Bengal although all the copper come through that country. (১২৪)

(বংগদেশৰ পৰাহে অসমলৈ তাম আহিছিল যদিও অসমৰ কহাৰ-

সকলৰ কামে বঙ্গদেশত আদৰ পাইছিল। এই কহাৰবোৰৰ কাৰো এশ টকাতকৈ সৰহ পুঁজি নাছিল। এইসকল কলিতা আছিল।)

নামনি অসমত বেহা-বেপাৰৰ বাবে জলপথৰ ব্যৱস্থা অতি সুচল আছিল। মূল নদী ব্ৰহ্মপুত্ৰৰ বহু উপনদী উত্তৰৰ ভূটান পৰ্বতৰ নামনি আৰু দক্ষিণৰ গাৰোপাহাৰৰ নামনিলৈ নাও চলাচলৰ উপযোগী (বিশেষকৈ বাৰিষা কালত) আছিল। সেইবোৰেদি বেহা-বেপাৰ চলিছিল। আগত উল্লেখ কৰা হৈছে যে এই ক্ষেত্ৰত কামৰূপত ১৮৯৭ খ্ৰী. ভূমিকম্পত মৰি যোৱা চাউলখোৱা নদীৰ কথা উল্লেখযোগ্য: উত্তৰ কামৰূপৰ প্ৰায় কেইখন উপনদীয়ে চাউলখোৱাত পৰিছিল।, চাউলখোৱা গৈ হাদিৰাচকীৰ ওচৰৰ গোৱালপাৰা-কামৰূপৰ সীমাত—ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে গোৱাল-পাৰাৰ বিপৰীতে মানাহ নদীৰ লগ লাগি ব্ৰহ্মপুত্ৰত পৰিছিল। নাৱেৰে কৰা ব্যৱসায়ৰ অন্যতম কেন্দ্ৰ বৰপেটা এই চাউলখোৱাৰ পাৰত অৱস্থিত। বৰপেটা নাও সজোৱা শিল্পৰ বাবে খ্যাত আছিল।

কমাৰ, কহাৰ, কুমাৰ, হীৰা, বনিয়া (সোণাৰী) বাঢ়ৈ আদি বিভিন্ন শিল্পৰ কাৰিকৰ অতীজৰে পৰা থকা বৰপেটা অঞ্চলত এনেবোৰ শিল্প-সৃষ্ট বস্তু নাৱেৰে লৈ গৈ ধান, সৰিয়হ আদি সলোৱা বিনিময় প্ৰথাই নাওবেহাৰ আদি বুলিব পাৰি। এনে বেহা-বেপাৰ আদিৰে পৰা পৰম্পৰাগত আছিল। পূৰ্ববঙ্গ আৰু বৰপেটাৰ মাজত নাৱৰ বেপাৰ পোন-পটীয়াকৈ চলিছিল। পূৰ্ববঙ্গৰ পৰা ভাচানীয়া বেপাৰীয়ে অন্য সামগ্ৰীৰ ভিতৰত লোণ, নাৰিকল, আন আন বেলেগ সামগ্ৰী আনিছিল আৰু ইয়াৰপৰা ধান সৰিয়হ আদি লৈ গৈছিল। এনে বেপাৰী মহাজনসকলৰ মাজেৰে যোগাযোগ যথেষ্ট আছিল। এনে বণিজ প্ৰক্ৰিয়াৰ মাজত দালাল শ্ৰেণী এটাৰো সৃষ্টি হৈছিল। এনে বণিজ দেশ বিভাজনৰ (ইং ১৯৪৭ চন) আগলৈকে আছিল।

Imperial Gazetteer 1904 ত অসমৰ দুখন ঠাই গুৱালকুছি আৰু বৰপেটাক বণিজপ্ৰধান বুলি উল্লেখ কৰা আছে। এই দুই ঠাইৰ সমাজ ইতিহাস আদি বিশেষভাবে গৱেষণা কৰাৰ থল আছে। এই দুইখন

ঠাইৰেই নাৱৰে বেহাবেপাৰ কৰা আৰু বেপাৰী মহাজন অসমখ্যাত আছিল। (এই প্ৰসংগতে বৰপেটা আৰু শুৱালকুছিৰ 'হাটীয়াৰ পুঁজি' আৰু 'তোলৰ পুঁজি' সম্পৰ্কে এটা টোকা পৰিশিষ্টত দিয়া হৈছে।) বেপাৰীবিলাকক তথা ক্ষুদ্ৰ শিল্পৰ কাৰিগৰ সকলক লগা পুঁজিৰ যোগান মহাজনবোৰে দিয়াৰ উপৰিও আজি-কালিৰ credit socicty বা ঋণ সমবায়ৰ লেখীয়া পুঁজিযোগান দিয়া সংগঠন 'হাটীয়াৰ পুঁজি, বা 'তোলৰ পুঁজি, কেবাশও বছৰ আগৰ পৰাই বৰপেটা আৰু শুৱালকুছিত আছিল। বৰপেটাৰ হাটী সংগঠন শ্ৰীমাধৱদেৱৰ শিষ্য, বৰপেটা সত্ৰৰ প্ৰথম সত্ৰীয়া (যাৰ পোনতে জীৱিকা-বৃত্তি তাঁতী আছিল) শ্ৰীমথুৰাদাস বুঢ়াআতাৰ দিনৰে পৰা থকা বুলি কোৱা হয়।

থাওকতে ক'বলৈ গ'লে বাণিজ্যিক অন্তৰ্গাঠনি আহোম-অসমৰ আন ঠাইত প্ৰায় নাছিল আৰু তাৰ বিপৰীতে নামনি অসমৰ বিশেষ পৰিস্থিতিত ই আছিল।

কিন্তু এইকথা মন কৰিব লাগিব যে ইং ১৭৯৩ চনৰ বণিজ চুক্তিৰ পিছত আৰু বিশেষকৈ ইং ১৮২৬ চনৰ পিছত বংগদেশৰ পৰা অহা বিভিন্ন ভাষী, বিভিন্ন জাতিৰ বণিকৰ সোঁত অসমত সোমাল। সেই সকলে অসমৰ প্ৰায় সকলোপিনে বণিজ ক্ষেত্ৰ অধিকাৰ কৰিলে।

ইয়াৰ কাৰণ হিচাপে উল্লেখ কৰিব পাৰি যে নামনি অসমত বাদে সমগ্ৰ আহোম অসমত থলুৱা বণিকগোষ্ঠী বা ব্যৱসায়ী শ্ৰেণী প্ৰায়েই নাছিল। নামনি অসমৰ থলুৱা বণিকগোষ্ঠীবো ব্যৱসায়ী মূলধন অতি তাকৰীয়া আছিল। আহোম ৰজাঘৰীয়া পৃষ্ঠপোষকতা যে নাছিল সেই কথা আগতেই আলোচনা কৰা হৈছে। আমদানী-ৰপ্তানীৰ ক্ষেত্ৰত যিবোৰ পণ্য আমদানী কৰা হৈছিল (যথা, লোণ, লো ধাতুদ্ৰব্য, মাৰ্কিন কাপোৰ আদি) সিবোৰ আছিল নিত্য প্ৰয়োজনীয়। এইবোৰৰ চাহিদা বৃদ্ধি পাইছিল। ৰপ্তানীৰ সামগ্ৰীবোৰ প্ৰায়েই আছিল—কেঁচামাল (সৰিয়হ আৰু মূগাসূতাৰ বাহিৰে)—বনসম্পদ জাতীয়। ইবোৰ কাৰণত বহিৰাগত বেপাৰীৰ লগত

ফেৰ মৰাৰ সামৰ্থ্য থলুৱা বেপাৰীৰ নাছিল। কবলৈ গ'লে—থলুৱা বেপাৰীয়ে বহিৰাগত বেপাৰীৰ পালি হিচাপেহে বেপাৰ কৰিব লগীয়া হৈছিল।

মনত ৰখা প্ৰয়োজন যে বহিৰাগত (পশ্চিম সীমাইদি অহা) বণিকসকলৰ সতে য়ুৰোপীয় বণিকসকলৰ সংযোগ সহযোগিতা আছিল।

বৃটিছ শাসনৰ পিছত উনৈশ শতিকাৰ মাজভাগৰ পৰা চাহবাগিছা-বোৰ দুই-এখনকৈ বাঢ়িবলৈ ধৰিলে। কুৰি শতিকাৰ আৰম্ভণিৰ লগে লগে তালৈ অসমৰ বাহিৰৰ পৰা বনুৱা প্ৰব্ৰজন হ'ল। এই চাহ বনুৱা-সকলে মাথোন মজুৰিহে পাইছিল। চাহবাগিছাৰ লগত জড়িত ধন-কড়িৰ লেনদেন আদিও বাঢ়িবলৈ ধৰিলে। অৰ্থাৎ বণিজৰ ক্ষেত্ৰ বাঢ়িল। এনে বণিজ ক্ষেত্ৰলৈ বাহিৰৰ পৰা ব্যৱসায়ী আহিল ; কাৰণ তাৰ বাহিৰে আন একো গত্যন্তৰ নাছিল, নামনি অসমৰ পৰা কিছুসংখ্যক বেপাৰী, বা ব্যৱসায়ী উজনিলৈ গৈ থিতাপি লাগিছিল সঁচা, কিন্তু তেওঁলোক সংখ্যাত যিদৰে কম, তেনেদৰে পুঁজিৰ ক্ষেত্ৰতো দুৰ্বল আছিল।

আহোম-অসম ব্ৰিটিছে অধিকাৰ কৰাৰ পিছত আৰু বিশেষকৈ চাহ, কয়লা, তেল আদি শিল্প ব্ৰিটিছ পুঁজিয়ে দখল কৰি লোৱাত জাহাজ পৰি-বহণ আৰু ৰেলপথ বিস্তাৰ হোৱাৰ পিছত অৰ্থনীতি আৰু বণিজৰ ক্ষেত্ৰ আগতে কল্পনা কৰিব নোৱাৰা ধৰণে সম্প্ৰসাৰিত হ'ল, আৰু তাৰ লগে লগে অসমৰ বাহিৰৰ পৰা বেপাৰী বণিক আদিয়ে অসম ভৰি পৰিল।

উনবিংশ শতিকাৰ মধ্যভাগত বৃটিছ চৰকাৰ আৰু য়ুৰোপীয় ব্যৱসায়ীৰ সহযোগী হিচাপে অলপসংখ্যক অসমীয়া মধ্যবিত্তই উজনি অসমত চাহৰ খেতিত লাগিল। কিন্তু এনে চাহখেতি বা চাহৰ ব্যৱসায়ৰ পূৰ্ণ নিয়ন্ত্ৰণ অনাভাৰতীয় বিদেশী বণিক পুঁজিপতিৰ হাতত আছিল। কিছুমানে বৃটিছ ব্যৱসায়ীৰ পালি হিচাপে কাঠৰ কাৰবাৰৰ চেষ্টা কৰিছিল।

উনবিংশ শতিকাৰ শেষৰপৰা কানিৰ বা আবকাৰী (গাজা, মদ আদিৰ) দোকানৰ অনুমতি চৰকাৰৰ পৰা পাই কিছুসংখ্যক উদীয়মান মধ্যবিত্তই বিত্তশালী হোৱাৰ দৃষ্টান্তও আছে। চাহবাগিছা খোলাৰ প্ৰচেষ্টা, কপাহৰ গুটি গুচোৱা কল স্থাপনৰ প্ৰচেষ্টা আদিও নামনি অসমত কিছুসংখ্যক

উদীয়মান নিম্ন মধ্যবিত্তই উনৈশ শতিকাৰ শেষাৰ্দ্ধত কৰা দেখা যায়। গাৰোপাহাৰ, খাচীপাহাৰ এলেকাত তথা কামৰূপ আৰু গোৱালপাৰাৰ দক্ষিণ সীমাৰ বনাঞ্চলত কাঠ কাটি কাঠৰ ব্যৱসায় কৰাৰ বাবেও বহুতে চেষ্টা কৰিছিল ; কিন্তু তেওঁলোকৰ মূলধন কম, পাকৈত থলুৱা বনুৱা শ্ৰেণীৰ অভাৱ, সেইবোৰ অঞ্চলৰ অতি অস্বাস্থ্যকৰ পৰিবেশ, কলাজ্বৰ আদিৰ প্ৰকোপত লোকচান ভৰি সেইবোৰ এৰিবলগীয়া হয়। অৱশ্যে অতি কম পৰিসৰত কাঠৰ ব্যৱসায় দক্ষিণ কামৰূপ অঞ্চলত কিছুমানে কৰি আছিল। জংঘলী হাতী ধৰা ব্যৱসায়তো গৌৰীপুৰৰ জমিদাৰকে ধৰি অলপ সংখ্যক লোকে লিপ্ত আছিল। কাঠৰ ব্যৱসায় আৰু হাতীধৰা ব্যৱসায় অতিশয় কষ্টকৰ হোৱাত ইয়াৰ প্ৰাথমিক পৰ্য্যায়ত অসমৰ বাহিৰৰ পৰা অহা ব্যৱসায়ীয়ে অঁগভাগ লোৱা নাছিল। কম মূলধনৰ কাঠৰ প্ৰাথমিক ব্যৱসায়ত গোৱালপাৰাৰ জনজাতীয় উদীয়মান কিছুমান নিম্ন মধ্যবিত্তই ভাগ লৈছিল। শেষত তেওঁলোকেও অপেক্ষাকৃত ধনবান ব্যৱসায়ীৰ প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হয়। উত্তৰ গোৱালপাৰাৰ পিছৰ যুগৰ কেবাগৰাকীও জনজাতীয় শিক্ষিত নেতাৰ পৰিয়ালৰ আৰ্থিক সংগতিৰ ভিত্তিও আছিল এনে কাঠৰ ব্যৱসায়।

ইং ১৯২৮ চনৰ ৩০ ডিচেম্বৰ তাৰিখে চাইমন কমিছনৰ আগত বড়ো যুবক সন্মিলনীৰ পক্ষৰপৰা দাখিল কৰা প্ৰতিবেদনত কোৱা হৈছিল ঃ

I. That the Bodos have all along traded in timber grown in their district by taking lease of the same. But for some years past the Forest Mahal is put upto auction and outsiders of the district bid that at fabulous price and it is not possible for the Bodos to compete with them. The Bodos have thus going to lose their right of trading in timber of their district and thus to be deprived of a great source of income, which are now being captured by the outsiders of the district. That the old system of leasing out of the Forest Mahal should be introduced again and thus the Bodos should be given again the right of trading in timber of the forests of the district. (১২৫)

সৰহীয়া মূলধনৰ ব্যবসায়ৰ লগত তাকৰীয়া মূলধনৰ ব্যবসায়ে ফেৰ মাৰিব নোৱাৰে। এই কথা বড়ো কাঠব্যবসায়ী সকলৰ ক্ষেত্ৰত প্ৰযোজ্য।

বেহা-বেপাৰ আৰু বণিজমুখী উৎপাদনৰ লগত যাতায়ত সংযোগ ব্যৱস্থাৰো নিবিড় সম্পৰ্ক আছে। খ্ৰী ১৮৯৭ চনৰ প্ৰবল ভূঁইকঁপত উত্তৰ কামৰূপৰ যোগাযোগ ব্যৱস্থা ব্যাহত হ'ল। উত্তৰ কামৰূপৰ ধমনীস্বৰূপ চাউলখোৱা নদী মৰিল। ব্ৰহ্মপুত্ৰৰ ওচৰৰ আৰু বিভিন্ন ঠাইৰ মাটি কেবাফুট দলৈ বহি গ'ল। এনে জনবহুল ঠাইবোৰ বাসোপযোগী নোহোৱা হৈ পৰিল আৰু তাৰপৰা বহুতো পুৰণি বসতি উঠি গ'ল। ইয়াৰ দ্বাৰা অৰ্থনীতি আৰু উৎপাদনৰ (কৃষি) ক্ষেত্ৰত প্ৰভূত ক্ষতি হ'ল।

সেই সময়ত উত্তৰ কামৰূপত ৰেললাইন হোৱা নাছিল। ইং ১৯০২ চনতহে কলিকতা আৰু ধুবুৰীৰ মাজত ৰেলসংযোগ হয়। কেবাবছৰৰ পিছত ইং ১৯০৯—১০ চনত আমিনগাঁৱলৈ এই ৰেলসংযোগ সম্প্ৰসাৰিত হয়। ৰেল বাবস্থা নোহোৱালৈকে নামনি অসমৰ বণিজ ব্যৱস্থাৰ যোগাযোগৰ মাধ্যম আছিল জলপথ আৰু সেয়ে নাৱৰেহে বেহা-বেপাৰ ভালদৰে চলিছিল।

উত্তৰ কামৰূপৰ মাজেৰে ৰেলপথ স্থাপন হোৱাৰ পিছত প্ৰায়বোৰ ৰেলষ্টেচনেই বণিজকেন্দ্ৰ হৈ পৰে। প্ৰায় সকলো ৰেলষ্টেচনতেই ধানকল স্থাপিত হয়। ধানৰ বেহা-বেপাৰ বঢ়াৰ লগতে ধানৰ দামো বাঢ়িবলৈ লয়। তামোল আদিও বাহিৰলৈ চালান যাবলৈ ধৰে। ইবোৰত পালি-ব্যৱসায়ী হিচাপে এচাম থলুৱা সৰু শ্ৰেণীৰ বেপাৰী লিপ্ত হলেও মূলতঃ ইবোৰৰ মহাজন আছিল অসমৰ বাহিৰৰ সৰহীয়া পুঁজিৰ মহাজন। কিন্তু এনেদৰে কিছুমান অৰ্ধনগৰ বা নগৰ সৃষ্টি হ'বলৈ ধৰে।

আমি আগতেই উল্লেখ কৰিছো যে ব্ৰিটিছ শাসন আৰম্ভ হোৱাৰ লগে লগে মহাজনী কাৰবাৰ প্ৰথা গাঁৱে-ভূঁএে সোমাই পৰিছিল আৰু ফলত বহুতো প্ৰজা খেতিয়কৰ মাটি মহাজনৰ গৰাহত পৰিছিল। এনে মহাজনবোৰ মূলতঃ কেঞা আছিল। লগতে কিছুসংখ্যক থলুৱা বেপাৰীও আছিল। ধানৰ দাম বঢ়াৰ লগে লগে মাটি কিনি ধন নিয়োগ কৰাৰ প্ৰক্ৰিয়া দ্ৰুততৰ হ'বলৈ ধৰে। চাকৰিয়ালৰ উদ্বৃত্ত ধন, বেপাৰী মহাজনৰ পুঁজি বৰ্ধিত হাৰত এনেদৰে বিনিয়োগ হবলৈ ধৰে। এই মাটি প্ৰজা খেতিয়কক খেতি

কৰিবলৈ দি, পোৱা আধি বা চুকানিৰ ধানৰ দাম আন বিনিয়োগতকৈ লাভদায়ক হবলৈ ধৰে।

নামনি অসমৰ মধ্যবিত্তৰ আৰ্থিক ভিত্তি বহুলাংশে এনে ধৰণৰ বিনিয়োগৰ পৰাই গঠিত হৈছিল।

কুৰি শতিকাৰ আৰম্ভণিৰে পৰা বৃটিছ চৰকাৰৰ নীতি অনুসৰি অসমৰ পতিত মাটিত পূৰ্ববংগৰ খেতিয়ক আহি বহিবলৈ ধৰে। এনে খেতিয়ক-বোৰে ধান-মাহতকৈয়ো মৰাপাট, সৰিয়হ আদি বণিজমুখী শস্য উৎপাদনত গুৰুত্ব দিছিল। এওঁলোকৰ লগে লগে অকল চাহা বেপাৰীয়ে নহয়— নতুন নতুন বণিজ কেন্দ্ৰ স্থাপিত হোৱাত ৰাজস্থানী কেঞা আদিও আহে। এনে ব্যৱসায়ত থলুৱা বেপাৰীৰ সংখ্যা বৰ কম আছিল।

মৰাপাট বা আন বণিজশস্যৰ খেতিয়কসকলে পোনতে পতিত পিতনিত মাটি লৈছিল আৰু বণিজপণ্য মৰাপাট (মৰাপাট বিলাতলৈ নি বা ইদেশত মৰাপাটৰ কাপোৰ আদি তৈয়াৰ কৰাৰ বেপাৰ সমগ্ৰ বিশ্বতে বৃটিছৰ একচেটীয়া আছিল) উৎপাদক সকলে নামনি অসমৰ থলুৱা মহাজন আনকি আগতে উল্লেখ কৰা হাটীয়াৰ পুঁজিৰ ধনো সুদলৈ ধাৰে লৈছিল।

যাতায়াত ব্যৱস্থা সুচল হ'বলৈ ধৰাত বিশেষকৈ ৰেললাইন হোৱাৰ পিচত নামনি অসমত বহু ঠাইৰ বিল, নদী আদিৰ মাছৰ,—শুকান মাছৰ ব্যৱসায় বাঢ়িবলৈ ধৰে। এনে শুকান মাছ, পুৰণি, কালত ওচৰৰ ভূটান বা গাৰোপাহাৰ আদিলৈ কম পৰিমাণে চালান গৈছিল। পিছত দূৰৈৰ ঠাইলৈকেও চালান হ'বলৈ ধৰে। বিল বা নদী মহলবোৰ ডাকি লোৱা ইজাৰদাৰসকলক মহাজনবোৰে ধন যোগান ধৰা বা এনে ব্যৱসায়ত আনে ধন বিনিয়োগ কৰাও কিছু পৰিমাণে দেখা যায়। ই লাভদায়ক ব্যৱসায় আছিল। ইয়াত কাম কৰিবলৈকে সময়ে সময়ে বিহাৰ আদি ঠাইৰ পৰা বিশেষ বনুৱা শ্ৰেণীও অনোৱা হৈছিল।

মুঠতে দ্বিতীয় মহাযুদ্ধৰ আগলৈকে নামনি অসমৰ বণিজ প্ৰক্ৰিয়াৰ প্ৰতিচ্ছবি আছিল এনেকুৱা।

পৰিবহণ প্ৰব্ৰজণ আদি

কেবাশ বছৰীয়া কমতা, কোঁচ, ৰাজত্ব, ছশ বছৰীয়া আহোম ৰাজত্ব আৰু ছ'কুৰি বছৰীয়া বৃটিছ ৰাজত্বত অসমৰ (নামনি আৰু উজনি) সমাজ জীৱনলৈ যিমান আৰু যিটো গতিত পৰিবৰ্তন আহিছিল—তাতোকৈ দ্ৰুতগতিত সংখ্যাগত আৰু গুণগত পৰিবৰ্তন ঘটিল কুৰি শতিকাৰ দোকমোকালিৰ পৰা। উনৈশ শতিকাৰ শেষৰ দশকটোৰ পৰা আৰ্থ-সামাজিক, ৰাজনৈতিক, জনগাঠনিৰ ক্ষেত্ৰত এনে পৰিবৰ্তন হৈছিল।

আৰ্থ-সামাজিক ক্ষেত্ৰত দেখা গৈছিল যে ঔপনিবেশিক শাসকসকলে ঔপনিবেশিক বণিজৰ ক্ষেত্ৰতো নিজৰ খোপনি দৃঢ় কৰিব ধৰিলে। আগৰ কালৰ শাসকসকলে মাথোন শাসনকেই কৰিছিল, বণিজৰ মাজেদি শোষণ কৰা বা ঔপনিবেশিক স্বাৰ্থত বণিজ ব্যৱস্থা তথা অৰ্থ ব্যৱস্থাৰ মাজেদি সমগ্ৰ সমাজখনৰ অৰ্থনীতিক হাতৰ মুঠিত ৰখাৰ অভিসন্ধি নাছিল। অৰ্থাৎ ঔপনিবেশিক বৃটিছ শাসনে সকলো দিশতে সকলোপিনে সৰ্ব্বাত্মকভাবে সমাজত প্ৰভাৱ বিস্তাৰ কৰিবলৈ লৈছিল ; এক দীৰ্ঘম্যাদী আঁচনিৰ মাজেদি। আগৰ অৰ্ধ সামন্তধৰ্মী, সামন্তবাদী শাসকৰ সৈতে বৃটিছ ঔপনিবেশিক শাসনৰ পাৰ্থক্য এইখিনিতেই। ইবোৰৰ ফলত সমাজৰ গতি এটা নতুন দিশৰ প্ৰতি ধাবিত হৈছিল। আমি আধুনিক যুগ বুলিলে তাকেই বুজোহঁক।

বহিৰ্বিশ্বৰ ধ্যান-ধাৰণা আৰু অৱস্থাৰ লগত অসমৰ জনসমাজৰ সংযোগ সকলোপিনে ঘটিলত অসমৰ জনসমাজৰ অৰ্থনীতিৰ নিয়ামক শক্তি আৰু নিয়ন্ত্ৰণ অসমৰ ভিতৰতে আৱদ্ধ নৰ'ল।

১৮৫৩ খ্ৰী.ত লৈ চকাযুক্ত যানবাহন সম্পৰ্কে স্থানীয় মানুহৰ অভিজ্ঞতা নাছিল—তাৰ ব্যৱহাৰোপযোগী পথো নাছিল।

"Upto 1853 carts and carriages were unknown and the roads were few and bad and the nascent tea Industry was at the marcy of the Government steamers। (১২৬)

সেই চনতে আনন্দৰাম ঢেকিয়াল ফুকনে কৈছিল—

There are no highway which connect all the districts of Assam with each other ; nor are there roads in all parts of the country by which travellers can journey, from one village to another at all seasons of the year......owing to this want of means of inland communication, the poor classes can never stir out of their homes during the five rainy months of the year, the injury to trade and commerce from the want of roads is not less remarkable. *

(অসমৰ এখন জিলাক আনখনৰ সতে সংযুক্ত কৰা কোনো ওখ বাট নাই। নাইবা এজন ভ্রমণকাৰীয়ে ইখন গাঁৱৰ পৰা সিখনলৈ যাবলৈকো কোনো আলিবাট সকলো ঠাইতে নাই। স্থলভাগৰ এনে যোগাযোগৰ অভাবৰ বাবে বছৰটোৰ বাৰিষাৰ পাঁচমাহ কোনো দুখীয়া মানুহে লৰচৰ কৰিব নোৱাৰে। বেহাবেপাৰ বাণিজ্যৰ ক্ষতি - আলিবাটৰ অভাৱত উল্লেখযোগ্য পৰিমাণে ঘটিছে।)

বাট-পথ দুৰ্গম থকা হেতুকে বোজা কঢ়িয়াবলৈ হাতী, প্ৰয়োজনত মানুহ কঢ়িয়াবলৈ চাঙ্গীদোলা, বা দোলা আদি আৰু বস্তু কঢ়িয়াবলৈ কাণমাৰি ব্যৱহৃত হৈছিল। নামনি অসমত বোজা কঢ়িয়াবলৈ ভুটীয়া ঘোঁৰাবো অলপ-অচৰপ প্ৰচলন আছিল। সেই সময়ত নাওঁ বা জলপথেই আছিল উৎকৃষ্ট পৰিবহনৰ উপায়।

প্ৰাক্-বৃটিছ কালত কিছু সংখক আলিবাট আছিল। কোঁচ/ মোগল ৰাজত্বৰ সময়ত নামনি অসমত বহুতো আলিবাট সম্ভৱতঃ সামৰিক আৰু প্ৰশাসনিক প্ৰয়োজনত বন্ধোৱা হৈছিল। তাৰ ভিতৰত কোচবিহাৰৰ

---

* Mills Report on the Province of Assam : Assam publication 1984 Edn, P—108

তাৰ পিছতো ১৮৬১ চনত কমিচনাৰ হপকিনচে কৈছে— (১২৭)

"Not a single road fit for wheeled carriage, or even passable at all for a great portion of the year.......There is such an absence of the full tide of life running through Assam, such a want of intercourse between man and man a terrible sense of isolation, by which enterprise is chilled and capital and adventures scared away."

পৰা উত্তৰ লক্ষীমপুৰৰ সীমাৰ নাৰায়ণপুৰলৈ বন্ধোৱা গোহাঁই-কমল আলিৰ কথা বিশেষভাবে উল্লেখনীয়। বৃটিছ শাসকসকলে নামনি অসমত পূৰ্ব্বতে থকা আলিবাটবোৰ পুনৰ নিৰ্মাণ তথা মেৰামতি কৰাৰ প্ৰয়োজন অনুভৱ কৰিছিল। নামনি অসমৰ আৰু শিৱসাগৰৰ আলিবাটবোৰৰ সম্পৰ্কে কেপ্টেইন পোলোকে লিখিছিল—

"In no district in India do I believe more cross-roads exists than Kamroop ; but they have allowed to go to ruin. The more I travel over the district, more remains of roads do I discover and it is a marvel to me...how these roads were constructed and who had the energy to undertake them. In the district of Sibsagar, there existed numerous old roads of immense extent locally termed *ALLEES*, which have been allowed to fall out of repair and to become covered with jungle. (১২৮)

সম্ভৱতঃ আহোম ৰাজত্বৰ শেষৰ পিনৰ ধামখুমীয়াত, মান-মোৱামৰীয়াৰ দিনত, অতিপাত বৰষুণ হোৱা অসমৰ এনে আলিবাটবোৰৰ পিনে চকু দিবলৈ নহ'ল।

বৃটিছ শাসকে এনে স্থলপথৰ ক্ষেত্ৰত চাহবাগিছাৰ প্ৰয়োজনৰ ওপৰতেই প্ৰাথমিক গুৰুত্ব দিছিল।

উনৈশ শতিকাৰ শেহলৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণপাৰৰ ট্ৰাঙ্কৰ'ড দুটা আৰু গুৱাহাটীৰ পৰা চিলঙলৈ বাটটো হৈ উঠিল। আগতে থকা আন আন কিছুমান আলিবাট মেৰামতি কৰা হ'ল। শতিকাটোৰ শেহৰপিনে চাৰিওফালে গৰুৰ গাড়ীৰ প্ৰচলন হ'ল। চিলং-গুৱাহাটী বাটত গৰুৰ গাড়ী আৰু ঘোঁৰাই টনা 'টঙা' চলিল।

ব্ৰহ্মপুত্ৰ নদীয়েদি ১৮৪০ চনত পোনপ্ৰথম বাৰৰ বাবে ভাপনাওঁ বা জাহাজ আহিছিল। পিছলৈ শতাব্দীৰ শেহলৈকে ডিব্ৰুগড়ৰ পৰা কলিকতালৈ জাহাজৰ সঞ্চালনিকৈ চলাচল হ'ল। ব্ৰহ্মপুত্ৰ নদী আৰু তাৰ অসংখ্য উপনদীত সৰু সৰু নাৱেৰে বেপাৰ বণিজ চলিল। তেতিয়ালৈকে অসমলৈ অহা আৰু অসমৰ পৰা যোৱা পণ্যৰ পৰিবহনৰ প্ৰায় আটাইখিনি জলপথেৰেই হৈছিল।

অসমৰ প্ৰথম ৰেলপথ হ'ল ডিব্ৰু-শদিয়া ৰেল। ১৮৮৩ খ্ৰী.ৰ পৰা শদিয়া, মাকুম, মাৰ্ঘেৰিটা আৰু ডিব্ৰুগড়ৰ মাজত ৰেল চলিল। ইয়াক স্থাপনৰ উদ্দেশ্য আছিল—লিডু-মাৰ্ঘেৰিটাৰ খনিৰ কয়লা, সেই অঞ্চলৰ বনজ সম্পদ, ৰেল আলিৰ দুয়োপিনৰ বহুতো চাহবাগিছা আৰু ডিগবৈৰ তেলৰ পুঙৰ লগত ব্ৰহ্মপুত্ৰৰ পাৰৰ ডিব্ৰুগড়ক সংযোগ সাধন কৰা। ১৮৮৫ খ্ৰী.ত ককিলামুখৰ জাহাজঘাটক মৰিয়নিৰ সৈতে সংযোগ কৰা যোৰহাট প্ৰভিঞ্চিয়েল ৰেলপথত ৰেলগাড়ী চলিল। তাৰো উদ্দেশ্য হ'ল—দুয়োকাষৰ চাহবাগিছাবোৰৰ সতে জাহাজঘাটৰ সংযোগ ৰখা। তেনেকৈয়ে একে উদ্দেশ্যত ১৮৯৩-৯৪ চনত তেজপুৰ-বালিপাৰা ৰেল হ'ল। ১৯০৪ চনত আসাম-বেংগল ৰেলৱেৰ জৰিয়তে তিনিচুকীয়া—মৰিয়নি, ফৰকাটিং-লামডিং-বদৰপুৰ লগত চিটাগঙৰ বন্দৰ সংযোগ হ'ল। লগতে লামডিঙৰ লগত গুৱাহাটীৰ ৰেল সংযোগ সম্পূৰ্ণ হ'ল। ১৯১০ চনত নামনি অসমৰ গোৱালপাৰা জিলা আৰু কামৰূপ জিলাৰ মাজেদি ইষ্টাৰ্ণ বেঙ্গল ৰেলৱে আমিনগাঁওলৈ সম্প্ৰসাৰিত হোৱা ঘটনাই নামনি অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ আৰ্থ-সামাজিক তথা অৰ্থনীতিৰ বিকাশত উল্লেখযোগ্য প্ৰভাৱ পেলালে।

১৯১০ চনত গোলোকগঞ্জৰ পৰা আমিনগাঁৱলৈ ৰেল চলিল। ৰেল ষ্টেচনবোৰৰ কিছুমান মুখ্য ব্যৱসায় কেন্দ্ৰ হৈ পৰিল। ষ্টেচনবোৰৰ পৰা ভিতৰুৱাল অঞ্চলবোৰলৈ গৰুৰ গাড়ী চলিব পৰা পথসংযোগ হ'বলৈ ধৰিলে। এনে পথ সংযোগ আলিবাটবোৰ নিৰ্ম্মাণত মুখ্যকৈ লোকেল-বোৰ্ডে দায়িত্ব ল'লে। বৃটিছে নামনি অসম অধিকাৰ কৰাৰ আগতেও কিছু আলিবাট জৰাজীৰ্ণ অৱস্থাত আছিল। ভোটৰ লগত বৃটিছৰ যুদ্ধৰ সময়ত (১৯ শতিকাৰ ৪ৰ্থ দশক) চৰকাৰে সেই সময়ৰ ভূমিবিষয়া, চৌধুৰী আদিৰ হতুৱাই প্ৰজাৰ বাধ্যতামূলক বিনা পাৰিশ্ৰমিকেৰে (বেগাৰ প্ৰথা), গাঁৱলীয়া মানুহৰ শ্ৰমেৰে কেইটামান আলিবাট নিৰ্ম্মাণ কৰাইছিল। সিবোৰে ভোটানৰ সীমা চুইছিল। সিবোৰো গাড়ী চলাৰ উপযোগীকৈ উন্নত হ'ল। পিছলৈ আলিবাট নিৰ্ম্মাণ কাৰ্য্যত বিহাৰ আৰু উত্তৰপ্ৰদেশৰ পৰা বনুৱা আনি নিয়োগ কৰা হ'ল।

মুঠতে উত্তৰৰ ভূটান পৰ্ব্বতৰ নামনিৰ পৰা ৰেল আলিলৈ সংযোগ সাধন হোৱাত আৰু আলিবাটৰ সংখ্যা বঢ়াত নামনি অসমত বণিজ্য বাঢ়িল; খেতিয়কৰ কৃষিপণ্য উৎপাদন বাঢ়িল। কৃষকে তাৰ দামো আগতকৈ বেছি পোৱা হ'ল। কেবাটাও ৰেল ষ্টেচনৰ ওচৰত ধানবনা কল স্থাপিত হ'ল।

কুৰি শতিকাৰ প্ৰথম দুই দশকত, বিশেষকৈ ইয়াৰ ফলত, দুই ধৰণৰ পৰিবৰ্ত্তন দেখা গ'ল।

প্ৰথমটো হ'ল—আগতে ধানৰ উৎপাদন কম আছিল, লগতে উপযুক্ত বজাৰ নোপোৱাত তথা পৰিবহণ ব্যৱস্থাৰ তেনে সুচল নথকাত ধান বা শস্যৰ দাম বৰ কম আছিল। চৰকাৰক দিবলগীয়া খাজনাৰ হাৰ শস্যৰ দামৰ অনুপাতে বেছি আছিল। আনহাতে ব্ৰিটিছ অহাৰ পৰা ভোগ্যপণ্যৰ আমদানী বাঢ়িছিল আৰু জীৱন-মান উচ্চ হোৱালৈ চাই সিবোৰৰ চাহিদাও বাঢ়িছিল। এই চাহিদা পূৰাবলৈকে নগদ ধনৰ প্ৰয়োজন বৃদ্ধি পাইছিল।

তেতিয়া, যিবোৰ মাটি অনাখেতিয়ক মালিকৰ (লাখেৰাজদাৰ নিস্পি-খেৰাজদাৰ) অধীনত আছিল সেই মাটিবোৰত খেতিকৰা ৰায়তবোৰৰ পৰা মাটিৰ মালিকে খাজনা (নগদ ধন) লব বিচাৰিছিল।

কিন্তু ৰেল অহাত, পৰিবহণৰ সুচল হোৱাত, শস্যৰ দাম বৃদ্ধি পাবলৈ ধৰাত এনে মাটিৰ মালিকবোৰে নগদ ধনৰ খাজনাৰ সলনি—শস্যৰে খাজনা (আধি, চুকানি আদি ব্যৱস্থাৰে) লোৱাটোৰ পিনে গুৰুত্ব দিবলৈ ধৰিলে।

মহাজনী শোষণৰ মাত্ৰা বাঢ়িল। ঋণ পৰিশোধ কৰিব নোৱাৰা কৃষকৰ পৰা মাটি কাঢ়ি মহাজনৰ নিজৰ কৰি লোৱাৰ প্ৰৱণতা বাঢ়িল। আনকি যি মধ্যবিত্তৰ হাতত চাকৰি, ব্যৱসায়, আদিৰে ধন থুপ খালে সিয়ো মাটি কিনি-তাতে পুঁজি নিবেশ কৰিলে।

দ্বিতীয়টো হ'ল—থলুৱা কৃষকৰ উপৰিও বজাৰৰ বাবে শস্য উৎপাদন কৰা কৃষিকুশলী বহিৰাগত খেতিয়কৰ আগমন। এই সকলৰ বাবে আগতে ভাঙি থোৱা মাটিৰ আদৰ বেছি আছিল।

আমোলা-বিষয়া তথা ৰাজানুগ্ৰহ পোৱা সকলে জমিদাৰ বা চৰকাৰৰ পৰা মাটি লৈ মাটিহীন উক্ত পমুৱা কৃষক সকলক তাত বহুৱাই—আগতে

কোৱা দৰে একো শ্ৰম নকৰাকৈ ধন আৰ্জনৰ বাট উলিয়ালে। গোৱালপাৰা জিলাত এনে ঘটনা চকুত পৰা বিধৰ আছিল।

ব্ৰহ্মোত্তৰ, দেবোত্তৰ আদি মাটিৰ ওপৰত নিৰ্ভৰশীল পৰশ্ৰমজীৱী, নিজে শ্ৰম নকৰা 'সম্ভ্ৰান্ত' 'ভাল মানুহ' ভূস্বামী সকলৰ লগত নতুন পৰশ্ৰমজীৱী শ্ৰম নকৰা "ভদ্ৰলোক"ৰ সংখ্যা আৰু বাঢ়িল। খেতিয়ক প্ৰজাৰ ওপৰত হেঁচা বাঢ়িল। প্ৰজা ৰায়তৰ মাটিৰ নিৰাপত্তা লৈ বহুতো সমস্যাৰ সৃষ্টি হ'ল। যিয়ে সৰহ খাজনা বা ধান-খাজনা দিবলৈ ৰাজী তাকেই এনে অনা-খেতিয়ক ভূ-স্বামীসকলে মাটি লগাবলৈ প্ৰবৃত্ত হ'ল।

প্ৰশ্ন এটা স্বাভাবিকতে আহে। নামনি অসমত সেই সময়ত পতিত মাটি বিভিন্ন ঠাইত আছিল। এনে ভূ-স্বামীসকলৰ মাটিত কিয় কৃষক প্ৰজাই খামোচ মাৰি ৰ'ল, নতুন খিল-মাটি ভাঙিবলৈ নগ'ল কিয় ?

নতুন খিল-মাটি ভাঙি উলিয়াবলৈ যথেষ্ট মূলধন আৰু সমূহীয়া শ্ৰমৰ প্ৰয়োজন। তাৰোপৰি জনস্বাস্থ্যৰ দিশটো আছেই। ধৰ্ম, পৰম্পৰা, জাতি আদিৰ কথাও সেইসময়ত গুৰুত্বপূৰ্ণ আছিল। বিশেষকৈ হিন্দু অধিবাসীৰ ক্ষেত্ৰত এনে প্ৰশ্নবোৰ জটিল আছিল।

একে জাত, পাত, গিয়াতি, নিৰ্দিষ্ট গুৰু-গোসাঁই ব্ৰাহ্মণ-সজ্জনৰ সহযোগিতা আৰু সমাজ নহ'লে বিয়াবাৰু, মৃতকৰ সংকাৰ, সকাম-নিকাম আদি সম্পন্ন কৰিব নোৱাৰা আচাৰ-বিচাৰ হিন্দু সমাজত আছিল। সেয়ে অকলশৰীয়াকৈ কেৰে দূৰণিৰ আন ঠাইলৈ যাবলৈ সামাজিক নিৰাপত্তা অনুভৱ কৰা নাছিল। লগতে জংঘল ভাঙি খেতিৰ মাটি উলিয়াবলৈ যি ধন, সময় খৰচ আৰু লোকবলৰ প্ৰয়োজন তাকো অকলে যোগাৰ কৰা কঠিন আছিল। মহামাৰী, বনৰীয়া জন্তু আদিৰ পৰা বিপদ, যাতায়াতৰ অসুবিধা আদিও আছিল।

কিছু মধ্যশ্ৰেণীৰ হাতলৈ চাকৰিৰ দৰমহা, ব্যৱসায়ৰ লাভ আদিৰ যোগেদি হোৱা ৰাহি পুঁজি, উদ্যোগ স্থাপনৰ বা ব্যৱসায় বৃদ্ধিৰ পিনে হোৱাৰ সলনি মাটি কিনি অৰ্ধ-সামন্তবাদী প্ৰথাৰে (আধি-চুকানি) লাভৰ পিনে নিয়োজিত হোৱাৰ গুৰিও এয়ে।

কুৰি শতিকাৰ তৃতীয় দশকত আমি নামনি অসমত ৰায়তীস্বত্ব আদিৰ প্ৰশ্নত প্ৰজা আন্দোলন দেখোঁইক—যাৰ ফলত প্ৰজাস্বত্ব সম্পৰ্কীয় আইন প্ৰণয়ন হৈছিল।

কুৰি শতিকাৰ প্ৰথম দুটা দশকত পূৰ্ব্ববঙ্গৰ পৰা খেতিয়কৰ প্ৰব্ৰজনৰ পৰিমাণগত অৱস্থা যিয়েই নাথাকক কিয়, ১৮৯৭ চনৰ ভূমিকম্পত জলাহ হৈ পৰা নৈ পৰীয়া মাটি, কলাজ্বৰত উচ্ছন্ন হোৱা গাঁও আদিৰ পতিত মাটিত সিবোৰে হাবিবন কাটি মুকলি কৰি লোৱাত জনস্বাস্থ্যৰ অলপ উন্নতি হোৱাৰ লগতে চৰকাৰে সৰহ ৰাজহ পালে, খেতিয়ে বাণিজ্যৰ ক্ষেত্ৰত উন্নতি সাধিলে।

পূৰ্ববঙ্গৰ পৰা অহা কৃষিবিদ্যাত অপেক্ষাকৃত কুশলী আৰু বজাৰ সম্পৰ্কে সজাগ কৃষকসকল অহাৰ ফলত হাবিবন মুকলি হোৱা, জনস্বাস্থ্যৰ উন্নতি হোৱা, কৃষি অৰ্থনীতিৰ সামগ্ৰীক উন্নতি হোৱা আদি ভাল কথাবোৰ নুই কৰিব নোৱাৰি। ব্ৰিটিছে অসম লোৱাৰ আগতে কৃষি ক্ষেত্ৰত যি জড়তা আছিল সি গুচিল। সেই কাৰণে এনে বহিৰাগত কৃষকৰ আগমনত কেৰে আপত্তি নকৰি বৰং ধনী মহাজন, শ্ৰম নকৰা মাটিৰ মালিক জমিদাৰ তথা মধ্যশ্ৰেণী মধ্যবিত্তই ভাল পোৱাৰ লগতে চৰকাৰেও ভাল পাইছিল।

তাতোকৈ লাভ হৈছিল—ব্যৱসায়ী শ্ৰেণীৰ।

১৯০১ খ্ৰী.ৰ পৰা এনে কৃষক অসমলৈ আহিবলৈ ধৰে। ১৯০১ খ্ৰী.ৰ পৰা ১৯১১ চনৰ ভিতৰত—দহ বছৰত মৰাপাট খেতিৰ আবাদ বাৰ গুণ বাঢ়িল—৫০০ একৰৰ পৰা ৬০০০ একৰ মাটি। ৰেল বিভাগৰ পৰা পোৱা হিচাপ অনুসৰি যি ভাবে মৰাপাট ৰেল পৰিবহণেৰে গৈছিল—সি এনে আছিল—১৯১০ খ্ৰী. ৭৮৩৯৩ টনৰ বিপৰীতে ১৯২০-২১ খ্ৰী.ত—১,২৮৬০৬ টন; ১৯৪০-৪১ খ্ৰী ত ১৭১৬২২ টন। (১২৯)

১৯০১ খ্ৰী.ৰ পৰা ১৯২১ খ্ৰী.লৈ ধানখেতিৰো আবাদী পৰিমাণ ২৭ শতাংশ বাঢ়িছিল। (১৩০)

মধ্যশ্ৰেণী মহাজনসকলে পমুৱাক ধন অধিক সুদত ধাৰে দি সৰহ আয় কৰিলে। অনা খেতিয়ক ভূ-স্বামীসকলে (বিশেষকৈ গোৱালপাৰাৰ

জমিদাৰীবোৰত) অধিক সুবিধাজনক চৰ্ত্তত মাটি লগালে। জমিদাৰে পতিত মাটিত প্ৰজা বহুৱালে।

ৰেল আলি হোৱাত আৰু পূৰ্ব্ববঙ্গৰ নবাগতসকল অহাৰ ফলত নামনি অসমৰ অৰ্থনৈতিক কাৰ্য্যকলাপ গ্ৰামাঞ্চললৈকেও তেজগতিত বাঢ়িবলৈ ধৰা অৱস্থাটো কুৰি শতিকাৰ প্ৰথম দুই দশকত পৰিলক্ষিত হৈছিল। ইয়ে মধ্যশ্ৰেণীৰ সংখ্যাবৃদ্ধিত কিছু পৰিমাণে অৰিহণা যোগাইছিল, শিক্ষাৰ প্ৰতি ধাউতি বঢ়াইছিল আৰু প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা বাঢ়িছিল, মধ্যবিদ্যালয়ৰ ছাত্ৰ সংখ্যা বাঢ়িবলৈ লৈছিল। নতুন নতুন হাট-বজাৰ হৈছিল আৰু বিভিন্ন ঠাইৰ মধ্যশ্ৰেণী—মধ্যবিত্তই ব্যৱসায় কেন্দ্ৰবোৰত বসবাস কৰিবলৈ লৈছিল। ১৯২৭ চনত ভূমি জৰীপৰ সময়ত ৰেলষ্টেচন থকা, আগতে জনবসতি তেনেকৈ নথকা, কেবাখনো ঠাইক ভূমি বিভাগে 'নগৰীয়া অঞ্চল' বুলি ঘোষণা কৰিছিল।

নামনি অসমত জনসংখ্যাৰ হেঁচা আগৰে পৰা বেছি, নতুন পৰিস্থিতিত আৰু বাঢ়িল। তুলনামূলক সাৰণিখনৰ পৰা সেই কথা উপলব্ধি কৰা যায়—

জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গমাইলত (জিলাবোৰ ১৯২১ চনৰ) (১৩১)

জিলা	১৮৭২ চন	১৮৮১ চন	১৮৯১ চন	১৯০১ চন	১৯১১ চন	১৯২১ চন
গোৱালপাৰা	৯৮	১১৩	১১৫	১১৭	১৫২	১৯৭
কামৰূপ	১৪৬	১৬৭	১৬৪	১৫৩	১৭৩	১৯৮
নগাঁও	৬৮	৮২	৯০	৬৮	৭৯	১০৮
শিৱসাগৰ	৬৪	৭৯	৯৬	১২০	১৩৮	১৬২
দৰং	৬৯	৮০	৯০	৯৯	১১০	১৭০
লক্ষীমপুৰ	২৭	৪০	৫৬	৮২	১০৪	১৪৩

(১৯০১ চনৰ পৰা ১৯২১ চনলৈ অসমলৈ হোৱা প্ৰব্ৰজন এই সাৰণিত প্ৰতিফলিত হৈছে)।

সাত

উপসংহাৰ

নামনি অসমত জনজাতি সমাজত মধ্যশ্ৰেণীৰ উৎপত্তি আৰু বিকাশৰ গতি লেহেম। ইয়াৰ কাৰণ এনে সমাজৰ জীৱন নিৰ্ব্বাহৰ প্ৰণালী তথা কৃষি উৎপাদন প্ৰণালী, সামাজিক ব্যৱস্থা তথা ৰীতি, আচাৰ আৰু সামগ্ৰিকভাৱে পশ্চাদ্‌পদতা। ইয়াৰ লগতে জনজাতি সুলভ পৰম্পৰা আৰু সংস্কাৰৰ প্ৰভাৱো আছে।

জনজাতি জীৱন মূলতঃ কৃষি (যাৰ পদ্ধতি উন্নত নহয়) আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰশীল আছিল। সমাজৰ আচাৰ-ৰীতি জনবিশ্বাসৰ মাজত গাইগুটীয়া প্ৰবণতাতকৈ সামূহিক প্ৰবণতা বেছি। অসমৰ আন থলুৱা সমাজৰ ভোগমুখী, বজাৰ-বিমুখী উৎপাদনৰ যি চৰিত্ৰ সি জনজাতি সমাজত অতিকৈ ব্যাপক আছিল। দুৰ্বল আৰু অনুন্নত উৎপাদন পদ্ধতি আৰু বজাৰৰ বাবে পণ্য উৎপাদন কৰাৰ মানসিকতাবিহীন, প্ৰকৃতিৰ পৰা, যথা খাল-বিলৰ মাছ, হাবিৰ খৰি আদি গোটাই নিজৰ খেতিৰ উৎপাদনেৰে খাই বৈ পুৰণি ৰীতি-নীতিকে লৈ সমাজ জীৱনত আনন্দেৰে থকাটোৱেই জনজাতিসকলৰ জীৱনাদৰ্শ আছিল। আনকি একেডোখৰ মাটিত সৰহকাল থকাৰো ইচ্ছা নকৰি সুচল ঠাই বিচাৰি প্ৰব্ৰজন কৰি ফুৰিছিল। আধুনিক জগত আৰু জীৱনৰ লগত খাপ খুৱাই চলিবলৈ টান পাইছিল। অৰ্থনৈতিকভাৱে আগতে এনে জনজাতি সমাজত বৰ উচ্চ, বৰ নীচ বা মজলীয়া বৰ্গৰ বিভাজন নাছিল।

গোৱালপাৰা জিলাত চিৰস্থায়ী বন্দোবস্তীৰ সময়ত জমিদাৰক খাজনা দিয়া তথা জমিদাৰী শোষণৰ পৰা মুক্ত হৈ থাকিবলৈকে বহুতো

গোৱালপৰীয়া জনজাতিৰ লোক কামৰূপ, দৰং আদি জিলাৰ পৰ্ব্বতৰ পাদদেশ, বনাঞ্চল বা অৰ্দ্ধ-বনাঞ্চললৈ প্ৰব্ৰজন কৰাৰ প্ৰক্ৰিয়া ব্ৰিটিছে অসম অধিকাৰ কৰাৰ দিনৰে পৰা চলি আছিল।

কিন্তু গোৱালপাৰা জিলাত জমিদাৰী ব্যৱস্থাৰ মাজেৰে কোচ-ৰাজবংশী আৰু জনজাতি সমাজত এটা মধ্যশ্ৰেণীৰ সৃষ্টি হয়। তেওঁলোকৰ কাম আছিল জমিদাৰৰ বাবে মাটিৰ খাজনা সংগ্ৰহ কৰাত সহায় কৰা। গোৱালপাৰাত আদিতেও বৃটিছ চৰকাৰে এই দুই সমাজৰ পৰা যুদ্ধৰ বাবে বা প্ৰশাসনৰ বাবে চিপাহী সংগ্ৰহ কৰিছিল। তদুপৰি হাবি-বনৰ পৰা বনজসম্পদ কাঠ আদি কটাৰ কামত তেওঁলোকক নিয়োজিত কৰি (প্ৰাক্-ব্ৰিটিছ যুগৰে পৰা) সমাজৰ মুখীয়ালজনৰ জৰিয়তে বনজ পণ্য সংগ্ৰহ কৰি কাঠৰ সদাগৰ-সকলে বেপাৰ কৰিছিল। ফলত মুখীয়ালজন বা তেনে কোনোজনৰ হাতত লাভৰ ধন গোট খাইছিল আৰু এনেদৰে তেওঁ কাঠৰ বেপাৰীও হৈছিল।

এই তিনি প্ৰকাৰে অৰ্থাৎ জমিদাৰী প্ৰশাসনৰ কৰ্ম্মী হিচাপে বা ৰণুৱা বা চাকৰিয়াল আৰু কাঠৰ বেপাৰী হোৱাৰ মাজেৰে গোৱালপাৰাত কোচ-ৰাজবংশী বিশেষকৈ আৰু জনজাতি সমাজত এটা দুৰ্ব্বলকৈ হ'লেও মধ্যশ্ৰেণীৰ বিকাশ হৈছিল।

অবিভক্ত গোৱালপাৰা জিলাৰ পৰ্বতজোৱাৰ অঞ্চলত জন্মা "বাবা" কালীচৰণ ব্ৰহ্ম বা "গুৰু" কালীচৰণ ব্ৰহ্ম এনে মধ্যশ্ৰেণীৰ পৰা উনৈশ শতিকাৰ শেষৰ পিনে ওলাই আহিছিল। বড়ো-কছাৰী সমাজৰ নব-জাগৰণৰ (ৰেনেচাঁ) নেতৃত্বৰ আসন তেওঁকেই দিয়া হয়। তেওঁ প্ৰচাৰ কৰা ব্ৰহ্ম ধৰ্মৰ মাজেৰে বড়ো কছাৰী সকলৰ নানান ৰীতি-নীতিৰ সলনি আৰু সংস্কাৰ সাধন কৰাৰ আন্দোলন হয়। আধুনিক যুগত খাপ নোখোৱা সমাজৰ কেতবোৰ ক্ষতিকৰ দিশৰ ভিতৰত বড়ো সমাজৰ ধৰ্ম্মীয় তথা সামাজিক কাৰণত সুৰাৰ (জৌ) ব্যৱহাৰ অন্যতম। খেতিৰ উৎপাদনৰ প্ৰায় আধাভাগ ধান সুৰা (জৌ) প্ৰস্তুতিতে খৰচ হৈছিল। বজাৰলৈ বিক্ৰিবলৈ ধান নিবলৈকে নাছিলেই। ফলত বড়োকছাৰী খেতিয়ক এজনৰ আৰ্থিক ক্ষমতা সংকুচিত হৈছিল। বাবা কালীচৰণ প্ৰবৰ্ত্তিত ধৰ্ম্ম সংস্কাৰে বড়ো

সমাজত সুৰাৰ প্ৰচলনৰ বিৰোধিতা কৰিছিল। অবৈজ্ঞানিক ভাবে গাহৰি পোহা ব্যৱহাৰ বৰ্জন কৰা, শিক্ষা-দীক্ষা লোৱা, আধুনিক চিকিৎসা গ্ৰহণ কৰা, জনস্বাস্থ্যৰ দিশটোৰ প্ৰতি সজাগতা অনা, ইবোৰেই এনে সমাজ সংস্কাৰ আন্দোলনৰ লক্ষ্য আছিল। তেওঁ লক্ষ্য কৰিছিল যে নিজৰ খেতিৰ ধানৰ প্ৰায় আধাখিনি সুৰা বা জৌ প্ৰস্তুত কৰোঁতে খৰচ হৈছিল, অবৈজ্ঞানিক পদ্ধতিত গাহৰি পোহাৰ পৰা জনস্বাস্থ্য বিঘ্নিত হৈছিল। পুৰণি অন্ধ-সংস্কাৰৰ ফলত আধুনিক জগতৰ পৰা আঁতৰি থকাৰ মানসিকতা জন্মিছিল। কালীচৰণ ব্ৰহ্মৰ নেতৃত্বত হোৱা এনে আন্দোলনত বহুতো মুখীয়াল বড়ো পৰিয়াল যুক্ত হ'ল। ফলত দেখ্‌ দেখ্‌কৈ বড়ো সমাজত আগৰ স্থবিৰতা গুচিল। এটা মধ্যশ্ৰেণী ওলাই আহিল। অৰ্থনৈতিক ভাবেও বড়োসমাজৰ অৱস্থাৰ সলনি হ'ল।

খ্ৰীষ্টিয়ান মিছনাৰী সকলেও ঠায়ে ঠায়ে খ্ৰীষ্টধৰ্ম্ম প্ৰচাৰ কৰি সমাজ-সংস্কাৰৰ পিনে জনজাতি বড়ো সমাজক আগবঢ়াই নিছিল।

ইয়াৰ আগতেও বহুতো জনজাতিৰ লোকে মদ-গাহৰি এৰি হিন্দু ধৰ্ম্মগুৰুৰ তলত শৰণ লৈ 'শৰণীয়া' হৈছিল। এই ক্ষেত্ৰতো সুৰা আৰু গাহৰি নিষিদ্ধ আছিল। ইবোৰৰ ফলত শৰণীয়াবোৰে কৃষিপণ্য বজাৰত সৰহকৈ বিক্ৰী কৰিব পাৰিছিল, সামাজিক দিশত পৰিবৰ্তনৰ সূচনা হৈছিল আৰু আৰ্থিক ক্ষেত্ৰত কিছু আগবাঢ়িব পাৰিছিল।

নামনি অসমত জনজাতি সমাজৰ পৰা যিসকল উল্লেখযোগ্য মধ্য-শ্ৰেণীৰ লোক বুদ্ধিজীৱী হিচাপে খ্যাতি লাভ কৰিছিল সেইসকল এনে সমাজ সংস্কাৰৰ মাজেদি ওলাই অহা ব্যক্তি। ইতিমধ্যে উল্লেখ কৰা হৈছে যে বড়ো-কছাৰী সমাজে ৰেনেচাঁ বা নবজাগৰণৰ মূল নেতৃত্বৰ আসন 'বাবা' কালীচৰণ ব্ৰহ্মকেই দিয়ে। কেৱল ধৰ্ম্মীয় ৰীতি-নীতি, আচাৰ, সমাজ সংস্কাৰ, আধুনিক যুগৰ দিশ দৰ্শন, শিক্ষা প্ৰচাৰ আদি ক্ষেত্ৰবোৰতেই তেওঁ অকল নেতৃত্ব দিয়া নাছিল, কৃষক প্ৰজাসকলৰ ওপৰত হোৱা জমিদাৰী শোষণৰ বিৰুদ্ধে ৰায়তীস্বত্ব আদি দাবী কৰি তেওঁৰেই নেতৃত্বত পৰ্ব্বতজোৱাৰ (গোৱালপাৰাৰ) এলেকাত আন্দোলনো হৈছিল।

এনে সংস্কাৰমূলক আন্দোলনবোৰৰ অৰ্থনৈতিক দিশো আছিল। কালীচৰণ ব্ৰহ্মৰ আন্দোলন, হৰিজন সেৱক সংঘৰ (ভাৰতীয় জাতীয় কংগ্ৰেছৰ সহযোগী আৰু মহাত্মা গান্ধী প্ৰবৰ্তিত) আৰু শৰণীয়া হোৱা আদি সংস্কাৰমূলক কাম আৰু খৃষ্টান মিছনাৰীসকলে কৰা ধৰ্মপ্ৰচাৰ আৰু সমাজ সংস্কাৰমূলক কাম আদিৰ ফলত নতুন যুগৰ লগত নিজকে খাপ খুৱাবলৈ সমৰ্থবান হোৱাৰ লগতে বড়ো-কছাৰীসকলৰ অৰ্থনৈতিক দিশটোৰ উন্নতি হৈছিল। তেওঁলোকৰ আৰ্জিত অৰ্থ আৰু শস্য (বজাৰত বিক্ৰীৰ বাবে পণ্য হোৱা) ৰাহি হ'লত বজাৰত বিক্ৰী কৰা পণ্য আৰু বজাৰৰপৰা কিনা সামগ্ৰীৰ পৰিমাণ বাঢ়িল। জনজাতি অধ্যুষিত ঠায়ে ঠায়ে নতুন নতুন হাট-বজাৰ, ব্যৱসায়কেন্দ্ৰৰ উদ্ভৱ হ'ল।

গোসাঁইগাঁও, কোকৰাঝাৰ, বাসুগাঁও, বঙ্গাইগাঁও, বিজনী, গোৰেশ্বৰ, অমূলপুৰ, টংলা, ওদালগুৰি, মাজবাট আদি ক্ৰমবৰ্দ্ধমান নগৰাঞ্চলকে এই সন্দৰ্ভত আঙুলিয়াব পাৰি।

কুৰিশতিকাৰ কুৰিৰ আৰু ত্ৰিশৰ দশকত বড়ো-কছাৰী সমাজৰপৰা আধুনিক শিক্ষাৰে শিক্ষিত যুৱকে বড়ো-কছাৰী তথা জনজাতিৰ স্বকীয় অস্তিত্ব তথা জাতীয়তাৰ ভিত্তিত ৰাজনৈতিক আশা-আকাংক্ষা লৈ ওলাই আহিল।

১৯১৪-১৮ চনৰ মহাসমৰত গোৱালপাৰাৰ পৰা যথেষ্ট সংখ্যক ৰণুৱা নিয়োগ কৰা হৈছিল। এই উপলক্ষে বহুতো কোচৰাজবংশী তথা জনজাতি যুৱকে দেশবিদেশ দেখিছিল আৰু তেওঁলোকৰ ভিতৰুৱাল অঞ্চলৰ লগত বাহিৰ বিশ্বৰ প্ৰভেদ বুজিছিল। অসম চৰকাৰেও সশস্ত্ৰ পুলিচ বাহিনীত বহুতো জনজাতীয় যুৱকক নিয়োগ কৰিছিল। মহাসমৰৰ পিছত ঘৰলৈ উভতি আহি সেই সকলেও শিক্ষিত মধ্যশ্ৰেণীৰ এনেধৰণৰ আন্দোলনত যোগ দিছিল।

কুৰি শতিকাৰ তিনিৰ দশকত আমি দেখোঁহক যে বড়ো জাতীয়তাবাদৰ অংকুৰণ হৈছে। নিজৰ জাতীয় চিনাকি, থলুৱা অৰ্থনীতি, আধুনিক শিক্ষাৰ প্ৰতি আগ্ৰহ, আনৰ সতে সমান সমান সামাজিক মৰ্যাদা তথা ৰাজনৈতিক অধিকাৰ লাভ আদিৰ প্ৰতি সচেতন হৈছে।

১৯২৭-২৮ চনৰ চাইমন কমিচনৰ সময়ত দিয়া প্ৰতিবেদনত বড়ো যুব সংগঠন বা ট্ৰাইবেল ছাত্ৰ সংগঠন আদিৰ প্ৰস্তাৱ আদিৰ মাজত এনে চেতনাৰ স্বাক্ষৰ পোৱা যায়। গোৱালপাৰাৰ বড়ো সম্প্ৰদায়ৰ হকে মিঃ গিয়াছুদ্দিন আহম্মদ বি. এল উকীলৰ হতুৱাই আৰু ধুবুৰী বড়ো যুবক সম্মিলনীৰ পক্ষৰ পৰা ৺শ্যামচৰণ ব্ৰহ্ম আৰু ৰূপনাথ ব্ৰহ্মই চাইমন কমিচনৰ আগত ১৯২৮ চনত দাখিল কৰা প্ৰতিবেদনৰ প্ৰতিলিপি শ্ৰীবিনয় খুংগুৰ বসুমতাৰীয়ে সম্পাদনা কৰি উলিওৱা **PLAINS TRIBAL BEFORE THE SIMON COMMISSION** পুথিত পোৱা যায়। তাত কোৱা হৈছে যে চেঞ্চাচত "Out of one lac and fifty thousand some thousands have been treated as Hindus. 'Which is the cause of decrease in the number of Bodo population. The Bodos have a distinct civilisation of their own. There should be a separate catagory 'the Bodos' in the census report"—(P. 4)

লগতে কৈছে—"We the Bodos can by no means call us other than Assamese. Our community is most backward in point of Education. Such being the case our people are always misled, they cannot understand the value of reform, they cannot save themselves from the hands of of foreign money lenders. To remove this drawback there should be compulsory free education and special. Scholarships for giving facility to higher education of the Bodo students be provided for. As stated before that a large number of our people are serving in the military and thereby rendering loyal service to the British Government. We claim certain provincial and executive posts for some of our people who are getting higher education. (P-6-7)

সাৰাংশ (লোক পিয়লত বড়ো সকলৰ কেবাহাজাৰকো হিন্দু বুলি দেখুওৱা হৈছে। কিন্তু বড়োসকলৰ স্বকীয়া সভ্যতা আছে। চেঞ্চাচত স্বকীয়াকৈ বড়োসকলক "বড়ো" বুলি দেখুৱাব লাগে। ** বড়োসকলে কোনোপধ্যে নিজকে অসমীয়া নহয় বুলি নাভাবে। ** আমাৰ সম্প্ৰদায়

শিক্ষাত অতিশয় পিচপৰা। সেয়ে আমাক প্ৰায়েই ভুলপথে নিয়ে। সেয়েহে সংস্কাৰৰ মূল্য বুজিব নোৱাৰে। নিজকে টকা ধাৰে দিয়া বিদেশী মহাজনৰ কবলৰ পৰা ৰক্ষা কৰিব নোৱাৰে। সেয়ে বড়োসকলক বাধ্যতামূলকভাবে প্ৰাথমিক শিক্ষা দিব লাগে, উচ্চশিক্ষাৰ বাবে বড়োছাত্ৰক বিশেষ বৃত্তি (Scholarship) আৰু আন আন সুবিধা দিব লাগে। বিপুল সংখ্যক বড়োমানুহে বৃটিছ চৰকাৰৰ সেনাবাহিনীত অনুগত সেৱা আগবঢ়াই আছে। উচ্চশিক্ষা প্ৰাপ্ত বড়োসকলৰ বাবে বাণিজ্যিক ক্ষেত্ৰত চাকৰি আৰু কাৰ্য্যবাহী বিষয়াৰ চাকৰি দাবী কৰো।)

আনখন প্ৰতিবেদনত (ধুবুৰী বড়ো যুৱক সম্মিলনীৰ পক্ষৰ শ্যামচৰণ ব্ৰহ্ম আৰু ৰূপনাথ ব্ৰহ্মই দিয়া) বড়ো মধ্যশ্ৰেণীৰ আন এটা দাবী উত্থাপিত হৈছে। সি হৈছে গোৱালপাৰাৰ কাঠৰ মহলবোৰ এদনীয়াকৈ বড়োসকলক দিয়াৰ দাবী (আগতে উল্লেখ কৰা হৈছে)।

লগতে গোৱালপাৰা ৰায়তীস্বত্ব আইন প্ৰনয়ণৰ দাবীও কৰা হৈছিল—

9. That the Goalpara Tenancy Bill, as recommended by the select committee should be passed as early as possible and a regulation for the betterment of the status of the tenants of the Khash-Mahal and for the protection of their rights and interest should also be passed as early as possible

ধুবুৰী বড়ো যুৱক সম্মিলনীৰ পক্ষৰ পৰা ৩০।১২।১৯২৮ তাৰিখে সম্পাদক শ্যামচৰণ ব্ৰহ্ম স্মাৰকপত্ৰ। (১৩১)) তেতিয়া বড়ো জাতীয়তাবাদৰ অংকুৰণ হৈছিল ক্ৰমাৎ উদ্ভব আৰু বিকশিত হোৱা বড়ো মধ্যশ্ৰেণীৰ মাজেদি। আগতে বৰ্ণোৱা গোৱালপাৰাৰ আৰ্থ-সামাজিক পটভূমিত, তাৰ বড়ো মধ্যশ্ৰেণীয়ে বড়ো জাতীয়তাবাদৰ নেতৃত্ব লৈছিল।

আঠ

বহিৰাগতসকল

ঔপনিবেশিক পুঁজিবাদী অৰ্থনীতিৰ দিশৰ পৰা চালে চাহ-বাগিছা খোলা, তাৰ বাবে অসমৰ বাহিৰৰ পিচপৰা-জনজাতি সমাজৰ পৰা সস্তীয়া মজুৰিৰ বনুৱা আনি নিয়োগ কৰা আৰু পূৰ্ববঙ্গৰ কৃষিকাৰ্য্যত পাৰ্গত, কষ্ট কৰিব পৰা মাটিহীন কৃষক আহি অসমৰ পতিত মাটিত বহা—আৰু তাৰ ফলত পণ্যশস্যৰ অধিক উৎপাদন হোৱা এই আটাইবোৰেই উৎসাহপ্ৰদ আছিল।

চাহ শিল্প আৰু ব্যৱসায় ব্ৰিটিছ পুঁজিপতি সকলৰ একচেটীয়া আছিল।

পূৰ্ববঙ্গৰ পৰা অহা খেতিয়ক সকলৰ উৎপাদিত মৰাপাটো বিশ্বৰ বজাৰত অতি প্ৰয়োজনীয় কেঁচামাল আছিল। মৰাপাট শিল্পতো ব্ৰিটিছৰ পুঁজি-বিনিয়োগ কম নাছিল। ভাৰতবৰ্ষতেই বিশ্বৰ প্ৰয়োজনীয় মৰাপাটৰ একচেটীয়া খেতি হৈছিল বুলিব পাৰি।

আনহাতে পণ্যশস্যৰ ব্যাপক উৎপাদনে অসমৰ আভ্যন্তৰীণ বণিজ্য বজাৰ খন ব্যাপক কৰি তুলিছিল। বণিজমুখী কৃষি উৎপাদন আৰু বজাৰ নিৰ্ভৰশীল এখন আধুনিক সমাজৰ লগত খাপখোৱা উৎপাদন পদ্ধতি গঢ় লৈছিল। বহিৰাগত কৃষকসকল একান্ত ভাবে এনে পদ্ধতিৰ লগত জড়িত আছিল। ইয়াৰ বিপৰীতে থলুৱা কৃষকৰ আগৰ পৰা চলা উৎপাদন পদ্ধতিৰ লক্ষ্য আছিল—যিমান পৰা যায় বজাৰলৈ নোযোৱাকৈ গৃহস্থী চলাটো, তথা পৰিয়ালৰ প্ৰয়োজনখিনি পূৰোৱাটো।

ব্ৰিটিছ চৰকাৰে অনুসৰণ কৰা অৰ্থনীতিয়ে, বহিৰাগত সকলৰ আগমনে অসমৰ বণিজক্ষেত্ৰ বহল কৰিলে। ব্যৱসায় বণিজৰ ক্ৰিয়াকাণ্ড বাঢ়িল।

পৰিবহনৰ সুবিধা বাঢ়িল। ৰেল, গৰুৰ গাড়ী, জাহাজ আদি প্ৰচলনৰ লগে লগে আভ্যন্তৰীন হাট-বাট বাঢ়িল। চাৰিওপিনে বজাৰ হাট হ'ল।

চৰকাৰৰ কোষাগাৰত জমা পৰা ৰাজহৰ পৰিমান বাঢ়িল। ধনী মহাজনৰ ধন ধাৰে দিয়া ব্যবসায় বাঢ়িল। ভূসম্পত্তি, ব্যবসায় লেনদেন বঢ়াত আদালতত মোকৰ্দ্দমা বাঢ়িল। উকীল মহৰিৰ আয় বাঢ়িল। মাটি-মহাজনৰ আয় বাঢ়িল। হাবি-বন মুকলি হোৱাত জনস্বাস্থ্যৰো উন্নতি হ'ল।

সেয়েহে কুৰি শতিকাৰ প্ৰথম দুই দশকত অসমলৈ অহা বহিৰাগত বনুৱা আৰু কৃষকসকলক থলুৱা মধ্যবিত্তই তেওঁলোকৰ অস্তিত্বৰ প্ৰতি ভাবুকি বুলি ভবা নাছিল।

১৯২১ খ্ৰীঃৰ জনপিয়লত প্ৰকাশ পাইছিল যে গোৱালপাৰা, কামৰূপ, দৰং, নগাও শিবসাগৰ আৰু লক্ষীমপুৰ জিলা আৰু শদিয়া অঞ্চলত সৰ্বমুঠ জনসংখ্যা ৩৮,৫২,০৭৩ জনৰ ভিতৰত অসমীয়া ১৭,২৫,৮৬০ জন ; বঙালী ৮,১২,৭০২ জন, হিন্দুস্থানী ২,৪১,১০৮ জন, নেপালী ৮০,১৩৪ জন, বড়ো ২,৫৪,৬৯৩ জন, অৰ্থাৎ অসম উপত্যকাতে অসমীয়া সংখ্যা গৰিষ্ঠ নাছিল। সেই সময়ৰ ব্ৰিটিছ অসমৰ জনসংখ্যা আছিল ৪৬,৩৬,৯৮০ জন। (এই তথ্যবোৰ জ্ঞাননাথ বৰাৰ 'অসমত বিদেশী' নামৰ পুথিৰ পৰা উদ্ধৃত।)

এই জনপিয়লৰ ফলাফলৰ ওপৰত অম্বিকাগিৰী ৰায়চৌধুৰীৰ দৰে অসমীয়াপ্ৰেমী নেতা গৰাকীৰ বক্তব্য আছিল—

১৯১০ চনৰ চেঞ্চাচত অসমত আছল অসমীয়াৰ সংখা আছিল ১৫ (পোন্ধৰ) লক্ষ, ১৯২১ চনৰ চেঞ্চাচত হ'ল—১৭ লক্ষ। হিচাপ মতে এই দহ বছৰত যিমান বাঢ়িব লাগিছিল সিমান নাবাঢ়িল। কলা আজাৰ, মেলেৰীয়া জ্বৰ, হাগনি আদি মহামাৰীবিলাক আহি অসমৰ সাকুৰা মাটিত স্থায়ীভাবে বহি লৈছে। তাৰ উপদ্ৰবত অসমীয়া মানুহ বাঢ়িব কেনেকৈ ? মানুহ কমাৰ লগে লগে জাতীয় শক্তিৰ অঙ্গবিলাকো আনে হস্তগত কৰিছে। এইফালে নানাফালৰ পৰা বিদেশীবিলাক আহি অসম দেশ ভৰি পৰাত খোৱালোৱা বস্তুৰ নাটনি পৰি আহিছে। নগাৱঁত সুদূৰ জাপানৰ পৰাও

বেপাৰী আহি লাখ লাখ টকাৰ পাটাৰ (মৰাপাট) কাৰবাৰ কৰিছে। অসমীয়াই ইমান ডাঙৰকৈ নোৱাৰিলেও নিজৰ ঘৰৰ বস্তুৰ ওপৰত কম পৰিমানেও কাৰ্য্য চলাবলৈ মন দিয়া নাই। (১৩৩)

১৯৩০ খ্ৰী. মানলৈকে বহিৰাগত বেপাৰী-ব্যৱসায়ীসকলৰ ওপৰতহে একশ্ৰেণীৰ মধ্যবিত্তৰ চকু পৰিছিল। পতিত মাটিত খোলা কেবা শ চাহ বাগিছা আৰু সেই উপলক্ষে অসমলৈ অহা বৃজন পৰিমাণৰ আন প্ৰদেশৰ শ্ৰমিক আৰু পতিত মাটিত স্থায়ী ভাৱে বহি যোৱা পূৰ্ববঙ্গৰ পৰা অহা বহিৰাগত কৃষকসকলৰ সংখ্যাও অনবৰত বাঢ়ি আছিল। সেই বহিৰাগতসকলে মধ্যবিত্ত শ্ৰেণীৰ মূৰকামোৰণিৰ সৃষ্টি ১৯৩১ খ্ৰী.লৈ কৰা নাছিল।

জ্ঞান নাথ বৰাদেৱে কৈছিল— "ইউৰোপীয় চাহ খেতিয়কে অৱশ্যে ভাৰতীয় বিদেশীতকৈ বহুত ধন নিছে। এজন চাহখেতিয়কে ১০০ জন বিদেশীৰ সমান ধন নিব পাৰিছে। সেই বুলি এই আন্দোলন (বিদেশীৰ বিৰুদ্ধে) তেওঁলোকৰ বিৰুদ্ধে হব নালাগে। ** তেওঁলোকে ধন আন বিদেশীৰ নিচিনা অসমীয়া মানুহৰ পৰা নিয়া নাই; দূৰ দেশৰ পৰা বিদেশী মানুহ অনাই ইয়াত চাহৰ খেতি কৰি ইউৰোপলৈ পঠাই দিয়ে আৰু তাৰ পৰাহে ধন গোটাইছে। তেওঁলোকে ধন আৰ্জিছে আসামৰ মাটিৰ পৰা, অসমীয়া মানুহৰ পৰা নহয়। অসমীয়াৰ অন্য বেপাৰ আৰু ব্যৱসায়ত কোনো বাধাবিঘিনি দিয়া নাই। কিন্তু আন বিদেশী বিলাকে আমাৰ মাজত থাকি আমাৰ পৰাহে ধন নিছে আৰু আমাৰ বেপাৰত ব্যাঘাত মিলাইছে। ইউৰোপীয় চাহখেতিয়ক আৰু ভাৰতীয় বিদেশীৰ এই প্ৰভেদ।" (১৩৪)

এচাম অসমীয়া মধ্যবিত্তৰ সেইসময়ত চাহখেতিয়কসকলৰ প্ৰতি থকা দুৰ্বলতাৰ এটা কাৰণ আছিল—সেই সময়ত থকা ব্ৰিটিছ চৰকাৰ। আনহাতে অলপ সংখ্যক অসমীয়াকে ধৰি দুই এজন ভাৰতীয়ইও য়ুৰোপীয় চাহ খেতিয়ক তথা চাহ ব্যৱসায়ীৰ ছত্ৰছায়াত চাহবাগান খুলিছিল। লক্ষণীয় এই যে স্বাধীনতাৰ পিছলৈকেও এনে দুৰ্বলতা বৈ গৈছিল। আনকি যি সকলে ভৱিষ্যত অসমীয়া বংশধৰৰ বাবে পতিত মাটি ৰখাৰ যুক্তিত

সাধাৰণ ভাৰতীয় বহিৰাগত খেতিয়কক মাটি দিয়াৰ তীব্ৰ বিৰোধিতা কৰিছিল সেইসকলেও—চাহবাগিছাৰ নামত (তাৰে ১/৪ ভাগহে চাহ খেতিত ব্যৱহাৰ কৰা হৈছিল) মাটি লোৱা কথাত মনে মনে আছিল।

যিসময়ত অসমত ব্ৰহ্মপুত্ৰ উপত্যকাত ৮, ২৫, ৮৩১ একৰ (১৩৫) (১ একৰ = তিনি বিঘাতকৈ অলপ বেছি) মাটি চাহখেতিয়কৰ হাতত আছিল আৰু সেই মাটিৰ এক-চতুৰ্থাংশৰ বাহিৰে বাকীখিনিতহে চাহ খেতি কৰা হৈছিল। সেই সময়ত ভৱিষ্যত প্ৰজন্মৰ কথা ভাবি চাবলৈ ব্ৰিটিছ ৰাজত্বৰ সময়ত অসমীয়া মধ্যবিত্তৰ প্ৰবৃত্তি নাছিল।

এনেবোৰ মাটিৰ খাজনা দিব নালাগিছিল। তাক নামমাত্ৰ মূল্যলৈ দিয়া হৈছিল। ১৯৪৮ খ্ৰী.ৰ আগলৈকে চাহ বাগিছাৰ পতিত মাটিত চৰকাৰেও হাত দিব নোৱাৰিছিল—কিন্তু বাগিছাৰ মালিকে হ'লে সেই মাটি আনত বিক্ৰি পাৰিছিল।

"Revenue Free Waste Land Grants were made for the purpose of opening up the country when there was no dearth of waste land and for encouragement of the growth and expansion of the Tea Industry, on payment of a nominal sum. The rates at which many of the Grants were sold on revenue free terms or the revenue thereof was redeemed, were almost equal to or even less than a year's revenue which many ordinary cultivators were paying to Government for the land they cultivated." (১৩৬)

(যেতিয়া পতিত মাটি আটকীয়া নাছিল, তেতিয়া দেশখন পৰিস্কাৰ কৰাৰ বাবে আৰু চাহ খেতি চাহ-শিল্প বিস্তাৰৰ বাবে নাম মাত্ৰ ধনলৈ চাহখেতিয়কক মাটি দিয়া হৈছিল বা বিক্ৰি কৰা হৈছিল। এনে মাটিৰ দাম—এজন সাধাৰণ খেতিয়কে বছৰি যি মাটিৰ খাজনা শোধাব লাগে তাৰ সমান বা তাতোকৈ কম আছিল।)

জ্ঞান নাথ বৰাৰ চকুত পূৰ্ববঙ্গৰ পৰা প্ৰব্ৰজিত 'পমুৱা' বা 'মৈমনচিঙিয়া' অভিবাসীসকল যে নপৰিছিল এনে নহয়। তেওঁৰ ১৯২৫ খ্ৰী.ত প্ৰকাশিত কিতাপখনত লিখা বিদেশী নিবন্ধত অসম উপত্যকাৰ এনে মৈমনচিঙিয়া সকলৰ সংখ্যা—১,৭২,২৭০ জন বুলি কৈছে।

তেওঁ আৰু কৈছে—

যিবিলাক বিদেশী আমাৰ দেশলৈ আহি বসতি কৰিছে, সিবিলাকৰ কৈতবোৰ অসমীয়া হবৰ আশা আছে। তেওঁলোকক আমাৰ সমাজৰ পৰা আঁতৰ কৰি থোৱা উচিত হোৱা নাই। আমি তেওঁলোকক লাহে লাহে আমাৰ সমাজত ঠাই দিব লাগে। যিবিলাক মুছলমান বিদেশী আহি ঠায়ে ঠায়ে ঘৰবাৰী সাজি নিগাজীকৈ আসামত আছে, সিবিলাকক অসমীয়া কৰিব লাগে; আৰু এই কাম ঘাইকৈ অসমীয়া মুছলমানৰ ওপৰতে নিৰ্ভৰ কৰিছে। সৌভাগ্যক্ৰমে অসমীয়াৰ এটা ডাঙৰ গুণ আছে। অসমীয়াই সহজে বিদেশীক অসমীয়া কৰি লব পাৰে।" (১৩৭)

(লক্ষ্য কৰিবলগীয়া এয়ে যে তেখেতে চাহ-বাগিছাৰ মজদুৰ সম্প্ৰদায় আৰু মৈমনচিঙিয়াসকলক বঙালীৰ লগতে ধৰি ১৯১১ চনৰ লোকপিয়লৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ বঙালীৰ হিচাপ দিছে।)

আন উৎসৰ তথ্য মতে—ড° অমলেন্দু গুহই কৈছে যে ১৯২১ চনত গোৱালপাৰা জিলাত ১,৪১,০০০ জন আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ আন ঠাইত ১,১৭,০০০ মুঠতে অসম উপত্যকাত ২,৫৮,০০০ জন পূৰ্ববঙ্গৰ পৰা অহা অভিবাসী আছিল। (১৩৮)

বৰাদেৱে কবৰ দৰে—বহুতো সেই সময়ৰ বুদ্ধিজীৱী মধ্যবিত্তই পমুৱা খেতিয়কক আৰু চাহ শিল্পক অসমীয়া সমাজৰ অহিতকাৰী বুলি ভবা নাছিল। সেই সময়ত ব্ৰিটিছ অসমত কিয় ব্ৰহ্মপুত্ৰ উপত্যকাতো **আচল অসমীয়া (জনজাতি সকলক তাৰ ভিতৰত নধৰাকৈ) সংখ্যালঘু আছিল।** অসমত অসমীয়া মধ্যশ্ৰেণীৰ আধিপত্য (ৰাজনীতি, অৰ্থনীতি, সংস্কৃতি ক্ষেত্ৰত) বৰ্তাই ৰাখিবলৈ হ'লে অভিবাসী শ্ৰমিক আৰু কৃষকসকলক অসমীয়া সমাজত ঠাই দিয়াটো অপৰিহাৰ্য্য আছিল। সেই সময়ত এনে অভিবাসী চাহ মজদুৰ সম্প্ৰদায় বা "পমুৱা" খেতিয়কসকলৰ মাজৰ পৰা মধ্যবিত্ত শ্ৰেণীৰ লোক বেছি উদ্ভৱ হোৱা নাছিল—অৰ্থাৎ এওঁলোক অসমীয়া মধ্যবিত্তৰ প্ৰত্যা-হ্বান জনাবলৈ সমৰ্থবান প্ৰতিদ্বন্দ্বী শক্তি ৰূপে পৰিগণিত হোৱা নাছিল। অৰ্থনৈতিক ক্ষেত্ৰত এওঁলোকৰ শ্ৰমৰে সম্পদ সৃষ্টি হৈছিল। অসমীয়া

মানুহৰ শ্ৰমোপাৰ্জিত উৎপাদনৰ ভাগীদাৰো হোৱা নাছিল। বৰং অসমীয়া মধ্যবিত্তই তেওঁলোকৰ শ্ৰমৰ ফলত লাভবান হৈছিল। অসমীয়া মধ্যবিত্তই পূৰ্ববঙ্গৰ পৰা অহা অভিবাসী খেতিয়কক সহায় কৰিছিল।

অসম বেংকিং এনকুৱৰী কমিচনৰ আগত জগন্নাথ বুজৰবৰুৱাই কৈছিল যে পমুৱা অভিবাসী অহাত বৰপেটা অঞ্চলৰ সৰ্বাঙ্গীন সমৃদ্ধি হৈছে। বহুতো অসমীয়া খেতিয়কে মাটিৰ বেপাৰী হৈছে। নিজৰ পামখন বিক্ৰি কৰি দি আকৌ আন পতিত মাটিত পাম ধৰে। পমুৱা অভিবাসীসকলক লগা ধনৰ মাতব্বৰবিলাকে যোগান ধৰে। মাৰোৱাৰী আৰু বৰপেটাৰ অসমীয়াই এনেদৰে ধনৰ যোগান ধৰে। আনকি হাটীৰ তহবিলৰ পৰাও অলপ অচৰপ ধন এনেদৰে অভিবাসীক যোগান ধৰে। (অনুবাদ লিখকৰ) (১৩৯) (বৰপেটাৰ হাটীয়াৰ পুজি নামৰ টোকাটো পৰিশিষ্টত চাওক।)

আনহাতে চাহ শিল্পৰ প্ৰধান মালিক অনাভাৰতীয় বিদেশীৰ একহাতত আছিল ৰাজ্যৰ শাসনৰ বাঘজৰী, আনখন হাতত আছিল বৃহৎ পুঁজি আৰু সুদূৰ প্ৰসাৰী ব্যৱসায় প্ৰণালীৰ ওপৰত আধিপত্য। এই শক্তিক প্ৰত্যাহ্বান জনোৱাৰ বাবে অসমীয়া মধ্যবিত্ত—ক্ষুদ্ৰাতিক্ষুদ্ৰ আছিল।

চাকৰিৰ ক্ষেত্ৰত, তথা চৰকাৰী সা-সুবিধাৰ দাবীদাৰ হিচাপে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আৰু সুৰমা উপত্যকাৰ মধ্যবিত্ত দুয়োটাৰ মাজত অৰিয়াঅৰি থাকিলেও কাৰো কবলৈ একো নাছিল, কাৰণ দুয়ো উপত্যকাৰ প্ৰজা অসম প্ৰদেশৰেই প্ৰজা আছিল। আনকি কামৰূপ বা শিৱসাগৰৰ অসমীয়াই চিলেটত গৈ সুবিধামতে চাকৰি খেতি বাতি বসবাস ব্যবসায় কৰাৰ যি অধিকাৰ আছিল, চিলেটৰ এজনৰো তেনেকৈ নগাঁওৰ শিৱসাগৰত থাকি চাকৰি খেতিবাতি বসবাস ব্যৱসায় কৰাৰ বাবে একেই অধিকাৰ আছিল। ইয়েই আছিল বাস্তৱ।

ৰাজনৈতিক ক্ষেত্ৰত—ব্ৰিটিছ চৰকাৰে ভাৰতীয় প্ৰজাক আইন সভাৰ এচুকত ঠাই দিছিল সঁচা কিন্তু তেনে আসনৰ সংখ্যা পোনতে বৰ কম আছিল। তেনে আসন পোৱাৰ যোগ্যতা এতিয়াৰ দৰে প্ৰাপ্ত বয়স্কৰ সাৰ্বজনীন ভোটাধিকাৰৰ মাধ্যমত নিৰ্বাচিত হৈ অৰ্জন কৰাৰ বিধি নাছিল। ১৯১৯

চনৰো শাসন সংস্কাৰত অৱস্থাৰ বৰ সলনি হোৱা নাছিল। মুঠতে তৎকালীন সংসদীয় ৰাজনীতিত জন সংখ্যাৰ কথাটো বৰ গুৰুত্বপূৰ্ণ নাছিল। সেই সময়ত ভোটাধিকাৰ—প্ৰাপ্তবয়স্কৰ ভিত্তিত নহৈ নিৰ্দিষ্ট সম্পত্তি আৰু শিক্ষাগত অৰ্হতাৰ ভিত্তিত হে দিয়া আছিল।

১৯২১ চনৰ মহাত্মাগান্ধী আৰু মৌলানা চৌকত আলীৰ নেতৃত্বত নিখিল ভাৰত কংগ্ৰেছ কমিটি আৰু খিলাফত আন্দোলনৰ ঢৌ অসমতো লাগিছিল। ইয়াত অসমৰ মধ্যবিত্ত শিক্ষিত তৰুণসকলৰ যোগদান বৰ চকুত পৰা বিধৰ নাছিল। ১৯২১—১৯৩০ চনৰ ভিতৰত অসমত নৰমপন্থী আসাম এচোচিয়েচনৰ ঠাই কংগ্ৰেছে অধিকাৰ কৰিলে। এই সময়ছোৱাৰ ভিতৰতে গান্ধীজী তথা কংগ্ৰেছৰ স্বৰাজ আন্দোলনৰ মাজত নিহত দুৰ্বলতাৰ সুযোগত সাম্ৰাজ্যবাদী শাসকে ভেদবাদী বীজ ৰোপন কৰিলে। এই বীজ আছিল হিন্দু আৰু মুচলমান সাম্প্ৰদায়িকতাৰ, বৰ্ণহিন্দু আৰু পিচপৰা সম্প্ৰদায় তথা জনজাতি সাম্প্ৰদায়িকতাৰ। তেতিয়ামানে সকলো সম্প্ৰদায়ৰ পৰা আধুনিক শিক্ষা আৰু অৰ্থনীতিৰ মাজেৰে মধ্যবিত্ত শ্ৰেণীৰ অভ্যুদয় চকুত পৰা বিধৰ হৈছিল। নিখিল ভাৰত কংগ্ৰেছৰ মাজেতো হিন্দু সাম্প্ৰদায়িক মনোভাৱ সম্পন্ন নেতা আছিল। উদাহৰণ স্বৰূপে ১৯২৬ খ্ৰীঃত অসমৰ পাণ্ডুত বহা নিঃ ভাঃ কংগ্ৰেছ অধিবেশনৰ থলীতে—এদিনাখন কংগ্ৰেছ অধিবেশনৰ হিন্দু প্ৰতিনিধিসকলৰে নিখিল ভাৰত হিন্দু মহাসভাৰ, পণ্ডিত মদন মোহন মালব্যৰ সভাপতিত্বত, বাৰ্ষিক অধিবেশনখনো বহিছিল।

১৯৩১ খ্ৰীঃৰ চেঞ্চাচ ৰিপৰ্ট প্ৰকাশিত হ'ল। সেই চেঞ্চাচৰ অধীক্ষক চি এচ মুলানে লিখা এটা মন্তব্যই অসমীয়া মধ্যবিত্তৰ মাজত আলোড়ন তুলিলে। আলোড়নৰ বিষয় আছিল পমুৱা মুছলমান অভিবাসীৰ আগমনৰ ফলত অসমীয়াৰ অস্তিত্ব বিপন্ন হোৱাৰ সম্ভাৱনা।

চি এচ মুলানে লিখিছিল—"(এই পমুৱা সকলে) নগাঁও বিজয় সম্পূৰ্ণ কৰিলে। কামৰূপৰ বৰপেটা মহকুমা সিহঁতৰ আক্ৰমণত পৰিল। দৰঙত আক্ৰমণ অভিযান চলিছে। এতিয়ালৈকে শিৱসাগৰ ৰক্ষা পৰিলেও কেবা হেজাৰো মৈমনচিঙিয়াই উত্তৰ লক্ষীমপুৰ পাইছেগৈ। অহা দশকটোত

ইয়ে এটা প্ৰচণ্ড অভিযানৰ ৰূপ লব। য'তেই মৰাশ' থাকে তাতেই শগুনৰজাক গোট খোৱাৰ দৰে, য'তেই পতিত মাটি ত'তেই মৈমনচিঙিয়া গৈ বহিব।"

("... has almost completed the conquest of Nowgong, The Barpeta sub-Division of Kamrup has fallen to their attack and Darrang is being invaded. Sibsagar has so far escaped completely, but few thousand Mymansinghias in North Lakhimpur are on outpost which may during the next decade, prove to be a valuable basis of major operations. Wherever the carcass, there the vultures be gathered togather, where there is weaste land thither flock the mymansinghias" (cited from. Planters Raj to Swaraj : Dr, A. Guha)

সেই ৰিপৰ্টতে মুলান চাহাবে সকিয়নি দি লিখিলে যে "অৱশেহত অসমীয়া জাতিটো মাথোন শিৱসাগৰ জিলাতহে ৰবগৈ।"

"অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ" বিপদৰ সকিয়নি চৰকাৰীভাৱে ওলাল এনে এটা সময়ত, যিটো সময়ত অসমীয়া মধ্যবিত্তই ভাৰতবৰ্ষৰ স্বৰাজৰ বাবে ব্ৰিটিছৰ বিৰুদ্ধে অসহযোগ তথা সত্যাগ্ৰহ আন্দোলনলৈ (মহাত্মা গান্ধী তথা নিখিল ভাৰত কংগ্ৰেছ মহাসভাৰ নেতৃত্বত) আগুৱাই আহিবলৈ ওলাইছে।

উনুকিয়াই থোৱাটো প্ৰাসঙ্গিক হব যে প্ৰথম মহাসমৰৰ (১৯১৪-১৯১৮ খ্ৰী.) পাছত অসমৰ অৰ্থনৈতিক অৱস্থাৰ দ্ৰুত অবনতি ঘটিছিল। খাদ্য সামগ্ৰী আৰু নিত্য ব্যৱহাৰ্য্য আন সামগ্ৰীৰ অনাটন আৰু দাম অস্বাভাবিক ভাবে বৃদ্ধি পাইছিল। শিক্ষিত নিবনুৱা সমস্যা জটিল হৈ উঠিছিল। ৰেলপথ পৰিবহণৰ ফলত আগৰদিনীয়া বেপাৰীবিলাকৰ নাৱৰ বেহা কমি যোৱাত সেই সকলৰ সংকট হৈছিল। যুদ্ধৰ সময়ত মৰাপাটৰ দাম চৰাত পূৰ্ববঙ্গৰ পৰা অহা অভিবাসীসকল অসমীয়া মহাজনৰ ওপৰত নিৰ্ভৰশীল নোহোৱা হৈ পৰিছিল।

এনেবোৰ কাৰণত অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মাজত ওপজা ক্ষোভৰ সতে কংগ্ৰেছ আন্দোলন যোগ হোৱাত জন অসন্তোষ বৃদ্ধি পাইছিল। নামনি

অসমত সৰ্বশ্ৰেণীৰ থলুৱা মানুহৰ মাজত অসহযোগ আন্দোলনৰ হেন্দোলনিৰ আৰু ব্যাপক জনবিক্ষোভৰ সৃষ্টি হৈছিল।

চৰকাৰী ৰিপৰ্ট মতে সমগ্ৰ কামৰূপ জিলাখনৰ কছাৰীসকলকে ধৰি জনসাধাৰণ ৰাজদ্ৰোহী প্ৰচাৰৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল।

"The whole district (Kamrup), including the ignorent Kachari population in the northern part has been perceptibly affected by disloyal preaching and local officers report that some dicisive action is necessary to restore the authority and prestige of the Government. (১৪০)

১৯২১ খ্ৰীঃৰ অসহযোগ আন্দোলনত নামনি অসমৰ মধ্যবিত্তৰ মাজত চৰকাৰ বিৰোধী আলোড়ণৰ নমুনা পোৱা যায়—যে কেৱা গৰাকীও স্কুল শিক্ষকে চৰকাৰী চাকৰি ত্যাগ কৰিছিল ; দুজন উপপ্ৰতি সমাহৰ্তা বা চবডিপুটি কলেক্টৰ—হৰিপ্ৰসাদ দাস (বৰপেটাত হৰিপ্ৰসাদ ব্ৰহ্মচাৰী নামে খ্যাত) আৰু মহম্মদ চিস্তি,) পুলিচৰ কনিষ্টবল (গুৱাহাটীৰ পাঁচজন আৰু গোৱালপাৰাৰ কেজনমান,) কামৰূপৰে মণ্ডল ৫০ জনে (নলবাৰীৰ চৈধ্যজন, ছয়গাৱৰ ছয়জন, ৰঙিয়া আৰু তামোলপুৰৰ ত্ৰিশজন) চাকৰি ইষ্টাফা দিছিল। গুৱাহাটীৰ ১৯ জন উকীলে ওকালতি বৰ্জন কৰিছিল ; ছাত্ৰই স্কুল বৰ্জন কৰিছিল। চৰকাৰী হিচাপ মতে জেল (কয়েদী) হৈছিল গোৱালপাৰাৰ ৮ জন, কামৰূপৰ ৪১ জন, দৰঙৰ ১৯ জন আৰু শিবসাগৰৰ ১০ জনৰ ঃ গ্ৰেপ্তাৰ বৰণ কৰিছিল (সত্যাগ্ৰহী হৈ) কাছাড়ৰ ৮ জনে, চিলেটৰ ১২ জনে, গোৱালপাৰাৰ ৫০ জনে, দৰঙৰ ৪৬ জনে, নগাওৰ ১১৭ জনে, শিৱসাগৰৰ ১১৭ জনে আৰু লক্ষীমপুৰৰ ১৮ জনে। (১৪১)

সেই সময়ৰ চৰকাৰে এপিনে পতিত মাটিত অভিবাসীসকলক পট্টন দি আছিল—একে সময়তে সেই অভিবাসীসকল অহাত "অসমীয়া জাতিৰ অস্তিত্ব বিপন্ন" হোৱাৰ সকিয়নিকো দিছিল। ইয়াৰ উদ্দেশ্য সম্পৰ্কে এটা কথা ধাৰণা কৰিব পাৰি যে অসমত ক্ৰমবৰ্দ্ধমান ভাৰতীয় জাতীয়তাবোধ আৰু ব্ৰিটিছ বিৰোধী চেতনাক ভিন্ন ভেদবাদী দিশত ধাবিত কৰাৰ বাবে ব্ৰিটিছ শাসকসকলে চলে বলে কৌশলেৰে প্ৰবৃত্ত আছিল।

চিলেট জিলাখনৰ অধিবাসীৰ সৰহ ভাগেই ইচলাম ধৰ্মাৱলম্বী, ব্ৰহ্মপুত্ৰ উপত্যকাৰ অভিবাসী কৃষকসকলৰো আশীশতাংশ একে ধৰ্মাবলম্বী। এই পৰিস্থিতিৰ সুযোগ মুছলমান সাম্প্ৰদায়িকতাবাদী-ৰাজনীতিত লিপ্ত

মধ্যশ্ৰেণীয়েও লৈছিল। আনহাতে অসমীয়া হিন্দু বা আন সাম্প্ৰদায়িকতাবাদী গোষ্ঠীবাদী ৰাজনীতিত লিপ্ত মধ্যশ্ৰেণীয়েও এই পৰিস্থিতিত নিজৰ নিজৰ স্থিতি দৃঢ় কৰাৰ চেষ্টা কৰিছিল। বিধে বিধে নিজৰ নিজৰ কথাৰে জনসাধাৰণৰ মাজত ভেদবাদ বিস্তাৰ কৰিছিল। লক্ষনীয় এয়ে যে পিচলৈকেও অভিবাসীসকলে নিজকে অসমীয়া ভাষী বুলি পৰিচয় দিয়া স্বত্বেও এনে ভেদবাদী ষড়যন্ত্ৰ বিভিন্ন অপকৌশলেৰে চলি আছিল।

জ্ঞাননাথ বৰাদেৱে চাহশিল্পৰ বিৰুদ্ধে নকৈ বৰং সপক্ষেহে যুক্তি দৰ্শাইছিল। বাগ্মীবৰ নীলমনি ফুকন কিম্বা অম্বিকাগিৰী ৰায়চৌধুৰীয়েও চাহ-শিল্পৰ বিৰুদ্ধে মাত মতা নাছিল। চাহশিল্পৰ মাজেৰে অসমৰ ধন কিদৰে বাহিৰ-বিদেশলৈ গৈছিল সেই কথা বৰাদেৱে নিজেই স্বীকাৰ কৰিছে।

চাহ শিল্পৰ নামত অতি নামমাত্ৰ ধনত হেজাৰ হেজাৰ একৰ মাটি প্ৰায় বিনা খাজনাত চাহ বাগিছাৰ মালিকৰ সম্পত্তি ৰূপে মঞ্জুৰ কৰা হৈছিল।

সেই মাটিৰ এক চতুৰ্থাংশতহে চাহখেতি হৈছিল। বাকী চাহখেতিৰ নামত দিয়া মাটিত নিজেওপজা বনজ সম্পদ মূল্যবান কাঠ আদি চাহ বাগিছা মালিকৰ ব্যক্তিগত সম্পত্তি আছিল। চাহ বাগিছা গ্ৰেণ্টৰ মাটিৰ খাজনা নাছিল বা নামমাত্ৰ হাৰত খাজনা লোৱা হৈছিল। এবাৰ প্ৰয়াত নেতা কুলধৰ চলিহাই কাউন্সিলত চাহ বাগিছাৰ গ্ৰেণ্টৰ পতিত মাটি থলুৱা পুঁজিপতিক চাহ বাগিছা খোলাৰ বাবে দিবলৈ কোৱাৰ বাহিৰে—কেৱে সেই পিনে আঙুলি নিৰ্দ্দেশ কৰা নাছিল। এই কথাখিনিও তৎকালীন অসমীয়া জাতীয়তাবাদী মধ্যবিত্তৰ চিন্তা চৰিত্ৰৰ ক্ষেত্ৰত মন কৰিবলগীয়া।*

কাৰণ অসমীয়া থলুৱাসকলৰ বংশধৰ সকলৰ স্বাৰ্থত পতিত মাটি সংৰক্ষণৰ ধ্বনি, শতিকাৰ তিনিদশকৰ পিছত বিশেষকৈ মুলান চাহাবৰ ভবিষ্যত বাণীৰ পিছত, অসমীয়া বুদ্ধিজীৱি মধ্যবিত্তৰ মাজত বৰকৈ চৰ্চ্চিত হৈছিল।

---

* সম্ভবত: প্ৰয়াত কমলাকান্ত ভট্টাচাৰ্য্যই ইয়াৰ ব্যতিক্ৰম আছিল। অভিবাসী সকলে ইয়াতে কৰি ইয়াতে খাইছিল, অসমৰ বাহিৰলৈ একো নিয়া নাছিল। কিন্তু বিদেশী পুঁজিৰ চাহ শিল্পই অকল অসমৰ বাহিৰৰ পৰা লাখৰ পৰিমাণত মানুহ অনাই নহয়—অসমৰ মাটিৰ উৎপাদনৰ পৰা কোটি কোটি টকা—অসম তথা ভাৰতৰ বাহিৰলৈ লুণ্ঠন কৰিছিল। এই বিদেশী পুঁজিৰ বিৰুদ্ধে অসমৰ মধ্যবিত্ত নিৰৱ থকা কথাটো মন কৰিবলগীয়া।

৯

চমুকৈ

ব্ৰিটিছে অসম অধিকাৰ কৰাৰ পাছৰ ঘটনাৰ গতি খৰতকীয়া। চমুকৈ কবলৈ গ'লে ১৮৭৪ খ্ৰীষ্টাব্দৰ ৬ ফেব্ৰুৱাৰী তাৰিখৰ পৰা অসম এখন চীফ কমিচনাৰ শাসিত প্ৰদেশ হ'ল। সেই সময়ৰ কামৰূপ, দৰং, নগাওঁ, শিবসাগৰ আৰু লক্ষীমপুৰ জিলাৰ লগতে ব্ৰহ্মপুত্ৰ উপত্যকাৰে গোৱালপাৰা জিলা, পৰ্ব্বতীয়া জিলা কেইখন, বৰাক উপত্যকাৰ কাছাৰ জিলাকলৈ গঠিত হোৱা প্ৰদেশখনত বৰাক-সুৰমা উপত্যকাৰ চিলেট বা শ্ৰীহট্ট জিলাখনকো সেই বছৰৰ চেপ্তেম্বৰ মাহৰ বাৰ তাৰিখে চামিল কৰা হ'ল।

ব্ৰহ্মপুত্ৰ উপত্যকা, পৰ্বতীয়া জিলা কেইখনৰ জনসংখ্যা আছিল ২৪,৪৩,০০০ জন। ইয়াৰ লগত সুৰমা উপত্যকাৰ ১৭,১০,০০০ জন জনসংখ্যা লগ লাগিল। অসম প্ৰদেশখন ইয়াৰ ফলত ধৰ্মীয়, নৃতাত্বিক গোষ্ঠী আদিৰ পিনৰ পৰা চালে—অধিক বৈচিত্ৰ্যপূৰ্ণ হ'ল আৰু জনগাঠনিৰ ৰূপৰ তথা ভাৰসাম্যৰ সলনি হ'ল।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ গোৱালপাৰা জিলা বাদে প্ৰায় সকলোখিনি ঠাই পূৰ্বৰ 'আহোম-অসম' এলেকাত পৰে। গোৱালপাৰা জিলা বিভিন্ন দিশৰ পৰা চালে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আন জিলা কেইখনৰ দৰে একে জনগাঠনিৰ। কিন্তু পৰ্বতীয়া জিলা কেইখন বা সুৰমা উপত্যকাৰ জনগাঠনিৰ গঢ় সুকীয়া। সুৰমা উপত্যকাৰ সৰহভাগ অধিবাসী বঙ্গভাষী আৰু ইচলাম ধৰ্মাবলম্বী আছিল। পাৰ্বত্য জিলাকেইখনৰ অধিবাসীৰ ভাষা ধৰ্ম আদি সুকীয়া সুকীয়া। আনহাতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰহভাগৰে ভাষা অসমীয়া, ধৰ্ম হিন্দু।

গতিকে ব্ৰিটিছে গঠন কৰা অসম প্ৰদেশৰ অধিবাসীসকল একভাষী এক-জাতিৰ নাছিল। পৰ্বত-ভৈয়ামৰ জনজাতি সকলৰ মাজৰ পৰা মধ্যবিত্ত শ্ৰেণীৰ

লোক বুজন পৰিমাণৰ ওলাই নহালৈকে ব্ৰিটিছ-অসমত বঙালী-অসমীয়া হিন্দু-মুছলমানৰ নামত ভাষিক আৰু ধৰ্মীয় অন্তৰ্নিহিত বিৰোধ চলি আছিল।

দুই উপত্যকাৰ মধ্যবিত্তসকলৰ মাজত চাকৰি-বাকৰি, চৰকাৰ প্ৰদত্ত সা-সুবিধা আদিক লৈ অৰিয়া-অৰি আছিল।

চাকৰি-বাকৰি আদিৰ বাবে প্ৰয়োজনীয় শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত সুৰমা উপত্যকাৰ মধ্যশ্ৰেণী আগবঢ়া আছিল। উদাহৰণ স্বৰূপে ১৮৯২ খ্ৰী:ত জমিদাৰ-ৰাজা গীৰিশ চন্দ্ৰ ৰায়ৰ ব্যক্তিগত দানেৰে চিলেটত ব্ৰিটিছ-অসমৰ সৰ্বপ্ৰথম কলেজ 'মুৰাৰী চান্দ কলেজ'—স্থাপিত হয়। অসম উপত্যকাৰ প্ৰথমখন কলেজ (কটন কলেজ) ১৯০০ চনতহে স্থাপিত হয়।

আধুনিক কালৰ অৰ্থাৎ ব্ৰিটিছৰ দিনৰ আৰ্থ-সামাজিক ক্ৰিয়াকাণ্ডত ভাগ লোৱাৰ বাবে সুৰমা উপত্যকাৰ মধ্যশ্ৰেণীয়ে আগৰে পৰা উপযুক্ত শিক্ষা-প্ৰশিক্ষণ-চুবুৰীয়া বঙ্গদেশৰ ঢাকা-কলিকতা আদি ঠাইত লোৱাৰ সুযোগ গ্ৰহণ কৰিছিল। সুৰমা উপত্যকাৰ মধ্যশ্ৰেণীয়ে বংগদেশৰ মধ্যশ্ৰেণীয়ে পোৱাৰ দৰে জমিদাৰী প্ৰথাৰ ভিত্তিত এনে সুযোগ পাইছিল। সিবোৰ ঠাইত আগৰে পৰা বেপাৰ বণিজ বেছি আছিল। তাতোকৈ ডাঙৰ কথা যে ১৭৬৫ খ্ৰী ৰ পৰাই—চিলেট ব্ৰিটিছৰ অধিকাৰলৈ আহিছিল। অৰ্থাৎ নতুন সময়ৰ লগত আহোমঅসমৰ (গোৱালপাৰা বাদে অসম উপত্যকা) প্ৰজাতকৈ সেই ঠাইৰ প্ৰজাই আগতে পৰিচিত হৈছিল। ফলত অসমত ব্ৰিটিছ ৰাজত্বৰ যি নতুন নতুন কৰ্মোদ্যম চলিল সিবোৰত সুৰমা উপত্যকাৰ মধ্যশ্ৰেণীয়ে আগভাগ লবলৈ সুযোগ পালে।

একেখন প্ৰদেশৰ অধিবাসী হোৱা হেতুকে সুৰমা উপত্যকাৰ মধ্যশ্ৰেণীয়ে চৰকাৰী চাকৰি-বাকৰি বা সুযোগ-সুবিধাৰ ক্ষেত্ৰত—ব্ৰহ্মপুত্ৰ উপত্যকাৰ অধিবাসী সকলৰ (মধ্যশ্ৰেণীৰ) সমানে নিজৰ অধিকাৰ তথা প্ৰাপ্য দাবী কৰিব ধৰিলে।

অসমৰ বাহিৰৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ অহা সকলক অসমৰ স্থায়ী বুলি গণ্য কৰাত কিবা বাধা থাকিলেও চিলেট জিলা তথা সুৰমা উপত্যকাৰ অধিবাসীসকলৰ ক্ষেত্ৰত আইন বা নীতিগত কোনো তেনে বাধা নাছিল।

পোনতে "অসম উপত্যকা বনাম সুৰমা উপত্যকা" এনে প্ৰতিদ্বন্দ্বীতাৰ মনোভাবে দুয়ো উপত্যকাৰ মধ্যশ্ৰেণীৰ মনত ক্ৰিয়া কৰিছিল।

চিলেট জিলাক অসমৰ লগত ৰখা প্ৰস্তাৱত, সেই জিলাৰ হিন্দু-মুছলমান ধৰ্মাবলম্বী উভয় মধ্যশ্ৰেণীয়ে পোনতে সন্মত নাছিল। কিন্তু চৰকাৰে কাৰো আপত্তি গ্ৰাহ্য নকৰিলে। পৰবৰ্ত্তী কালত চিলেট সংযোজনত অসমীয়া-ভাষী তথা জাতিৰ অহিত হোৱা বুলি অনুভৱ কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ মধ্যশ্ৰেণীৰ এচামে শ্ৰীহট্ট-বিচ্ছেদৰ সপক্ষে আলোড়ন তুলিছিল।

ভাষাৰ প্ৰশ্নত আৰু সাম্প্ৰদায়িক ৰাজনীতিৰ ক্ষেত্ৰত—অসম উপত্যকাৰ থলুৱা মানুহৰ মনত— ওপৰত কোৱা দ্বন্দ্বই খেলিমেলিৰ সৃষ্টি কৰিছিল। পৰবৰ্ত্তী কালৰ ঘটনাবলীৰ মাজত এনে দ্বন্দ্ববোৰৰ প্ৰতিক্ৰিয়াবোৰ প্ৰকাশ পাইছিল।

অসম উপত্যকাৰ অধিবাসী (থলুৱা) সকলৰ সৰহভাগেই অসমীয়া ভাষী আৰু সুৰমা উপত্যকাত অসমীয়াভাষী নাই বুলিলেও হয়। আনহাতে সুৰমা উপত্যকাত আশী শতাংশৰো সৰহ বঙ্গালী ভাষী হোৱাৰ উপৰিও— অসম উপত্যকাতো বঙালী ভাষীৰ সংখ্যা একেবাৰে উলাই কৰিব পৰা বিধৰ নাছিল। কুৰি শতিকাৰ প্ৰথম দশক মানৰ পৰা পূৰ্ববঙ্গৰ আৰু চিলেটৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ কৃষকসকলৰ প্ৰব্ৰজনৰ সোঁত বাধাহীন গতিত চলি আছিল। এনে অভিবাসীসকলৰ মাতৃভাষা বঙালী আৰু সৰহভাগৰেই ধৰ্ম মুছলমান আছিল।

এনে পৰিস্থিতিত ব্ৰহ্মপুত্ৰ উপত্যকাৰ থলুৱা অধিবাসী (যাৰ সৰহাংশে ধৰ্মত হিন্দু আৰু অসমীয়া ভাষী) সকলৰ মনত সংশয়ৰ ভাব উদয় হৈছিল।

দুয়ো উপত্যকাৰ অৰিয়া-অৰিৰ বাবে শিক্ষা আৰু আন আন বিষয়ত উন্নতিৰ হানি হোৱা বুলি পিছৰ কালত সকলোৱে অনুভৱ কৰিছিল।

পোনতে ভাষা বা সংস্কৃতি আদিৰ ক্ষেত্ৰত নামনি আৰু উজনি অসমৰ থলুৱা অসমীয়া সকলৰ মাজত অমিল থাকিলেও ওপৰত বৰ্ণোৱা পৰিস্থিতি যিমানে প্ৰকট হৈ আহিবলৈ ধৰিলে সিমানে "অসমীয়া জাতিৰ স্বাৰ্থত" এনে অমিলৰ কথা তল পৰিবলৈ ললে। ১৯৩১ চনৰ লোক পিয়লত অসমত অসমীয়া ভাষীৰ সংখ্যা মুঠ জনসংখ্যাৰ ৩১·০৮ শতাংশ আছিল। (চিলেট

জিলাখন, দেশ দুভাগ তথা স্বাধীন হোৱাৰ পিছত, ভাৰত তথা অসমৰ পৰা ছিন্ন হৈ পাকিস্থান তথা পৰবৰ্তী বাংলাদেশৰ সতে লগ লগাত চিলেটহীন অসমত ১৯৫১ চনৰ লোকপিয়ল মতে অসমীয়াভাষীৰ সংখ্যা হলগৈ ৫৬'৭ শতাংশ।)

পৰবৰ্তী কালত দেখা যায় যে ১৮৭৪ চনত অসমৰ লগত চিলেট সংযোগ হোৱাৰ ফলত তথাকথিত "বৃহত্তৰ বাংলা"ৰ ধাৰণাৰ বিৰুদ্ধে অসমীয়া জাতীয়তাবাদী ধাৰণাই, অসমীয়া মধ্যশ্ৰেণীৰ মানসত খোপনি পোতে। *

অসমৰ মধ্যবিত্তৰ অগ্ৰনী চামে ব্ৰিটিছ শাসনক আদৰণি জনাইছিল। তেওঁলোকে আশা কৰিছিল যে অসম হাবি গুচি ফুলনি হ'ব, ইয়াত শিল্প বিস্তাৰ হব। অৰ্থাৎ আহোম ৰাজত্বত দীৰ্ঘকাল ধৰি চলা আৰ্থসামাজিক স্থবিৰতাত আবদ্ধ সমাজখনে আধুনিক কালৰ সা-সুবিধা সুযোগ গ্ৰহণ কৰি ব্ৰিটিছ ৰাজত্ব কালত উন্নতি কৰিব।

আহোম ৰাজত্ব আৰু ব্ৰিটিছ ৰাজত্বৰ কাল দুটাৰ, আগৰটোত স্থবিৰ আৰু পিচৰটোত গতিশীল অৰ্থনীতিয়ে ক্ৰিয়া কৰিছিল। এই ক্ষেত্ৰত দুয়ো ৰাজত্বৰ মাজত আকাশ পাতাল প্ৰভেদ আছিল।

আহোম ৰাজত্ব কালত সমাজ পদ্ধতিৰ মাজত যি উৎপাদনী ক্ৰিয়াকাণ্ড চলিছিল—তাৰ লগত বজাৰ বা পণ্যৰ কোনো সম্পৰ্ক নাছিল। মানুহে উৎপাদন কৰিছিল নিজৰ পৰিয়ালৰ ধৰাবন্ধা প্ৰয়োজন পূৰণ কৰিবৰ বাবে। এনে উৎপাদন পণ্য-উৎপাদন মূখী নাছিল। তেনেকৈ বনুৱাই হয় গোলাম বা বন্দী হিচাপে নাইবা পাইক প্ৰথাৰ বাধ্যবাধকতাত পৰি শ্ৰম কৰিছিল। তেনে শ্ৰমৰ লগত মজুৰী-ধন অৰ্জা (Wage earning) শ্ৰমৰ প্ৰভেদ আছে। শ্ৰমৰ ক্ষেত্ৰত ধন বা মজুৰি অৰ্জাটোৱে ভালদৰে কুশলী শ্ৰম কৰিবলৈ উদগনি যোগায়। ব্ৰিটিছ ৰাজত্বৰ অৰ্থ নৈতিক ক্ৰিয়াকাণ্ডত মজুৰি ধন অৰ্জা (Wage earning) বনুৱাইহে খাটিছিল।

---

* ১৯০৫ খ্ৰীঃৰ অক্টোবৰৰ মাজভাগত পূৰ্ববঙ্গ আৰু অসম, দুয়োকো চামিল কৰি এখন নতুন প্ৰদেশ গঠিত হ'ল। বঙ্গদেশত ইয়াৰে বিৰুদ্ধে বঙ্গভঙ্গ আন্দোলন হৈছিল যদিও অসম আৰু অসমীয়াৰ মাজত এই আন্দোলনৰ প্ৰভাব সামান্য। অথচ সেই নব্যগঠিত প্ৰদেশখনত বঙালীভাষীৰ বিপুল সংখ্যাধিক্য হৈছিল। পিছত আকৌ অসমক বেলেগ প্ৰদেশ কৰি আগৰ দৰে ৰখা হ'ল।

শ্ৰম আৰু উৎপাদনৰ ক্ষেত্ৰত অসমৰ পুৰণি সমাজত থকা দৃষ্টিভঙ্গী আৰু অভ্যাসৰ কাৰণটো যে আহোমৰাজত্বৰ সমাজব্যৱস্থা এই কথা চৰ্চা কৰাটো নিশ্চয় স্বৰ্গদেউসকল আৰু পুৰণি সমাজৰ প্ৰতি অশ্ৰদ্ধা প্ৰদৰ্শন হব নোৱাৰে। কিন্তু আগতে উল্লেখ কৰা অগ্ৰনী মধ্যবিত্ত সকলৰ পিচৰ চামৰ মাজত—অতীতত যি আছিল সকলো নিখুঁত আৰু ভাল বোলা, সিবোৰৰ দুৰ্বলতা বোৰ ঢাকি অতীত গৌৰৱৰ ঢোল কোবোৱা অতীতমুখী জাতীয়তাবাদী চিন্তাই অসমীয়া সমাজখনক সংকীৰ্ণ আৰু হীনমন্য কৰি ৰাখিছিল, ফলত—পিছৰ বহুকাললৈকে বহিৰাগতৰ সতে থলুৱাই কৰ্মত ফেৰ মাৰিবলৈ উদ্যম পোৱা নাছিল বুলি ধাৰণা হয়। তথাপিও কব লাগিব যে ঐতিহাসিক পটভূমিত, দেখাত ব্ৰিটিছ সমৰ্থক যেন লাগিলেও এই অগ্ৰণীসকলে দৰাচলতে অসম আৰু অসমীয়াৰ যথাযথ উন্নতি বিচাৰিলেও বাটদেখুৱাব পৰা নাছিল যেন লাগে। অবশ্যে তেখেত সকলৰ এচামে বহিৰাগত ব্যৱসায়ী, আৰু শিল্প কৰ্মত নিয়োজিত সকলৰ পৰা আমাৰ শিকিবলগীয়া বহু কথা আছে বুলি বাৰে বাৰে সকিয়াই দিছিল।

চাহবাগিছাত কাম কৰাৰ বাবে উজনিত থলুৱা বনুৱা আগতে পোৱা নগৈছিল। কিন্তু নামনি অসমৰ কিছু জনজাতি সম্প্ৰদায়ৰ লোকে ধন আৰ্জিবলৈ চাহবাগিছালৈ আহি কাম কৰিছিল।. পিছলৈ চৰকাৰৰ পৃষ্ঠপোষকতাত চাহবাগিছাৰ মালিক (সিবোৰৰ প্ৰায় ৯০ শতাংশই ব্ৰিটিছ আছিল) সকলে ভাৰতৰ আন আন ঠাইৰ পৰা পিচপৰা শ্ৰেণীৰ লোক অনাই চাহখেতিত বনুৱা নিয়োগ কৰিছিল। তাৰ কাৰণ এইটো নহয় যে থলুৱা সকলৰ মাজত দুখীয়া পিচপৰা লোক নাছিল।

অকল সাধাৰণ বনুৱাই নহয়, কাৰিকৰী কাম, হিচাপৰক্ষকবাবু, চিকিৎসক আদিকো বাহিৰৰ পৰা অনোৱা হৈছিল। কুৰি শতিকাৰ প্ৰথমত (বা উনৈশ শতিকাৰ শেষৰ পিনে) চাহবাগানৰ বাবে পোনতে বোজা কঢ়িওৱা চকালগোৱা গৰুৰ গাড়ীৰ প্ৰবৰ্ত্তন হয়। গৰুৰ গাড়ীৰ চকা সজাব জনা লোকো ইয়াত পোৱা নগৈছিল।

লক্ষীমপুৰ জিলাত অকল চাহবাগিছা তথা চাহশিল্প, কয়লাখনি তেলপুং আদিৰ সুবিধাৰ বাবে ১৯ শতিকাৰ শেহত পোনতে ডিব্ৰুশদিয়া ৰেল লাইন পতা হয়। ইবোৰত কাম কৰিবলৈকেও দক্ষ কাৰিকৰৰ প্ৰয়োজন হৈছিল।

১৩।২।১৮৬৫ খ্ৰী· তাৰিখে গোলাঘাটৰ এগৰাকী চাহখেতিয়ক জৰ্জ উলিয়ামচনে অসমত কাৰিকৰী শিক্ষাৰ বাট মুকলি কৰিবলৈকে (Technical and Industrial bias in education) দহ হেজাৰ পাউণ্ড ধনৰ উইল এখন কৰিছিল। সেই ধনেৰে পঢ়াশলীয়া শিক্ষাৰ লগত চকা-সজোৱা (wheel making) বিত্তাৰপ্ৰশিক্ষণৰ বন্দবস্ত কৰাও হৈছিল। বঙ্গদেশৰ আৰ্হিৰে নাও সজাৰ প্ৰশিক্ষণৰ বন্দবস্ত কৰাও হৈছিল। কিন্তু সেই আৰ্হিৰ নাও জনপ্ৰিয় নহল। গাড়ীৰ চকাৰ দাম জোৰাই প্ৰতি ৫০–৬০ টকালৈ বিক্ৰী হৈছিল। (১৪২) কবলৈ গলে পদ্ধতিগত ভাবে কাৰিকৰী শিক্ষাৰ ইয়ে আছিল পোন প্ৰথম প্ৰচেষ্টা।

পিছত এই কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠানটো ডিব্ৰুগড়লৈ উঠাই লৈ যোৱা হয়। তাত দুই ধৰণৰ কাৰিকৰী শিক্ষাৰ দিহা কৰা হৈছিল। প্ৰথম—গড়কাপ্তানী বিভাগৰ চাবওভাৰচিয়াৰৰ বাবে প্ৰয়োজনীয় শিক্ষা আৰু দ্বিতীয়তঃ কাঠমিস্ত্ৰি আৰু যন্ত্ৰচালক মিকানিকৰ বাবে প্ৰয়োজনীয় শিক্ষা। ১৮৯৫ চনত ডিব্ৰুগড়ৰ ৰেলৰ কাৰখানাত হাতে কামে শিক্ষাৰ দিহা কৰা হৈছিল।

উনৈশ শতিকাৰ শেষলৈকে উলিয়ামচন আৰ্টিজান স্কুলত ৬ জন চাবওভাৰচিয়াৰ আৰু এজন মিকানিক ছাত্ৰ আছিল। শিক্ষাৰ সময় আছিল তিনি বছৰ। (নামনি অসমৰ ৺ব্ৰজনাথ ৰায়চৌধুৰীয়ে : বৰপেটা : এই প্ৰতিষ্ঠানত শিক্ষা সাং কৰি চৰকাৰী চাকৰিত সোমাইছিল।)

পিছৰ কালত যোৰহাটত Technical school (Prince of wales institution , হলেও তাত মাথো কাৰিকৰী শিক্ষাহে (যন্ত্ৰপাতিৰ) দিয়া হৈছিল। ওভাৰচিয়াৰী পঢ়িবলৈ হলে ঢাকালৈ আৰু ডিগ্ৰী (B.E) পাঠক্ৰমৰ বাবে কলিকতা (শিবপুৰ) লৈ যাব লাগিছিল। (দেশে স্বাধীনতা পোৱাৰ লগেলগেহে অসমত পোনপ্ৰথম বাৰৰ বাবে অসমত এনে শিক্ষাৰ বাবে বিত্তালয় আৰু মহাবিত্তালয় স্থাপিত হয়।)

উইলিয়ামচনৰ দৰে মহান দাতাৰ কথা শ্ৰদ্ধাৰে সুঁৱৰিও কব লাগিব যে—শিল্প উদ্যোগ বিকাশৰ সম্ভাবনা চকুত ৰাখিয়ে তেখেতে এনে দান আগবঢ়াইছিল। তেখেত আছিল চাহখেতিয়ক আৰু সেইবাবে শিল্পৰ প্ৰয়োজনত—এনে শিক্ষাৰ ব্যৱস্থা যে দৰকাৰী সেই কথা অনুভব কৰিছিল।

তেনেদৰে খ্যাত চাহখেতিয়ক ব্ৰিগেডিয়াৰ চাৰ্জন বেৰী-হোৱাইট চাহাবে (এখেত আসাম বেলৰে এণ্ড ট্ৰেডিং কোম্পানীৰ এজন ডিৰেক্টৰো আছিল) এখন উইলৰ তথা ইচ্ছাপত্ৰৰ যোগে অসমত চিকিৎসাবিদ্যা শিক্ষাৰ ব্যৱস্থা কৰাৰ বাবে ধনৰ বন্দবস্ত কৰি থৈ যায়। এনে ধনেৰে (দেশ স্বাধীন হোৱালৈকে থকা) অসমৰ একমাত্ৰ চিকিৎসাবিদ্যা শিক্ষাৰ প্ৰতিষ্ঠান ডিব্ৰুগড়ত বেৰী হোৱাইট মেডিকেল স্কুল স্থাপন কৰা হৈছিল। ইচ্ছাপত্ৰৰ চৰ্ত মতে থলুৱা অসমবাসীৰ বা অন্ততঃ দহ বছৰ কাল স্থায়ীভাবে অসমত বাস কৰা বহিৰাগতৰ লৰাছোৱালীহে তাত শিক্ষাগ্ৰহণৰ সুযোগ পাইছিল (১৪৩)। স্বাধীনতাৰ পিছতহে স্নাতক পাঠক্ৰমেৰে অসমত প্ৰথমখন মেডিকেল কলেজ খোলা হয়।

ইয়াৰ আগলৈকে কাৰিকৰী শিক্ষাৰ দৰে চিকিৎসাবিদ্যা শিক্ষাৰ বাবেও বঙ্গদেশৰ ঢাকা বা কলিকতালৈ অসমৰ ছাত্ৰ নগলে নহৈছিল।

ইবোৰ প্ৰতিষ্ঠান স্থাপনৰ আগেয়ে গড়কাপ্তানী, আৰু আন কাৰিকৰী কাম কৰিবলৈকে প্ৰশিক্ষণপ্ৰাপ্ত দক্ষকৰ্মী আৰু উপযুক্ত চিকিৎসক অসমত আটকীয়া আছিল। আনকি তিনি বছৰৰ অধিক কম্পাউণ্ডাৰী কামৰ অভিজ্ঞতা থকা সকলকো যোগ্য চিকিৎসক হিচাপে নিয়োগ কৰিছিল। স্বাধীনতাৰ আগলৈকে পশুচিকিৎসা বিদ্যাশিক্ষাৰ বাবেও ইয়াত ব্যৱস্থা নথকাত বঙ্গদেশলৈকে ছাত্ৰ যাব লাগিছিল।

চৰকাৰী জলপানি নাপালে সাধাৰণ মানুহৰ বাবে এনে শিক্ষা লোৱাৰ সামৰ্থ সৰহভাগৰেই নাছিল।

নামনি অসমৰ মধ্যশ্ৰেণীৰ আকৰ্ষণ আছিল কলিকতা, বা ঢাকাত থকা এনেবোৰ প্ৰতিষ্ঠান। উনৈশ শতিকাৰ শেষৰ পিনে গৌৰীপুৰৰ জমিদাৰে নিজৰ খৰচত কেবাজনকো চিকিৎসা বিদ্যা আহৰণ কৰাৰ বাবে জলপানি দিছিল। সেইসময়ত চাকৰিয়াল, মৌজাদাৰ আৰু মহাজন আদি মধ্যবিত্ত পৰিয়ালৰ পৰা ঢাকা বা কলিকতালৈ গৈ শিক্ষালাভ কৰি অহা চিকিৎসক কেবাগৰাকীৰ নাম আমি পাওঁহক।

ব্ৰিটিছ অহাৰ পিছত অসমত যি কৰ্মযজ্ঞৰ সূচনা হ'ল— তাত যোগ দিবলৈকে থলুৱা উপযুক্ত মানুহৰ তেনেই অভাব আছিল। সেই বাবে বাহিৰৰ বিশেষকৈ চিলেট জিলা আৰু বঙ্গদেশৰ পৰা তেনে মানুহ আহি এনে কৰ্মকাণ্ডত যোগ দিছিল। থলুৱা মানুহৰ তথা মধ্যশ্ৰেণীৰ মনত পৰৱৰ্ত্তী কালত এনে বহিৰাগত সকলৰ আগমণ আৰু সমাজজীৱনত প্ৰতিষ্ঠাৰ পিনে টোৱাই যি ক্ষোভ প্ৰকাশ পাইছিল তাৰ বিপৰীতে এনেবোৰ কথা হিচাপত লোৱাৰ প্ৰয়োজন।

মানৰ আক্ৰমণ, মোৱামৰীয়া আৰু দন্দুৱা দ্ৰোহ আদিয়ে থকা-সৰকা কৰা অসমখনৰ শাসন ভাৰ ব্ৰিটিছে ললে। নতুন নতুন দিশত উন্নতিৰ পথ মোকলালে। এইবোৰ কৰাৰ মূল উদ্দেশ্য যে ঔপনিবেশিক সাম্ৰাজ্যবাদী শোষণ আছিল সি অতি সচা কথা। কিন্তু ইয়াৰ মাজত—আগৰ দিনৰ তুলনাত প্ৰজাহিতকাৰী দিশটোৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা অসমৰ পুৰণি মধ্যশ্ৰেণীৰ কথাক বিদেশী ৰাজৰ ভক্ত বুলিয়েই আওহেলা কৰাটো সমিচীন নহব।

উনৈশ শতিকাৰ শেষৰ দুটা দশকত মানৰ আক্ৰমনতকৈ কোনোগুণে কম ক্ষতিকাৰক নোহোৱা দুটা প্ৰাকৃতিক দুৰ্যোগৰ কথা উল্লেখনীয়। এই দুৰ্যোগত আটাইতকৈ বেছি ক্ষতিগ্ৰস্থ হৈছিল—বিশেষকৈ নামনি আৰু মধ্য অসম।

এটা হ'ল—কলাজ্বৰ মহামাৰী। উল্লেখিত সময়ছোৱাত এই মহামাৰী, লগতে হাইজা, মেলেৰীয়া, বসন্ত আৰু গ্ৰহণী ৰোগৰ মহামাৰীয়ে গাঁওৰ পিছত গাঁও উচ্ছন্ন কৰে। এনে জনহানিৰ পৰিমাণ ভয়াবহ আছিল।

১৮৮৩ খ্ৰী ত গোৱালপাৰা জিলাত কলাজ্বৰ মহামাৰীয়ে দেখা দিলে আৰু সেই দশকটোত জিলাখনৰ কমেও ১৮ শতাংশ আৰু কামৰূপ জিলাত ১.৬ শতাংশ লোক হানি হ'ল। পিছৰ দশকটোত কামৰূপত ৭১ শতাংশ দৰং জিলাৰ মঙ্গলদৈ মহকুমাত ৯ শতাংশ আৰু নগাও জিলাত ২৪.৮ শতাংশ লোক হানি হ'ল। ফলত এই জিলাবোৰৰ জনাকীৰ্ণ এলেকাবোৰ একেবাৰে জনশূন্য হ'ল।

ভূতৰ ওপৰত দানহৰ দৰে ১৮৯৭ খ্ৰী.ৰ ভয়াবহ ভূমিকম্প হ'ল। ১২ জুন ১৮৫৭ ইং তাৰিখে হোৱা ভূমিকম্পৰ ফলত নামনি অসমৰ বিস্তৰ ক্ষতি হ'ল। ব্যাপক ঠাইৰ মাটি কেবাহাতো দ হৈ বহি যোৱাত তাত বাস আৰু কৃষি কৰিবলৈ থলুৱা মানুহৰ বাবে অসম্ভৱ হৈ পৰিল। ফলত মানুহ ভাগিল আৰু এনে এৰাবাৰী-এৰা-ঠাইবোৰ হাবি বননিৰে ভৰি পৰিল। বস্তী মাটি আৰু খেতিমাটি ব্যৱহাৰৰ অনুপোযোগী হ'ল। সিবোৰ জলাহ হাবি হৈ বনৰীয়া জন্তুৰ বিচৰণ ভূমি হ'ল।

সেই সময়ৰ পৰিস্থিতি চৰকাৰৰ ৰাজহ বৃদ্ধিৰ বাটত বাধা স্বৰূপ হৈ পৰিল।

চৰকাৰে এনেবোৰ পতিত মাটিত খেতি কৰিবলৈকে আৰু জনশূন্য ঠাই পুৰাবলৈকে পূববঙ্গৰ পৰা মাটিহীন কৃষকক আহিবলৈ উৎসাহ যোগাইছিল।

মহামাৰী আৰু প্ৰাকৃতিক দুৰ্যোগত জনহীন হোৱা অৱস্থাত চুবুৰীয়া প্ৰদেশৰ পৰা মানুহ আহি বসতি কৰাত থলুৱা মানুহে বৰঞ্চ ভালেই পাইছিল। মাটি ভাঙি আবাদ কৰিবলৈকে নামনি অসমৰ থলুৱা মহাজনে (বিশেষকৈ বৰপেটাৰ) নিজৰ আনকি "হাটীয়াৰ পুঁজি"ধ পৰাও অধিক সুদত এনে নবাগত কৃষক সকলক ধন ধাৰে দিছিল। (১৪৪ ক) কামৰূপৰ যিবিলাক লাখেৰাজ, নিস্পিখেৰাজ মাটিৰ ৰায়ত ভাগি জনশূন্য হৈছিল সিবোৰ ঠাইলৈ নাইবা চিৰস্থায়ী বন্দবস্তীৰ জমিদাৰীত খাজনা সৰহকৈ পোৱাৰ উদ্দেশ্যত গোৱালপাৰা জিলাতো মাটিৰ পট্টাদাৰ বা জমিদাৰবোৰে—এই নবাগত কৃষক সকলক সাদৰিছিল।

লক্ষ্য কৰিলে দেখা যায় যে মাটি আবাদ কৰিব নোৱাৰি পট্টাৰ মাটি চৰকাৰক ওভোটাই দিয়া বা ইষ্টাফা দিয়াৰ পৰিমাণ ক্ৰমশঃ কমি গৈ তেনে মাটি পূৰ্ববঙ্গৰ নবাগত সকলক বিক্ৰী কৰা ঘটনা বৃদ্ধি পাইছিল। কাৰণ থলুৱা কৃষকৰ মাটিৰ চাহিদা কমিলেও নবাগত পূৰ্ববঙ্গৰ কৃষকৰ বাবে সেই মাটিৰ চাহিদা বৃদ্ধি পাইছিল।

তলত দিয়া সাৰণিখনে পৰিস্থিতিটো উপলব্ধি কৰাত সহায়ক হব পাৰে।

ইষ্টাফা দিয়া (Relinquished) মাটিৰ-পৰিমাণ (একৰৰ হিচাপত) (১৪৫)

জিলা	১৯১১-১২ চন	১৯২৭-২৮ চন	১৯৫০-৫১ চন
কামৰূপ	৩৮,৪২৩	৮,৪১২	১৪০
দৰং	১১,৩০৮	৩,৬১৩	৬২
নগাও	২৩,২৬৫	৬,৮৫৫	২৩৩
শিৱসাগৰ	১৬৪৭৮	১১৮৫৬	১০৭৭৩
লক্ষীমপুৰ	১৫০০৩	৯৩৯৮	২৯৬১

(গোৱালপাৰা জিলাৰ মূলতঃ ভূমিবন্দবস্তী জমিদাৰী প্ৰথাৰে থকাত— উল্লেখিত সময়ত ইষ্টাফাৰ পৰিমাণ সংগ্ৰহ কৰিব পৰা নহ'ল.)

চৰকাৰৰ পৰা মাটিৰ পট্টা লৈ আকৌ চৰকাৰক মাটি ওভোটাই দিয়াৰ কাৰণটো থল-সলনি কৰা খেতি পদ্ধতি (shiefting cultivation) একালত থাকিলেও উল্লেখিত সময়ত সি লাহে ২ কমি গৈছিল। তেনে পদ্ধতিৰ সলনি স্থায়ীভাবে বছৰত এটাতকৈ সৰহ খেতি কৰিব পৰা কৌশল আয়ত্ব কৰা থলুৱা কৃষকৰ সংখ্যা বাঢ়িছিল। অৱশ্যে মাটি ইষ্টাফাৰ পৰিমাণ কমাৰ কাৰণ অকল এইটোৱেই নাছিল।

মাটিৰ যিকোনো অৱস্থাতে (খৰাং বতৰ, জলবায়ু, বানপানীৰ কবলত পৰা) যিকোনো সময়তে, মাটি পেলাই নাৰাখি যিকোনো উপযোগী পণ্য শস্যৰ খেতি কৰা অভ্যাস থলুৱা কৃষকৰ নাথাকিলেও পূৰ্ববঙ্গৰ পৰা অহা খেতিয়ক সকলৰ আছিল। সেয়ে ইবোৰৰ মাটিৰ চাহিদা আছিল প্ৰবল।

বাৰীবস্তী আৰু শালি খেতিৰ উপযোগী মাটিৰ হে চাহিদা থলুৱা মানুহৰ বাবে বেচি আছিল। পূৰ্ববঙ্গৰ পৰা আগত খেতিয়ক সকল য'তেই সৰহ ত'তেই মাটি ইষ্টাফা দিয়াৰ পৰিমাণ কম। কাৰণ থলুৱা সকলে উপযোগী নহয় বুলি ভবা মাটি আগতে ইষ্টাফা দিলেও পিছলৈ তেনে মাটি মোল বুজা পূৰ্ববঙ্গীয় খেতিয়কক বিক্ৰী কৰি দি ধন ঘটিছিল। ধান খেতিৰ উপযোগী মাটিতকৈ মৰাপাট খেতিৰ উপযোগী মাটিৰ দাম দুগুণ

আছিল। (১৪৪ খ) য'তেই এই সুযোগ নাছিল তাতেই ইষ্টাফাৰ পৰিমাণ সৰহ। আনকি চৰকাৰৰ পৰা বহুতো অনাখেতিয়ক মধ্যশ্ৰেণীৰ লোকে মাটি লৈ সেই মাটি বৃজন দামত পূৰ্ববঙ্গীয় কৃষকৰ ওচৰত বিক্ৰী কৰা একধৰণৰ ব্যৱসায় কুৰিশতিকাৰ প্ৰথম ৪/৫ দশকৰ ভিতৰত কৰা দেখা যায়। (চৰকাৰী নথীবহী আদি খুচৰি বিশেষকৈ বৰপেটা আৰু দৰং জিলাৰ মঙ্গলদৈ মহকুমাত এই বিষয়ে গবেষণা কৰাৰ থল আছে)

গতিকে পূৰ্ববঙ্গীয় অভিবাসী কৃষক অসমলৈ অহাত অকল যে মহামাৰী মাৰিমৰক আৰু ভূমিকঁপৰ ফলত জনশূন্য হোৱা ঠাইবোৰ জনাকীৰ্ণ হ'ল সিয়েই নহয়, বেহাবেপাৰৰ ক্ষেত্ৰ বাঢ়িল আৰু মধ্যবিত্ত সকলৰ আন আন প্ৰকাৰেও আয়ৰ পথ মুকলি হ'ল।

ড° গুহই কৈছে—"এইটো লক্ষ্য কৰিবলগীয়া যে উনৈশ শতিকাত মধ্যশ্ৰেণীৰ শিক্ষিত সকলে অসমলৈ বাহিৰৰ পৰা বৃজন পৰিমাণৰ দক্ষ লোক সৰহকৈ অহাটো বাঞ্ছা কৰিছিল, সেই সময়ত পৰবৰ্ত্তী কালৰ দৰে বহিৰাগত আতংকত ভোগা নাছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে যদি জনশূন্যতা গুচি স্বাভাবিক জনসংখ্যা এটাৰ সৃষ্টি হলেহে অসমৰ অৰ্থনৈতিক উন্নতি সম্ভৱ—অন্যথাই অসম্ভৱ। (১৪৬)

(It is significant that, in the nineteenth century, the enlighten section of the middleclass welcomed a large scale immigration of productive labour and skill from other provinces into its valley and did not suffer from 'Xenophobia' of the later periods. It was conceived that no economic progress was feasible unless the depopulated condition was restored normaley.")

ব্ৰিটিছ ৰাজত্বৰ এশ বছৰৰ ভিতৰত অসমৰ সমাজ আৰু অৰ্থনীতিৰ ক্ষেত্ৰত যি ধৰণৰ ৰূপান্তৰ হ'ল—সেই কথা আলোচনা অসম্পূৰ্ণ আৰু আধৰুৱা হৈ ৰব যদিহে আমি, অসমৰ খিলঞ্জীয়া তথা থলুৱা অধিবাসীবোৰে সেই ৰূপান্তৰৰ সুযোগ কেনেদৰে লব পাৰিছিল সেই দিশটো, বিচাৰ কৰি চাব নোৱাৰো।

'আসাম বন্ধু', 'মৌ' আদি আলোচনীত উনৈশ শতিকাৰ শেষৰ পিনে এনে ধৰণৰ চৰ্চ্চা কেৱে নকৰা নহয়। কিন্তু অসমীয়া জাতীয়তাবাদৰ যুগৰ

আৰম্ভণিতে অসমীয়া মধ্যশ্ৰেণীৰ মনত আলোড়ন তোলা 'জোনাকী', 'বাহী' আদি আলোচনীৰ পাতত এনে ধৰণৰ চৰ্চ্চা দেখা নাযায়।

নতুন যুগৰ লগত খাপ খুৱাই চলিবলৈ হলে কি, ক'ত, কেনেকৈ আৰু কিয় আমাৰ দুৰ্বলতা হৈ গৈছে তাক বিচাৰি নুলিয়ালে—তেনে দুৰ্বলতাবোৰ আঁতৰাই অসমৰ জনগণে নতুন যুগৰ প্ৰয়োজনৰ সতে ৰজিতা খোৱা পথৰ সন্ধান আৰু শক্তি আহৰণ কৰিব নোৱাৰিব— এনে সঠিক চেতনা সঞ্চাৰ কৰাৰ দায়িত্ব, নিজক লৈয়ে ব্যস্ত, অসমৰ মধ্যবিত্ত শ্ৰেণীয়ে পালন কৰিব পৰা নাছিল যেন লাগে।

অসমীয়া থলুৱা সমাজৰ পিচপৰা অৱস্থাৰ বাবে সম্পূৰ্ণভাবে দোষটো আনৰ ওপৰত জাপি দিয়া— আৰু আবেগপ্ৰবন হৈ অতীতত যি আছিল সিয়েই ভাল ধৰণৰ আছিল— "আমি অসমীয়া নহও দুখীয়া" এনে চিন্তাৰ ফলত অসমীয়া সমাজৰ যথেষ্ট হানি হ'ল।

আহোম ৰাজত্বৰ সময়ৰ আৰ্থসামাজিকনীতি নতুন তথা ব্ৰিটিছ যুগৰ সতে খাপ নোখোৱা আছিল। সমাজ ব্যৱস্থাৰ যি ভিত্তি—সি ব্ৰিটিছ যুগত গঢ় সলালে। আধুনিক ধাৰণাৰে বিচাৰ কৰিলে—দেখা যাব যে আহোম-অসমৰ সমাজ-ব্যবস্থা আৰু আৰ্থ-সামাজিক অবস্থা—পিচৰ যুগতকৈ সময়ৰ জোখত স্থবিৰ আৰু অনুন্নত আছিল। আবেগঅন্ধ উগ্ৰজাতিপ্ৰেমৰ একদিশদৰ্শী অতিশয়োক্তিৰে এনে পিছপৰা অবস্থা গুচাই— আগুৱান হব নোৱাৰি। দুৰ্বলতাবোৰক লৈ গৌৰব কৰাটো বাস্তৱ বিবৰ্জিত কথা।

লোকক দূষি নিজে ভাল হব নোৱাৰি—বৰঞ্চ লোকৰ ভালবোৰৰ আহি লবৰহে নতুন সময়ত প্ৰয়োজন আছিল। বহিৰাগত কৃষক আৰু শ্ৰমিক-সকলৰ পৰা তেওঁলোকৰ পণ্যশস্য উৎপাদনকাৰী শ্ৰমকৌশল আৰু দক্ষতা থলুৱা সকলে আহৰণ কৰাটো আৰু সেইসকলৰ আহিৰে নিজকে সমৰ্থবান কৰি লোৱাটোৰ বাবে উৎসাহ দিয়া প্ৰয়োজন আছিল। গুণভিৰাম (আসাম বন্ধু) গঙ্গা ৰাম চৌধুৰী (অসম বান্ধৱ) আদি বুদ্ধিজীবী মধ্যবিত্তই অসমৰ পিছপৰা অবস্থাজনিত সমস্যাটোক যিদৰে দেখিছিল আৰু তাৰ সমাধানৰ বাবে যি ইতিবাচক দৃষ্টিভঙ্গী লৈছিল তৎপৰবৰ্ত্তী

কালত আন শিক্ষিত বুদ্ধিজীবি সকলে তাক উপলব্ধি কৰিব নোৱাৰিলে। তথাকথিত জাতীয়তাবাদৰ নামত পশ্চাদমুখী অতীতমুখী চিন্তাৰ প্ৰসাৰণ ঘটিল। ফলত জন-সাধাৰণৰ সন্মুখত এটা নেতিবাচক দৃষ্টিভঙ্গীৰ ধাৰণাই ঠাই ললে। ফলত অন্ধআবেগ জড়িত জাত্যাভিমান, আনৰ প্ৰতি অসূৱা আৰু হীনমন্যতাৰ প্ৰাদুৰ্ভাব হ'ল।

আহোম যুগৰ সামন্তবাদী বণিজ বিমূখ-আওপুৰণি পণ্যবিমুখ উৎপাদনী পদ্ধতিৰ বিপৰীতে পিছৰ যুগৰ বণিজ প্ৰধান-পণ্য উৎপাদনী—অৰ্থনীতি নতুনযুগৰ বাবে খাপখোৱা আছিল। ভাৰত মহাদেশৰ কিয় বিশ্বত যেতিয়া নতুন যুগৰ বা-বতাহ প্ৰবাহমান তেতিয়া অসম তথা আহোম-অসমৰ চাৰিবেৰৰ মাজত পুৰণি ব্যৱস্থা ৰৈ থাকিব নোৱাৰে। ইষ্ট ইণ্ডিয়া কোম্পানী আৰু গৌৰীনাথ সিংহৰ মাজৰ ১৭৯৩ খ্ৰী.ৰ চুক্তিখনৰ মূল্যায়ন সেই দিশৰ পৰা নকৰি এগৰাকী মূখ্য অসমীয়া মধ্যবিত্ত বুৰঞ্জীবিদ তথা সাহিত্যিকে লিখিছিল—

"এই সন্ধিপত্ৰৰ দ্বাৰাই স্বৰ্গদেৱ গৌৰীনাথ সিংহই আশংকা কৰা উপদ্ৰব ভয় নিবাৰণ হ'ল সঁচা কিন্তু ইমান দিনে বিদেশী সোমাবলৈ সাহ নোপোৱা কুন্দ্ৰাক্ষৰ জলাটো হ'লে ভোমোলা হৈ পৰিল। এই ভোমোলা জলাইদি বাণিজ্যৰ নাম লৈ ফিৰিঙ্গী বণিক বিলাকে অসম ৰাজ্যলৈ (আহোম-অসম) হো হো কৰে বিদেশী সমাগমৰ সোঁত বোৱাই পঠিয়ালে। * * * ইয়াত (সন্ধিপত্ৰত) যি ছিদ্ৰ থাকি গ'ল, সি যে আমাৰ কিমান হানি কৰিলে তাক ভাবিয়েই মূৰ ঘূৰি যায়। আমাৰ আৰ্থিক অবস্থাত ই ৰাম টাঙোন বছুৱালে। বুদ্ধি-সন্ধি উৎসাহ উদ্যমত মাৰ্ঘাত মাৰিলে। (১৪৭) ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ দিনত যি অসমীয়াই ৫০ মাইল দূৰলৈকে গুলী মাৰিব পৰা বৰতোপ সাজিব পাৰিছিল, সেই অসমীয়াই এতিয়া বঙালহাট বা হাদীৰাচকীত থকা য়ুৰোপীয় সদাগৰৰ পৰা হাতনলীয়া হিলৈ কিনিয়েই সন্তুষ্ট থাকিব লগা হ'ল—"ইত্যাদি। (এতিয়ালৈকেও এনে শক্তিৰ বৰটোপ ওলোৱাই নাই!)

এটা চামৰ মধ্যবিত্তই অসমৰ বেহাবেপাৰ আৰু কৃষি উৎপাদনৰ বহিৰাগতৰ হাতত হোৱা উন্নতি আৰু থলুৱা সকলৰ এনে ক্ষেত্ৰত থকা

স্থবিৰতা জনিত অনগ্ৰসৰ ভূমিকাত চিন্তিত হৈ অকল আনক দোষ দিয়েই ক্ষান্ত নহৈ—নতুন উৎপাদন প্ৰণালী আৰু কৌশল, বেহাবেপাৰৰ ক্ষেত্ৰত উদ্যম আদি লোৱাৰ বাবে ৰাইজক সজাগ কৰাৰ চেষ্টা কৰিছিল। নামণি অসমৰ মধ্যশ্ৰেণীৰ মাজত এনে ধৰণৰ চিন্তা সৰহ যেন লক্ষ্য কৰা যায়। অম্বিকাগিৰীয়ে চেতনাত লিখা কেতবোৰ প্ৰবন্ধত এনে চিন্তা পোৱা যায়। এই শ্ৰেণীৰ মধ্যবিত্তই অতীতত থকা কেৰোণ আৰু দুৰ্বলতাবোৰৰ বিষয়ে বৰকৈ চৰ্চা চিন্তা নকৰিলেও আগত দিনত কি কৰিব লাগিব বা বহিৰাগত বণিক আৰু কৃষকৰ সতে থলুৱাই প্ৰতিযোগিতাত অবতীৰ্ণ কিদৰে হব পাৰিব তেনে চিন্তা কৰাও দেখা যায়। অসমবান্ধব, চেতনা 'আদি আলোচনী কুৰিশতিকাৰ প্ৰথম তিনি দশকলৈ প্ৰচলিত। অনুমান কৰা যায় যে এই সময়তেহে নিজৰ অভিজ্ঞতাৰে এনেবোৰ কথা অনুভৱ কৰিবৰ বাবে এই চাম মধ্যবিত্ত বাধ্য হয়।

অসমত আগেয়ে (থলুৱা কৃষি প্ৰণালীত) কৃষি সঁজুলিবোৰ অনুন্নত আছিল। কৃষি কৰ্মত ব্যবহৃত পশুধনো নিশকতীয়া আছিল। সাৰ প্ৰয়োগ আৰু কৃষিভূমি প্ৰস্তুতি পদ্ধতি অনুন্নত আছিল। সৰহ কায়িকশ্ৰম নকৰাকৈয়ো যে হাবিত হোৱা কিছুমান সম্পদ বণিজ বা বজাৰত মূল্যবান পণ্য হব পাৰে সেই কথা নাজানিছিল। জলসিঞ্চন বা জলনিস্কাষণৰ ব্যৱস্থা লোৱা নাছিল বা বান্ধ বান্ধি বানপানীৰ পৰা কৃষি ৰক্ষাৰ উন্নত উপায় লোৱা নাছিল। ফলত ঘনাই শষ্য হানি আৰু আকাল হৈছিল। বছৰত দুটাকৈ বা এটাতকৈ সৰহ খেতি কৰিব নোৱাৰিছিল। ফলত ১৮৫১ চনত আকালত কামৰূপ আৰু দৰঙত মানুহে নিজৰ বয়বস্তুৰ বাহিৰেও আনকি নিজৰ লৰাছোৱালীকো অভাৱৰ তাড়নাত বিকিবলৈ বাধ্য হৈছিল। সেইবাৰে মিলচ চাহাবে প্ৰতিবেদনত উল্লেখ কৰিছিল যে চৰকাৰে য়ুৰোপ আৰু উত্তৰ ভাৰতৰ পৰা যথেষ্ঠ সংখ্যাক কৃষিকৰ্মত পাৰ্গত লোক অসমলৈ অনাই, ইয়াৰ মানুহক উন্নত খেতি বাতিৰ সকলো কথা শিকাব লাগে। আনকি ভাল সচৰ বলদ গৰু বঙ্গদেশ বা উত্তৰ ভাৰতৰ পৰা অনাব লাগে। ঢেকিয়াল

ফুকনে আৰু শংকা প্ৰকাশ কৰিছিল যে—বোপাককাঁৰ দিনৰে পৰা চলি অহা আওপুৰণি সংস্কাৰৰ ফলত এনে নতুন কথাবোৰ এচাম থলুৱা কৃষকে গ্ৰহণ কৰাত বাধা হব পাৰে। ১৮৫৩ খ্ৰীঃ আনন্দ ৰাম ঢেকিয়াল ফুকনৰ এনে জনমূখী দৃষ্টিভঙ্গী (১৪৮) তেওঁৰ পৰবৰ্ত্তী যুগৰ শিক্ষিত মধ্যবিত্তৰ মাজত ৰবকৈ দেখা নাযায়।

কিন্তু এই কথা লক্ষ্য কৰিব পাৰি যে বহিৰাগত কৃষকৰ পৰা খেতি-বাতি সম্পৰ্কে, কিদৰে পণ্যশষ্য উৎপাদন কৰিব পাৰি—এনে জ্ঞান পৰৱৰ্তী কালত বহুত ঠাইত থলুৱা কৃষকে আহৰণ কৰিব আৰম্ভ কৰিছে।

১৯১১ চনমানলৈ অসমৰ কৃষিৰ অবস্থা সম্পৰ্কে ড° হীৰেণ গোহাঁইয়ে কোৱা কথাখিনি এই প্ৰসঙ্গত উল্লেখনীয়। (১৪৯)

"অসমৰ পৰিস্থিতি আছিল বহু বেলেগ। নতুনকৈ মাটি ভাঙি লোৱাতকৈ খাজনাৰ আহুকাল এৰাবলৈ মাটিৰ স্বত্ব এৰি দিয়াৰ দৃষ্টান্তহে বোধহয় সৰহ হব। ফলত দেখা যায় ১৯১১ চনৰ Census Report মতে গোৱালপাৰা জিলাৰ সৰ্বমুঠ মাটিকালিৰ মাত্ৰ শতকৰা ১৯ ভাগত খেতি কৰা হয়, কামৰূপৰ শতকৰা ২২ ভাগ মাটিত, শিবসাগৰৰ শতকৰা ১৭ ভাগ মাটিত আৰু দৰং জিলাৰ শতকৰা ১৪ ভাগ মাটিতহে খেতি কৰা হয়। (পৃঃ ৩) অসম উপত্যকাৰ কমিশ্যনাৰ আৰু সকলো স্থানীয় ৰাজহ বিভাগৰ বিষয়াৰ মতে অসমীয়া খেতিয়কে কৃষি শতিকাৰ প্ৰথম দশকত নিতান্ত প্ৰয়োজনতকৈ বেচি মাটি চহাবলৈ মুঠেই ইচ্ছা প্ৰকাশ কৰা নাছিল। (Assam District Gazetteers: Nowgong. 1905 p.164)। খেতি কৰা মাটিৰ নাম মাত্ৰ এটা অংশতহে দুটা খেতি হৈছিল। কামৰূপতে (খেতিৰ মাটিৰ শতকৰা ৬ ভাগ মাত্ৰ) তাৰ মাত্ৰা আছিল সৰ্বাধিক। নগদ ধন পোৱা, বজাৰৰ বাবে কৰা শষ্য আছিল মৰাপাট (খেতিৰ মাটিৰ শতকৰা ২ ভাগ) আৰু সৰিয়হ (খেতিৰ মাটিৰ শতকৰা ৮ ভাগ)। নতুন শষ্য, উন্নত বীজ, নতুন কৃষি পদ্ধতি গ্ৰহণ কৰিবলৈ প্ৰজাক দেখা নগল। ১৮৮১ ৰ পৰা ১৯১১ চনলৈ সকলো Census Report, Gazetteer ত দেখুৱা মতে শালিধানৰ

উৎপাদন গড়ে ৪।৫ মোনতকৈ বেচি হোৱা নাছিল। +++ ফলত কৃষি আগৰ দৰে "আকালো নাই ভঁৰালো নাই" বিধৰ গৃহস্থী ধৰ্মী (domestic) আৰু অনুন্নত হৈ আছিল। +++ ১৯০৯ চনৰ 'উষা' আলোচনীত উন্নত, বিজ্ঞান সম্মত কৃষিৰ অভাৱত যে উৎপাদন তাকৰীয়া আৰু প্ৰজাৰ অৱস্থা দুৰ্বল হৈ আছে উল্লেখ কৰা হৈছে (পৃ: ৬১,৯১)। কোৱা হৈছে যে আসাম উপত্যকাৰ প্ৰতিখন জিলালৈ বছৰি ৪।৫০০ মোন ধান আমদানি হয় (পৃ: ৮৯) +++

"উল্লেখযোগ্য যে ১৯০২ চনত শিৱসাগৰ জিলাৰ মুঠ মাটি কালিৰ শতকৰা ৫৯ ভাগেই আছিল পতিত। অকল নগাও জিলাতে কৃষিযোগ্য মাটি উভৈনদী হৈ ছন পৰি আছিল বুলি Gazetteer ত লিখিছে (পৃ: ৬৩)। কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধতহে বহিৰাগত আৰু কৰ্মদক্ষ কৃষকে এইবোৰ ঠাইত বনজংঘল কাটি জান খানি তাত ফচল ফলায়।"

১৯২৩ চনত চেতনাত অসমীয়া জাতীয়তাবাদী বুদ্ধিজীৱী কমলাকান্ত ভট্টাচাৰ্যাই লেখা "অসমীয়া জাতিৰ পীৰি উঠিবনেকি" প্ৰবন্ধত এই অবস্থাত আক্ষেপ কৰি লেখিছে—"আমাৰ অসমীয়া মানুহক কানিয়ে সোৰোপা কৰি তোলাৰ কাৰণে খেতি কৰিবলৈ অৱহেলা হেতুকে আৰু অনেক ভাল বামুণ, গোসাঁই, মহন্ত, ডাঙৰীয়া আদি মানুহে কাম কৰিলে জাত যোৱা অপমানৰ ভয়ত খেতি নকৰি দেশত হাজাৰে হাজাৰে পুৰা মাটি পতিত কৰি ৰখাৰ হেতুকে, বিদেশীয়ে সেইটি খোৰোঙতে নিগজ-গজীয়াকৈ গজি চাৰিওপিনে চাহবাগিচা পাতি মেৰাই ধৰিলে। যিবা কিছু পৰিমাণ ধান খেতি লায়কৰ দ মাটি পতিত জংঘল হৈ আছিল আমাৰ নাতিপুতি বংশ বাঢ়িলে কালক্ৰমে খাব পাৰিব বুলি মনত আশা কৰিছিলোঁইক, তাকো মৈমনছিঙীয়া ডকাইত প্ৰকৃতিৰ মুছলমান মানুহ-বিলাকে টেপাটেপকৈ ভগাই ললেহি।" (১৫০)

অসমৰ পতিত নাটিত বিহাৰৰ পৰা মানুহ অনাই খেতি কৰোৱাৰ কথা কংগ্ৰেছ নেতা ৰাজেন্দ্ৰপ্ৰসাদেও চিন্তা কৰিছিল।

মধ্যবিত্ত বুদ্ধিজীবী জ্ঞাননাথ বৰাই ভাবিছিল যে মৈমনচিঙিয়া প্ৰব্ৰজন-কাৰীয়ে অসমৰ বাবে হানিকাৰক নহয়— আৰু এই সকল কালক্ৰমত

অসমীয়া হোৱাৰ আশা আছে। একে ধৰণৰ মনোভাৱ এটা সময়ত অম্বিকাগিৰীয়েও কৰিছিল।

আনহাতে এইটোৱো লক্ষ্য কৰা যায় যে নিজৰ ব্যক্তিগত আয় তথা স্বাৰ্থৰ বাবে চৰকাৰৰ পৰা মাটি লৈ চ'ৰা হাৰত আধিৰ বন্দবস্তীত অসমীয়া মধ্যশ্ৰেণীয়ে পূৰ্ববঙ্গৰ পৰা অহা খেতিয়ক খেতি কৰিব দিছিল—।

কিয় দিছিল—এই প্ৰশ্নৰ উত্তৰৰ ইংগিত কুৰি শতিকাৰ অন্তিম কালতো কাৰ্বীআলং, নগালেণ্ড আদিৰ উদীয়মান মধ্যশ্ৰেণীয়ে মাটিৰ ওপৰত থকা আইনগত কৰ্তৃত্বৰ সুবিধা লৈ নিজে শ্ৰম-ব্যৱহাৰ নকৰি—অনাকাৰ্বী বা অনা-নগা আন কৃষিকুশলী খেতিয়কক পণ্যশস্য খেতিৰ বাবে লাভজনক (!) চৰ্ত্তত খেতি কৰিব দিয়া মনোভাবৰ মাজত দেখোহক। শ্ৰেণীস্বাৰ্থ এনে সমাজৰ পৰা ওলাই অহা অনাচাকৰিয়াল অনাব্যবসায়ী মধ্যশ্ৰেণীৰ প্ৰায়বোৰৰ আৰ্থিক ভিত্তি হ'ল এয়ে।

অসমত অনাবাদী হাবি জংঘলেৰে আবৃত হৈ থকা মাটি মুকলি কৰি চাহখেতি কৰা হ'ল। এই চাহখেতিৰ মালিকবোৰ হ'ল অভাৰতীয় বা অনা অসমীয়া পুঁজিপতি। মাত্ৰ কেৰখনমান সৰু সৰু বাগিছাহে দুই এটা অসমীয়া মধ্যশ্ৰেণী পৰিয়ালৰ হাতত ৰ'ল। যিহেতু চাহব্যবসায়ৰ মূল নিয়ন্ত্ৰণ অনা-ভাৰতীয় পুঁজীৰ হাতত সেয়ে ইয়াৰ লাভৰ সিংহভাগ অসম তথা ভাৰতৰ বাহিৰলৈ গ'ল।

চাহবনুৱাবোৰো অসমৰ বাহিৰৰ পৰা আহি ইয়াত থিতাপি লোৱা লোক। এমুঠিমান থলুৱা অসমীয়া বাবু মধ্যশ্ৰেণীয়ে ইয়াৰ চাকৰিত সোমাই পৰিছিল। এনে বহিৰাগতসকলৰ লগা বস্তুৰ যোগান ধৰিবলৈকে যি বেহা-বেপাৰৰ ক্ষেত্ৰ প্ৰস্তুত হৈছিল—তাত ঠাই লোৱা অসমীয়া ব্যবসায়ীৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পাৰি।

বৰ্দ্ধিত সমাজৰ প্ৰয়োজন পুৰাবলৈকে নাপিত, ধোবা, মুচি, ইত্যাদি যিবোৰ শ্ৰমজীবিকা—সেইবোৰতো থলুৱা মানুহে ঠাই লব নোৱাৰিলে।

বেহা-বেপাৰ, শ্ৰম, আন জীবিকাবৃত্তিবোৰ, আনকি পণ্যশস্য উৎপাদক কৃষক প্ৰায় সকলোবোৰ (যিবোৰ অভিবাসী তথা আন আন প্ৰদেশৰ পৰা অহা প্ৰব্ৰজনকাৰী (অসমত নিগাজীকৈ থিতাপি লোৱা) সকলৰ হাতলৈ গ'ল, আৰু থলুৱা মানুহখিনি আগৰ পদ্ধতিৰে কৃষিকৰ্মতে আবদ্ধ হৈ ৰ'ল।

থলুৱা মানুহৰ বিকাশত এনে স্থবিৰতাৰ বিপৰীতে অসমত হোৱা সামগ্ৰিক আৰ্থ-সামাজিক বিকাশৰ অগ্ৰগতিৰ ফলত কৃষি শতিকাৰ দুই আৰু তিনি দশকত অসমীয়া থলুৱা মানুহৰ মধ্যশ্ৰেণীৰ চৰকাৰী কৃপাভিক্ষাৰে চাকৰি এটা পোৱা বা অতি বেচি চৰকাৰী আবকাৰী মহলৰ অনুমতি পোৱাটোতে আশা-আকাঙ্ক্ষা সীমাবদ্ধ হৈ ৰ'ল।

সমাজৰ উৎপাদনশীলতাৰ ভিত্তিত থিয় দিব পৰা মধ্যশ্ৰেণীহে সবল হয়। থলুৱা খিলঞ্জীয়া জনসমাজৰ সৰহভাগেই কিয়, প্ৰায় ভাগেই কৃষি নিৰ্ভৰশীল। অথচ তেওঁলোকৰ হাতত থকা কৃষিৰ উৎপাদন আৰু তাৰ পৰা আয় নিতৌ বৰ্দ্ধিত প্ৰয়োজনতকৈ তাকৰ, আন ব্যৱসায়ৰ (Profession) ক্ষেত্ৰতো দুৰ্বল। কাৰবাৰ বেহা-বেপাৰ আদিকো বঢ়াই নিবলৈ (বৰ্দ্ধিত কাৰবাৰৰ পৰিষৰ অনুপাতে) অপাৰগ। গতিকে চাকৰি-বাকৰি, আৰু চৰকাৰৰ পৰা অনুগ্ৰহ যথা আবকাৰী (মদ, ভাং, কাণিৰ) দোকানৰ অনুমতি বিচৰাতে মধ্যশ্ৰেণীয়ে সন্তুষ্ট হৈ ৰব লগীয়া হৈছিল। ওকালতি ব্যৱসায়ৰে অল্প সংখ্যকহে আয়ৰ পথ উলিয়াই লৈছিল। ইতিমধ্যে শিক্ষা প্ৰসাৰণৰ ফলত গ্ৰাম্য সমাজৰ পৰা শিক্ষিত লোক ওলাই এই মধ্যশ্ৰেণীৰ মাজত ঠাই পাবলৈকে একেদৰে প্ৰচেষ্টা চলাইছিল।

আগতে নথকা বহুতো ভোগ্যবস্তুই বজাৰ ভৰি পৰিছিল। নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ তালিকাখন নিতৌ বৃদ্ধি পাইছিল। অভাৱ তথা প্ৰয়োজন পূৰাবলৈ আয় আটকীয়া হৈ গৈছিল। চাকৰিত বাহিৰে—থলুৱাই আন শ্ৰম বা জীবিকাবৃত্তিৰ পথ লবলৈ মানসিক ভাবে প্ৰস্তুত নাছিল।

খিলঞ্জীয়া থলুৱা সমাজৰ এনে হতাশগ্ৰস্থ আৰু দুখলগা অৱস্থাৰ বিষয়ে আক্ষেপ কৰি সেই সময়ৰ বুদ্ধিজীৱী কেইগৰাকীমানে বিভিন্ন কাকত বা আলোচনীত লিখিছিল।

সকলো ধৰণৰ শ্ৰমৰ প্ৰতি বিমুখ, মাত্ৰ বাবু ভদ্ৰলোকৰ চাকৰিহে লাগে, এনে মনোভাবৰ বিপৰীতে চৰকাৰী চাকৰিৰ সংখ্যা অতি তাকৰ আছিল। সেই চাকৰিৰ ক্ষেত্ৰতো—চিলেটী, ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া, বৰ্ণ হিন্দু, মুছলমান আনকি জনজাতি সকলেও নিজৰ নিজৰ বৈশিষ্ট আৰু জনসংখ্যাৰ দাবীত—অবিৰামৰিত প্ৰবৃত্ত হৈছিল।

উপসংহাৰ

আৰম্ভণিতেই নিবেদন কৰিছোঁ যে এই পুথিখনেৰে নামনি অসম তথা অসমৰ মধ্যশ্ৰেণী বা মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ আৰু বিকাশ, গতি-মতি আৰু চৰিত্ৰ সম্পৰ্কে পূৰ্ণাঙ্গ বিচাৰ কৰিব পৰা নাই। ইতিমধ্যে মধ্যবিত্ত সম্পৰ্কে প্ৰকাশিত কেবাখনো মূল্যবান গ্ৰন্থ আৰু প্ৰবন্ধৰ সংপূৰক পুথি হিচাপে ইয়াক লিখা হৈছে। আগৰবোৰত মধ্যশ্ৰেণী বিকাশৰ ক্ষেত্ৰত আৰ্থ-সামাজিক দিশবোৰ চকুৰ আগত লৈ কৰা বিচাৰ ধাৰাৰ প্ৰভাৱ কম। সেই সময়ৰ ৰাষ্ট্ৰ আৰু শাসকসকলৰ উদ্দেশ্য আৰু অনুসৃত নীতিবোৰৰ সম্পৰ্কে অনুধাৱনৰ দিশটো নিৰ্মোহ আৰু অনাবেগিক ভাবে চৰ্চাৰ ক্ষেত্ৰত থকা দুৰ্বলতা আৰু অসম আৰু অসমীয়া জাতি সম্পৰ্কে সামগ্ৰীক বাস্তব ধাৰণাৰ অভাবৰ কাৰণে নামনি অসমৰ বিশেষ পৰিস্থিতি চকুত নপৰা আদি কথা আগৰ পুথিবোৰত লক্ষ্য কৰি তেনেবোৰ দিশ আৰু দৃষ্টিকোণেৰে কেতবোৰ ঘটনা আৰু তাৰ বাখ্যা তুলি ধৰাৰ প্ৰয়াসতে এই পুথিখনৰ উদ্দেশ্য সীমাবদ্ধ।

আনহাতে যিবোৰ কথাই আজি অসমীয়া মধ্যবিত্তৰ চকুত সমস্যা হিচাপে দেখা দিছে—সিবোৰৰ গুৰুত্বপূৰ্ণ কাৰণবোৰ অতীতৰ মাজতে নিহিত থকা কথাৰো ইংগিত দিবলৈ চেষ্টা কৰা হৈছে।

সকলোবোৰ কথাৰ যুক্তিযুক্ততাক গ্ৰহণ-বৰ্জনেৰে উঠি অহা চিন্তাশীল সকলে উচিত দৃষ্টিভঙ্গী লৈ আৰু অধিক গভীৰ তথা ব্যাপক চৰ্চা কৰিলে সি অকল বৌদ্ধিক বা বিদ্যায়তনিক চৰ্চা নহৈ ভৱিষ্যত আৰ্থ-সমাজনীতি ৰাজনীতি অনুসৰণ কৰাৰ বাবে ফলপ্ৰসূ সহায়ক হব বুলি আশা কৰোঁ।

আমাৰ পূৰ্বসুৰী বুদ্ধিজীৱীসকলৰ বহুতে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত অসমৰ ৰাজনৈতিক সামাজিক পৰিমণ্ডলে কেনে ৰূপ লব তাক গমি চোৱাত সফল হৈছিল যেন নেলাগে।

স্বাধীনতাৰ পিছত নাগৰিকৰ মৌলিক অধিকাৰৰ ৰূপ কি হব (ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰ); ব্ৰিটিছ শাসকসকল গুচি যোৱাত আমাৰ অসমৰ ৰাজনৈতিক ভৌগলিক অৱস্থান কেনে হব; অসমৰ বৈচিত্ৰময় ভাষা-সংস্কৃতিৰ পটভূমিত সকলো অধিবাসীৰে সমান অধিকাৰ পূৰ্ণভাবে স্বীকাৰ কৰি লোৱাৰ মাজেদি এটা সুস্থ গণতান্ত্ৰিক বাতাবৰণত ভাষা সংস্কৃতি কিদৰে বিকাশ

হব—এনেবোৰ কথা আগতে চিন্তা কৰা চকুত নপৰে। ইয়াৰ বাবেই সমগ্ৰ বিষয়টো পুনৰ পৰ্য্যালোচনাৰ প্ৰয়োজন।

এই সন্দৰ্ভত ড° হীৰেন গোহাঁই আৰু ড অমলেন্দু গুহৰ সামাজিক ইতিহাস চৰ্চাৰ আহি, মোৰ বাবে আকৰ্ষনীয় হৈছে।

মোৰ চৰ্চাৰ বিষয়টো নামনি অসমৰ পটভূমিত মধ্যবিত্ত-মধ্যশ্ৰেণীৰ বিকাশ সম্পৰ্কে হলেও সময়সীমাটো হ'ল—অসমত ব্ৰিটিছ ৰাজত্বৰ প্ৰথম এশ বছৰ, ১৮২৬ খ্ৰী ৰ পৰা ১৯২৬ খ্ৰী.।

ইয়াৰ পিছৰ সামাজিক ইতিহাস চৰ্চাৰ অৰণ্যে অতি প্ৰয়োজনীয় কামটো সমাধা কৰাৰ বাবে নিশ্চয় নতুন পুৰুষ ওলাই আহিব। অসমৰ সমাজৰ ইতিহাসৰ গতি প্ৰকৃতি সমুচিতভাবে উপলব্ধি কৰাৰ বাবে ১৮২৬ খ্ৰীঃৰ পৰা দেশ স্বাধীন হোৱালৈকে যিবোৰ ঘটনা ঘটিছিল, যিবোৰ প্ৰৱণতাই মূৰ দাঙি উঠিছিল সিবোৰৰ প্ৰভাৱ আজিলৈকে বৈ আছে। স্বাধীন ভাৰতবৰ্ষৰ চৰিত্ৰ আৰু চেহেৰাৰ লগত ৰজিতা খুৱাই অসম, অসমৰ সকলো জনসাধাৰণ আৰু অসমীয়া তথা থলুৱা জাতিবোৰে কিদৰে আগুৱান হব পাৰিছে আৰু কিদৰে আগুৱান হোৱা প্ৰয়োজন তাক ঠাৱৰ কৰিবলৈও এনে অনাবেগিক মোহমুক্ত চৰ্চাৰ প্ৰয়োজন আছে। অসমৰ পূৰ্বসুৰী বুদ্ধিজীৱীসকলৰ ধাৰণা সেই সময়ৰ পটভূমিত গঢ় লৈছিল। বৰ্ত্তমানে পটভূমি সলনি হৈছে। পূৰ্বৰ ধাৰণাবোৰৰ সংশোধনৰ প্ৰয়োজনীয়তাকো বিচাৰ কৰিব লাগিব। আমি লক্ষ্য কৰিবলগীয়া কথাটো হ'ল এই যে অতীত সম্পৰ্কে কিছুমান অবাস্তৱ অতিৰঞ্জিত অথচ মোহাচ্ছন্ন ধাৰণাই পূৰ্বসুৰী সকলৰ কিছুমানৰ চৰ্চাক ৰঙীন কৰিছিল। অতীতৰ সকলো সোণোৱালী, বৰ্তমান ধুঁৱলি-কুঁৱলি আৰু ভৱিষ্যত অন্ধকাৰ—এনে ধাৰণাই, ভবিষ্যতৰ বাবে চিন্তাচৰ্চা কৰোতাসকলৰ বাস্তৱ আৰু মোহমুক্ত চৰ্চাত আউল লগাব পাৰে—সেই বিপদৰ সকিয়নি মনত ৰখা প্ৰয়োজন।

বাস্তৱ আৰু অৰ্থনৈতিক কাৰণবোৰ বাদ দি সমাজৰ ইতিহাস আলোচনা অকল অসম্পূৰ্ণই নহয়, ই বিভ্ৰান্তিবো সৃষ্টি কৰিব পাৰে। এই কথা মনত ৰাখি পুথিখনত বিষয়বোৰ উত্থাপন কৰা হৈছে।

১৯২৬ চনৰ পৰা ১৯৫০ চনলৈ এই ছোৱা সময়ৰ কথা ইয়াৰ পিছত সময় আৰু সুবিধা পালে সুকীয়াকৈ আলোচনা কৰাৰ আশা ৰাখিলো।

—x—

পৰিশিষ্ট

বৰপেটাৰ হাটীয়াৰ পুঁজি আৰু গুৱালকুছিৰ খেলৰ তোল

(চন্দ্ৰ টোকা)

বৰপেটাৰ হাটীয়াৰ পুঁজি

বৰপেটাৰ 'হাটী'ৰ উদ্ভৱ বহু পুৰণি। বৰপেটা সত্ৰ সংগঠিত হোৱাৰ দিনৰে পৰা ই আছে। এনে হাটী পদ্ধতিৰ উদ্ভাৱনৰ কৃতিত্ব বৰপেটা সত্ৰৰ প্ৰথম গৰাকী সত্ৰীয়া ৺মথুৰাদাস বুঢ়াআতাক দিয়া হয়। বৰপেটা সত্ৰৰ গৃহস্থী ভকত সকলৰ দ্বাৰা গঠিত এনে 'হাটী'বোৰ পোনতে সত্ৰপ্ৰতিষ্ঠানৰ বিবিধ সেৱাৰ লগত জড়িত আছিল। লগতে এনে গৃহস্থী সকলৰ জীৱিকা বৃত্তিৰ সহায়ক হোৱাকৈও প্ৰত্যেক হাটীৰে একোটা পুঁজি গঠিত হৈছিল।

অকল মাথোন কীৰ্ত্তনঘৰ বা নামঘৰৰ চৌহদৰ ভিতৰত সত্ৰৰ এলেকা আবদ্ধ নহয়। কীৰ্ত্তন ঘৰৰ চৌহদ বৰপেটা সত্ৰ এলেকাৰ মধ্যস্থ এডোখৰ ঠাইহে। এই সত্ৰৰ এলেকা প্ৰায় এক বৰ্গমাইল ঠাই জুৰি বিস্তৃত। সত্ৰৰ এলেকাৰ বিভিন্ন অংশত সত্ৰৰ গৃহস্থী-ভকত তথা অনুগামী সকলে বংশ-বংশানুক্ৰমে দীৰ্ঘকাল ধৰি বাস কৰি আহিছিল। ইয়াৰ একোটা অংশক 'হাটী' বোলা হৈছিল। এনে মূল 'হাটী' তিনিখন। ইয়াৰ অৰ্থাৎ মূল হাটীৰ আকৌ কেবাটাও অংশত বেলেগ বেলেগ 'হাটী' আছে। হাটীবোৰৰ মাজত সত্ৰৰ নিৰ্দিষ্ট সেৱাৰ লগত জড়িত গৃহস্থীসকলৰ বাসস্থানো আছে। 'হাটী' হ'ল—ভৌগলিক আখ্যা। এখন হাটীত বাস কৰা সকলৰ—সমূহ-ৰাইজক 'হাটীয়া' বোলা হয়। সাধাৰণ অৰ্থত 'হাটী' মানে 'চুবুৰী' 'পাৰা' আৰু 'হাটীয়া' মানে এই 'পাৰা'ত বাস কৰা সংগঠিত সমাজখন—।

এই হাটীৰ সংখ্যা বাইশখন, তাৰে মূল হাটী তিনিখন। প্ৰতিখন হাটীৰে একোটা পুঁজি (fund) আছিল। এনে 'হাটী' বা হাটীৰ লেখীয়া সংগঠন নামনি অসমৰ গুৱালকুছিৰ 'তোল'কো বুলিব পাৰি।

১৯২৯-৩০ চনত The Assam Provincial Banking Enq. Committeeৰ আগত কেইগৰাকীমান বিশিষ্ট আইনজীবী আৰু প্ৰশাসনীক বিষয়াই দিয়া সাক্ষ্যত 'হাটী'ৰ আৰু হাটীয়াৰ পুঁজিৰ উল্লেখ আছে।

সেই সময়ৰ অসমৰ প্ৰবীন আইনজীবী গুৱাহাটীৰ ৺কালীচৰণ সেনে 'হাটী কি?' বোলা প্ৰশ্নৰ উত্তৰ কৈছিল—যে 'হাটী'বোৰ একোকৈ শাৰী শাৰীকৈ থকা লোক বসতি (Something akin to Barrack)। তাত বংশানুক্ৰমিক ভাবে বিভিন্ন পৰিয়ালে বাস কৰে। হাটীয়াৰ পুঁজি কি? (what is a Hati fund) বোলা প্ৰশ্নৰ উত্তৰত কৈছিল যে ই হ'ল হাটীৰ সদস্য সকলক ধন ধাৰে দিয়া পুঁজি। (A loanable fund meant for the members of the Hati.)

বৰপেটাৰ স্থানীয় প্ৰবীন আইনজীৱী আৰু সমাজৰ এগৰাকী লেখৰ ব্যক্তি ৺লোহিত চন্দ্ৰ নায়কে (ৰিপৰ্টত নামটো ভুলতে 'ললিত' বুলি আছে) সাক্ষ্যত কৈছিল—যে এনে বাইশখন হাটীৰ প্ৰতিখনতে দুই বা তিনিহেজাৰ টকাৰ পৰা সাত বা আঠ হেজাৰলৈ হাটীয়াৰ পুঁজিৰ ধন আছিল। এই পুঁজিৰ পৰা বিয়াবাৰু আৰু বেপাৰৰ প্ৰয়োজনত হাটীয়াৰ সদস্য সকলে ধন ধাৰে লব পাৰিছিল। তাৰ সুত বছৰি বাৰ শতাংশ আছিল। প্ৰত্যেক হাটীয়াৰ একোজন 'ভৰালী' আৰু একোজন হিচাপ ৰাখোতা 'মজুমদাৰ' থাকে। এনে হাটীয়া সংগঠনবোৰ স্মৰণাতীত কালৰ পৰাই আছে।

চৰকাৰী বিষয়া, বৰপেটা ৰাজহ সংমণ্ডলৰ প্ৰাক্তন উপ-প্ৰতিসমাহৰ্ত্তা (S.D.C) আৰু হাকিম (Extra Asstt Commisioner) ৺জগন্নাথ বুজৰবৰুৱাই তেওঁৰ সাক্ষ্যত কৈছিল যে ধৰ্মীয় কাম কাজ, সামূহিক উন্নয়ণমূলক কাজত হাটীয়াৰ পুঁজিৰ ধন খৰচ কৰা হয়। ইয়াৰপৰা হাটীৰ বেপাৰীসকলক (সাধাৰণতঃ) ধন ধাৰে দিয়া হয়। হাটীৰ সদস্য নোহোৱা পমুৱা-মাতব্বৰকো কেতিয়াবা মাহিলী পছিশ শতাংশ হাৰ সুদত ধন ধাৰে দিয়া হয়।

উক্ত সাক্ষ্যবোৰৰ পৰা পোৱা তথ্যমতে জনা যায় যে বৰপেটা চহৰত সুদখোৰ ধনী মহাজনৰ সংখ্যা এশজনমান। চহৰৰ জন সংখ্যা বাৰ হেজাৰ

জন। সুদখোৰ মহাজনৰ চাৰিঘৰ মাৰোৱাৰী, বাকী আটাইবোৰে অসমীয়া (থলুৱা)। মহাজনৰ পৰা অসমীয়া মানুহে লোৱা ধাৰৰ সুদৰ হাৰ (মাহিলী ?) দুই শতাংশ—আনহাতে পমুৱাই ধাৰ ললে সেই সুদৰ হাৰ মাহিলী প্ৰতি টকাত ডেৰ বা দুই অনা। কেতিয়াবা এই হাৰ চাৰি অনালৈ বৃদ্ধিও পায়। (এটকাত যোল অনা)। মাৰোৱাৰী সুদখোৰ মহাজন কেইঘৰৰ অৱস্থা পৰি অহা বিধৰ। সেই সময়ত বৰপেটাত এটা 'বৰপেটা কো-অপাৰেটিভ টাউন বেংক' বোলা বেংক আছিল। তাত ৩৫ জন সদস্য আছিল। বেংকটোত থকা জমাধনৰ পৰিমান আছিল তিনি হেজাৰ টকা।

বৰপেটাৰ হাটীয়াৰ পুঁজিত কেৰে ধন জমা নথৈছিল। এই কাৰণে ইয়াক বেংক বুলিব নোৱাৰি। ইয়াৰ আয়ৰ উৎস কি আছিল সেই সম্পৰ্কে পোৱা তথ্যবোৰ হ'ল—

বৰপেটা সত্ৰৰ সমূহ—এই হাটীবোৰৰ হাটীয়াৰ দ্বাৰা গঠিত। হাটীয়াৰ প্ৰতি গিৰীয়ে বছৰি সত্ৰক নিৰ্দ্দিষ্ট সেৱা আগবঢ়োৱাৰ লগতে কৰ দিব লাগে। এই 'কৰ' অকল ধনেই নহয় লগতে চাউল আদিৰে শোধাব লাগে। বৰপেটাৰ তিনিটা গুৰু কীৰ্ত্তনত (শ্ৰীশংকৰদেৱৰ তিথি, শ্ৰীমাধবদেৱৰ তিথি আৰু শ্ৰীমথুৰাদাস বুঢ়া আতাৰ তিথি) হাটীৰ ভকত সকলে সমদলে সত্ৰক 'কৰভাৰ' শোধায়। 'কৰভাৰ' এনে তিথি মহোৎসবৰ অংগ বিশেষ। প্ৰত্যেক কৰ শোধোৱা পৰিয়ালৰ (সত্ৰৰ প্ৰতি থকা নিৰ্দিষ্ট দায়িত্ব আৰু সত্ৰ সংগঠন তথা সমুহৰ সদস্য হিচাপে থকা স্বত্ব) ভাগ থাকে। এনে 'ভাগ' অনুপাতে সত্ৰৰ 'সত্ৰীয়া' আৰু পৰিচালকমণ্ডলী নিৰ্বাচনত অংশ লোৱাৰ অধিকাৰ থাকে। সত্ৰৰ এলেকাত বসবাস কৰা সকলে মাটিৰ খাজনা দিব নালাগে—কাৰণ এই এলেকা নিস্কৰ ভূমি।

হাটীয়াই সমূহীয়া ধৰ্ম্মীয় দায়িত্ব পালন আদিৰ বাবে সত্ৰৰ 'কৰ'ৰ ওপৰঞ্চি ধনো কেতিয়াবা সংগ্ৰহ কৰে। সেই ধনো হাটীয়াৰ পুঁজিত জমা হয়।

আয়ৰ অন্য উৎস হ'ল—ছোৱালী বিয়াৰ সময়ত দৰাঘৰীয়াই কন্যাঘৰৰ গঞাক দিয়া মাননি। (এই মাননিৰ ধন দৰাঘৰীয়াৰ হৈ কইনাঘৰীয়াই দিব পাৰে) সেই ধন হাটীয়াৰ পুঁজিত জমা হয়। ইয়াক "হাটীয়াৰ জেঙা মৰা" বাবদ দিয়া ধন বুলি কোৱা হৈছিল।

আনহাতে সমাজৰ বাবে কিছুমান ৰীতি-নীতি বন্ধা থাকে। এই সামাজিক শৃংখলা ভঙ্গকাৰীৰ ওপৰত দণ্ড বিহে—হাটীয়াই তথা সমূহে। এনে সামাজিক শৃংখলা নামানিলে সমাজৰ পৰা 'আলগ' বা সামাজিক বৰ্জন শাস্তি হব পাৰে। এনে সামাজিক অপৰাধৰ বাবে 'জৰিমনা' কৰা হয়। এনে জৰিমনাৰ ধনো হাটীয়াৰ পুঁজিত জমা হয়। ইয়ো এটা হাটীয়াৰ পুঁজিৰ আয়ৰ উৎস।

হাটীয়াৰ পুঁজিৰ ধন আগতে কোৱা দৰে হাটীয়াৰ সদস্য সকলক ধাৰে দিয়া হয়। প্ৰতি বছৰে বগাগৰ বিহুৰ সাত দিনৰ ভিতৰত হাটীৰ উমৈহতীয়া ঘৰত (হাটীয়াৰ ঘৰ) হাটীয়াৰ সমূহ সদস্যৰ মেল বহি—ধনৰ হিচাপ নিকাচ—নগদ মিলাই লোৱা, প্ৰয়োজনমতে ইয়াৰ বিষয়ববীয়া ভৰালী আৰু মজুমদাৰ সলনি কৰা আৰু খোজাসকলৰ বাবে ধন-ঋণ মঞ্জুৰ কৰা হয়। সেইদিনাই আগতে দিয়া ঋণৰ সুদ-মূলে বা সুদখিনি আদায় লোৱা হয়। এই সুদখিনিৰ ধনো হাটীয়াৰ পুঁজিত জমা হয়।

এনেদৰে বৰপেটাৰ সমুদায় হাটীয়াৰ পুঁজিবোৰত থকা ধন ১৯৩০ চন মানত প্ৰায় আশী হেজাৰ টকাৰ অধিক আছিল। হাটীয়াৰ পুঁজি সেয়ে গণতান্ত্ৰিক পদ্ধতিৰে চলা সমূহ বা সমাজৰ (হাটীৰ) উমৈহতীয়া ধনৰ ভৰাল। কুটিৰ শিল্পৰ প্ৰয়োজনীয় মূলধন, সৰুবেপাৰীৰ লাগতীয়াল মূলধন আৰু সাধাৰণ গৃহস্থীৰ বিয়াবাৰু আদিত লগা ধন হাটীয়াৰ পুঁজিৰ পৰা ঋণ হিচাপে পোৱা গৈছিল। একালত এই পুঁজিৰ ভূমিকা বৰ গুৰুত্বপূৰ্ণ আছিল। পিচৰ কালত মূলধনৰ চাহিদা বৃদ্ধি পোৱাৰ লগে লগে—আৰু এই পুঁজিৰ আটকীয়া সমৰ্থৰ বাবে এনে গুৰুত্ব কমা যেন লাগে।

শুৱালকুছিৰ খেলৰ তোল

শুৱালকুছিত খেলৰ "তোল" হ'ল একোটা খেলৰ একোটাকৈ থকা ৰাজহুৱা পুঁজি। এনে পুঁজি সংগঠন ব্ৰিটিছে অসম অধিকাৰ কৰাৰ আগৰ পৰাই থকা যেন লাগে। বৰপেটাৰ হাটীয়াৰ পুঁজিৰ দৰে এটা খেলৰ ছোৱালীৰ বিয়াত দৰাপক্ষই 'গঞা' ৰাইজক অলপ মাননি নধন দিব লাগে। দৰাপক্ষৰ হৈ কইনা পক্ষই এই ধন দিলেও খেলে গ্ৰহণ কৰে। তেনেদৰে

খেলৰ কোনো লৰাৰ বিয়াটো দৰাঘৰে গঞা ৰাইজক অলপ মাননি ধন দিয়া ৰীতি। সাধাৰণতে (বৰ্ত্তমানত) দৰাৰ ধনৰ পৰিমাণ অধিক আৰু কইনাৰ ধনৰ পৰিমাণ তুলনামূলক ভাবে কম।

গঞা ৰাইজৰ এনে 'খেলৰ তোলৰ' পুঁজিত দায়দণ্ডৰ পৰা ৰাইজে পোৱা ধনো জমা হয়। আগতে সামাজিক শৃংখলা ভঙ্গ কৰা সকলক ৰাইজে আৰ্থিক আৰু আনকি শাৰীৰিক দণ্ডও দিছিল। এনে আৰ্থিক দণ্ডৰ এটা অংশ কেতিয়াবা "সভৰি" (সভাৰ পৰা বোধহয় উৎপত্তি) হিচাপে মেলকী বা উপস্থিত বিচাৰক আৰু ৰাইজৰ মাজত অলপ ১ ভাগ কৰি বাকী অংশ বা সমগ্ৰ দণ্ডৰ ধনখিনি ৰাইজ বা খেলৰ উমৈহতীয়া "তোলৰ পুঁজি"ত জমা ৰাখে। তোলৰ পুঁজিৰ এই ধনেৰে ৰাজহুৱা কাম কাজ যেনে ৰাষ্টা ঘাট মেৰামতি, গঞাৰ সভা উৎসৱ আদিত খৰচ কৰা হয়। অতিৰিক্ত যি ধন জমা ৰয় তাক খেলৰ গঞা ৰাইজৰ ভিতৰতে বিশ্বাসী লোকক বছৰেকীয়া নিৰ্দিষ্ট সুদত ধাৰ হিচাপে দিয়াও হয়।

মাঘ বিহুৰ সময়ত ৰাইজৰ মেল (খেলৰ) বহে আৰু ঋণৰ ধন সুদেমূলে সম্পূৰ্ণকৈ তাত ঋণ লোৱা জনে আদায় দিয়ে। এনে প্ৰথা এতিয়াও চলি আছে।

ধাৰ লওতাজনে ধাৰে লোৱা ধন উপভোগৰ বাবে, ল'ৰাছোৱালীৰ বিয়া, শিক্ষা, চিকিৎসা আদিতো ব্যবহাৰ কৰিব পাৰে নাইবা তাঁত-সূতৰ বাবে সুতা-লেটা আদি কেচামাল কিনিবও পাৰে। সৰু-সুৰা বেপাৰৰ বাবেও ঋণ লব পাৰে। মুঠ কথা কিদৰে এই ঋণৰ ধন ব্যবহাৰ কৰে সেইটো ঋণীজনৰ নিজা কথা। ঋণ দিয়াৰ সময়ত ৰাইজে ঋণ লওতাজনৰ বিশ্বস্ততা বা ঋণ পৰিশোধৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখে।

যিটো সময়ত কৃষক, কাৰিগৰ—কুটিৰ শিল্পজীৱী সকলৰ পণ্য উৎপাদনৰ বা বেপাৰীৰ (সৰু) মূলধনৰ বাবে সুবিধাজনক চৰ্ত্তত ঋণ (বেপাৰৰ বাবে প্ৰয়োজনীয়) পাবলৈ মস্কিল আছিল। সেই সময়ত বৰপেটাৰ "হাটীয়াৰ পুঁজি" বা শুৱালকুছিৰ খেলৰ "তোল"—তেনে ৰাজহুৱা পুঁজি ব্যৱস্থাৰ পৰা (তেনে "হাটীয়া" বা "খেলৰ") সদস্যসকলে পোৱা ঋণৰ ব্যৱস্থাৰ

গুৰুত্ব অধিক আছিল। বেহা-বেপাৰ কুটিৰ শিল্পোদ্যোগ আদিৰ প্ৰয়োজনতেই এনেবোৰ পুঁজি যোগানৰ প্ৰাচীন পদ্ধতিৰ বিকাশ হৈছিল বা প্ৰচলিত আছিল বুলি ধাৰণা কৰিব পাৰি। এই বিষয় সম্পৰ্কে আন আন কুটিৰ শিল্পজীৱী সমাজ বা বেহা-বেপাৰত লিপ্ত সমাজৰ কথা বিচাৰ কৰিলে অতীত অসমৰ পণ্য উৎপাদন আৰু বেহা-বেপাৰ আদিৰ বিষয়ে জনা যাব পাৰে।

(এই চমু টোকাটো প্ৰস্তুত কৰোঁতে (১) The Assam Provincial Banking Enquiry Commiltee 1929-30, Evidence: Vol II, Govt of Assam 1930—PP. 474-478 and 505-506 (২) বৰপেটাৰ হাটী সম্পৰ্কে লিখকে নিজে দেখাশুনা কথা আৰু ৯ জুন ১৯৯৩ তাৰিখে 'অগ্ৰদূত' কাকতত লিখকৰ প্ৰবন্ধ "বৰপেটাৰ হটীয়াৰ পুঁজি আৰু গুৱালকুছিৰ তোলৰ পুঁজি" নামক নিবন্ধটো —লগতে (৩) শ্ৰদ্ধেয় বন্ধু অৰ্থনীতি বিষয়ৰ গবেষক, অধ্যাপক ড° প্ৰবীন চন্দ্ৰ বৈশ্যৰ সতে গুৱালকুছিৰ খেলৰ তোল সম্পৰ্কে হোৱা মোৰ আলোচনা আৰু (৪) বৰপেটাৰ সু-সাহিত্যিক শ্ৰদ্ধাভাজন ৺অৰ্জুন চন্দ্ৰ দাসৰ (শিক্ষক) ৰচিত শ্ৰীমথুৰদাস বুঢ়া আতাৰ জীৱনী (দত্ত বৰুৱা এণ্ড কোং—নলবাৰীৰ পৰা ১৯৫৭ চনৰ জানুৱাৰীত প্ৰকাশিত)—সৰু পুথিখনৰ পৰা সহায় লোৱা হৈছে।)

—×—

পাদটিকা

দুই

পুথি বা সূত্র		পৃষ্ঠা
১।	Anglo Assamese Relations Dr. S. K. Bhuyan : Published by M/s. Lawyers Bookstall	২৭২
২।	হৰকান্ত সদৰামীনৰ আত্মজীৱনী ঃ কুমুদ বৰদলৈ সম্পাদিত ঃ প্ৰকাশক লয়াৰ্চবুকষ্টল	
৩।	অসমৰ নৱজাগৰণ ঃ অনাঅসমীয়াৰ ভূমিকা ঃ ড° হেৰম্বকান্ত বৰপুজাৰী অসম সাহিত্য সভা প্ৰকাশন	৩৫
৪।	১ নং ত উল্লেখিত পুথি	৮১
৫।	An Account of Assam : Francis Hamilton 2nd Edn.	৪৮—৪৯
৬।	The Tai and the Tai Kingdom : Dr. P. Gogoi : 1st Edn. G. U. Publication	৩১৭
৭।	আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত ঃ গুণাভিৰাম বৰুৱা ঃ অসম প্ৰকাশন পৰিষদ ২য় সং	৭
৮।	জমিদাৰকালীন গোৱালপাৰাৰ আৰ্থ-সামাজিক ব্যৱস্থা ঃ ড° অমলেন্দু গুহ	৪
৯।	ঐ	১৮
১০।	ঐ	ঐ
১১।	ঐ	৫৪
১২।	ঐ	৪
১৩।	ঐ	৫
১৪।	৫ নং ত উল্লিখিত পুথি	৩৪
১৫।	ঐ	৩৫
১৬।	বঙালবৈৰী লাচিত বৰফুকন ঃ বুৰঞ্জীৰ সঙ্কুৱা ঃ বেণুধৰ শৰ্মা ঃ	৭৬—৭৭

১৭। ১ নং ত উল্লিখিত পুথি ১৬৯—১৮০

১৮। ঐ ১৭৯—১৮২

১৯। ঐ ২৭৭

২০। ঐ ৩৪০

২১। ঐ ২৭১

২২। জীৱনীমালা : বৰপেটা সাহিত্য সভা : প্ৰসন্নলাল চৌধুৰী লিখিত প্ৰবন্ধ গোবিন্দ ৰাম চৌধুৰীৰ জীৱনী।

২৩। খৰ্নীন্দ্ৰ চন্দ্ৰ বৰুৱা অভিনন্দন গ্ৰন্থ : সঞ্জীব চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধ : কনকচন্দ্ৰ ডেকা সম্পাদিত।

২৪। ৮ নং ত উল্লিখিত পুথি ৫৪

২৫। ৭ নং ত উল্লিখিত পুথি ৭—৮

২৬। ২২ নং ত উল্লিখিত প্ৰবন্ধ

২৭ ৭ নং ত উল্লিখিত পুথি ৫

২৮। ঐ ৬

২৯। ঐ ৮

৩০। ঐ ১৬

৩১। ঐ ১৮

৩২। (ভুলতে (৪৫) বুলি ছপা হৈছে)—**Report on the Province of Assam : A. J. M. Mills : 1853 Assam Pub. Board Edn.** ৩৯০—৩৯৩

৩৩। ৮ নং ত উল্লিখিত পুথি ৪০

৩৪। ঐ ঐ

৩৫। **Social History of Kamrup N. K. Basu Vol II (1st Edn)** ১৭৫

৩৬। ৩২ নং উল্লিখিত পুথি ৬

৩৭। ঐ ৩১৮

৩৮। ঐ ১১

৩৯। ঐ ৩১১

৪০। ৭ নং ত উল্লিখিত পুথি ৮৬
(বিদেশী বুলি ছপা নামটো বিদেহী হব)

৪১। ২ নং উল্লিখিত পুথি

৪২। ঐ

৪৩। ঐ

৪১। ৩২ নং ত উল্লিখিত পুথি ২৫—২৬

৪৫। ঐ (৩২ নম্বৰ চাওক) ১০২

৪৬। Assam Land Revenue Manual Vol. ', 7th Edn.
Introduction : IXi

৪৭। Planter Raj to Swaraj : Dr. A Guha. ৪৯

৪৮। ৪৬ নং ত চাওক IXiX

৬২। ২ নং ত উল্লিখিত পুথি

৬৩। ৪৭ নং ত উল্লিখিত পুথি ৫৪

৬৪। ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা ঃ
ড° ৰমেশ চন্দ্ৰ কলিতা ১৫

তিনি

৬৫। আসাম বন্ধু (ড° নগেন শইকীয়া সম্পাদিত ঃ
অঃ প্ৰঃ পৰিষদ প্ৰকাশিত) ৯৬ আৰু ৪৬৩

৬৬। ২ নং ত উল্লেখিত পুথি

৬৭। ৩ নং ত উল্লেখিত পুথি ৩৭

৬৮। যতীন গোস্বামী সম্পাদিত হেমচন্দ্ৰ গোস্বামী ৰচনাবলী পৃঃ ১৩০ ঃ ৩ নং পুথিৰ পৰা উদ্ধৃত।

৬৯। ৩ নং ত উল্লেখিত পুথি ৩৮
(তুলনামূলক বিচাৰৰ বাবে ইয়াৰ লগতে অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী ঃ দেবেন্দ্ৰ নাথ বেজবৰুৱা ; পৃঃ ৩৩১-২ ; Dr. D. Neog ৰ New Light of the History of Assamiya literature P-334 ; ড° নগেন শইকীয়া সংকলিত—আসাম বন্ধু (৬৫ নংত উল্লিখিত পুথিৰ) ভূমিকা পৃঃ ০৭ ; লগতে পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিৰ ভাষণ—১৯১৭ চন আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ ১৯২৪ চনৰ অভিভাষণ দ্ৰষ্টব্য)

৭০। ৫ নং ত উল্লেখিত পুথি 1963 Edn. ৭

৭১। কোচবেহাৰৰ ইতিহাস, চৌধুৰী আমানতউল্লাখান Reprint 1990 ১০৫

৭২। Early History of Kamrup : K. L. Barua
Dr. Upen Goswami ৰ Study in Kamrupi
Dialect পুথিৰ পৰা উদ্ধৃত

৭৩। Dr. Upen Goswami ৰ

৭৪। Fredric, S. Downs—Missionary and Language controversy নামৰ G. U. Journal (Arts) VoL. XXVII ত প্ৰকাশিত প্ৰবন্ধ, (সম্পাদনা Dr. M. Neog) ১২৬—২৭

৭৫। দেবেন্দ্ৰ নাথ বেজবৰুৱাৰ অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীৰ পৰা উদ্ধৃত।

৭৬। ৩ নং ত উল্লেখিত পুথি ২

৭৭। জীৱনস্মৃতি আৰু কামৰূপী সমাজ ঃ পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামী ৩৩—৩৪

৭৮। প্ৰাচীন কায়স্থ সমাজৰ ইতিবৃত্ত ঃ হৰিনাৰায়ণ দত্ত বৰুৱা ৮৭

৭৯। ৭৭ নং ত উল্লেখিত পুথি আৰু কামৰূপ অনুসন্ধান সমিতিৰ ১২১—১২২
স্মৃতি গ্ৰন্থ (১৯৮৪) আৰু ৩ নং পুথিৰ ৬১

৮০। Descriptive Catalouge of Assamese Munuscript : Hemchandra Goswami : Published by Calcutta University—1930 Edn ৭৮,৯৩,৯৪

৮১। ৭৪ নং ত উল্লেখিত পুথি ১৩৪

৮২। ঐ। (আমেৰিকান মিছানাৰী Wm. ward ৰ ব্ৰনচনলৈ গুৱাহাটীৰ পৰা ৩।১১।১৮৫৪ ইং তাৰিখে লিখা চিঠি) ১৪৯

৮৩। ৭৪ নংত উল্লেখিত পুথি ১৫২

৮৪। ৩ নংত উল্লেখিত পুথিৰ (Selection of Records Govt. of Bengal VIII : Jenkins to Grey—7.12.9854 পৰা উদ্ধৃত।) ৯২

৮৫। ৩২ নংত উল্লেখিত পুথি ৩৬০—৩৬১

৮৬। ৭ নং ত উল্লেখিত পুথি ১৮—১৯

৮৭। ২২ নং ত উল্লেখিত প্ৰবন্ধ

৮৮। ৩ নং ত উল্লেখিত পুথিৰ পৰিশিষ্ট—গ

৮৯। কামৰূপ বুৰঞ্জীৰ আহিলাপাতি পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী ৬৪

৯০। অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী ঃ অসম প্ৰকাশন পৰিষদ ৭৩৬
(১৮৯৪—৯৫ চনৰ সলনি ১৮৯৩—৯৪ চন হব)

৯১। ভোলানাথ দাস ৰচনাৱলী অসম প্ৰকাশন পৰিষদ ১৫১—১০৪
(ভোলানাথ দাসৰ জন্ম ১৮৫৮ চন —মৃঃ ১৯২৯ চন) ২১৫

৯২। স্বাধীনতা সংগ্ৰাম ঃ বিপনচন্দ্ৰ, অমলেশ ত্ৰিপাঠি আৰু বৰুণ দে ঃ নেচনেল বুক ট্ৰাষ্ট—দ্ৰষ্টব্য

৯৩। ৪৭ নং ত উল্লেখিত পুথি ৭৩

৯৪। ১৬ নং ত উল্লেখিত পুথি ৫৮৫—৫৮৭

৯৫। ৭৭ নং ত উল্লেখিত পুথি ১১৪—১১৫

৯৬। ঐ ১২০

৯৭। ঐ ১৪৭

৯৮। ডাক্তৰ দাদাক স্মৰণ কৰি ঃ অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী
(অঃ প্ৰঃ পৰিষদ) ৯২৭

চাৰি

৯৯। **Report from the Province of Assam—M. T. F Mills** ২৮

১০০। ঐ

১০১। ঐ ৯০

১০২। হৰকান্ত সদৰামীনৰ আত্মজীৱনী

১০৩। ৯৯ নং ত উল্লেখিত পুথি ২৭

১০৪। ঐ ৯৭

১০৫। আসাম বন্ধু (অঃ প্ৰঃ পৰিষদ)

১০৬। ৭৭ নং ত উল্লেখিত গ্ৰন্থ ১০৫

১০৭। মোৰ সোঁৱৰণী ঃ পদ্মনাথ গোহাঞি বৰুৱা (অঃ প্ৰঃ পৰিষদ) ৮৯

১০৮। ঐ ৫১

১০৯। অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী ঃ দেবেন্দ্ৰনাথ বেজবৰুৱা
(১৯১১ খ্ৰী. সংস্কৰণ)

১১০। ১০৫ নং ত উল্লেখিত পুথি

পাঁচ

১১১। সাতসৰী অসম বুৰঞ্জী ঃ প্ৰথমখন বুৰঞ্জী ঃ ডঃ সূঃ কুঃ ভূঞা সম্পাদিত

১১২। কামৰূপৰ বুৰঞ্জী ঐ ৪২

১১৩। ঐ ২১

১১৪। ১ নং ত উল্লেখিত পুথি ৫৩

১১৫। ঐ ৩৪০

১১৬। **Early British Relations with Assam : Dr. S. K. Bhuyan** ১৪

১১৭। আসাম বুৰঞ্জী ঃ গুণাভিৰাম বৰুৱা ১ম সংস্কৰণ ঃ অসম প্ৰকাশন পৰিষদ ১৮৯

১১৮। **The North East Fronteer of India**
A Mackenzie—Appendix—A
১১০। কামৰূপৰ বুৰঞ্জী ঃ ড° সূঃ কুঃ ভূঞা | ৩৬
১২০। অসম বুৰঞ্জী ঃ হৰকান্ত সদৰামীন
১২১। গুৰু চৰিত কথা ঃ ড° মহেশ্বৰ নেওগ সম্পাদিত— | ১৭৫
*১২২। আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনচৰিত ঃ গুণাভিৰাম বৰুৱা ঃ
অঃ প্ৰঃ পৰিষদ ১ম সংস্কৰণ * (ছপাত ১১২ হৈ আছে) | ১৫
১২৪। **Accounts of Assam : Francis Hamilton**
১২৫। **Plains Tribals Before Simon Commission : B. K. Basumatari**

ছয়

১২৬। **Transport System and Economic Developement in Assam :**
S. B. Medhi. A. P. Board Publication | ২০
১২৭। ঐ
১২৮। **Comprehensive History of Assam Vol IV**
Dr. H. K. Barpujari | ২৯৭
১২৯। **Transport System and Economic Development in Assam :**
S. N. Medhi (A. P Board) | ৮০
১৩০। ঐ | ১০৫
১৩১। ৪৭ নং ত উল্লেখিত পুথি | **Apendix 3**

সাত

১৩২। **Plains Tribals Before the Simon Commission :**
B. K. Basumatary | ১৫—১৮
১৩৩। অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী অঃ প্ৰঃ পৰিষদ | ৯২৪
১৩৪। অসমত বিদেশী ঃ জ্ঞাননাথ বৰা বি, এল ২য় সংস্কৰণ | ১৯
১৩৬। **The Assam Land Revenue Manual Vol I** | **X,Xi**
I 7th Edn. | আৰু **Xii**
১৩৫। ঐ
১৩৭। ১৩৪ নং ত উল্লেখিত গ্ৰন্থ | ৫১

১৩৮। ৪৭ নং ভ উল্লেখিত পুথি ১০২ পাদটিকা

১৩৯। ঐ ২০৬ পাদটিকা

১৪০। **Home Pol-File No 18 of Poll—1921, F. R. Second half of November 1921 NAI Political History of Assam Vol II** পৰা ৪৮

১৪১। **Political History of Assam Vol II** ৭৭

ন

১৪২। **The Comprehensive History of Assam Vol V** ১৮৩—১৮৬

১৪৩। ঐ ১৮১—১৯২

১৪৪। ক **Assam Banking Enq. Com. Report Vol II 1930.**
১৪৪। খ **g. Bnjarbarua** আৰু **L. Nayak** ৰ সাক্ষ্য ৫০৮—১৭

১৪৫। ১৩৫ নং পুথি Xiii

১৪৬। ১৩১ নং পুথি ৬৭—৭৮

১৪৭। বুৰঞ্জীৰ সফুৰা ঃ অসমত ফিৰিঙ্গী ঃ বেণুধৰ শৰ্মা ১৯২—১৮৩

১৪৮। ১৪২ নং পুথি ৬৩

১৪৮। সাহিত্য আৰু চেতনা ঃ ড° হীৰেন গোহাঁই ৩৭

১৫০। কমলাকান্ত ভট্টাচাৰ্য্যৰ ৰচনাৱলী অঃ প্ৰঃ পৰিষদ ১১৭

— + —

শুদ্ধৱণী

পৃষ্ঠা	পেৰাগ্ৰাফ	পেৰাগ্ৰাফৰ শাৰী	ছপা হৈছে	ছপা হব লাগে
৮	১	৩	ৰাজত্বত কথা	ৰাজত্বত থকা
১১	৪	১	দৰাচলতে ব্ৰিটিছ	দৰাচলতে ব্ৰিটিছে
১১	৬	২	ৰিকাশ	বিকাশ
১৪	৩	৩	(১০)	(১৪)
১৪	৪	৯	revenve	revenue
১৫	১	৪	tands	lands
১৭	২	৮	কৰ্তৃপক্ষৰ সত্ত্বে হিংসাত্মক	কৰ্তৃপক্ষৰ হিংসাত্মক
২১	১	৫	ছয়কুৰি	সাতকুৰি
২৬	১	৩	মধ্যশ্ৰেণীত	মধ্যশ্ৰেণীও
২৯	২	১১	(৪৫)	(৩২)
৩২	৪	২	(৪৮)	(৩৫)
৩৮	১	৩	properry	property
৩৮	২	১	চৰিত্ৰই আছিল ৰজাদিণীয়াৰ	চৰিত্ৰ ৰজাদিনীয়াৰ
৪৬	১	৫	Lasour	Labour
৫৩	১	১	স্ৰৰাজ	ৰাজস্ব
৫৬	১	৫	E.A. ROWLAT, সক আকৰ	E.A. ROWLATT
৭০	৪	৭	ইংৰাজীভাষা।	ইংৰাজীভাষা,
৭৪	৩	১	১৮৯৪-৯৫	১৮৯৩-৯৪
৮৯	১	১	উপস্থিতিও	উপস্থিতিত
১০০	১	১	caurse	course
১০০	২	২	Latter	latter
১০১	১	৪	সস্কৃত	সংস্কৃত
১০৪	৩	৮	কিছু সংখ্যাক	কিছু সংখ্যক
১০৭	২	৫	গঠি নুঠা	গঢ়ি নুঠা
১০৭	২	১৩	সৰিহয়	সৰিয়হ
১১০	৩	২	চোটিয়াৱে	চেটিয়াৱে
১১২	৩	২	Uader	Under
১১৩	৪	২	Ascertained	ascertained
১১৬	১	৬	(১১২)	(১২১)
১২৩	শিৰোনামা দিয়া নাই—		শিৰোনামা হব 'ছয়'	
১৩১	শিৰোনামা		উপসংহাৰ	জনজাতি
১৩৫	১	১৯	Thore	There
১৩৫	১	২০	Special, scholarship	Special scholarship
১৪০	২	৩	এক-চতুৰ্থাংশৰ	তিনি-চতুৰ্থাংশৰ
১৪৩	২	৬	নিহত	নিহিত
১৬৩	২	১০	শ্ৰেণীস্বাৰ্থ	শ্ৰেণীস্বাৰ্থত


ASSAM
Scale 1" = 48 miles
20 0 20 40 60 80 100
Boundaries of Assam:
In 1936
In 1682-1826
HIMALAYAN RANGES
ABORS
MISHMIS
MIRIS
AKAS
DAFALAS
BHUTAN
COOCH BEHAR
COALPARA
KAMRUP
DARRANG
BALIPARA FRONTIER TRACT
SADIYA FRONTIER TRACT
CHUTIYAS
LAKHIMPUR
MORANS
KHAMPTIS
SINGPHOS
PATKAI HILLS
HUKONG VALLEY
NAGA HILLS
NAGA TRIBES
KUBAW VALLEY
MAJULI
NOWGONG
CARO HILLS
KHASIA & JAINTIA HILLS
CACHAR
MANIPUR
SYLHET
MYMENSING
TRIPURA STATE
LUSHAI HILL
TIPPERAH
RUNGPORE
BURMA
R. Brahmaputra
R. Sankosh
R. Manah
R. Barnadi
R. Kapili
R. Subansiri
R. Dhansiri
R. Dikhou
R. Lohit
R. Dibong
R. Noadihing
R. Jamuna
R. Padma
R. Meghna
R. Barak
R. Chindwin
R. Irrawadi
PASIGHAT
SADIYA
BRAHMAKUNDA
SAIKHOWAGHAT
BISA
BENGMARA
DIBRUGARH
NAMRUP
TIPAM
MORAN
NORTH LAKHIMPUR
NARAYANPUR
BISWANATH
CHARDI
DALGURI
KHALLING
MANGALDAI
DEWANGIRI
SINGRI
TEZPUR
NOWGONG
ROHA
SIBSAGAR
RANGPUR
GARGAON
JAKTUNG
TABLUNG
GAURISAGAR
JORHAT
DERGAON
NAMBAR
MARAMUKH
GOLAGHAT
BIJNI
JOGICHOPA
RANGAMATI
GAURIPUR
DHUBRI
NAGARBERA
GOALPARA
ASSAM CHOKY
NALBARI
BARPETA
HAJO
AMINGAON
GAUHATI
PANDU
PALASBARI
DOBOKA
SINGIMARI
TURA
CHILMARI
SHILLONG
CHERRAPUNJI
JOWAI
LUMDING
MAIBONGO
KHASPUR
DUDPATI
SILCHAR
BADARPUR
DIMAPUR
SAMAGUTING
KOHIMA
IMPHAL
TAMMU
DACCA
NARAYANGUNG
COMILLA
AGARTALA
AIJAL
MYITKYINA
MOGAUNG
BHAMO
KENDAT
SHWEBA
TO AMARAPUR AVA


CHANNEL MAP OF
CHAULKHOWA RIVER
1893
Manas R.
Barpeta
Barama
Pagladiya R.
Chaulkhoa R.
Nalbari
Rangia
Puthimari R.
Guwahati
BRAHMAPUTRA RIVER
INDEX
River/Stream
Sand bar
Hills
Location
26° 30
25° 30°
26° 30'
25° 00'
81° 00'
91° 30'

চৌধুরী পদের নিয়োগ পত্র (২৫ সেপ্টেম্বর ১৮৫৪)


জিলা কাছারী নাগর কালেক্টরী এসনাদ শ্রীযুক্ত হেনরী "—
ড্রাইবর সাহেব প্রেসিডেন্সী কালেক্টর জেলা সাবেক মহামেকরপেটা "—
ইতি সন ১৮৫৪ ইংরেজী ২৫ সেপ্টেম্বর মোতাবেক সন ১২৬১ সন তারিখ "—
১০ আশ্বীন

অদ্য শ্রীযুক্ত কালেক্টর সাহেবকে বর্তমান বর্ষের ১৬ সেপ্টেম্বর দাখিল —
নকল রুবকারী অবলোকনে বিদিত হইল যে পরগানে দমকার —
নকন রুবকারী অবলোকনে বিদিত হইনযে পরগানে দমকার —
দাসরাম চৌধুরী গত বন্দবস্তী পিয়ানে মাটী চাপাশী রাখা " —
প্রমান হওয়াতে তাহাকে কার্য্য হইতে বরখাস্ত পূর্ব্বক " —
আমিনের দাখিলি খানি পীয়ান অনুসারে একা সনা স্থ্যাদে —
পরগানা মজকুর বন্দবস্ত হইয়া আগত সনের নতুন বন্দবস্ত " —
জন্য বর্ত্তমান সনে পুনরায় পীয়ান করার ও চৌধুরি " —
কর্ম্মে নিযুক্ত করণার্থে জনেক মাতব্বর এবং কর্ম্মদক্ষ " —
ব্যক্তিকে বাছনি করিয়া জাবেদা মত রিপোর্ট করার আদেশ —
করিয়াছেন তদানুসারে ঐ পরগনা নিবাসী কিম্বা তাহার " —

প্রতিশয় নিকটাবর্ত্তি কোন মাতঃবর ও কর্ম্মদক্ষ "—
[illegible] তাহাদের [illegible]। ঐ পরগনায় তদ্রূপ কোন "—
[illegible] [illegible] [illegible] হইলে এবং তখনা [illegible] "—
নিবাসী রঘুনাথ রায় মহকে ওগ্য সীতামহ "—
আসাম বাজার — আমলে ও পোষ্ট পরগনায় চৌধুরী "—
কর্ম্ম করা ও গত্য সীতা ভোলানাথ রায় ১৮ ৪০ সাল . — .
সর্বকারে [illegible] [illegible] কর্ম্মে নিযুক্ত হইয়া ১০১২ কং স্ব —
বেদনাবরত ঐ কার্য্যের নির্ব্বাহ করা ও সে কালপ্রাপ্ত "—
হওয়ার কিছু কাল পূর্ব্বে [illegible] মজুমদারের পর্ব্বতীসের নিমিত্ত "—
কোন এক মোহান বন্দবস্তৈক প্রার্থীত হইয়া পরে " —
কাল প্রাপ্ত হওয়া ও ঐ এতদ্বারাতে সাহেব কালেক্টর "—
সাহেব রঘুনাথ মজুমদারকে নাবালগ দেখিয়া কোন মহালে "—
শীঘ্র কার্য্য দেওয়ায় ও বনীয়তে পৌঁছিলে মোহান "—
পাইতে পারার প্রদত্ত দেওয়া ও তদনুসারে ও পৌঁছার "—
মুনসেফী সদরআমিন সেবতায় মহরি গীরি কর্ম্মে নিযুক্ত ও "—
রাখা এবানিসের পর এমাকার ফৌজদারীতে মহাবকায় "—
নিযুক্ত হইয়া বাসির সরকারী কর্ম্ম চালানদী। বিবরণে এই "—
চৌধুরি কার্য্যে নিযুক্ত হওয়ার প্রার্থনায় তদ্রূপকার তাঁহাদের "—
নিমিত্ত এতদ্দেশ পত্র প্রাপ্তীত এসে উক্ত সীতার প্রাপ্ত —
হাকিম লোকের সহিত বিবেচনী দুষ্ট বরাহলোক যোগ্যের "—
এব্যক্তি বলগীত পৌঁছিয়াছে এবং কালেক্টর সাহেবের করমীত "—
যে দুই বিষয়ের প্রতি বিবেচনা করিয়া নিযুক্ত করার আদেশ "—
আছে এই দুই বিষয় এব্যক্তীতে বর্ত্তে সর্ব্ব এই এমাকার "—

বাসিন্দা অনেক২ লোকের বাচনিকে এব্যক্তী পূর্ব্বীয় "—
ভদ্র লোকের সন্তান এবং সোপ্রবন্ত প্রকাশ হয় ও "—
এমাকার মুনসেফের সদর আমিনি প্রসন্ন থাকা "—
কালে ঐ সেবতায় মহরি গীরি করিয়া ঐ সেরস্তা একণিকা "—
হওয়ার পর এমাকার জয়েন্ট মাজিষ্টারিতে মহরি গীরি "—
কর্ম্ম করিতেছে এ আমার দুপ্তর গোচরেই উহার "—
[illegible] ব্যবহার উত্তম এবং ঐ কার্য্যে পারগতা "—
ও চতুর্থতা নিজ [illegible] পৌঁছায় উহার সবিকি থাকাতে "—
ওয়াসিল তহশিলের কার্য্যের কদাচিৎ মত [illegible] "—
অতএব উহাকেই ঐ পরগনার চৌধুরি গীরিতে নিযুক্ত "—
করার উপযুক্ত জানিয়া —

আদেশ হইলযে —

[illegible] মজুমদারকে পরগনে দস্তার চৌধুরি কর্ম্মে নিযুক্ত "—
করার মানসে আদেশমত ২০ রেজী চিঠি ও ইস্তেহার "—
সেন্ট এই রুবকারীর নকল সহকারে শ্রীযুক্ত কালেক্টর "—
সাহেবের সমীপে প্রেরণ করা যায় আর বর্দ্ধিবাদ লেকরি "—
নির্মীত অনুসারে পরগনা মজকুর চালি পোযানের বিষয় "—
প্রদান জারী হয় এপর গোবিন্দরাম দাস ও রুদ্রনারায়ণ "—
চৌধুরী ও রানকরাম মহরি ও হরিমন রায় চৌধুরী যে উক্ত "—
পরগনা প্রাপ্তাবস্থায় দরখাস্ত জাত সেরস্তাতে দাখিল "—
করিয়াছিল তাহা নামঞ্জুর ক্রমে নথির সামিলে "—
রাখা যায় আর রঘুনাথ মজুমদারের উক্ত পরগনার চৌধুরি "—
গীরি মঞ্জুর হইলে তদকর্ম্মে অন্য বন্দবস্ত ও তাহাকে "—
বিদায় দেওয়ার বিষয় এমাকার জয়েন্ট মাজিষ্ট্রেট "—
এত্তলা দেওয়া যায় ইতি —

মোকাম [illegible] [illegible] [illegible]
শ্রী [illegible] [illegible]
[illegible] শ্রী [illegible] দাস

ঈশ্বৰৰ সৰ্ব্ব বাক্য :—

[illegible] [illegible] অৰ্থৰ যাহ কাৰ্য্যসাধনৰ অৰ্থে

[illegible] [illegible] প্ৰেৰিত হইছে।

সেই [illegible]

ধৰ্ম্মপুস্তক

তাৰ অন্তভাগ

[illegible] [illegible] প্ৰভু [illegible] [illegible] [illegible] খ্ৰীষ্টৰ

শুভবাৰ্ত্তা।

[illegible] [illegible] অসমীয়া [illegible]।

শ্ৰীৰামপুৰত ছাপা হইল।

ইংৰাজী ১৮১৩ শক।

[পশ্চিমবঙ্গৰ শ্ৰীৰামপুৰ কলেজৰ "কেৰী" লাইব্ৰেৰীৰ পৰা গোটোৱা ফটোকপি]

Indian League Office.

The 31/1/1877

Sir,

I have the pleasure to inform you that you have been elected as a Member of the Indian League.

I have the honor to be
Sir
Your most obdt. servt.
KALIMOHAN DAS
Honry., Secry., Indian League.

[বিদ্রোহী কবি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰসন্নলাল চৌধুৰীৰ ককাদেউতাক বৰপেটাৰ গোবিন্দৰাম চৌধুৰীলৈ (১৮২৬-১৮৯৬ খ্ৰী) ইণ্ডিয়ান লীগৰ সদস্য নিৰ্বাচিত হোৱা খবৰ জনাই সেই সংগঠনৰ সম্পাদকে দিয়া ৩১/১/১৮৭৭ তাৰিখৰ চিঠিৰ প্ৰতিলিপি।]